
# শুভ-বার্তা

অপূর্ব শর্মা



# শুভ-বাৰ্তা

Mahesh Chandra Dev Goswami Library
Acc No. 30531
Date 29/07/04
Nowgong Girls College

অপূৰ্ব শৰ্মা

ষ্টুডেণ্টচ্ ষ্ট'ৰচ
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১



প্ৰতিষ্ঠাতা ঃ নৰেন্দ্ৰ চন্দ্ৰ দত্ত, স্থাপিত ঃ ১৯৪৫

# শুভ-বাৰ্তা

*অপূৰ্ব শৰ্মা*

ISBN 81-7665-134-6

প্ৰকাশক
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেন্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

91.045047/SAR

পৰিবেশক
ভাৰতী বুক ষ্টল
গোলাঘাট-৭৮৫৬২১

© লেখক

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ১৯৮৫
দ্বিতীয় প্ৰকাশ ঃ অক্টোবৰ, ২০০২

প্ৰচ্ছদ
বিষ্ণু তামুলী

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰক
গিৰি প্ৰিণ্ট্ ছাৰ্ভিচ
৯১/এ, বৈঠকখানা ৰোড
কলকাতা-৯

**Shubhā-Bartā** : *A collection of Assamese short-stories by Apurba Sarma, published by Students' Stores, College Hostel Road, Ghy-1, Second Edition : October, 2002,* **Price : Rs. Fifty only.**

*স্বৰ্গত পিতৃদেৱ তিলক চন্দ্ৰ শৰ্মা*
*আৰু স্বাধীনতা সংগ্ৰামত উৎসৰ্গিত*
*তেখেতৰ গৌৰৱময় যৌৱনৰ*
*স্মৃতিৰ উদ্দেশ্যে—*

Mahesh Chandra Dev Goswami Library
Acc. No. 30531
Date 29/10/04
Nowgong Girls College

# সূচীপত্ৰ

১. শুভ-বাৰ্তা/১
২. ততো যুদ্ধায় যুজ্যস্ব/২৭
৩. অন্ধকাৰৰ আলাপ/৫৫
৪. নিনাদ/৬৭
৫. বাহিৰলৈ যোৱা বাট/৯২

**গল্পসমূহৰ ৰচনাকাল ঃ** *শুভ-বাৰ্তা ঃ ১৯৭০; ততো যুদ্ধায় যুজ্যস্ব ঃ ১৯৭২; অন্ধকাৰৰ আলাপ ঃ ১৯৭৫; নিনাদ ঃ ১৯৭৬; বাহিৰলৈ যোৱা বাট ঃ ১৯৭৮।*

# শুভ-বাৰ্তা

# শুভ-বাৰ্তা

*"I am the good shepherd; the good shepherd giveth his life for the sheep."*

এই সময়ত এটা সুৰ বাজি উঠে। খিড়িকিৰ পৰ্দাৰ ফাঁকেৰে নীৰৱ হৈ অহা পোহৰবোৰ লাহে লাহে নিঃশেষকৈ বৈ যায় কোঠাৰ বাহিৰলৈ, বাহিৰৰ পৰা ক্ৰমে দূৰলৈ, কোনো অনিশ্চিত সন্ধানত অন্য ক'ৰবালৈ, যেন মূলবিহীন, অৱলম্বনহীন, নিৰাশ্ৰয়, দিনৰ আলোক-সমুদ্ৰৰ মাজত থাকি যাক ভাব হয় সমূল, দৃঢ়, ইচ্ছাময়, আশ্ৰয়দাতা। আৰু নিঃশব্দে, ধীৰে, নিশ্চিতভাৱে সিহঁতৰ ঠাই পূৰ্ণ কৰি কোঠাৰ শূন্যতালৈ সোমাই আহে পাতল আন্ধাৰ, প্ৰথম দৃষ্টিত দ্বিধা-জড়িত, যেন ক্ষমা-প্ৰাৰ্থী, অথচ স্বৰূপত খল, প্ৰমত্ত, সুযোগ-সন্ধানী। সহজভাৱে এই নিঃশব্দ প্ৰক্ৰিয়াই মনলৈ লৈ আহে গাঁৱৰ গধূলিৰ মলিন ধীৰ-প্ৰবাহী নদীৰ গতি, শূন্য প্ৰান্তৰৰ নিঃসঙ্গ আঁহত গছত সন্ধ্যা-বৰ্ষণ বা দূৰৰ পাহাৰৰ গালৈ নামি অহা ৰহস্যময় ছাঁৰ দৃশ্য। আৰু এই সংগোপন পৰিৱৰ্তনৰ আঘাতৰ লগত আহে ক্লান্ত দেহে জীৰ্ণ ঘূৰ্ণী চিৰিৰে ক্ৰমে ক্ৰমে তললৈ, সীমাহীন গভীৰতালৈ নামি যোৱাৰ বিৱশকাৰী অনুভূতি আৰু, যেন তাৰ বাবেই প্ৰয়োজনীয়, এটা আপাত-গম্ভীৰ অস্থিৰ পৰিৱেশ। বাহিৰত সকলো স্বাভাৱিক থাকে। সময় বিশ্বস্তভাৱে পাৰ হৈ যায়। হঠাৎ কোনো গণ্ডগোল, কোনো সশব্দ দুৰ্ঘটনা, দুঃখ বা সুখৰ চিৎকাৰ, অৰ্থহীন কোনো হৈ চৈ ক'ৰো পৰা ভাহি নাহে। সকলো কাম বা ঘটনা আৰু তাৰ পৰা উত্থিত সকলো শব্দ এটা নিয়মিত পৰ্দাৰ ওপৰলৈ নুঠে। এনেকি বেৰৰ আহাৰ-মৈথুনৰত জেঠিৰ আকস্মিক উল্লাসধ্বনি এটা বন্ধা গতত বাজি উঠি নীৰৱ হৈ যায়। আৰু অন্যদিনৰ দৰেই হাতৰ মুঠিত লাইটৰ চুইচ্‌টো লৈ জ্যোতিষ দ্বিধাগ্ৰস্ত হয়। বাহিৰৰ একাধিক ঔৎসুক্যৰ উপদ্ৰৱ প্ৰতিহত কৰিবৰ বাবে এতিয়াই লাইটটো জ্বলাই দিয়া দৰ্কাৰ। প্ৰথমে বাইদেউ আৰু তাৰ পিছত মাই ভুমুকি মাৰিব আৰু বিস্ময় বা বিৰক্তি সহকাৰে—যাৰ যি মুড্—তাক লাইটটো জ্বলাবলৈ কৈ যাব। বজাৰৰ পৰা সশব্দে প্ৰত্যাৱৰ্তন কৰা দেউতাকে তাৰ কোঠাৰ অন্ধকাৰলৈ চাই তাৰ উপস্থিতি বা অনুপস্থিতি নিশ্চিত কৰিব খুজিব। অলপ পিছত হাতত একাপ চাহ বা দুডাল ধূপকাঠি লৈ বাইদেউ আহি তাৰ কোঠাৰ লাইটটো জ্বলাই দি যাবহি। আৰু তাৰ পিছত আহিব হয়তো আড্ডামুখী জামাল বা হেমেন বা সান্ধ্য-ভ্ৰমণ প্ৰত্যাগত অৱসৰপ্ৰাপ্ত ডি-আই অম্বিকা পাটগিৰি বা বাপৰ কোনো কমৰেড্। কিন্তু লাইটটো জ্বলাব খুজিও, চুইচ্‌টো হাতৰ মুঠিত লৈও সি, জ্যোতিষ, ৰৈ যায়। কাৰণ, এইসময়তে প্ৰায়েই এটা সুৰ বাজি

উঠে। মনৰ ক'ৰবাত, দূৰত, গভীৰত এটা পৰিচিত, প্ৰায়-বিস্মৃত, অৰ্ধ-স্পষ্ট সুৰ—সুৰৰ ধ্বনি নহয়, বৰং অনুভূতি — ধীৰে ধীৰে উদিত হয়। আৰু যেন সেই সুৰৰ পটভূমিস্বৰূপ তাৰ মনত ভাহি উঠে গাঁৱৰ সেইবোৰ ছবি, যি সেই সুৰৰ সমঞ্জস, প্ৰাচীন, শৈশৱসিক্ত, স্মৃতিবহ, কৰুণ আৰু অনুজ্জ্বল ঃ অন্ধকাৰগ্ৰস্ত বিস্তীৰ্ণ প্ৰান্তৰৰ নিৰুদ্ধ হাহাকাৰ শূন্যতা, ম্লান হৈ অহা হেঙুলীয়া পশ্চিম আকাশৰ কৰুণতা, গাঢ় হৈ পৰা ওপৰৰ টুকুৰা মেঘ, চাৰিওফালৰ বিৱৰ্ণ, বিলীন হৈ অহা সেউজীয়া সীমাৰেখা আৰু অন্ধকাৰ প্ৰান্তৰৰ ক্ৰমবৰ্ধিত নিঃসঙ্গতাৰ কৰুণ ভীতিময় স্পৰ্শ।

এই সমস্ত ছবিৰ বেদনাময় আকৰ্ষণ আৰু তাৰ ছাঁৰ দৰে বাহিৰৰ সম্ভাব্য উপদ্ৰৱৰ ভীতিৰ ফলত তাৰ মনলৈ দ্বিধা আহে। নিৰ্জন প্ৰান্তৰৰ দৰেই তাৰ মন ভৰি পৰে গভীৰ বিষণ্ণ শূন্যতাৰে, নিৰুপায় নিঃসহায়তাৰে, ব্যাখ্যাহীন বেদনাৰে। হয়তো সকলো মুহূৰ্ততে তাৰ মনৰ গহনত উপস্থিত থাকে এই নিৰানন্দ চেতনা, সুপ্ত হৈ, চিন্তা, কাম বা অভ্যাসৰ দ্বাৰা নিষ্পেষিত হৈ; আৰু কোনো দুৰ্বলতম মুহূৰ্তৰ আঘাতত মনৰ চৌদিশে, অঙ্গনে-প্ৰাঙ্গণে, সকলো গোপন, সযত্ন কোঠা, সকলো অলিন্দ বিয়পি পৰেহি তাৰ বিহ্বলকাৰী বিৱৰ্ণ ছাঁ।

এটা ৰূঢ় আঘাতত সি চক্ খাই উঠিল আৰু আঘাতটো যেতিয়া মগজলৈ বিয়পি গ'ল সি গম পালে যে বাইদেউ দুৱাৰমুখত থিয় হৈছে আৰু তাক লাইট্‌টো জ্বলাবলৈ কৈছে। হাতৰ মুঠিৰ বিশ্বস্ত বে'ড় চুইচ্‌টো সি টিপি দিলে। পোহনীয়া টেব্‌ল্-লাইট্‌টোৰ পোহৰত সি দেখা পালে বাইদেউৰ হাতত একাপ চাহ। বাইদেউৰ হাতত একাপ চাহ, এই দৃশ্যত চাহকাপৰ পিছত থকা আগ্ৰহ আৰু কষ্টও যেন উপস্থিত আছিল। সম্ভৱতঃ তাৰ চেতনাৰ দূৰ বিষণ্ণ অন্যজগতৰ বিপৰীতে এই সাধাৰণ দৃশ্য যথেষ্ট আবেগসঞ্চাৰী আছিল। জ্যোতিষে তাৰ সাম্প্ৰতিক চক্ বা তাৰ টুকুৰা-টুকুৰ হৈ যোৱা সেই অস্তিত্বহীন অন্য-জগতৰ পৰা মুহূৰ্ততে মুক্ত হৈ আহিল।

"ক'লৈ গৈছিলি তহঁত?" সি অপ্ৰস্তুতভাৱে সুধিলে।

"ক'লৈকো যোৱা নাই। কিয়?" বাইদেৱে চাহকাপ আগবঢ়াই দি সুধিলে। ইমান স্পষ্টতঃ নীৰস আৰু স্পষ্ট-নেতিবাচক বাক্যও বাইদেৱে কিমান সুন্দৰভাৱে প্ৰকাশ কৰে, সি ভাবিলে।

"একো সাৰি-শব্দ নাই ঘৰখনত!" সি তাৰ প্ৰশ্নটো যুক্তিযুক্ত কৰিব খুজিলে আৰু চাহকাপ ল'লে।

"মা গৈছে গোসাঁয়নী জেঠাইদেউৰ তালৈ। মই কাইলৈ পূজাৰ বাবে বুট-মগুখিনি বাছি আছিলো।" বাইদেৱে খবৰ কাগজখন জাপি ক'লে।

"কিহৰ পূজা?" সি বিস্ময় প্ৰকাশ কৰিলে।

বাইদেৱে হাঁহিলে, যেন লজ্জিত, তাৰ পিছত ক'লে, "নাই, শিৱপূজা এভাগ কৰোঁ বুলিছিলো কাইলৈ।"



"অ', হাঃ হাঃ" সি বাইদেউৰ কথাত আমোদ পালে, "ভিন্‌দেউলৈ লিখি দিছ নে নাই? এমাহ আঁতৰত থাকোঁতেই হ'লেই নে পূজা পাতিবৰ?" সি বাইদেউক জোকালে।

"ধেৎ, নহয়, কেতিয়াবাই আগ কৰি থোৱা" বাইদেৱে ক'লে। বাইদেউ নাৰ্ভাচ্, সি বুজিলে। "ইস্ থ, লিখি দিবগৈ লাগে আকৌ, হৈছে....তই চাহকাপ খাই ওলাই যা, মা আহিবই এতিয়া।" পৰিচিত পৰিবেশলৈ, বৰ্তমানৰ মাজলৈ বহুদূৰৰ শৈশৱ-সিক্ত এছাটি বতাহ আহি ক্ষণিকৰ বাবে জ্যোতিষৰ মুখত লাগিছিল।

"ৰতু ক'লৈ গ'ল? এতিয়াও অহা নাই!" সাধাৰণ প্ৰশ্ন, কোনো উৎকণ্ঠা বা দায়িত্বৰ ওজন নাই। সি অন্যমনস্ক হৈ পৰিছিল; কিবা এটা সি ভাবিব খুজিছে, কিন্তু কথাটো স্পষ্ট হৈ মনলৈ অহা নাই, ইতিমধ্যে বোধহয় ৰতুৰ ছবি আহি গ'ল বা তাৰ অনুপস্থিতিৰ উপলব্ধি।

"বাবলুহঁতৰ তাত ক্ৰিকেট খেলিবলৈ গৈছে।"

"কোন বাবলু?" সি পুনৰ সুধিলে। পুনৰ অন্যমনস্কতাৰে। পলৰীয়া ভাবটো সি টানি আনিবৰ চেষ্টা কৰিছে, কিন্তু মনৰ পৰা বাৰে বাৰে এৰাই গৈছে।

"কিয়, বেজবৰুৱাহঁতৰ ল'ৰাটো!" বাইদেৱে ক'লে।

"অ' অ', চিনি পাওঁ" সি ক'লে। বাইদেউ লাহে লাহে ওলাই গ'ল।

ওলাই যাব লাগিল, সি ভাবিলে আৰু বিছনাতে বহি থাকিল। বাহিৰলৈ সি কাণ দিলে আৰু তাৰ ভাব হ'ল যেন তাৰ চেতনা প্ৰবাহতে নহয়, বাহিৰৰ এটা স্তব্ধ প্ৰবাহত বাইদেৱে এটা আঘাত দি থৈ গ'ল। এটা ৰূঢ় আঘাত, আৰু তাৰ পিছতে সকলো স্তিমিত শব্দই সকলো মন্থৰ গতিয়ে ধীৰে ধীৰে পুনৰ্বাৰ উদ্যম লাভ কৰিলে; এটা স্তব্ধ প্ৰবাহ পুনৰ্বাৰ চিৰায়ত পথত অগ্ৰসৰ হ'ল। এতিয়া বাহিৰৰ পৰা বিভিন্ন শব্দ আহিছে। মানুহৰ খোজ কঢ়াৰ শব্দ—জোতা আৰু চেণ্ডেলৰ, সমান বা অসমান তালত, ধীৰ বা দ্ৰুত, ব্যস্ত বা অনভ্যস্ত, তীব্ৰবেগত চাইকেল চলোৱাৰ শব্দ, ৰিক্সা আৰু ঘোঁৰাগাড়ীৰ—হঠাৎ এখন মটৰৰ—নানা ধৰণৰ শব্দ, কথা পতাৰ শব্দ—অনেকটা ভাষা, অনেক ধৰণৰ কণ্ঠস্বৰ, অনেক বিচিত্ৰ আকৃতি— বৃদ্ধৰ, শিশুৰ—হয়তো ৰতুহঁত খেলাৰ পৰা ঘূৰিছে—এনেকি মহিলাৰ, বোধহয় গোসাঁয়নী জেঠাই আৰু পমীহঁত মাক আগবঢ়াই থ'বলৈ আহিল। মা ঘূৰি আহিলগৈ, ওলাই যাব লাগিল, সি আকৌ এবাৰ ভাবিলে আৰু অকস্মাৎ বাইদেউৰ লগত কথা পাতোঁতে অহা অস্পষ্ট ভাবটো এইবাৰ তাৰ মনত পৰিষ্কাৰ হৈ গ'ল। 'চাহকাপ খাই ওলাই যা, মা আহিবই এতিয়া' বাইদেৱে কৈছিল। দুইটা কথাৰ মাজত বাইদেৱে এটা সংযোগ টানিছিল। বোধহয় সচেতনভাৱেই। মা অহাৰ আগেয়ে ফুৰিবলৈ ওলাই যাব লাগে। সঁচাকৈয়ে লাগে নে? মাৰ মন এতিয়াও সহজ হোৱা নাই নে? অন্ধকাৰ কোঠাত গধূলি সোমাই থাকিলে মাৰ মন কি এতিয়াও হাহাকাৰ কৰি উঠে? হয়তো অনৰ্থক, অদৰকাৰী। হয়তো বাইদেৱে অন্যমনস্কভাৱে কৈছিল দুটা অসংলগ্ন কথা,

কাৰণ বাইদেউক নাৰ্ভাচ্ যেন দেখা গৈছিল। জ্যোতিষ বিছনাৰ পৰা নামিল আৰু কাপোৰ পিন্ধিবলৈ ধৰিলে। প্ৰতি মুহূৰ্ততে সি মাকক কোঠাত আশা কৰিলে। কি হ'ল, মা অহা নাই নেকি? বাৰে বাৰে সি কোঠাৰ দুৱাৰৰ ফালে চকু দিলে। মা আহি তাৰ কোঠাত ভুমুকি মাৰিব, বাইদেউ সময়ে-অসময়ে তাৰ কোঠাত সোমাই যাব, এইটোৱে তাৰ নাৰ্ভৰ ওপৰত এটা চাপ দিবলৈ আৰম্ভ কৰিছে।

"এই, ওলাইছ?" জামাল সোমাই আহিল। জ্যোতিষে হঠাৎ এক ধৰণৰ স্বস্তি অনুভৱ কৰিলে।

"ক'লৈ যাবিনো?" সি সুধিলে।

"ব'ল, ব'ল। এ'নী গড়্ডেম্ড্ প্লে'ছ্। এতিয়াই ৰিটায়াৰ্ড্ বুঢ়াবোৰ ওলাবহি।" সুস্পষ্ট বিৰক্তিৰে জামালে ক'লে। আইনাৰ আগত থিয় হৈ জ্যোতিষে চুলি ঠিক কৰিবলৈ ধৰিলে। চুলিবোৰ সৰি পাতল হৈ গৈছে, মানুহটো প্ৰয়োজনতকৈ বেছি শকত হৈছে, মুখখন ফুলি গৈছে, পেটটো বাঢ়িছে, চকুৰ তলত আঙঠি বহিছে। বয়স হৈছে। মনৰ নিৰ্জীৱতা, স্থবিৰতা শৰীৰতো স্পষ্টভাৱে প্ৰতিফলিত হৈছে। চছমাযোৰ খুলি দিলে যিকোনো মানুহে তাক চিনি পেলাব—এটা বুদ্ধিহীন, নিষ্কৰ্মা অপদাৰ্থ। সি হতাশ হ'ল। ক'লৈ যাব ফুৰিবলৈ? সেই প্ৰতি সন্ধ্যাৰ পথ। প্ৰতিটো চিনাকি মানুহ, চিনাকি হাঁহি, চিনাকি উদ্দেশ্য, সুপৰিচিত কথা-বতৰা। জামালৰ উপস্থিতিৰ লগে লগে সি সহজ আৰু আৰাম বোধ কৰিব ধৰিছিল। তাৰ শৰীৰৰ বাবে, স্নায়ুবোৰৰ বাবে, মগজ আৰু মনটোৰ বাবে কিছু আৰামৰ প্ৰয়োজন আছিল। কিন্তু এইমাত্ৰ সুন্দৰ প্ৰভাতৰ প্ৰতিশ্ৰুতি বৰ্ষাৰ মেঘে বিফল কৰাৰ দৰে অৰ্থহীন, ক্লান্তিকৰ এক ম্লান ছাঁই তাৰ মন অন্ধকাৰ কৰি তুলিলেহি। উৎসাহবিহীন, যান্ত্ৰিকভাৱে সি চছমাযোৰ পিন্ধি ল'লে আৰু জামালৰ ফালে ঘূৰিল আৰু সেই মুহূৰ্ততে প্ৰচণ্ড আকস্মিকতাৰে সমস্ত স্বাভাৱিক পৰিচিত সন্ধিয়াৰ অতি আৱশ্যকীয় এটা অস্বাভাৱিকতা—এটা আঘাত—মাইকত সজীৱ আৰু স্পষ্ট ধাতৱ কণ্ঠে কৰা এটা ঘোষণাৰ মাজেৰে চাৰিওফালে কিছুমান অদৃশ্য তৰঙ্গ হৈ বাগৰি গ'ল। 'শ্ৰদ্ধেয় ৰাইজ, অহা কালিলৈ সদৌ অসম সংগ্ৰাম পৰিষদৰ আহ্বানত সমগ্ৰ অসম জুৰি......' গোটেই ঘোষণাটো সিহঁতে কাণপাতি শুনিলে আৰু ঘোষণাটো শেষ হোৱাৰ লগে লগে জ্যোতিষৰ মনটো পাতল আৰু সক্ৰিয় হৈ উঠিল।

"অ' মই পাহৰিয়েই গৈছিলো একেবাৰে! কাইলৈকেতো ২৩ তাৰিখ!" শিশু-সুলভ আনন্দ জ্যোতিষৰ কণ্ঠত ধ্বনিত হ'ল।

"আঁতো, কিয় আজিং কমন্ ৰুমত তো 'অসম-বন্ধ' লৈয়ে বিৰাট ডিচ্কাচন্। তই নাছিলি নেকি?" জামালে বিশেষ গুৰুত্ব নিদিয়াকৈ ক'লে।

"নাই, মই ক্লাছৰ পৰা আহিয়েই লাইব্ৰেৰীত বহিলো।" জ্যোতিষৰ কণ্ঠত তেতিয়াও পাতল আনন্দৰ বেশ, জামালৰ উৎসাহহীনতা সি লক্ষ্য নকৰিলে। সি বোধহয় সামান্যভাৱে উত্তেজিত হৈ পৰিছে। এটা অস্বাভাৱিকতা, এটা পৰিৱৰ্তন, এটা আঘাত সি



অতিৰঞ্জিত কৰি অনুভৱ কৰিবলৈ চেষ্টা কৰিলে। দূৰৰ পৰা মাইকৰ ঘোষণাটো পুনৰ ভাহি আহিল। সিহঁত দুইটা বাহিৰলৈ ওলাই গ'ল।

দ্ৰব্যমূল্যৰ অবিশ্বাস্য ঊৰ্দ্ধমুখী গতি, বজাৰৰ পৰা চাউলৰ অন্তৰ্ধান, জনমূৰি প্ৰতিসপ্তাহে এক কিল'গ্ৰাম চাউলৰ হাস্যকৰ চৰকাৰী যোগান, ধূৰ্ত ব্যৱসায়ীৰ কাৰচাজি, দুৰ্নীতি আৰু বিষয়া-ব্যৱসায়ীৰ পাপ-চক্ৰ, অযোগ্য চৰকাৰ আৰু ৰাজনৈতিক দলসমূহৰ ব্যৰ্থতা আৰু অহা কাইলৈৰ 'অসম-বন্ধ' ইত্যাদি প্ৰায় একে ধৰণৰ বিষয়ৰে অসংখ্য সুৰৰ, বিভিন্ন মেজাজৰ আলোচনা, দ্ৰুত বেচা-কিনা, মটৰ-ৰিক্সা-মানুহৰ অহা-যোৱা, এই সমস্তৰ পৰা—চহৰৰ পৰিচিত বিচিত্ৰ সান্ধ্য-ব্যস্ততাৰ পৰা—আঁতৰি আহি সিহঁত নদীৰ পাৰত বহিল। সকলো মানুহৰে এতিয়া এটাই প্ৰধান সমস্যা খাদ্য—গোটেই দেশখন ক্ষুধাৰ্ত—আৰু তাৰ সমাধানৰ বাবে, অতি লজ্জাকৰভাৱে সামান্য পৰিমাণ খাদ্য-সংগ্ৰহৰ বাবে সিহঁত থিয় হয় দীঘলীয়া শাৰীৰ মাজত, ঘাম আৰু হেঁচা-ঠেলাৰ মাজত, অন্তহীন দাৰিদ্ৰ্য আৰু ক্ষুধাৰ মাজত; বিশাল স্বাধীন দেশৰ ভদ্ৰ, সুস্থ, গহীন-গম্ভীৰ, আত্মসন্মান-বিশিষ্ট নাগৰিকসকল। সিহঁত দুয়োটা আহি নদীৰ পাৰত বহিল অৰ্থাৎ বাস্তৱৰ পৰা সাম্প্ৰতিকভাৱে সিহঁত পলাই আহিল। আপোনমনে সিহঁত বহি ৰয়। কথা পাতিবলৈ সিহঁতৰ হয়তো একো নাই, জ্যোতিষে ভাবে। অজস্ৰ কথা পতা হৈছে। নিজৰ বিষয়ে তাৰ আৰু একো ক'ব লগীয়া নাই; অন্য কোনো বিষয়েই আৰু নতুন নহয় ("আজি চালা গৰম পৰিছে বেছ", "ওঁ, বেছ গৰম")। সকলো ধৰণৰ ঘটনা-দুৰ্ঘটনা, দুৰ্ভিক্ষ-দুৰ্যোগ, মৃত্যু-মহামাৰী, অন্যায়-অবিচাৰ এতিয়া পুৰাতন, সুপৰিচিত; একোৱেই এতিয়া তাৰ চেতনাত আলোড়ন নোতোলে, ছালৰ গভীৰলৈ প্ৰৱেশ নকৰে। সকলোৰে বিৰুদ্ধে সি প্ৰতিষেধক গ্ৰহণ কৰিছে। বিজ্ঞানে মাত্ৰ তাৰ অভাৱনীয় উৎপাতেৰে মাজে মাজে মনত সামান্য নিষ্ফল সুৰসুৰণি তুলি যায় ("কমন্ৰুমত কি হ'ল আজি?" "ধুৎ, থাকিবৰ মন নোযোৱা হৈছে সেইডালত। কি কথা! কি আলোচনা! আজি যাহওক, অসম-বন্ধই কিছু সময় ল'লে")। অথচ সি সদায় অনুভৱ কৰে, তাৰ বাহিৰে বাকী সকলো মানুহ পৃথিৱীৰ বিভিন্ন সমস্যাৰ প্ৰতি সজীৱ, সক্ৰিয়, সচেতন; পৃথিৱী আৰু ইয়াৰ অনেক ধৰণৰ সমস্যা সিহঁতৰ বাবে বাস্তৱ, যাৰ মাজত সিহঁত সম্পূৰ্ণভাৱে নিমজ্জিত, যি সিহঁতক যৎপৰোনাস্তি কষ্ট দিয়ে, যুদ্ধৰ বাবে উত্তেজনা দিয়ে, গ্লানি দিয়ে, গৌৰৱ দিয়ে। এসময়ত সি নিজে সেই সাহসী মানুহবোৰৰ লগত থিয় হ'ব খুজিছিল, কিন্তু সেয়া তাৰ প্ৰথম যৌৱনৰ কথা। এতিয়া তাৰ চাৰিওফালে পৃথিৱী, কিন্তু সি তাৰ পৰা দূৰত; বাস্তৱ তাৰ চেতনাত দুৰ্বলভাৱে উপস্থিত; কাৰণ সি বাস্তৱৰ পৰা পশ্চাৎপদ, অপসৃত। আৰু যাৰ ফলত সি নিৰ্জীৱ, নিষ্ক্ৰিয়, অনুপযুক্ত, এনেকি তাৰ ভয় হয় কোনদিনা তাৰ উগ্ৰ ভায়েকে তাৰ মুখৰ আগত আঙুলি টোঁৱাই মাৰাত্মক এক প্ৰশ্নেৰে তাক আঘাত কৰে। ("তোৰ কিতাপ পালি?" "নাই, অহা নাই। .......নতুন কিতাপ বহুত আহিছে লাইব্ৰেৰীত।") কোনেও নাজানে, তাৰ সমস্যা প্ৰধানকৈ সি নিজে।

অবিশ্বাস্য স্বাৰ্থপৰতাৰে সি কেৱল নিজৰ ব্যক্তিগত অজস্ৰ সমস্যাৰে তাৰ মনটো প্ৰতি মুহূৰ্তে ভৰাই ৰাখে। ক'ৰবাত বাহিৰৰ দুই-এক খবৰ আহি তাৰ মন বিশৃংখল কৰিব খোজে, অলপ সময় খেলি-মেলি লাগে, তাৰ পিছত তাৰ আত্মকেন্দ্ৰিকতাৰ ছাঁত সেইবোৰ খবৰ অনুজ্জ্বল হৈ পৰে। 'মোৰ ব্যক্তিগত দুঃখেই মোৰ জীৱনটো কটাবৰ বাবে যথেষ্ট' সি নিজৰ মনতে আত্মপক্ষ সমৰ্থন কৰিব খোজে, যিটো পিছমুহূৰ্ততে তাৰ নিজৰ বাবে এটা প্ৰবোধ-বাক্য যেন অনুভৱ হয়। জ্যোতিষে একো নাভাবিবৰ চেষ্টা কৰিলে। নিজৰ বিষয়ে ভাবি সি যেতিয়াই অতীতৰ ফালে যাব খোজে, তেতিয়াই আচৰিতভাৱে তাৰ মনত খেলাই যায়, কেনেকৈ অতীতৰ পৰা সি বৰ্তমানলৈ আহিল আৰু সি ভাবি চাব খোজে কেনেকৈ সি ইয়াৰ পৰা ভৱিষ্যতলৈ পাৰ হৈ যাব। এক ধৰণৰ গভীৰ অস্বস্তিয়ে তাক বিমূঢ় কৰি পেলায়হি। ...জামালক লৈ সি উঠি পৰিল। আৰু নদীৰ পাৰে পাৰে নীৰৱে দুয়ো খোজকাঢ়িব ধৰিলে।

অনেক দেৰীকৈ সিহঁত যেতিয়া ঘৰ পালেহি, বাহিৰৰ কোঠাত লাইট জ্বলি আছে। অৱসৰপ্ৰাপ্ত ডি. আই. পাটগিৰিৰ নিৰ্ভুল কণ্ঠ শুনা গ'ল। দেউতাৰ লগত তেওঁ প্ৰতিদিনৰ আলোচনাত মগ্ন বুজা গ'ল। অতিশয় পুৰণি আৰু হাস্যকৰ আৰু তাতোকৈও বেছি গভীৰ তেওঁলোকৰ আলোচনা। সকলোবোৰ খবৰ তেওঁলোকে আলোচনাত গ্ৰহণ কৰিব আৰু কটাক্ষ বা সম্ভ্ৰম সহকাৰে পূৰ্ণ কৰ্তৃত্বেৰে সিহঁতৰ ওপৰত তেওঁলোকে নিজৰ ৰায় ঘোষণা কৰিব।

"গড়্ডেমিট্! দেট্ পাৰ্‌পিচুৱেল্ ব'ৰ্!" জামালে তাৰ নিশ্বাসৰ লগত চেপা কণ্ঠেৰে উচ্চাৰণ কৰিলে। যথাসম্ভৱ নিঃশব্দে সিহঁত জ্যোতিষৰ কোঠালৈ পাৰ হৈ গ'ল।

"অলপ বহ। খুৰাদেউৰ চিকাৰ কাহিনীকেইটা শুনি যা!" সামান্য হাঁহি জ্যোতিষে ক'লে।

"ধুৎ, সেই গফুৰ আৰু দেবেশ্বৰ চিকাৰীৰ গল্প? ধুৎ, মই যাওঁৱেই।" জ্যোতিষৰ বিছনাত বহি জামালে ক'লে আৰু 'বাপ' বুলি ভিতৰলৈ চিঞৰিলে। বাপ, জ্যোতিষৰ ভায়েক, কলেজৰ ছাত্ৰ, গাত যৌৱনৰ উজ্জ্বলতা আৰু চপলতা লৈ সোমাই আহিল। তাৰ দেহত গতি আৰু উদ্যম, তাৰ মুখ ব্যগ্ৰ, প্ৰখৰ আৰু সজাগ। তাৰ চুলি বিশৃংখল আৰু গাৰ কাপোৰ—সলোৱাই নাই—অপৰিপাটি, সহজেই বুজা যায়, সমস্ত দিন তাৰ ব্যস্ততাৰ মাজত গৈছে, কিন্তু তাৰ দেহৰ ক্লান্তি আৰু মনৰ উত্তেজনা তাৰ মুখাবয়ৱৰ সজাগ অভিব্যক্তিৰ তলত আচৰিতভাৱে সহজ হৈ মিলি গৈছে। জামাললৈ চাই সি হাঁহিলে।

"ক'ৰ পৰা আহিল?" বাপে সুধিলে আৰু চকী এখনত বহি পৰিল। পুৰাতন দৃশ্যসজ্জা, পৰিচিত চৰিত্ৰ, সংলাপসমূহো বহুশ্ৰুত আৰু বিৰক্তিকৰভাৱে আশানুৰূপ; জ্যোতিষৰ খুব ভাগৰ লাগিল। সন্ধ্যাৰ নাটকীয়ভাৱে অহা ঘোষণাৰ প্ৰতিক্ৰিয়া এতিয়া বিস্মৃত। অন্ধকাৰ ৰাতি বিনিদ্ৰ, বিশ্ৰামহীন খোজকঢ়াৰ অনুভূতি তাৰ মনলৈ আহে।



"ক'ৰ পৰা আহিবা আৰু?" জামালে ক'লে। তাৰ মন তাত অনুপস্থিত, জেপৰ পৰা চিগাৰেটৰ পেকেট উলিয়াই সি দৃশ্যলৈ ঘূৰি আহিল। চিগাৰেট এটা উলিয়াই পেকেটটো সি বিছনাৰ ইমূৰে বহা জ্যোতিষলৈ দলিয়াই দিলে। বাপে বোধহয় তাক অশান্ত আৰু চিন্তিত যেন অনুভৱ কৰিলে আৰু প্ৰায় অপ্ৰত্যাশিতভাৱেই জামালক সুধি পেলালে, "মাৰ কেনেকুৱা এতিয়া?" কিন্তু জামাল আচলতে নিশ্চিন্ত আৰু নিৰুদ্বেগ আছিল, এতিয়া হঠাৎ বিমূঢ় হৈ পৰিল। ওঁঠলৈ লৈ যোৱা চিগাৰেটটো সি নমাই আনিলে, যেন মাকৰ প্ৰতি শ্ৰদ্ধাবশতঃ আৰু তৎক্ষণাৎ বিমূঢ়তা দলিয়াই অভ্যাসানুসাৰে দুঃখ, দুশ্চিন্তা, শ্ৰদ্ধা আদিৰ সমবেত অনুভূতি মুখত ফুটাই তুলিলে। এইবোৰ এসময়ত অতি স্বাভাৱিকভাৱে, অত্যন্ত সহজভাৱে মুখৰ ওপৰেদি বাগৰি গৈছিল। এতিয়া ওঁঠলৈ চিগাৰেট তুলি নিয়াৰ দৰে ভাববোৰ মগজৰ পৰা মুখলৈ নমাই আনিব লাগে।

"একেই আছে।" সি চুটিকৈ ক'লে আৰু বাপলৈ চাই কিছু সময় পাৰ হ'বলৈ দিলে। বাপে লাহেকৈ আনফালে মুখ ঘূৰালে। জামালৰ ভাব হ'ল, বাপে প্ৰশ্নটো মনৰ পৰা পঠিয়াইছিল; সি চিগাৰেটটো পুনৰ ওঁঠলৈ তুলি জ্বলাই জ্যোতিষলৈ চালে, আঁউজি বহি সি একমনে বিপৰীতফালৰ বেৰখনলৈ চাই ৰৈছে। নিদ্ৰাবিহীন ৰাতি পদযাত্ৰাৰ ক্লান্তি এতিয়া তাৰ মুখত সুস্পষ্ট হৈ পৰিছে। জামালে আগবঢ়াই দিয়া জুইৰ কাঠিটো দেখি সি সন্বিত হৈ চিগাৰেট জ্বলাই ল'লে।

"কোৱাচোন, দেশৰ অলপ খবৰ দিয়া। কি কি হ'ব কাইলৈ?" কিছু সময় নীৰৱতাৰ পিছত জামালে বাপলৈ চাই সুধিলে।

আহ্, জামালটো কি আচৰিত, জ্যোতিষে ভাবিলে। কি প্ৰশ্ন কৰিছে বাপক! সি বাপৰ পৰা এটা বিস্ফোৰণ আশা কৰিলে। কিন্তু বাপে উত্তৰ দিয়াৰ আগেয়েই দুৱাৰমুখত শব্দ হ'ল আৰু "মুকুল" বুলি অৱসৰপ্ৰাপ্ত ডি-আই কোঠালৈ সোমাই আহিল। ক্ষিপ্ৰগতিত চিগাৰেটৰ পেকেট বুক্-শ্বেল্ফৰ ওপৰলৈ উৰি গ'ল। জামালৰ সোঁহাত বন্ধুৰ-কান্ধৰ দৰে খিড়িকিৰ-চৌকাঠত বাহিৰলৈ ওলমি ৰ'ল আৰু জ্যোতিষৰ হাতৰ জ্বলন্ত প্ৰতিশ্ৰুতিপূৰ্ণ চিগাৰেটটো কম বয়সতে জোতাৰ তলত নিপিষ্ট হৈ গ'ল। এটা প্ৰাচীন দৃশ্য : হাতত নিমজ বেতৰ লাঠি, ভৰিত ৰঙা জোতা, গাত হাতকটা শাৰ্টৰ ওপৰত ম্যাদ উকলি যোৱা পুৰাতন পেণ্ট (বেল্ট্ আৰু বাক্‌লচৰ সুবিধা অব্যৱহৃত)। তেওঁৰ মুখ শুকান, অসহায়, আত্মবিশ্বাসহীন, তালু নিমজ। তেওঁৰ নাকৰ তলত সামান্য গোঁফ, মূৰৰ অৱশিষ্ট চুলি, এনেকি কাণৰ নোম—এসময়ত যি এৰিয়েল্ নাম পাইছিল—এতিয়া আধা পকা।

"অ' খুৰাদেউ, বহক।" জ্যোতিষ, যাৰ অন্য নাম মুকুল, বহাৰ পৰা থিয় হ'ল; বাপে চকীখন তেওঁলৈ আগবঢ়াই দিলে। সৰু টেবুলখনত তেওঁ বিবৰ্ণ প্ৰাচীন টিনৰ বাকচটো, য'ত তেওঁৰ চছ্মাযোৰ থাকে, সযতনে থ'লে, চকীখনত বহিল আৰু লাঠিডাল দুই ভৰিৰ মাজত আঁউজাই ল'লে। তেওঁৰ দৃষ্টি দুৰ্বল, অস্পষ্ট, অৰ্থাৎ বাৰ্ধক্যগ্ৰস্ত, আৰু

তাৰ প্ৰমাণ চছমাৰ বাকচ— যি নিজে বাৰ্ধক্যগ্ৰস্ত—তেওঁ হাতত লৈ ফুৰায়, ভাব হয় যথেষ্ট যত্ন আৰু গৰ্বৰে, কিড্‌নি ফালি বাহিৰ কৰা পাথৰ কাগজত বান্ধি যিদৰে ৰোগীয়ে প্ৰায় কীৰ্তিচিহ্নৰ দৰেই লগত ৰাখে আৰু গৰ্বসহকাৰে আনৰ আগত মেলি ধৰে।

"অসম বন্ধ। পাঁচটাৰ পৰা পাঁচটালৈ হৰতাল হ'ব। চাৰে পাঁচ বজাত ডিষ্ট্ৰিক্ট-অথৰিটিৰ সমুখত ডেমনষ্ট্ৰেছন্ আৰু প্ৰত্যেক জিলাতে ডি.চি-ৰ হাতত এখন এঘাৰ-দফা দাবীৰে মেম'ৰেণ্ডাম্ দিব।" বাপে জামালৰ প্ৰশ্নৰ উত্তৰ দিলে।

"অ', কাইলৈ....." বৃদ্ধই সপ্ৰতিভভাৱে অংশ গ্ৰহণ কৰিব খুজিলে।

"কি লাভ হ'ব, বাপ?" ক্লান্ত, বিশ্বাসহীন সুৰত জামালে সুধিলে। যুদ্ধত কোনোদিন উপস্থিত নহৈও জামালে বিশ্বাসযোগ্যভাৱে তাৰ বাক্যত এক পৰাভূত নায়কৰ নিশ্বাস সানি দিছিল। আহ্ জামাল...., সঙ্কুচিতভাৱে জ্যোতিষে মনে মনে কৈ উঠিল।

"কিয় লাভ নহ'ব?" কণ্ঠস্বৰ এক পৰ্দা উঠি গ'ল আৰু দ্ৰুত তীক্ষ্ণ প্ৰশ্ন বাপৰ পৰা উত্তৰ হৈ আহিল। "এটা প্ৰতিবাদ উত্থাপন কৰা হ'ব। গোটেই দেশখনৰ মানুহে খাবলৈ পোৱা নাই, সপ্তাহে এক কিল' পচা চাউলৰ কাৰণে হাহাকাৰ কৰি দিনৰ পিছত দিন লাইনত থিয় দিছে, বজাৰৰ পৰা মজুতকাৰীয়ে চকুৰ আগত খাদ্য 'উধাও' কৰি দিছে আৰু মানুহবোৰ কি গৰুৰ দৰে শুই থাকিব? অন্ততঃ প্ৰতিবাদতো কৰিব লাগিব! কায়েমী স্বাৰ্থৰ বিৰুদ্ধে প্ৰথমে জনতাৰ এটা প্ৰটেষ্ট্ ৰেকৰ্ড্ কৰা হ'ব।" বাপৰ উত্তৰ শেষৰফালে ধীৰ হৈ আহিল। জ্যোতিষে বুজিলে 'ক্লিচে' কণ্টকিত কোনো বক্তৃতাৰ পৰা বাপে হয়তো তাৰ উত্তৰ প্ৰস্তুত কৰি ৰাখিছে। বাপলৈ তাৰ মমতা হ'ল। সি সমস্যা দেখিছে, কিন্তু তাৰ মাজত থিয় হোৱা নাই। ভৱিষ্যতৰ স্বপ্নত সি আবিষ্ট, কিন্তু পথৰ সংঘাত আৰু খেলিমেলিৰ কথা জানিব পৰা নাই। সমস্ত পথ সি পাৰ হ'ব পাৰিব নে?

"তথাপিনো কি হ'ব? সেই একেটাই থাকিব। দুৰ্নীতি, অনাটন, অন্যায় চব একেদৰেই চলি থাকিব।" পাটগিৰিয়ে জামালৰ ফালে চাই সমৰ্থনৰ ভঙ্গীত ক'লে। তেওঁৰ কণ্ঠত বয়সোচিত ধীৰ, নিম্ন, অনুগ্ৰ স্বৰ আৰু তাত পৰাজয় আৰু সমৰ্পণৰ ক্ষীণ ধ্বনি আছিল। বাপে প্ৰথমে উত্তৰ নিদিবলৈ স্থিৰ কৰিছিল। কিন্তু কাৰো পৰা প্ৰতিবাদ বা সমৰ্থন নাপাই বৃদ্ধক অলপ অস্বস্তিবোধ কৰা দেখা গ'ল আৰু বাপে তেওঁৰ প্ৰতিবাদ কৰি উঠিল "বেছিদিন আৰু একেদৰেই নাথাকে খুৰাদেউ। সেই যে 'দেৱালৰ লিখা', চাব, সেই বস্তুটো পৰিষ্কাৰ হৈ আহিছে।"

"বাদ দিয়া, বাপ, উই হেভ্ হেড্ এনাফ্। এণ্ড্ 'এনাফ্ ইজ্ চাফিচিয়েন্ট্'! মানুহ সলনি নোহোৱালৈকে ছ'শ্যাল্ ইন্জাষ্টিচ্ দূৰ নহয়। আমাৰ বাবে অৰ্ডাৰৰ পৰিৱৰ্তনতকৈ মানুহৰ পৰিৱৰ্তন দৰ্কাৰ। ম'ৰ্ ইম্পৰ্‌টেন্ট্। আৰু বহুত বছৰলৈকে তাৰ কোনো আশা নাই।" জামালে ক'লে। তাৰ কণ্ঠ ক্লান্ত, তাত কোনো উৎসাহ বা গুৰুত্ব নাই। জ্যোতিষে জামাললৈ চালে, ভাব হ'ল যেন অৱসৰপ্ৰাপ্ত ডি.আই.জনে জামালৰ মুখেদি কথা কৈছে।

আচৰিত যে বাপ ক্ষিপ্ত হৈ নুঠিল। সি ছাত্ৰনেতা; সংযত হ'বলৈ শিকিছে। তথাপি



সি ক্ষিপ্ৰতাৰেই উত্তৰ দিলে, "মানুহৰ পৰিৱৰ্তন হ'বলৈকেতো অৰ্ডাৰৰ পৰিৱৰ্তন লাগিব। মানুহ বেয়া হৈছে, কাৰণ বেয়া হ'বলৈকে যৎপৰোনাস্তি উৎসাহ দিয়া হৈছে। মানুহ সলনি হ'বই লাগিব আৰু তাৰ বাবে দেয়াৰ্ মাষ্ট্ বি এ চেইঞ্জ্ ইন্ দা অৰ্ডাৰ্। এণ্ড্ হেপিলী, দা প্ৰেজেন্ট্ অৰ্ডাৰ্ ইজ্ ক্ৰেকিং। উই আৰ্ গয়িং টু হেভ্ এ পিপল্‌চ্ ৰেভলিউশ্যন্। অৱশ্যে বুৰ্জোৱাই কোনোদিনে প্ৰকৃত বিপ্লৱ কৰিব নোৱাৰিব।" বাপে হাঁহি হাঁহি জামাললৈ চালে। হাঁহি সত্ত্বেও বাপৰ অভিযোগত এটা তীক্ষ্ণতা আছিল। জ্যোতিষে বেৰলৈ চালে। বাপৰ কথাৰ তীক্ষ্ণতা সি অনুভৱ কৰিলে। সি দুৰ্বল হৈ পৰিল। বাপে কাৰ পৰা শুনিছে এইবোৰ বক্তৃতা? দাসগুপ্ত? নে তালুকদাৰ? বিপ্লৱৰ কথা সি নিজে এনেকৈ অনুভৱ কৰিছে নে? নিৰুপায়ভাৱে জামালে হাঁহিলে। তাৰ বোধহয় কথাবোৰ খেলিমেলি লাগি গ'ল। সি জ্যোতিষলৈ চাই সুধিলে "হয়নে? কি কৱ?" জ্যোতিষ অপ্ৰস্তুত হ'ল। সি কি ক'ব ঠিক কৰিব নোৱাৰিলে। আৰু কেইমুহূৰ্তমানৰ নীৰৱতা ভঙ্গ কৰি হঠাৎ জামালে ক'লে,

"কিন্তু এটা কথা বাপ, আজিকালিতো বুৰ্জোৱা আৰু প্ৰলেটেৰিয়াৰ ক্লাছিকেল্ মাৰ্ক্সিষ্ট্ বিৰোধ লাহে লাহে নাইকিয়া হৈ আহিছে। শ্ৰমিকৰ জীৱন-যাপনৰ মান আৰু নিৰাপত্তা বহুত উন্নত হৈছে।" জ্যোতিষে দ্ৰুতভাৱে জামাললৈ চালে। জামালৰ যুক্তি বৰ সবল নহয়, কিন্তু তথাপি সি বাপক প্ৰত্যুত্তৰ দিছে, জোঁকাৰিবৰ চেষ্টা কৰিছে। জ্যোতিষে এইবাৰ বাপলৈ চালে। বাপৰ মুখত অগ্ৰাহ্যৰ চিন, কোনো উৎকণ্ঠা নাই, ব্যস্ততা নাই।

"সেইবোৰ নন্-মাৰ্ক্সিষ্ট্ প্ৰ'পাগেণ্ডা। বুৰ্জোৱাৰ বিপ্লৱ তো আমাৰ দেশত কেতিয়াবাই হৈ গৈছে, এতিয়া আৰু তেওঁলোকক বিপ্লৱ নালাগে। মাত্ৰ মাজে মাজে নিজৰ স্বাৰ্থৰক্ষাৰ বাবে বিপ্লৱীৰ চেহেৰা ল'ব পাৰিলেই হ'ল।" বাপে জামালৰ কথাষাৰ প্ৰায় উপেক্ষা কৰি যাবৰ চেষ্টা কৰিলে। অৱদমিত বিৰক্তিৰ চাপ তাৰ উত্তৰত বিয়পি পৰিছিল।

"বুৰ্জোৱায়ো এতিয়া অৱশ্যে শ্ৰমৰ বিনিময়তে জীৱিকা আৰ্জে" হঠাৎ শ্যৰ্টৰ বুটাম খুলি, প্ৰায়-নাৰ্ভাচ্ কণ্ঠে জ্যোতিষে ক'লে, "সিহঁতৰো মিন্‌চ্ অব্ প্ৰডাক্‌শ্যনৰ মালিকানা নাই, অৱশ্যে সিহঁতৰ যিটো বস্তু আছে সেইটো হ'ল মিড্‌ল্‌ক্লাছ্ হিপ'ক্ৰিছি। কিন্তু বিপ্লৱৰ বাবে সিহঁতকো শ্ৰমিক-কৃষকৰ ফ'ল্ডলৈ আনিব লাগিব।" জ্যোতিষে পুনৰ বুটামকেইটা মাৰিব ধৰিলে। বাপে অলপ সময় ভাবিলে, হয়তো তৎক্ষণাৎ কোনো সুপ্ৰযোজ্য উত্তৰ তাৰ মনলৈ নাহিল। পোনপটীয়া প্ৰতিবাদ তাৰ যোগাৰ নহ'ল। তথাপি সি এৰি দিবলৈ ৰাজী নহ'ল।

"কিন্তু তেতিয়াও বিপ্লৱৰ লক্ষ্য হ'ব লাগিব শ্ৰমিক-কৃষকৰ স্বাৰ্থ। নহ'লে বিপ্লৱ শেষ হোৱাৰ লগে লগে বুৰ্জোৱাই নতুন খেলিমেলিৰ সৃষ্টি কৰিব।" বাপৰ কণ্ঠলৈ চিৰিয়াচ্‌নেচ্ আহি গ'ল, যেন বিপ্লৱীৰ নীতি-পাঠৰ পৰা সি এটা সতৰ্কবাণী উচ্চাৰণ কৰিছে।

পাটগিৰিয়ে এটা সশব্দ হামি মাৰিলে। তেওঁ লাঠিডাল সৰু টেবুলখনত দীঘলকৈ পাৰি দিলে, কিলাকুটিৰে টেবুলত হেঁচা দি মুখখন হাতৰ তলুৱাৰে ভেঁজা দি ৰাখিলে আৰু জ্যোতিষলৈ চাই খুব ব্যক্তিগত কোনো প্ৰশ্নৰ দৰে সুধিলে "মুকুল, এই চৰকাৰ কি থাকিব?" জ্যোতিষে এটা অসহায় হাঁহি মাৰিলে। বাপ উঠিল আৰু তেওঁলৈ চাই হাঁহি হাঁহি ক'লে, "খুৰাদেউ, এই প্ৰশ্নৰ উত্তৰ আপুনি নিজেই দেখা পাব। বেছি দিন ৰ'ব নালাগে।" তাৰ পিছত সি বাহিৰ হৈ গ'ল।

জামাল উঠি ৰেডিঅ'টো অন্ কৰি ডায়েলত মিটাৰ ঘূৰাবলৈ ধৰিলে। পাটগিৰি যাবলৈ থিয় হ'ল।

"জামাল যাবা নেকি?" তেওঁ সুধিলে।

"নাই, মই অলপ বহিম। আপুনি যাওক।" ৰেডিঅ'ৰ পৰা মুখ তুলি জামালে বিনয়েৰে ক'লে। সকলোকে মাত লগাই বৃদ্ধ ওলাই গ'ল। ৰেডিঅ'ত কিবা এটা অনুষ্ঠান শেষ হ'ল।

"গুড্ ৰিডেঞ্চ্!" স্বস্তি প্ৰকাশ কৰি জামালে ক'লে আৰু চেণ্ডেল খুলি বিছনাত পৰিল।

"তোৰ গান আছে!" জ্যোতিষে তালৈ চালে।

"হয় নেকি?" আপাত-নিস্পৃহ ভঙ্গীৰে জামালে সুধিলে।

"তোৰ নাম এনাউন্স্ কৰিলে।" সিহঁত গান শুনিবলৈ সাজু হ'ল। জ্যোতিষে হাতলৈ আলোচনী এখন তুলি ল'লে। কোনোবা এগৰাকী শিল্পীয়ে জামাল ৰচিত এটা আধুনিক গীত গাবলৈ আৰম্ভ কৰিলে। এটা আবেলিৰ বৰ্ণনা। জামালে সশব্দে উঠি ৰেডিঅ'টো বন্ধ কৰি থ'লে। অস্পষ্টভাৱে সি কিবা এটা উচ্চাৰণ কৰিলে।

"কি হ'ল? গলাটো বেয়া নাছিল।" জ্যোতিষে ক'লে, যান্ত্ৰিকভাৱে, এতিয়া আৰু তাৰ আগ্ৰহ নাই।

"ধুৎ, শব্দ এটা উচ্চাৰণ কৰিব নোৱাৰে। গলাটো হ'লেই কি চব? এটা শব্দ মই কিয় দিছোঁ, কি তাৰ ভাব, কি গভীৰতা....হ'প্লেচ্ লট্।" সি যাবলৈ ওলাল।

মা-বাইদেউ পাক-ঘৰত ব্যস্ত। ৰতুৱে টোপনিয়াই টোপনিয়াই ভাত খাইছে। প'ৰ্টিক'ত দেউতা খুটি-নাটি সহকাৰে কলিকতীয়া বাতৰি-কাগজ পঢ়াত মগ্ন। জামালক আগবঢ়াই দি জ্যোতিষ নিজৰ কোঠাত সোমাল।

"কাৰো চাগে আজি ভাল টোপনি অহা নাই' ৰাতি বিছনাত বাগৰ সলাই জ্যোতিষে ভাবিলে। জামালে সন্ধিয়া অপ্ৰত্যাশিতভাৱে এটা জোঁকাৰ খাইছে আৰু এতিয়া ৰাতি কোঠাৰ নিঃসঙ্গ, নিৰুপদ্ৰৱ অন্ধকাৰত নিশ্চয় বাপৰ সমালোচনাৰ কাঁইটৰ মাজৰ পৰা একো একোটা যুক্তিৰ হাতত ধৰি উঠি আহিবলৈ চেষ্টা কৰিছে। পাটগিৰিৰ বিনিদ্ৰ বাৰ্ধক্যৰ ৰাতি আজি চাগে অনেক অদ্ভুত অবোধ্য চিন্তাৰে ভৰি পৰিছে। অথচ বাপ হয়তো ক্লান্ত, ব্যস্ত দিনৰ শেষত অকাতৰ নিদ্ৰাত অচেতন। হয়তো সিও উজাগৰে



আছে; অহা কাইলৈৰ কাৰ্যক্ৰম আৰু উত্তেজনা এতিয়া তাৰ মনত কেন্দ্ৰীভূত। জ্যোতিষৰ নিজৰে টোপনি অহা নাছিল, এই কাৰণে যে তাৰ মনটো হঠাতে পাতল আৰু সঙ্কোচবিহীন হৈ পৰিছিল। আজি সন্ধিয়াৰ আলোচনা, বাপৰ তীক্ষ্ণ উক্তিৰ আঘাত সকলোৰে অকস্মাৎ তাক এক পুৰণি যন্ত্ৰণাদায়ক মানসিক চাপৰ পৰা মুক্ত কৰি দিছিল। সি আচৰিত ধৰণে সাহসী হৈ উঠিছিল আৰু মনৰ মাজেৰে নামি গৈ অতীতৰ ফালে আগবাঢ়িছিল। বাপে জানে, হয়তো তাৰ শৈশৱৰ স্মৃতিৰ ৰঙীন সূতাৰ লগত জ্যোতিষৰ অতীতো কিছু পাক খাই আছে বা হয়তো অন্যৰ মুখৰ পৰা সি শুনিছে আৰু জ্যোতিষক কোনোদিন সেয়ে বোধহয় সি পোনপটীয়াভাৱে জড়িত কৰিব নোখোজে। ছাত্ৰাৱস্থাত—এতিয়া কোন কাহানি যেন ভাব হয়—জ্যোতিষ নিজে আছিল জনপ্ৰিয়, সুদক্ষ ছাত্ৰনেতা। পুৰণি উঁৱলি যোৱা চিঠিৰ দৰে, অস্পষ্ট-প্ৰায়, কিন্তু ভাবিলেই কথাবোৰ ঠিক মনত পৰি যায়, বিভিন্ন মুখ বিভিন্ন ছবিসহ ভাহি আহে। তেতিয়া কলেজত প্ৰায়েই কোনো এটা গণ্ডগোল হৈছে, দেশত কোনো আন্দোলন হৈছে আৰু সঘনে সভা, শোভাযাত্ৰা, প্ৰতিবাদ, বিক্ষোভ, এবাৰ ক'ৰবাত ফায়াৰিঙৰ প্ৰতিবাদত অনশন ধৰ্মঘট পৰ্যন্ত। আৰু দিনৰ পিছত দিন সমান অনুপাতত ঘৰতো অশান্তি বাঢ়ি গৈছিল। 'কি কৰিব খোজে সি? জহন্নামে গৈছে দিনে দিনে!' ভিতৰৰ কোঠাত মাৰ আগত দেউতাকে, যাক কয়, গৰ্জন কৰি উঠিছিল। মানসিকভাৱে দুই বিপৰীত শিবিৰত দেউতা আৰু সি থিয় হৈছিল। আৰু জ্যোতিষে শান্ত স্বৰে. নিজৰ মনতে, কেৱল যুক্তি থিয় কৰিব খুজিছিল, 'খুব স্বাভাৱিক। মই ডাঙৰ হৈছোঁ, অসামঞ্জস্যবোৰ দেখিবলৈ ধৰিছোঁ, ন্যায় আৰু প্ৰমূল্যৰ সামাজিক বা ব্যক্তিগত হত্যাকাণ্ড প্ৰত্যক্ষ কৰিছোঁ আৰু নিজৰ ৰাস্তা নিজে ঠিক কৰি লৈছোঁ। কিন্তু সেইবাবেই কিয় অশান্তি? ঘৰত কিহৰ গণ্ডগোল?' কিন্তু কোনোদিন এইবোৰ কথা তাৰ মুখৰ পৰা উচ্চাৰিত নহয়; ঘৰখন, মানুহবোৰ ক্ৰমে অপৰিচিত হৈ গৈ থাকে। অসহযোগ আৰু বিয়াল্লিছত দেউতা আছিল অখ্যাতনামা সক্ৰিয় সহযোগী। অদম্য আশা, জেদ আৰু ধৈৰ্যৰে, আশ্চৰ্য প্ৰাণশক্তিৰে তেওঁ কেৱল কাম কৰি গৈছে, বিফল হৈছে, মাৰ খাইছে, স্ত্ৰী-পুত্ৰ এৰি জেললৈ গৈছে আৰু জেলৰ পৰা অহাৰ পিছতো জেলৰ তিতা স্মৃতি বা বাহিৰৰ শীতল, শান্ত পৰিবেশ বা হতাশ, বিবুদ্ধি নেতা একোৱেই তেওঁক নিৰ্বাপিত কৰিব পৰা নাই। স্বাধীনতাৰ পিছত এই অদ্ভুত আশাশীল, জেদী, প্ৰাণশক্তি ভৰা মানুহজনৰ অন্তৰখন একজাতীয় শূন্য, অনিৰ্দিষ্ট, লক্ষ্যহীন চেতনাৰে ভৰি পৰিছিল। ধীৰে ধীৰে তেওঁৰ নিচা যেতিয়া কাটি গৈছিল, তেতিয়া চাৰিওফালৰ নতুন বাস্তৱ আৰু সময়ৰ লগত পৰিচিত হৈ উঠিছিল। জীৱনৰ ব্যক্তিগত যুদ্ধ সম্পৰ্কে তেওঁ সচেতন হৈছিল আৰু মাটি-সম্পত্তি, লোভ-মোহ, আৰাম-বিলাস, ভৱিষ্যৎ-সঞ্চয় আদি চিন্তাই তেওঁৰ শূন্য লক্ষ্যহীন মন পূৰ্ণ কৰি তুলিছিল। এইদৰেই স্বাধীন-চিত্ত এক বিপ্লৱীৰ মৃতদেহত অন্য এক পৰাধীন অমানুহৰ জন্ম হয়। অতীত-গৌৰৱ আৰু বৰ্তমানৰ সমৃদ্ধিয়ে তেওঁক শীঘ্ৰেই সমাজত প্ৰতিষ্ঠিত কৰি তোলে আৰু এই ব্যক্তিত্বৰ সগৌৰৱ আশ্ৰয়ত জ্যোতিষ নিৰ্ভয়ে ডাঙৰ হয়।

বয়স আৰু বিচাৰ-বুদ্ধিৰ প্ৰভাৱত যেতিয়া জ্যোতিষে নিজকে আৰু তাৰ চাৰিওফালৰ পৃথিৱীক আৱিষ্কাৰ কৰিলে তেতিয়া দেউতাৰ সুদৃঢ় ব্যক্তিত্ব লাহে লাহে গলি খহি পৰিব ধৰিলে। তথাপি নিজৰ নিৰ্বাচিত পথত খোজ দিবলৈ আৰম্ভ কৰোঁতে দেউতাৰ প্ৰাচীন বিশাল ছাঁ তাৰ পাছফালে আহি থিয় হৈছিল, জ্যোতিষে সেইটো উপেক্ষা কৰি গ'ল। বাহিৰত তাৰ ক্ৰিয়া-কলাপ আৰু, আৰু ঘৰত অভিযোগ, আক্ষেপ, উপদেশ, ভৰ্ৎসনা বাঢ়ি গ'ল। গোটেই ঘৰখন এটা গম্ভীৰ, অসহজ, থম্‌থম্ আবহাৱাৰ মাজত সোমাই পৰিল। আৰু শেষলৈ জ্যোতিষ উত্যক্ত হৈ উঠিল। কোনোদিন সি ভাবে দেউতাৰ লগত তাৰ মুখামুখি হোৱাৰ সময় পাৰ হৈ গৈছে, শীঘ্ৰে এটা হিচাপ-নিকাচ হোৱা দৰ্কাৰ; কিন্তু কোনোদিনেই সি মুখামুখি হ'ব নোৱাৰিলে। কোনোদিন সি বিদ্ৰোহ কৰি ওলাই আহিব খোজে, কিন্তু প্ৰত্যেক ৰাতি সি সিদ্ধান্তহীন অনিচ্ছুক খোজেৰে ঘৰলৈ ঘূৰি আহিল। আৰু একোদিন কোনো দুৰ্বল মুহূৰ্তত ক্লান্ত, জীৰ্ণদেহে খিড়িকিৰ মুখত বাহিৰৰ অন্ধকাৰলৈ চাই সি ভাবে, 'এইটো প্ৰয়োজনীয় নে? সকলোবোৰ এৰি পলাই উভতি যোৱাই কি উচিত নহয়? এই শেষহীন অশান্তিৰ পৰা, প্ৰত্যহৰ নীৰৱ যুদ্ধৰ পৰা কেনেকৈ বাহিৰ ওলোৱা যায়?' এতিয়া জ্যোতিষে ভালকৈ বুজি পায় যে প্ৰকৃততে দেউতাৰ কাল্পনিক ব্যক্তিত্বৰ ভূতে তাৰ মনৰ চুকত তেতিয়াও নিশ্বাস পেলাইছিল আৰু তদুপৰি ঘৰখনৰ প্ৰতি সি অতিশয় দুৰ্বল আছিল। আনহাতে প্ৰত্যেকটো কামৰ মাজত সি এটা উদ্দেশ্য বিচাৰি লৈছিল, যাৰ আগত তাৰ ব্যক্তিগত অশান্তি এসময়ত গুৰুত্বহীন হৈ পৰিছিল। ইয়াৰ ফলত, স্বাভাৱিক যে, এই দুই বিপৰীত শক্তিৰ আকৰ্ষণত তাৰ অশান্তি গভীৰতৰ হৈ গৈছিল। কিন্তু অভাৱনীয়ভাৱে অপ্ৰত্যাশিত এক আঘাতে এই সমস্ত অশান্তি এদিন স্তব্ধ কৰি দিলে আৰু সকলো নিঃশব্দ হুলস্থুল আকস্মিকভাৱে বন্ধ কৰি অতল দুঃখৰ মাজলৈ গোটেই ঘৰখনক টানি লৈ গ'ল। জ্যোতিষৰ তলৰ ৰাতুল, তাতকৈ তিনি বছৰৰ সৰু, সিহঁতৰ ঘৰৰ ভিতৰত বুদ্ধিত আটাইতকৈ উজ্জ্বল, সেইবাৰ প্ৰৱেশিকা পৰীক্ষাৰ্থী। চোকা ল'ৰাৰ দৰেই তাৰ মুখ, জ্ঞান আৰু ভাল গুণবোৰ টুকি লৈ গম্ভীৰ, প্ৰায়েই কিতাপ-ব্যস্ত, মিতভাষী, ভয়াতুৰ আৰু আচৰিতভাৱে নিয়মিত। কাৰোবাৰ চক্ৰান্ত নে ভাগ্যৰেই চক্ৰান্ত এতিয়াও বুজা নাযায়, পৰীক্ষা হলত তাৰ ভৰিৰ তলত, খুব সম্ভৱ বতাহত উৰি আহি, এখন কাগজ, স্পষ্টতঃ নকল, পৰি ৰয়হি আৰু ব'ৰ্ডৰ কঠোঁৰ, আত্মসচেতন, উৎসাহী ডেকা অফিচাৰে স্বয়ং সেইখন উদ্ধাৰ কৰে। 'অবিশ্বাস্য আৰু অসম্ভৱ কথা, কিন্তু অফিচাৰৰ মনত কোনো সন্দেহ বা চকুত সামান্যও ক্ষমা নাছিল। হেড্‌মাষ্টৰ, বৰঠাকুৰ চাৰ আৰু চেনী দত্ত চাৰৰ অনেক পুৰুষাৰ্থৰ ফলত ৰাতুলক খুব সামান্য—কেৱল সেইবাৰৰ বাবে পৰীক্ষা দিয়া বন্ধ কৰি—শাস্তি দিয়া হয়। তৃতীয় বাৰ্ষিকৰ জ্যোতিষক কলেজতে ভূপেনে গৈ খবৰ দিছিল আৰু ভূপেনৰ চাইকেল লৈ জ্যোতিষ পৰীক্ষা হললৈ উৰি গৈছিল। ইতিমধ্যে বৰঠাকুৰ চাৰে ৰাতুলক ৰিক্সাত তুলি ঘৰলৈ লৈ গ'ল। গোটেই ঘটনাটো এনে অকল্পনীয় যে মাজে মাজে জ্যোতিষৰ ভুল হয়, সকলো স্বপ্ন বা অবাস্তৱ



বুলি ভাবিবৰ মন যায়, যেন স্বপ্নতে মাত্ৰ স্বাভাৱিক। আৰু তাৰ পিছৰ কথাবোৰ ভাবিলে জ্যোতিষৰ মূৰটো বেয়া লাগি যায়। ৰাতুল অনিয়মিত হৈ গৈছিল, কোঠাৰ পৰা নোলায়, কথা বন্ধ; খোৱা-শোৱা, কিতাপ পঢ়া বা পঢ়াৰ ভাও জোৰা। কন্দা নাছিল, মাত্ৰ মুখখন বেছি গম্ভীৰ হৈ গৈছিল। কান্দিছিল কেৱল মায়ে; হঠাৎ বাইদেউ আহি গৈছিল, চকুত পানী। বাপ নিশ্চুপ। জ্যোতিষে দেখে গধূলি আন্ধাৰত কোঠাৰ খিড়িকিৰ কাষত থিয় হৈ ৰাতুলে আকাশ চায়; ৰাতি, জ্যোতিষে গম পায়, সি, সেই ভয়াতুৰ ল'ৰাটোৱে, দুৱাৰ খুলি আন্ধাৰত পাছফালৰ বাৰাণ্ডাত বহি ৰয়। মাজে মাজে জ্যোতিষৰ কোঠাত কিতাপ বিচাৰিছিল আৰু জ্যোতিষ আহি সোমালেই চকিত হৈ হাতত কিতাপ লৈ ওলাই গৈছিল। ঘৰখনেদি মৃত্যু যেন সোমাই পাৰ হৈ গৈছিল। সকলোকে যেন নিস্পন্দ, শীতল, নিৰ্বাক কৰি থৈ গৈছিল। জ্যোতিষে ঘটনাটো সহজভাৱে ল'ব খুজিছিল, নাভাবিবলৈ চেষ্টা কৰিছিল আৰু সেই বিষয়ে কোনো ধৰণৰ আলোচনাকে প্ৰশ্ৰয় নিদিছিল। তথাপি ঘৰৰ আবহাৱাই তাক নিৰুৎসাহ কৰিলে, তাৰ বাহিৰা ক্ৰিয়াকলাপসমূহত সি সংকোচবোধ কৰিলে আৰু যথাসাধ্যে তাৰ সহযোগ সাময়িকভাৱে কমাই দিলে। প্ৰায় এবছৰ এইদৰে ঘৰখন এটা নতুন অভিজ্ঞতাৰ প্ৰতিক্ৰিয়াত প্ৰায় নিশ্চেতন হৈ আছিল; শেষৰ ফালে যেন লাহে লাহে পৰিবেশ শিথিল হৈছিল, শ্বাস-গ্ৰহণ সহজ হৈ আহিছিল। ৰাতুলে এদিন বৰঠাকুৰ চাৰৰ হাতত পৰীক্ষাৰ ফৰ্মখন পূৰাই দি পঠাইছিল। জ্যোতিষৰ সংকোচ দূৰ হ'বলৈ ধৰিছিল। কিন্তু তাৰ পিছতে আকৌ অনন্ত অতললৈ, নিষ্ঠুৰ, সান্ত্বনাহীন এক শীতল অন্ধকাৰৰ মাজলৈ সকলো নামি গৈছিল। পৰীক্ষাৰ কেইদিনমান আগতে এদিন পুৱাৰ প্ৰথম পোহৰত ঘৰৰ গাতে লাগি থকা বকুল জোপাত প্ৰতিবেশী হাজৰিকাই ৰাতুলৰ কোমল কিশোৰ দেহ আলসুৱাভাৱে অভিমান ভৰা নতমস্তকেৰে ওলমি থকা আৱিষ্কাৰ কৰিছিল। যেন এটা নাইট্‌মেয়াৰৰ মাজেৰে সিহঁত জীয়াই আছিল, যদি অৱশ্যেই তাক জীয়াই থকা বুলি ক'ব পাৰি। প্ৰতিবেশী, পুলিচ, বন্ধু, আত্মীয়, দৰ্শক, কান্দোন-চিঞৰ-চকুলো-দুঃখ-সান্ত্বনা, ডাক্তৰ-ইন্‌জেক্‌শ্যন্ ঃ অনেক মুখ, প্ৰায় একেধৰণৰ অভিব্যক্তি, এখনো মুখ স্পষ্ট নহয়, ধূসৰ; একেধৰণৰ কথা, একেই সুৰ—বিস্ময়, শোক আৰু সান্ত্বনা প্ৰধান—একো কথাই মূৰত নোসোমায়, কিছুমান অস্পষ্ট শব্দৰ টো কেৱল বাগৰি যায়। শাৰীৰিকভাৱে সুস্থ হোৱাৰ পিছতো মাই ভয় খুৱাইছিল; নীৰৱতাৰ মাজত হঠাৎ চিঞৰি উঠে, য'ত বকুলজোপা আছিল তাত বহি মনে মনে কান্দে, কেতিয়াবা অনৰ্গল কথা কয়। ঘৰখনত এটাও স্বাভাৱিক শব্দ নহয়। জীৱন মামা তেওঁৰ চিৰকৰুণ মুখ লৈ আহে আৰু সামান্য মাত্ৰ তৰঙ্গৰ সৃষ্টি নকৰাকৈ বিদায় লয়। পাটগিৰি দেউতাৰ লগত অনেক সময় বহে; কাগজখন বিজ্ঞাপন পৰ্যন্ত শেষ কৰি পঢ়ি গুচি যায়। তাৰ বন্ধু আহে, অদৰ্কাৰী কথা পাতে, তাক পৰীক্ষা দিবলৈ জোৰ কৰে।

প্ৰথমে সি বিমূঢ় হৈছিল। কথা পাতিব নোৱৰা হৈছিল। আঘাতটো তাৰ বাবেও আছিল অভাৱনীয় আৰু প্ৰচণ্ড। তাৰ সমগ্ৰ চেতনা জঠৰ, সমস্ত চিন্তা বিকল হৈ

পৰিছিল। কেৱল ৰাতুলৰ কথা, তাৰ মুখ, তাৰ চকু, তাৰ বিভিন্ন স্মৃতি, বিভিন্ন ভঙ্গী, বিভিন্ন অভিব্যক্তি মনলৈ আহিছিল। সি বিভ্ৰান্ত হৈ পৰিছিল। কিহৰ পৰা কি হ'ল, কিয় হঠাৎ এনে হ'ল ইত্যাদি প্ৰায় অৰ্থহীন প্ৰশ্নবোৰৰ অৰ্থ বিচাৰি সি অধিকতৰ বিভ্ৰান্তিৰ মাজলৈ সোমাই যাবলৈ ধৰিলে। মাজে মাজে ৰাতুলৰ মনৰ কথা সি ভাবি চাব খোজে। এইটো কি অপমানবোধৰ ফল? প্ৰায় এবছৰ ধৰি সি কি ইয়াৰেই প্ৰস্তুতি কৰিছিল? কি ভাবিছিল সি? কি অনুভৱ কৰিছিল? দুঃখ, অপমান, হতাশা, জ্বালা, ক্ষতি? প্ৰতিশোধ? এটা সামান্য ভুল, এটা সামান্য অন্যায়, নিয়মৰ বা অবিবেচনাৰ ত্ৰুটি, ভাগ্যৰ চক্ৰান্ত, তাৰ বাবে সি কি ইমান গুৰুতৰভাৱে প্ৰতিশোধ ল'লে? জ্যোতিষ যেন ভূতগ্ৰস্ত হৈ পৰিছিল, নিৰ্জীৱ হৈ আহিছিল। তেনেকৈয়ে এদিন সি পৰীক্ষা দিছিল, ৰিজাল্ট অহাৰ পিছত বিশ্ববিদ্যালয়লৈ গুচি গৈছিল। বাহিৰৰ পৰা দূৰত, কেৱল পঢ়া-শুনা আৰু নিজৰ অস্তিত্বৰ মাজত সি জীয়াই আছিল। বিপ্লৱ আৰু সংগ্ৰামৰ, দাবী আৰু প্ৰতিবাদৰ কথা দূৰৰ পৰা আগ্ৰহেৰে সি শুনিছিল; কিন্তু সেইবোৰে তাৰ মনত কোনো ঢৌ তোলা নাছিল। তাৰ পিছত জ্যোতিষে অনুভৱ কৰিলে তাৰ বয়স বহুত বাঢ়ি গ'ল। এতিয়া সি ঘৰৰ ডাঙৰ ল'ৰা, তাৰ মূৰত বিচিত্ৰ ঘৰুৱা সমস্যা, কান্ধত দায়িত্বৰ ওজন আৰু বুকুৰ ভিতৰত অজস্ৰ ব্যক্তিগত দুঃখ। 'মোৰ ব্যক্তিগত দুঃখসমূহেই মোৰ জীৱনটো কটাবলৈ যথেষ্ট' সি নিজকে ক'লে। আৰু এদিন বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহি স্থানীয় কলেজখনত সোমাল। বহিৰ্জগতৰ পৰা, বাস্তৱৰ বিভিন্ন ঘটনা প্ৰবাহৰ পৰা নিজকে সি অপসাৰিত কৰি ৰাখিলে, সকলো বস্তুৰে প্ৰতি আগ্ৰহ তাৰ সীমিত হৈ আহিল। প্ৰথমে তাৰ সঙ্গীবৃন্দক হতাশ হোৱা যেন দেখা গৈছিল; কিন্তু লাহে লাহে সি বুজিলে যে সিহঁতৰ অনেকেই ক্লান্ত, দুৰ্বল হৈ পৰিছে, বিপ্লৱৰ মোহ হেৰাইছে ক'ৰবাত আৰু জীৱিকাৰ ওজনৰ হেঁচাত সকলো উৎসাহ আৰু তেজ স্তিমিত হৈ গৈছে। সমাজৰ বিৰুদ্ধে যুদ্ধৰ পৰা পলাই নিজৰ একান্ত গুহাৰ অন্ধকাৰত আশ্ৰয় লৈছে।

এনেদৰে এসময়ত সি অনুভৱ কৰিলে যে কেৱল বয়স আৰু জীৱিকাৰ ওজনেই নহয়, কিবা এটা গভীৰ চাপে বুকুখন গধুৰ কৰি ৰাখে। পঢ়া-শুনাৰ প্ৰতি তাৰ প্ৰচণ্ড আগ্ৰহ ক্ৰমে কমি আহি শূন্য-প্ৰায় হৈ গ'ল। নিজৰ প্ৰতি মনোযোগ দিবৰ ইচ্ছা নোহোৱা হৈ আহিল। অৰ্থহীন দৈনন্দিনতাৰ মাজত, উদ্দেশ্যহীন যান্ত্ৰিক ৰুটিনৰ মাজত লাহে লাহে সি ডুবি যাব ধৰিলে। সেই সময়তে তাৰ সহকৰ্মিণী নিৰ্মালী দত্তৰ লগত খুব কম দিনৰ ভিতৰতে তাৰ বন্ধুত্ব গাঢ় হৈ আহিছিল। 'প্ৰেম নেকি?' অন্ধকাৰত কাৰোবাৰ পৰিচয় দাবী কৰাৰ দৰে নিজকে সি সুধি চায়। মনৰ অন্ধকাৰৰ পৰা কোনো উত্তৰ নাহে। তাৰ ভাল লাগিছিল; বুকুৰ ওপৰৰ হেঁচাটো পাতল পাতল লাগিছিল। কিন্তু এইটোৱেই কি প্ৰেম? হ'ব পাৰে। বা হয়তো নিচা। তাৰ অতীতৰ বিপ্লৱী ভূমিকাৰ দৰে, জ্ঞানাহৰণৰ চেষ্টাৰ দৰে এটা নতুন নিচা। কিন্তু সেইবোৰ কি সঁচাকৈয়ে নিচামাত্ৰ আছিল? উত্তৰৰ অভাৱত এই প্ৰশ্নটোও মনৰ অন্ধকাৰৰ ভিতৰত ঘূৰি ফুৰে। হ'ব



পাৰে নিচা, জ্যোতিষে ভাবিলে, আৰু এনেকৈয়ে একো একোটা নিচাত মত্ত হৈ আমি সকলোবোৰ পলাই আহিছোঁ, বিভিন্ন নিচা, ঘৰৰ-প্ৰতি-দায়িত্ব-পালনৰ-নিচা, কেৰিয়াৰৰ নিচা, সমৃদ্ধিৰ নিচা, ৰ'মান্সৰ নিচা.....। যি যুদ্ধৰ বাবে জীৱন উৎসৰ্গিত হোৱা উচিত আছিল তাৰ প্ৰতি পিঠি দি নিজৰ নিচাত ডুবি আছোঁ। এসময়ত সমাজৰ বিৰুদ্ধে যুদ্ধত যেতিয়া তাৰ যৌৱনৰ প্ৰচণ্ড তেজ আৰু উদ্যম নিয়োজিত হৈছিল, প্ৰত্যেকটো কামেই অৰ্থপূৰ্ণ, অপৰিহাৰ্য আৰু পবিত্ৰ কৰ্তব্য যেন বোধ হৈছিল, জীৱনৰ উদ্দেশ্যপূৰ্ণতা সম্পৰ্কে সামান্যও সন্দেহ নাছিল। আৰু এতিয়া ভাব হয় জীৱনৰ অন্য কোনো অৰ্থ নাই, কেৱল সমস্ত শক্তি, সমগ্ৰ মনোযোগেৰে নিজক জীয়াই ৰখা, শূন্যতাৰ মাজলৈ, নিষ্ফল পৰিণতিৰ মাজলৈ নিৰুপায়ভাৱে আগবাঢ়ি যোৱা। জীৱনৰ লক্ষ্য কি এয়ে আছিল? এইদৰেই তেনেহ'লে সকলোৱে আপোন হৃদয়ৰ বন্ধ কোঠাৰ মাজত নিজকে বন্দী কৰি ৰাখিব আৰু মানুহৰ অসংখ্য দুৰ্ভোগ, সমাজৰ সীমাহীন অন্যায় চকু মুদি নিশ্চেতন নিষ্ক্ৰিয় হৈ সহ্য কৰি যাব? এসময়ত সামান্য অন্যায় বা এনেকি অন্যায়ৰ সম্ভাৱনাই মনৰ ওপৰত বিদ্যুতৰ ক্ৰিয়া কৰিছিল, স্বয়ংক্ৰিয়ভাৱে দুৰ্মদ সাহসেৰে তাৰ বিৰুদ্ধে থিয় হৈছিল। আৰু এতিয়া যেন সিহঁতৰ কোনো দায়িত্ব নাই, সিহঁত অৱসৰপ্ৰাপ্ত। মা'ৰ বেমাৰ, ভনীৰ বিয়া, ভাইৰ পঢ়া, প্ৰেয়সীৰ সঙ্গ আৰু নিজৰ অস্তিত্বৰ নিৰাপত্তা আদি জীৱনৰ বিচিত্ৰ দাবী আৰু নিস্পৃহ মনৰ নিষ্ক্ৰিয়তাৰ মাজত দিন-ৰাতি স্বাভাৱিক স্বচ্ছন্দ গতিত পাৰ হৈ যায়। আৰু এই হীন, তুচ্ছ, নিৰৰ্থক জীৱনৰ স্বাভাৱিকতাই মাজে মাজে তাক শ্বাসৰুদ্ধ কৰি তোলে। এক অভাৱনীয় বিস্ফোৰণৰ মাজত সি নিশ্চিহ্ন হৈ যাব খোজে আৰু তাকো অসম্ভৱ জানি কোনো অস্তিত্বহীন বেদনাবহ অন্য পৃথিৱীৰ স্মৃতিৰ মাজত নিমগ্ন হৈ যায়। .....জ্যোতিষে বাগৰ সলায়। সিকোঠাত ৰাতিৰ অন্ধকাৰৰ মাজতো নিৰৱচ্ছিন্নভাৱে নিৰুপায়, অব্যক্ত ক্লান্তি বুকুত লৈ বেৰৰ ঘড়ীটো চলি থাকে, ঘণ্টাটো বজাৰ আগতে এটা চুটি, শ্লেষ্মজ, কাতৰ গেঙনিত তাৰ পুঞ্জীভূত বেদনা প্ৰকাশ পায়। অনেক ৰাতিলৈ জ্যোতিষৰ টোপনি নাহে। ৰাতিৰ আন্ধাৰ গৰ্ভ উত্তপ্ত আৰু যন্ত্ৰণাদায়ক হৈ উঠে। নিৰুত্তৰ অন্তৰৰ ওচৰত তাৰ অজস্ৰ আৱেগময় প্ৰশ্নৰ কোলাহল, নিজৰ সন্মুখত তাৰ নিজৰে অসহায়, অপদাৰ্থ ছবি, জীৱনৰ মোহ আৰু অযোগ্যতাৰ ক্ষোভ—এই সমস্তৰ বাৰম্বাৰ আঘাতত তাৰ হৃদয় ভাঙি মোচৰ খাই উঠে।

'ভট্টাচাৰ্যিক এৰেষ্ট কৰিছে' বাহিৰৰ পৰাই জীৱনমামাই ঘোষণা কৰিলে আৰু তেওঁৰ পৰিচিত গম্ভীৰ চিৰকৰুণ মুখ লৈ জ্যোতিষৰ কোঠাত প্ৰৱেশ কৰিলে। ৰাতিপুৱা অনেক দেৰীকৈ অনিচ্ছুকভাৱে জ্যোতিষে যেতিয়া বিছনা এৰে তেতিয়া প্ৰথম পুৱাৰ অলস নিৰীহ সূৰ্য ক্ৰমে চাৰিওফালে তাৰ তেজ আৰু ক্ৰোধ বিচ্ছুৰণ কৰি দ্ৰুতবেগে ধাবিত হৈছিল। দুৰ্বল, বিৰক্তচিত্তে বহুসময় সি বিছনাত বহি বাহিৰলৈ চাই ৰৈছিল। অলপ আগতে চাহকাপ খাই পুনৰ সি বিছনাত বাগৰ দিছিল। চকুহাল পুৰিছিল। খিড়িকিৰে শেৱালীজোপাৰ মাজেৰে সি দূৰ আকাশলৈ চাইছিল। বাহিৰত হৰতাল,

অসম-বন্ধ; বাপ ইতিমধ্যেই ওলাই গৈছে, ৰতুৰ পঢ়াৰ শব্দ আজি নাই, সিও বোধহয় বাহিৰত। বাটৰ মটৰ-ৰিক্সা চাইকেল-পথচাৰীৰ পৰিচিত শব্দবোৰ পৰ্যন্ত আজি বন্ধ আছে। মাজে মাজে এদল ল'ৰা কেৱল সৰৱে পাৰ হৈ গৈছে। কাগজখন হাতত লৈ দুৱাৰমুখত দেউতাৰ দুৰ্বল দেহ থিয় হ'ল। জ্যোতিষ পৰি থকাৰ পৰা উঠি বিছনাত বহিল। পুৱাৰ পোহৰত দেউতাৰ টপামূৰ আৰু পকাচুলি জিলিকি উঠিছিল। অতীত কীৰ্তিৰ গৌৰৱ বা দুষ্কৃতিৰ মদগৰ্ব নিশ্চিহ্ন হৈ তেওঁৰ মুখত এতিয়া বিৰাজ কৰিছে বাৰ্ধক্যৰ মলিন ছাপ, ফৰকাল ৰাতিপুৱা আৰু তেওঁৰ নকল দাঁতৰ উজ্জ্বলতাই সেই মলিনতা অধিক স্পষ্ট কৰি তুলিছে। দুৱাৰমুখৰ পৰাই ব্যগ্ৰভাৱে দেউতাই সুধিলে,

"কাক এৰেষ্ট্ কৰিলে?"

"ভট্টাচাৰ্যি।" জীৱনমামাৰ মুখখনত সামান্যও উত্তেজনা বা আন কোনো ধৰণৰ পৰিৱৰ্তন নাছিল।

"কেতিয়া?" দেউতাৰ কণ্ঠত ব্যগ্ৰতা কমিছিল।

"শেষ ৰাতি। প্ৰি-ডন্-স্বুপ্।" জীৱনমামা ভট্টাচাৰ্যিৰ প্ৰতিবেশী।

"গণ্ডগোল লাগিব। ক'ৰবাত কিবা হৈছে নে কি?" দেউতাক হঠাৎ চিন্তিত আৰু ক্ষুব্ধ যেন লাগিল। ভাব হ'ল যেন বহুকাল ধৰি দুৱাৰৰ ফ্ৰে'মত এই হাস্যকৰ ভঙ্গীত তেওঁ বন্দী হৈ আছে, প্ৰাচীন উৰ্বলি যোৱা ফটোৰ দৰে।

"নাই, ইয়াত এতিয়ালৈকে কোনো গণ্ডগোল নাই। পীচ্‌ফুল্। চেণ্ট্ৰেল্ অফিচবোৰত পিকেটিং হৈছে।" জীৱনমামাই সংবাদ দিলে। দেউতাৰ মুখলৈ তথাপি স্বস্তি নাহিল। আচলতে তেওঁৰ গোপন, নীৰৱ অসন্তুষ্টি এটা অমঙ্গলীয়া সম্ভাৱনাৰ সমৰ্থন পাই মনৰ ভিতৰত সবল হৈ উঠিছে। বাপহঁতৰ বিৰুদ্ধে তেওঁ স্পষ্টকৈ একো নকয়, কিন্তু তেওঁৰ কথা-বতৰাত সিহঁতৰ বিৰুদ্ধে ক্ষোভৰ নিশ্বাস থাকে। সকলো ধৰণৰ গণ্ডগোলৰ বাবে সিহঁতক তেওঁ জগৰীয়া কৰিব খোজে। তেওঁ জানে তেওঁ সমৰ্থন হেৰুৱাইছে; সময়ৰ প্ৰভাৱত, সংসাৰৰ বহুবিচিত্ৰ আঘাতত তেওঁ দুৰ্বল, অস্পষ্ট অন্যায়বোধ আৰু পৰিৱৰ্তনৰ প্ৰথম বতাহৰ পৰশত তেওঁ কিছু অসহায় আৰু শংকিত আৰু ফলত এসময়ৰ তেওঁৰ প্ৰবল প্ৰতিৰোধ, অনমনীয় দৃঢ়তা ক্ৰমে ক্ৰমে জহি আহিব ধৰিছে। হঠাৎ কোনো এদিন তেওঁ নিজৰ ওচৰতে অসহজ বোধ কৰে, মুহূৰ্তৰ বাবে এটা অন্যায়বোধে তেওঁক অসহায় কৰি তোলে, বাপৰ নিৰ্ভয় সোচ্চাৰ বিপ্লৱৰ প্ৰতি ভীত অথচ কোমল হৈ পৰে। চিন্তিত মুখেই তেওঁ মুখখন ঘূৰালে, কাগজখন ভাঁজ কৰি জাপিলে আৰু লাহে লাহে আঁতৰি আহিল।

দুৱাৰমুখত এটা অসহায় শূন্যতা কিছুসময় থিয় হৈ থাকিল, তাৰ পিছত ধীৰে ধীৰে বতাহৰ লগত মিলি গ'ল। জ্যোতিষ কোঠাৰ পৰিবেশৰ মাজলৈ ঘূৰি আহিল। জীৱনমামাই আৰামী চকীত বহি শূন্যত দৃষ্টি স্থিৰ কৰিছে; তেওঁৰ মুখত নিৰুপদ্ৰৱ নিৰ্ভাৱনা, সাম্প্ৰতিক ঘটনাসমূহ বা তাৰ সম্ভাব্য পৰিণতিৰ ছাঁ তাত অনুপস্থিত। অভিজ্ঞতাই তেওঁক কৰুণ আৰু উদাসীন কৰি তুলিছে।



"মামা, চাহ খোৱা একাপ।" জ্যোতিষ বিছনাৰ পৰা নামি পাক-ঘৰলৈ যোৱাৰ উদ্যোগ কৰিলে।

"নালাগে চাহ" জীৱনমামাই বাধা দিলে আৰু স্বয়ংক্ৰিয়ভাৱে জেপৰ পৰা চিগাৰেট উলিয়াই জ্বলাই ল'লে। জ্যোতিষৰ ফালে জুইশলা আৰু চিগাৰেটৰ পেকেটটো দলি মাৰি দি অনায়াস পটুতাৰ ভঙ্গীত তেওঁ চিগাৰেট হুঁপিব ধৰিলে। জীৱনমামাক দেখিলে ভাব নহয় যে তেওঁ কোনো উপায়ে জীৱন বা সংসাৰৰ লগত জড়িত; কিন্তু তেওঁ উচ্চ মাধ্যমিক স্কুলত কাম কৰে, চহৰখনৰ ভিতৰতে নাম কৰা শিক্ষক, তদুপৰি, গৃহী, স্ত্ৰী-কন্যাসহ সংসাৰ-ধৰ্মত ব্ৰতী। দেখাত তেওঁ যেন নিস্পৃহ, নিৰ্জীৱ, স্পষ্টতঃ কোনো কামৰ মানুহ নহয়। অথচ সমগ্ৰজীৱন তেওঁৰ নিষ্ঠুৰ ভয়াবহ যুদ্ধত অতিবাহিত হৈছে। পিতৃবিয়োগ, মাতৃবিয়োগ, দাৰিদ্ৰ্য, নিষ্পেষণ আদি প্ৰতিকূল ঘটনা আৰু পৰিবেশে তেওঁৰ ভিতৰত ভৱিষ্যৎ সংগ্ৰামৰ বাবে কঠিন ধাতু তৈয়াৰ কৰিছিল। বিয়াল্লিছত, কিশোৰ বয়সতে তেওঁ আছিল স্বেচ্ছাসেৱক বাহিনীৰ সাংকেতিক বাৰ্তাবাহক। ই তেওঁক এটা উত্তেজনা দিছিল। তেওঁক সচেতন কৰি তুলিছিল। নিজৰ শক্তি, দায়িত্ব, জীৱন সম্পৰ্কে কৌতূহল হৈছিল। চহৰলৈ আহি অতি কষ্টত তেওঁ কলেজত পঢ়া আৰম্ভ কৰিছিল। তেওঁ আছিল ধীমান, নীৰৱ, চিৰিয়াচ্ আৰু দৰিদ্ৰ আৰু সেয়ে সকলোৰে আকৰ্ষণ আৰু প্ৰশংসাৰ পাত্ৰ। এনেতে এদিন, তেওঁ দ্বিতীয় বাৰ্ষিকত, হঠাৎ অবিশ্বাস্যভাৱে কমিউনিষ্ট্ বুলি তেওঁক আটক কৰা হ'ল, ৰিভল্‌ভাৰ্ বিচাৰি তেওঁৰ মেছত খানাতালাচ চলিল। প্ৰাথমিক অবিশ্বাস আৰু বিস্ময় সত্ত্বেও মানুহবোৰৰ ধাৰণাত তেওঁৰ উজ্জ্বল ছবি যেন কলঙ্ক-মলিন হৈ পৰিল। জীৱনমামা মাৰ গাঁৱৰ ল'ৰা, এতেকে মাৰ বাৰম্বাৰ অনুৰোধ-উপৰোধ-ভৰ্ৎসনাৰ ফলত আৰু বিয়াল্লিছৰ সংগ্ৰামত জীৱনমামাৰ সহযোগ স্মৰণ কৰি তেওঁক পুনৰ পৰিশুদ্ধ কৰাৰ আশাত দেউতাই তেওঁৰ প্ৰভাৱ ব্যৱহাৰ কৰিলে আৰু জীৱনমামা মুক্ত হৈ আহিল। আশৈশৱ যুদ্ধ আৰু অভিজ্ঞতাই তেওঁক কঠোৰ কৰিছিল। প্ৰায় এবছৰৰ ওপৰ যুঁজ কৰি তেওঁ চৰকাৰী স্কুলত চাকৰি লৈছিল। ইয়াৰ পিছত প্ৰেমত পৰি প্ৰায় সমগ্ৰ চহৰৰ তীব্ৰ সমালোচনা, কদৰ্থনা, বিদ্ৰূপ, ভ্ৰূকুটি উপেক্ষা কৰি তেওঁ নিজৰে ছাত্ৰী, এজনী বিজাতি ছোৱালীক বিয়া কৰাইছিল। নিঃসঙ্গ আৰু পৰিত্যক্ত হৈ এইদৰেই ব্যক্তিগত জীৱনৰ খুচুৰা সংগ্ৰামত তেওঁ জড়িত হৈ পৰিল। জ্যোতিষ যেতিয়াই জীৱনমামাৰ লগত অকলশৰীয়া হৈ বহে তেওঁৰ মুখৰ কৰুণ গম্ভীৰ আচ্ছাদনৰ তলৰ জীৱনটো তাৰ মনত পৰিস্ফুট হৈ পৰে। তেওঁৰ প্ৰচণ্ড জীৱন, তাৰ গভীৰ দুৰন্ত ৰূপ দেখি সি বিমুগ্ধ হয়। এতিয়া তেওঁৰ বয়স হৈছে, স্ত্ৰী-কন্যা-গাৰ্হস্থ্য-চিন্তাই কিছু পৰিমাণে তেওঁক আবিষ্ট কৰিবৰ চেষ্টা কৰিছে, তেওঁ সফল শিক্ষক বুলি খ্যাত হৈছে আৰু ফলত, ভাব হয়, ভিতৰি ভিতৰি তেওঁ যেন ইয়াৰ বাবে অসহজ বোধ কৰিছে। সমাজে তেওঁক পুনৰ্বাৰ সহজভাৱে, এনেকি কিছু সম্ভ্ৰমেৰে গ্ৰহণ কৰিছে; কিন্তু তেওঁ সমাজক গ্ৰহণ কৰা নাই। তেওঁ নিজকে নিঃসঙ্গ,

পৰিত্যক্ত, ক্ষুব্ধ কৰি ৰাখিছে, এক নিস্পৃহ, নিষ্ক্রিয়, সংশয়াকীৰ্ণ চেতনাৰে অতীত আৰু বৰ্তমান সমাজৰ পৰা তেওঁ নিজকে ক্ষমাহীনভাৱে দূৰ কৰি থৈছে।

চিগাৰেটৰ টুকুৰাটো বাহিৰলৈ দলিয়াই জ্যোতিষে জীৱনমামালৈ চালে। এখন ইংৰাজী আলোচনীৰ মাজত তেওঁ নিমগ্ন হৈ আছিল। হাতৰ চিগাৰেটত দীঘলীয়াকৈ ছাঁই জমা হৈছিল। কপালৰ সিৰ কোঁচ খাই উঠিছিল। অৰুক্কয়ৰ বুৰঞ্জী এতিয়া সুদীৰ্ঘ আৰু গধুৰ, দেউতাহঁতৰ উদ্যোগত তাৰ আৰম্ভণ, অথচ তাৰ দৰে নতুন যৌৱনৰ সন্মুখত জীৱনমামা জ্বলন্ত প্ৰতিবাদৰ কি এক কৰুণ স্তিমিত সাক্ষী। জ্যোতিষে তেওঁৰ প্ৰতি এক ধৰণৰ মোহ অনুভৱ কৰিলে। কিন্তু প্ৰকৃততে, নিৰ্দোষ মোহৰ ছদ্মবেশত ঈৰ্ষা আৰু ঈৰ্ষাৰ ভিতৰত স্বীয় অপদাৰ্থতাৰ বীজ নিহিত আছিল।

বাইদেউ ভিতৰত ব্যস্ত আছিল। তাৰ মাজতে আহি সিহঁতক দুকাপ চাহ দি গ'ল। বিনা বাক্যব্যয়ে চাহ খাই চিগাৰেটৰ ধোঁৱা উকৰাই জীৱনমামা ওলাই গ'ল।

জীৱনমামা ওলাই যোৱাৰ পিছত আজি বহুদিনৰ মূৰত জ্যোতিষৰ এবাৰ নিখিললৈ মনত পৰিল। নিখিল আছিল জীৱনমামাৰ সকলোতকৈ উৎসাহী অনুগামী। কিন্তু আজিকালি সিহঁতৰ মাজত কদা-কাচিৎ মাত্ৰ নিখিলৰ নাম উচ্চাৰিত হয়। নিখিল আছিল অতিপাত চোকা, অংকত চিৰকালেই নব্বৈৰ ঘৰত, নিঃসম্বল, জাত-মাৰ্ক্সবাদী। স্কুল-কলেজ বিশ্ববিদ্যালয়ত সদায় দাবী-প্ৰতিবাদ আন্দোলন-অনশনৰ মাজেদি গৈও ফাইনেলত সি সুন্দৰ ৰিজাল্ট কৰিছিল। বিশ্ববিদ্যালয়ত চাকৰি পোৱাৰ পিছত সি কিছুদিন নীৰৱ আৰু গহীন হৈ পৰিল। আৰু এদিন এটা স্কলাৰশ্বিপৰ ব্যৱস্থা কৰি বিদেশলৈ গুচি গ'ল। জ্যোতিষে দেখিলে দেশৰ দুৰ্দিন, জনগণৰ দুৰৱস্থা, বিপ্লৱৰ সকীয়নি আৰু ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰ সলনি বিদেশৰ সহজ স্বাচ্ছন্দ্য, নিশ্চিন্ত আৰাম আৰু তাৰ ব্যক্তিগত আকাংক্ষা ভৰা ৰঙীন আঁচনিৰে নিখিলৰ প্ৰতিখন চিঠি ভৰি আহিব ধৰিলে। আৰু এদিন নিখিলৰ সুদীৰ্ঘ চিঠি এখন খুলি লৈ আচৰিত হৈ জ্যোতিষে এটা ক্ষীণ বিচিত্ৰ হাঁহি মাৰিলে, কাৰণ সি পঢ়ি গ'ল, প্ৰায় অবিশ্বাসেৰে,—'ইয়ালৈ এতিয়া বসন্ত আহিছে। বৰফৰ ক'তো চিন্‌চাব নাই। মোৰ ঘৰৰ কাষত থকা লে'কটোত এতিয়া আকৌ ৰাটাৰ-স্কীৰ উৎপাত আৰম্ভ হৈছে। গছৰ পাত অৱশ্যে এতিয়াও ওলোৱা নাই, এমাহমানতে ওলাই যাব। ইমানদিন ঠাণ্ডাৰ কাৰণে চৰাই দেখিবলৈকে পোৱা নাছিলো; এতিয়া ৰাতিপুৱা বিছনাত থাকোঁতেই চৰাইৰ কিচিৰ্‌মিচিৰ্ শুনি অদ্ভুত ভাল লাগে। মাত্ৰ কিছুদিন আগলৈকে বাটত মানুহ দেখিবলৈ নাছিল, কেৱল চাৰিওফালে গাড়ী আৰু গাড়ী। এতিয়া মানুহৰ ভিৰৰ কোবত বাটলৈ ওলাব নোৱৰা অৱস্থা। সকলোৰে মুখত হাঁহি, স্ফূৰ্তি, আৰু একেটাই যেন কথা, একমাত্ৰ সুখৰ বতৰা—আহ্ চামাৰ্ আহিছে! খোলা খিড়িকিৰ কাষত বা বাহিৰৰ বেল্‌কনিত বহি মানুহ আৰু দৃশ্য চাই চাই ঘণ্টাৰ পিছত ঘণ্টা কটাই দিব পাৰি। প্ৰায়ে অৱশ্যে চানু মিত্ৰ বা জুডী ব্ৰেফ'ৰ্ড্ আহে, ফুৰিবলৈ ওলাই যাওঁ....' জ্যোতিষৰ ভাব হ'ল শীতৰ অভাৰ্শ্বু'ৰ দৰে ভেঁকুৰৰ বিবৰ্ণ আচ্ছাদন



লৈ দেশৰ ছবি নিখিলৰ মনৰ অন্ধকাৰ কোনো চুকত এতিয়া বিস্মৃত হৈ ৰৈছে, হঠাৎ কেতিয়াবা চকুত পৰি কেৱল অস্বস্তিৰ সৃষ্টি কৰে। টৰণ্টোৰ পৰা চান্সাচুৱান্, চান্সাচুৱানৰ পৰা ট্ৰে'ণ্ট্, গৱেষণা, ডিগ্ৰী, চাকৰি, তাৰ পিছত বিয়া আৰু নিগাজী বসবাস ঃ আৰাম-স্বাচ্ছন্দ্য-সুখৰ মাজত প্ৰাক্তন-বিপ্লৱী নিখিলৰ দিন পাৰ হৈছে। ষ্টেচনৰ কাষত প্ৰস্ৰাৱ আৰু পায়খানাৰ গন্ধৰ মাজত, ভিক্ষাৰী, কুষ্ঠৰোগী, চিফিলিচ্-আক্ৰান্ত কুকুৰ, গুণ্ডা আৰু বেশ্যাৰ মাজত সি এতিয়া বাস কৰিব নালাগে। আজিকালি আৰু নিখিলৰ খবৰ পোৱা নাযায়। হঠাৎ আড্ডাত কেতিয়াবা তাৰ নাম ওলায় আৰু 'চালা, কোনো পাত্তাই নাই বেটাৰ' জাতীয় মন্তব্যতে শেষ হয়। আৰু আচৰিত ধৰণে, কেতিয়াবা নিখিলৰ স্মৃতিৰ মাজত জ্যোতিষে আপোন অপদাৰ্থতাৰ অপৰাধৰ পৰা আশ্ৰয় বিচাৰি যায়।

কিছুসময়ৰ বাবে দুপৰীয়াৰ আড্ডা মুখৰ হৈ উঠিছিল। হেমেন আৰু জামালে অজিতক টানি উলিয়াই আনিছিল বন্ধৰ দিন কটাবলৈ।

"এই, ই ইয়ালৈ আহিবলৈ ৰিক্সা বিচাৰি ফুৰিছে!" হেমেনে কোঠাত সোমায়েই অজিতক জোকালে। জ্যোতিষে হাঁহিলে।

"তাৰ গাত কি জগৰ? ককায়েকে ইন্‌কাম্ কৰে। তিনিটা ভায়েকে চাউলৰ দোকানত লাইন দিয়ে আৰু সি ক'ল্ড্ ষ্টেটিষ্টিক্‌চৰ মাজত সোমাই ৰিচাৰ্চ কৰে। বন্ধ, হৰতাল, এইবোৰ খবৰ তাক কোনে দিছে?" জামালে উৎসাহেৰে যোগ দিলে।

"আৰে যাঃ মাথাটো গৰম নকৰিবি।" বিৰক্তভাৱে কৈ উঠি অজিত চকী এখনত আঁউজি বহিল। অৰ্থনীতিৰ গৱেষণাত আত্ম-বিলুপ্ত অজিতক মাজে-মাজে এইদৰে অত্যাচাৰ কৰা হয়। এনেধৰণৰ আড্ডাত ঘৰৰ পৰিবেশ অপসৃত হয়; বাৰাণ্ডাৰ টবত ফুল, পৰ্টিক'ৰ প্ৰৌঢ়, গহীন আবহাৱা, ড্ৰয়িং ৰুমৰ কৃত্ৰিম সজ্জা আৰু পাৰিপট্য অদৃশ্য হয়। তাহানিৰ হোষ্টেলৰ কোনো আলোচনা, তাৰ সুৰ আৰু মুডেৰে, কেৱল বয়সোচিতভাৱে অশ্লীলতা বৰ্জিত হৈ, যেন পুনৰানুষ্ঠিত হয়; ইয়াৰ কাৰণ হয়তো এয়ে যে এনে সন্মিলিত উদ্দেশ্যহীন আলোচনাত স্মৃতিৰ ৰেশ থাকে, কিন্তু বয়সৰ প্ৰভাৱে বৰ্তমান অনুভূতিত নিয়ন্ত্ৰণ আৰু অস্পষ্ট, ভাসমান এক বেদনাৰ বোল সানি যায়।

"হৰতালৰ খবৰ ক।" জ্যোতিষে ক'লে।

"পুৰা হৰতাল। চকা বন্ধ। পীচ্‌ফুল্, স্পন্‌টেনিয়াচ্" হাতৰ ভঙ্গীসহ হেমেনে ঘোষণা কৰিলে। জ্যোতিষে তাৰফালে চাই আছিল। তাৰ মনত পৰিল যে দেশী-বিদেশী অনেক নাটকৰ হেমেন বহু-বিতৰ্কিত পৰিচালক।

"ভট্টাচাৰ্যিক এৰেষ্ট কৰিলে, শুনিছ?" জামালে সুধিলে।

"অ' হাঁ, শুনিছোঁ। জীৱনমামা আহিছিল। আবেলি আজি গণ্ডগোল লাগিব পাৰে।"

কিছুসময় সিহঁত নীৰৱে ৰ'ল। যেন জ্যোতিষৰ কথাত আবেলিৰ সম্ভাৱনাই বৰ্তমানটো গধুৰ কৰি পেলালে।

"বন্দুক এটা লৈ চব মজুতকাৰী এফালৰ পৰা শেষ কৰি যাব লাগে।" হঠাৎ অজিতে কৈ উঠিল।

"ব্রেভ'! Viva Guevera!!" হেমেন জাঁপ মাৰি অজিতৰ সন্মুখত থিয় হ'ল আৰু দুইহাত ওপৰলৈ তুলি হৰ্ষধ্বনি কৰিলে। সশব্দে জামালে হাঁহি উঠিল। সঁচাকৈয়ে তাৰ মনত নাটক আছে, হেমেনলৈ চাই জ্যোতিষে ভাবিলে। আৰু সেই সময়তে খিড়িকিৰে সি দেখা পালে প্ৰচণ্ড ৰ'দত ঘৰ্মাক্ত, শ্ৰান্ত দেহেৰে বিস্ৰস্ত পৰিচ্ছদ আৰু চুলিৰে দুজন বন্ধুৰ সৈতে বাপ ঘৰলৈ ঘূৰি আহিছে।

ভাত খাই উঠি বিছনাত পৰি পৰি জ্যোতিষে চিগাৰেট টানিছিল। ঘৰখন ঠাণ্ডা, সকলো বোধহয় শুইছে। গৰমত তাৰ টোপনি অহা নাছিল। প্ৰচণ্ড ৰ'দৰ মাজত খিড়িকিৰে ৰাস্তাৰ ওপৰত বাপক দেখা গ'ল। হাতত কাগজেৰে মেৰিওৱা প্ৰকাণ্ড এটা পেকেট, বোধহয় প্লেকাৰ্ডবোৰ, ব্যস্তভাৱে সি ঘৰৰ পৰা ওলাই গৈছে। দুপৰীয়াৰ বাপৰ উত্তেজিত, ক্লান্ত, ৰঙা মুখখন জ্যোতিষৰ মনত পৰিল।

"বাপ, হৰতাল কেনে হৈছে? ভট্টাচাৰ্যিক বোলে এৰেষ্ট্ কৰিলে?" বাপ সোমাই অহাৰ লগে লগে জামালে সুধিছিল।

"কলিতাকো এৰেষ্ট কৰিছে। মুভ্‌মেণ্ট্‌টো ক্ৰাছ্ কৰিব খুজিছে।" ৰুদ্ধ ক্ষোভ বাপৰ উত্তৰত ছিটিকি পৰিছিল। উত্তেজিত হৈ সি শ্যৰ্টৰ বুটাম খুলিব ধৰিলে।

"কলিতাকো? কেতিয়া? ক'ত?" বিস্মিত হৈ প্ৰায় একেলগে সিহঁতে প্ৰশ্ন লৈ জঁপিয়াই উঠিল।

"আঠমান বজাত। তেওঁ ডেমনষ্ট্ৰেচনৰ বাবে কালি ভলাণ্টিয়াৰখিনি অৰ্গেনাইজ্ কৰিবলৈ গৈছিল। বেলতলাত ধৰিলে।" সি শ্যৰ্টটো খুলি পেলালে। কোঠালৈ এটা অসহজ নীৰৱতা আহি পৰিল। বাপে পেণ্টৰ তলত লাগি ৰোৱা বোকা গুচাবৰ চেষ্টা কৰিলে।

"আজি বোধহয় গণ্ডগোল লাগিব।" চিগাৰেটটো এছ্‌ট্ৰেত ডুবাই জামালে ক'লে!

"পুলিচৰ মতলব বেয়া। ডিব্ৰুগড়ত বোলে কিবা এটা ষ্ট'ন্‌থ্ৰ'ৱিং ইন্‌চিডেণ্ট্ হৈছে।" বাপে পেণ্টটো চাফা কৰিবলৈ এৰি জামালৰ মুখলৈ চালে। এটা পাতল কঠোৰতা, অস্পষ্ট বিপদ-সংকেত যেন কোঠালৈ নামি আহিল। আৰু হাতত প্ৰসাদ লৈ বাইদেউ সোমাই নহালৈকে সি কোঠাৰ বতাহত ওলমি থাকিল।

"আ, বাইদেউ, আনক, আনক, বঢ়িয়া বস্তু আনিছে।" হেমেনে উচ্ছ্বাসেৰে ক'লে।

"এই বাইদেৱেই আজি পুৱাৰ পৰা চব নষ্ট কৰি আছে।" কৃত্ৰিম ৰোষত বাপে ক'লে।

"কি হ'ল? মই কি কৰিলো?" বাইদেৱে অভিযোগটোত কোনো গুৰুত্ব নিদিলে, প্ৰসাদ বিলাই থকাৰ পৰাই সুধিলে।

"কি কৰা নাই?" বাপে এক পৰ্দা ওপৰত ক'ব ধৰিলে, "ৰাতিপুৱা মই দুৱাৰ বন্ধ কৰি প্লেকাৰ্ড বনাইছোঁ, লিখিছোঁ 'মেহ্‌নতী জনতা লাল চালাম' আৰু তাই গৈ কৈছে



কি, 'যাচোন পঞ্চপল্লৱ কেইটামান আনি দে।' মোৰ একেবাৰে গৰম উঠি আহিছিল আৰু....!"

হাঁহিৰ উল্লাসত বাইদেৱে নাৰ্ভাচ্ কৰিব ধৰিলে।

বন্ধৰ দুপৰীয়াৰ দৰে চহৰখন শান্ত, গতিহীন, স্থবিৰ। কেৱল সকলোৰে ঘৰৰ পৰা ৰেডিঅ'ৰ শব্দ, ক'ৰবাত হিন্দী গীতৰ অনুষ্ঠান, ক'ৰবাত 'আইদেউৰ বুলনি'। পাছফালৰ চোতালত শালিকাৰ কাজিয়াই দুপৰটোক অধিক কৰ্কশ আৰু অনাত্মীয় কৰি তুলিছিল। খিড়িকিৰে সি দেখিলে পথ নীৰৱ, জনশূন্য। ভানুৰ গুম্‌তি-দোকান বন্ধ। বাটৰ কাষত গছৰ ছাঁত থিয় হৈ এজনী গৰুৱে নিশ্চল যান্ত্ৰিকভাৱে ঘাঁহ পাগুলিছে। গুম্‌তি দোকানৰ ছাঁত ভানুৰ লেৰেলা কুকুৰটোৱে জিভা উলিয়াই ফোঁপাইছে। দূৰৰ ঘৰৰ বেৰবোৰৰ পৰা, দুমহলীয়াৰ ছাতৰ পৰা, ফিচাৰি অফিচৰ চাইনব'ৰ্ডৰ পৰা, ৰঙা আৰু বগা টিনৰ ছালৰ পৰা, টেলিগ্ৰাফ আৰু বিদ্যুতৰ চিক্‌মিক্ তাঁৰবোৰৰ পৰা, খেজুৰ গছৰ জোঙা পাত আৰু ৰঙা আগটোৰ পৰা, ৰাস্তাৰ নিমজ ক'লা গলিত পিঠিৰ পৰা ৰ'দ আৰু উত্তাপ যেন উফৰি পৰিছে। ক'তো অলপো বতাহ নাই, গৰম আৰু ঘাম, ঘামৰ গন্ধ আৰু অস্বস্তি আৰু চাৰিওফালে পৰিব্যাপ্ত এক নিৰ্জীৱ নিশ্চলতা। মহন্তহঁতৰ পাছফালৰ চকোৰাখন ভাঙিছে, কাপোৰ মেলা তাঁৰত পেটিকোট, গামোচা, শ্লিপিং ট্ৰাউজাৰ্ জঠৰ হৈ আছে। পানীৰ টেপটোত এটা কাউৰী আহি বহিল, স্বাভাৱিক সন্দেহৰে ইফালে সিফালে চালে, তাৰ পিছত তললৈ নামি গ'ল। অনেক ওপৰত এটুকুৰা নীলা পৰিষ্কাৰ আকাশত জ্যোতিষৰ চকু আবদ্ধ হ'ল আৰু একেৰাহে সি সেই শূন্যৰ বুকুলৈ চাই থাকিবলৈ ধৰিলে। ধীৰে ধীৰে পৰিদৃশ্যমান জগতৰ পৰা, পৰিচিত পৃথিৱীৰ মাজৰ পৰা সেই দূৰশূন্যৰ মাজলৈ, ভাৰহীন অনন্তৰ মাজলৈ কস্ম'নটৰ বেগত সি অপসৃত হৈ গ'ল। কৈশোৰত, তেতিয়াও সি তাৰ আন্দোলনমুখৰ কলেজ জীৱনৰ বাহিৰত, পৃথিৱী তেতিয়াও তাৰ বাবে অনাৱিষ্কৃত, প্ৰতিদিন তাৰ সন্মুখত মুক্ত হয় নতুন সৌন্দৰ্য, নতুন বিস্ময়, আনন্দ আৰু পুলকৰ অভাৱনীয় সম্ভাৱ। বন্ধত গাঁৱৰ নদীৰ পাৰত, বিশাল উন্মুক্ত পথাৰত শুই তেতিয়া অনেক সময় ধৰি সি আকাশলৈ চায়, এক অবোধ্য গাঢ় বেদনা তাৰ হৃদয়ৰ গভীৰলৈ সোমাই যায়, বুকুৰ মাজত এক অসহায় যন্ত্ৰণা অনুভূত হয়, সুদীৰ্ঘ নিশ্বাসৰ লগত সেই বেদনা বাহিৰলৈ উলিয়াই পঠাবৰ চেষ্টা কৰে। সেই সময়ত নদীৰ সিপাৰৰ ম'হগুৱালৰ কোমল আন্তৰিক কণ্ঠত বুকুভঙা বিহুগীতৰ সুৰ ভাহি আহে, দূৰ গভীৰ সুনীল আকাশে এই গীতক অন্তৰতম কৰি তোলে, তাক এক করুণ ৰহস্যময়তাৰ মাজলৈ লৈ যায়, সমস্ত শূন্যৰ মাজলৈ এক বিবৰ্ণ মালিন্য আহি পৰে। পত্ৰপল্লৱ সহ দূৰৰ গছবোৰ স্থিৰ হয়, গছৰ ডালত পখী নীৰৱ হয়, নদীৰ গতি হঠাৎ যেন মন্থৰ হৈ পৰে, গাঁতৰ মুখৰ এন্দুৰ, পথাৰৰ আলিৰ বনফৰিং অলৰ, সমাহিত, স্তব্ধ হৈ ৰয়। ....এতিয়া পৃথিৱী সম্পূৰ্ণৰূপে আৱিষ্কৃত, সুস্পষ্ট, ঘোলা, ৰহস্যহীন; নিৰ্মম, নিৰৰ্থকভাৱে প্ৰতিমুহূৰ্তে তাৰ চেতনাত উপস্থিত। শূন্যতা আৰু তাৰ যন্ত্ৰণা বুকুত লৈ

নিঃসঙ্গ নিৰ্মম দুপৰৰ মাজেৰে আচ্ছন্ন চেতনাৰে অন্তহীনভাৱে সি যেন কোন অজানালৈ আগবাঢ়ি গ'ল। তীব্ৰবেগে দুৰ্বল অৱদমিত ক্ষোভ আৰু এক অব্যক্ত নিঃসীম দুঃখেৰে তাৰ সমগ্ৰ মন ভৰি উঠিল। এইটোৱেই কি নিয়ম? এনেকৈয়ে, এনেকৈয়ে এই ব্যাখ্যাহীন হেতুহীন যাত্ৰাৰ গতি নিস্তেজ হৈ আহিব, তাৰ স্পন্দন স্তিমিত হৈ পৰিব আৰু ক'ৰবাত কোনো এক ক্ষুদ্ৰ মুহূৰ্তত অকস্মাৎ থ'মকি ৰ'ব। কি প্ৰয়োজন এই নিৰৰ্থক, নিৰুদ্দেশ যাত্ৰাৰ? এই অনন্ত ঘটনাস্ৰোতৰ মাজত, অন্তহীন প্ৰবাহৰ মাজত এটা স্থিতিহীন উদ্দেশ্যহীন তৰঙ্গ হৈ নিশ্চিহ্ন হৈ যোৱাৰ? এয়েই কি অৱধাৰিত? প্ৰথম বিস্ময় আৰু চঞ্চলতাৰ পিছত পূৰ্বনিৰ্ধাৰিত ৰূপত এইদৰেই কি সকলোবোৰ এক কৰুণ গ্লানিকৰ সমাপ্তিৰ বুকুত নিঃশেষ হৈ যায়? তাৰ কৈশোৰৰ সমস্ত বিস্ময়ভৰা সৌন্দৰ্যসম্ভাৰ, যাক ভাব হৈছিল অক্ষয়, অব্যয়, চিৰন্তন, তাৰ ব্যস্ত, মুখৰ, ৰঙীন দিনসমূহ, ইমান বেছি মধুৰ, প্ৰাণময়, উদ্দাম, যেন সমগ্ৰ জীৱন এটা নতুন সুৰত বন্ধা হ'ল; দ্ৰুত, চঞ্চল, উত্তেজনাময়, তাৰ প্ৰতিটো লহৰত জলপ্ৰপাতৰ দৰে এটা বক্তৃতা বাগৰি আহে, দুৰ্জয় শব্দেৰে এটা শ্ল'গান ফাটি পৰে, প্ৰৱল উচ্ছ্বাসেৰে এটা হাঁহি তৰঙ্গায়িত হৈ উঠে। ইমান তেজ, ইমান গভীৰ বিশ্বাস, যেন সকলো স্বচ্ছ, পৰিষ্কাৰ আৰু এনে অদম্য প্ৰেৰণা, শেষহীন উৎসাহ, নিখাদ গভীৰৰ পৰা গুৰুগম্ভীৰ কোনো মন্ত্ৰৰ ধ্বনি, চৰৈৱেতি, চৰৈৱেতি.....।

অথচ এদিন শোভাযাত্ৰা, সভাঘৰ নিজম পৰি আছে, শ্ল'গানৰ ধ্বনি শূন্যত লীন হৈ যায়, নিৰ্মম, শুকান এক মায়াহীন শূন্যতা জনশূন্য মঞ্চলৈ নামি আহে। হয়তো এদিন হেমেনৰ নাটঘৰ সফলতাৰে মুখৰ হৈ উঠিব, হয়তো আন্তঃৰাজ্যিক সাংস্কৃতিক বিনিময়ৰ দল লৈ জামাল ঘূৰিব কাশ্মীৰ, গুজৰাট, অন্ধ্ৰ, তামিলনাডু, ডিগ্ৰী আৰু স্ত্ৰী লৈ বিদেশৰ ছাপ আৰু দাবী লৈ নিখিল দেশলৈ ঘূৰিব, জীৱনমামাৰ বাবেও কিবা এটা ছোভিয়েত দেশ জাতীয় পুৰস্কাৰ, আৰু কোনে জানে, হয়তো মেদবহুল স্বামীৰ নাসিকা গৰ্জনৰ মাজতো নিৰ্মালি নিৰ্বিঘ্নে টোপনি যাব। হঠাৎ তাৰ, জ্যোতিষৰ, মনলৈ আহিল শীতৰ বৰ্ষণসিক্ত এটা দুপৰৰ দৃশ্য, অতিশয় শীত, বাহিৰত তেতিয়াও পাতল বৰষুণ, দুকাপ চাহ লৈ কেণ্টিনৰ সৰু কোঠাটোত কেৱল সি আৰু নিৰ্মালি, অনেক সময় কেৱল প্ৰেম আৰু বিবাহ সম্পৰ্কীয় আলোচনা, বিভিন্ন উক্তি, বিভিন্ন দৃষ্টিভঙ্গী, অনেক টুকুৰা কাহিনী, নিৰ্মালিয়ে এনেকি দুটামান প্ৰেমৰ শায়েৰী পৰ্যন্ত গাইছিল। তাৰ পিছত এবাৰ কথা বন্ধ হ'ল আৰু নীৰৱতাৰ মাজেৰেই যেন কোঠাৰ পৰিবেশ ভৰি উঠিল, মৌনমুখৰতা যাক কয়, কি এক অচিন অনুভূতি, এক অব্যক্ত আত্মীয়তা, মোহাচ্ছন্নৰ দৰে তাৰ দৃষ্টি তাইৰ মুখত, আৰু তাই তাৰ দৃষ্টি সম্পৰ্কে সচেতন, অসহায়ভাৱে এবাৰ বাওঁহাতৰ ঘড়ীটো সৰু গাঁঠিৰ ওপৰলৈ তুলি নিলে, তাৰ পিছত বাহিৰলৈ দূৰলৈ চাই ৰ'ল। আৰু হঠাতে সি, নাৰ্ভাচ্, অধীৰ, বেকুবৰ দৰে তাইক সুধি পেলালে, 'তুমি নিজৰ কথা কিবা ভাবিছা নে?' দ্ৰুত, চকিত তাইৰ দৃষ্টি তাৰ মুখত পৰিল, তড়িৎগতিত তাইৰ মুখলৈ লাজ আহিল, সুন্দৰ, গাঢ়, ৰঙা আভা আহিল, তাৰ অস্বাভাৱিক যেন লাগিল, বুকুখন



যেন কঁপি গ'ল। তাই তললৈ মূৰ কৰিলে আৰু যেন অনন্ত অপেক্ষাৰ পিছত অনেক দূৰৰ পৰা ধীৰ নিম্নস্বৰত সি শুনিলে, 'মই ভাবিছোঁ....' তাই এক মুহূৰ্ত ৰ'ল, 'মই...ভাবোঁ....', তাই তলমূৰ কৰিলে। কি ভাবে? কি ভাবে? অধীৰ আগ্ৰহঃ জ্যোতিষৰ মুখখন আগবাঢ়ি গ'ল, কমন্‌ৰুমৰ ঘড়ীটোৰ প্ৰকাণ্ড দোলকটো তাৰ বুকুৰ ভিতৰত এতিয়া, তাই সামান্যভাৱে মূৰটো দাঙি পুনৰ্বাৰ তলমূৰ কৰিলে। অধৈৰ্য, ব্যগ্ৰ তাৰ শুকান ডিঙিয়েদি পুনৰায় প্ৰশ্নটো বগাব ধৰিলে আৰু এনেতে প্ৰচণ্ড শব্দেৰে ঘণ্টাত কোব পৰিল, সিহঁতে চক্ খাই উঠিল, বাহিৰত বৰষুণৰ টপ্ টপ্ শুনা গ'ল, কেণ্টিনৰ ভিতৰত পানীৰ চৰ্ চৰ্ শব্দ, কাপ প্লেটৰ ঠাং-ঠুং, অদূৰৰ গেলেৰীৰ পৰা ল'ৰা-ছোৱালী নমাৰ দুপ্-দাপ্ ভাহি আহিল, জোতাৰ খট্-খট্, চেণ্ডেলৰ চট্-চট্ পাৰ হৈ গ'ল, চক্ৰৱৰ্তী চাৰৰ প্ৰবল কাহ তেওঁৰ ছবিটোৰে সৈতে ভাহি আহিল। বয়টো সোমাই আহি কাপ-প্লেট তুলিব ধৰিলে আৰু প্ৰায় একেলগে কোঠাৰ শূন্যতাক দুটা সুদীৰ্ঘ নিশ্বাসে ভেদ কৰি গ'ল।....

জ্যোতিষে বাগৰ সলালে। পিঠিখন ঘামত তিতি গৈছে, অস্বস্তি লাগিছে। নিস্তব্ধতাক আঘাত কৰি পানীৰ টেপৰ পৰা কিছুমান অদ্ভুত ধৰণৰ শব্দ হ'ল আৰু তাৰ পিছত পাতি থোৱা টিনত অবিচ্ছিন্নভাৱে একে গতিত পানী পৰিব ধৰিলে। কাউৰীজনীয়ে অকস্মাৎ দুবাৰ ৰাও দি উঠিল আৰু খিড়িকিৰ কাষেৰে উৰি গ'ল। তাৰ চকু দুটা মুদ খাই আহিল। সি বুজিলে তাৰ টোপনি আহিব খুজিছে। আৰু আচৰিতভাৱে, কোনো কাৰণ নোহোৱাকৈ বন্ধ দৃষ্টিৰ অন্ধকাৰৰ মাজত ৰাতুলৰ কৰুণ, নিৰ্জীৱ, মলিন মুখখন ভাহি উঠিল আৰু লাহে লাহে অদৃশ্য হৈ গ'ল। কোনো অনুভূতিয়ে তাক স্পৰ্শ নকৰিলে। সি মাত্ৰ ভাবিলে, কিয় এনে হ'ল। কিয় মাজপথতে ইমান সহজভাৱে সকলো হেৰাই যায়? নিশ্চিহ্ন হৈ যায়? আৰু বাপ, আচৰিত! ব্যৰ্থতা, পৰাভৱ আৰু নিষ্ঠুৰ অমোঘ বিচাৰৰ ৰায় দেখা পায়ো দ্বিধাহীন, সংকোচহীন, দিন-ৰাতি সময়-অসময় পাহৰিছে, কষ্ট-গ্লানি বাধা-বিপত্তি ভ্ৰূক্ষেপ কৰা নাই, কি অদম্য উৎসাহ, কিমান গভীৰ বিশ্বাস, নিশ্চিতভাৱে ভাবিছে দুৰ্জয় শক্তিৰে বিপ্লৱত জঁপিয়াই পৰিব আৰু এদিন গগণ বিদীৰ্ণকাৰী বিজয়োল্লাসৰ মাজত হাতত নিচান লৈ দুৰ্গৰ শিখৰত থিয় হ'ব, এবাৰলৈও ভবা নাই যে পথ দুৰ্গম, কোনোদিন মনলৈ অহা নাই যে সি এটা চিৰন্তন প্ৰবাহত মাত্ৰ বাগৰি গৈছে, প্ৰতিটো পদক্ষেপে তাক মাত্ৰ লৈ গৈছে সীমাহীন শূন্যৰ মাজলৈ, অৱধাৰিত চৰম বিন্দুলৈ......।

কেতিয়া টোপনি গৈছিল জ্যোতিষে ক'ব নোৱাৰে। এতিয়া বাইদেৱে অনা চাহ কাপ খাই উঠি সি আকৌ বিছনাত বাগৰ দিলে। শোৱাৰ বাবে গাটো অলস আৰু গধুৰ লাগিছিল। সি বিৰক্ত হ'ল। পাক-ঘৰত কাম কৰা ল'ৰাটোৰ মাই চৈধ্য পুৰুষ উদ্ধাৰ কৰিছিল। বোধহয়, তাৰ 'কুম্ভকৰ্ণ টোপনি' বা 'কুলক্ষণীয়া স্বভাৱ' বা তেনে কোনো বহুবিঘোষিত 'পাপ' এই উদ্ধাৰ কাৰ্যৰ কাৰণ। বাইদেউৰ মেজাজো চৰা যেন বুজা গ'ল; বাঘঢকা খাই ৰতুৱে বল লৈ বেজবৰুৱাৰ ঘৰৰ ফিল্ডলৈ দৌৰ দিলে। দেউতাই কি

কৰিছে গম পোৱা নগ'ল (আজি কলিকতাৰ কাগজবোৰ অহা নাই), হয়তো হাতত 'ইণ্ডিয়া উইন্‌চ্ ফ্রিডম্', চকুত ৰতুৰ কীৰ্তিজড়িত এখন ফটা লেন্সযুক্ত চছ্‌মা, চ্যৱনপ্ৰাসে কাহটো কিছু কমাইছে। মহন্তৰ ঘৰৰ পানীৰ টেপটো কোনোবাই বন্ধ কৰি গ'ল। শালিকী কেইটাৰ প্ৰাত্যহিক গৃহকন্দলৰ শেষ ৰাউণ্ড ভাহি আহিল। ৰাস্তাত দুই-এটা মানুহ অহা-যোৱা কৰিলে। জ্যোতিষে এটা চিগাৰেট জ্বলালে আৰু চকু মুদি আৰামেৰে চিগাৰেটত টান দি তাৰ কোন দূৰান্তৰ মনৰ জগতলৈ পলাই যাব খুজিলে, য'ত চৌদিশৰ সমস্ত আনন্দ আৰু উজ্জ্বলতা ধীৰে ধীৰে মলিন হৈ আহে, অদ্ভুত ৰহস্যময় বিষণ্ণ ছায়াই লৈ আহে এক অসহায় অনুভূতি আৰু ক'ৰবাৰ পৰা যেন ধীৰ লয়ত বাগৰি আহে এটা সুৰ—ধ্বনি নহয়, মাত্ৰ অনুভূতি—অৰ্ধ-স্পষ্ট, প্ৰায় বিস্মৃত, হয়তো শৈশৱৰ, আৰু লাহে লাহে নিগৰি সোমাই যায় তাৰ হৃদয়ৰ গভীৰলৈ, কোনো এটা অন্ধকাৰ সুৰঙ্গৰ মাজেৰে, ক্ৰমে গভীৰলৈ, আৰু গভীৰলৈ.....।

জ্যোতিষ প্ৰায় চক্ খাই উঠিল। তাৰ মনৰ নষ্টাল্‌জিক্ জগৎখন অকস্মাৎ থান্‌বান্ হৈ গ'ল। এটা উল্লাসধ্বনিৰ ৰেশ তাৰ কাণত বাজি ৰ'ল। সি বিছনাত বহি পৰিল আৰু এইবাৰ স্পষ্টভাৱে শুনিলে আঁতৰত ক'ৰবাত সমবেত কণ্ঠত শ্ল'গান ধ্বনি হৈছে, 'ইন্‌কিলাব্ জিন্দাবাদ'! সি তৎক্ষণাৎ বিছনাৰ পৰা নামিল, পায়জামাটো সলাই, কুৰ্তাটো গাত সুমাই লৈ গেটৰ গুৰিলৈ আগবাঢ়ি গ'ল। মহেন্দ্ৰ ফুকনৰ ঘৰৰ মুখৰ ভাঁজটোত শোভাযাত্ৰাটো দেখা গ'ল, এটা সৰৰ প্ৰবাহ নিয়মিত গতিত আগবাঢ়ি আহিছে। প্ৰতিটো ঘৰৰ দুৱাৰমুখত, বাৰাণ্ডাত, গেটত আগ্ৰহ আৰু ঔৎসুক্য লৈ মানুহ জমা হৈছে। যথেষ্ট দীঘলীয়া শোভাযাত্ৰা, সন্মুখত এখন প্ৰকাণ্ড ফেষ্টুন, অনেকৰ হাতে হাতে বেলেগ বেলেগ দলীয় পতাকা, বেলেগ বেলেগ ঘোষণাৰে অনেক প্লেকাৰ্ড্, মুহুৰ্মুহু ক্ৰুদ্ধ শ্ল'গানৰ ধ্বনি। অনেক ঠাইৰ অনেক ধৰণৰ মানুহ—গাঁৱৰ, চহৰতলিৰ, চহৰৰ—বিভিন্ন তেওঁলোকৰ পোছাক—মলিয়ন আৰু উজ্জ্বল, গ্ৰাম্য আৰু চহৰীয়া, বিভিন্ন খোজৰ ভঙ্গী। তেওঁলোকৰ সমগ্ৰ অৱয়ৱত ক্ষুধা আৰু দৈন্য, ক্লান্তি আৰু ক্লেশ, তেওঁলোকৰ মুখত জ্বলন্ত দাবী আৰু তীব্ৰতা। হাতৰ লাল নিচান জোঁকাৰি বাপে উত্তেজিতভাৱে শ্ল'গান দিলে; শোভাযাত্ৰাটো সিহঁতৰ ঘৰৰ আগেৰে লাহে লাহে পাৰ হৈ গ'ল। তাৰ পাছফালে বাৰাণ্ডাত দণ্ডায়মান দেউতাকৰ ভগা চছ্‌মাৰ তলৰ মুখখন ভাবিবলৈ চেষ্টা কৰি জ্যোতিষ শোভাযাত্ৰাৰ কাষে কাষে আগবাঢ়িল। ঘৰৰ পদূলিত পুৰুষসকল, বাৰাণ্ডাৰ নিৰাপত্তা আৰু দুৱাৰ খিড়িকিৰ আবুৰত কৌতূহলী গৃহিণী আৰু গাভৰুসকলে থিয় হৈ শোভাযাত্ৰা চাইছে। ঘৰৰ সন্মুখৰ চোতালত সৰু সৰু ল'ৰা-ছোৱালী জাক বান্ধি জঁপিয়াই 'ইন্‌কিলাব্ জিন্দাবাদ' চিঞৰিছে। চিনাকি দুই-এখন মুখে জ্যোতিষক হাঁহি জনাইছে। চুবুৰীৰ উৎসাহী নজোৱানসকল শোভাযাত্ৰাৰ লগে লগে আগবাঢ়িছে। গাত গেঞ্জি আৰু লেতেৰা লুঙি পিন্ধিয়েই ৰাজখোৱাই পদূলিত থিয় হৈ গৰ্দভৰ দৰে হাঁহিছে। কোলাত কেঁচুৱা লৈ ভৱ শইকীয়াই জ্যোতিষক সুধিছে, 'আপুনিও নে কি?' আৰু নিজৰ ৰসিকতাত হাঁহিছে



সশব্দে। নেজ পেলাই ৰাস্তাৰ দাঁতিত এটা চেৰেলা কুকুৰ, সজাগ, পলায়নপ্ৰস্তুত, সভয়ে মানুহজাকলৈ চাইছে। প্ৰকাণ্ড ঘৰৰ বাৰাণ্ডাত মথুৰা কাকতি, ধুতীখন লুঙি কৰি পিন্ধিছে, গাত গেঞ্জিও নহয় কুৰ্তাও নহয় জাতীয় এটা চোলা, এটা নাৰ্ভাচ্ হাঁহিৰে কোনোবা এজন নেতালৈ হাতযোৰ কৰি নমস্কাৰ জনাইছে। বিবিধ পোছাকত বিবিধ মানুহ—ভাৰাতীয়া, চাকৰ, বনুৱা, দোকানী—বিভিন্ন অভিব্যক্তি, আগ্ৰহ আৰু আশ্চৰ্য, নিৰাসক্তি বা আত্মসচেতনা, আমোদ বা অন্যৰ উৎসৱ চোৱাৰ মুখভঙ্গী। খৰি কঢ়িয়াই অনা ঠেলা এখন নজোৱানসকলে খাললৈ বগৰাই দিছে। এটা গুম্‌তিৰ খোলা সৰু দুৱাৰখন ধমক দি বন্ধ কৰি দিয়া হৈছে। মাজে মাজে দেখা গৈছে বাতৰি কাকতৰ আত্মসচেতন ষ্টাফ্ ৰিপ'ৰ্টাৰ্, লৰি-ঢাপৰি ব্যতিব্যস্ত ফটোগ্ৰাফাৰ ডেকা আৰু বিশ্বাস, ইন্‌টেলিজেন্সৰ গোস্বামী আৰু দাস, প্ৰতিটো পইণ্টত এজাক পুলিচ।

ডেপুটি কমিছনাৰৰ অফিচৰ ওচৰত শোভাযাত্ৰাটো থ'মকি ৰ'ল। তীব্ৰভাৱে অনেক সময় বিভিন্ন শ্ল'গান, বিভিন্ন দাবীৰ ধ্বনি উঠিল; এজাক ক্ষুধাৰ্ত মানুহৰ ক্ৰুদ্ধ প্ৰতিবাদ চৌচিৰ হৈ ফাটি পৰিল। চাৰিওফালে অনেক মানুহ। ৰাস্তাৰ দুইকাষে, বন্ধ গুম্‌তি দোকানবোৰৰ ওচৰত, সন্মুখৰ অফিচৰ বাৰাণ্ডাত, গছৰ তলত—য'ত আনদিনা হস্তৰেখা বিচাৰককেইজন বহে, দূৰৰ খোলা ঠাইত—য'ত সৰ্বব্যাধি নাশক অদ্ভুত দৰৱৰ যাদু দেখুওৱা হয়, সকলোতে, সকলো সুবিধাজনক ঠাইতে হৰেক ৰকমৰ মানুহৰ জুম থিয় দি সমদলটো চাব ধৰিছে। অফিচৰ গেটত লাঠিধাৰী পুলিচবাহিনী মজুত ৰখা হৈছে। কঠোৰ মুখ, আপোচবিহীন মুখভাৱ আৰু পৰিবেশৰ প্ৰতি সম্পূৰ্ণ উদাসীনতাৰে সিহঁতে নিজৰ সদম্ভ উপস্থিতি ঘোষণা কৰিছে। অভ্যৰ্থনাৰ ভঙ্গীৰে কৃত্ৰিম হাঁহি মুখত লৈ ডি.এছ.পি. শইকীয়া আৰু কেইজনমান ডেকা অফিচাৰ আগবাঢ়ি আহিল।

"আপোনালোক ইয়াৰ পৰা যাওকগৈ আৰু" সমদলৰ আগত থকা নেতা বৰবৰাই চাই শইকীয়াই হাঁহি ক'লে।

"ইয়াৰ পৰাই যামগৈ, কিন্তু আমি ডি.চি.ক লগ পাব লাগিব।" বৰবৰাই ক'লে। ডি.আই.জি. মেধি—চাপৰ, পেটুৱা, ওলমি অহা চকু, তামোলেৰে ৰঙা মুখ, অত্যন্ত চতুৰ বিষয়া—আগবাঢ়ি আহিল আৰু খুব বিশ্বাসৰ সুৰত ক'লে, "তেখেতে শ্বিলং কন্‌টেক্ট্ কৰিবলৈ চেষ্টা কৰিছে। চিফ্ মিনিষ্টাৰৰ লগত কথা পাতিব খুজিছে। আপোনালোক মিছাকৈয়ে ৰৈহে থাকিব লাগিব। কাগজপত্ৰ কি আছে আমাৰ হাততে দিয়ক আৰু....." তেওঁ ৰসিকতাসূচক হাঁহিৰে বাক্যটো সম্পূৰ্ণ কৰিলে।

"হি মাষ্ট্ চি আচ্" কোনোবা এজনে পাছফালৰ পৰা উগ্ৰকণ্ঠে ক'লে। এছ.পি দত্তই কিবা এটা ক'ব খুজিছিল, কিন্তু শইকীয়াই ব্যগ্ৰভাৱে কৈ উঠিল, "আপোনালোকে অকণমান বুজিবলৈ চেষ্টা কৰক। তেখেত সঁচাকৈয়ে খুব ব্যস্ত।" পাছফালৰ পৰা তীব্ৰভাৱে প্ৰতিবাদ উঠিল।

"আমি মাত্ৰ পাঁচমিনিট সময় ল'ম" বৰবৰাই ক'লে। পুনৰ অনুৰোধ, পুনৰ প্ৰত্যাখ্যান, পুনৰ উগ্ৰ, সৰৱ প্ৰতিবাদ। মেধি আৰু দত্ত ভিতৰলৈ সোমাই গ'ল।

ডি.এছ.পি. শইকীয়া কিছু আঁতৰত অসহায়ভাৱে থিয় দি ৰ'ল। সমদলটো ক্ৰমে অস্থিৰ হৈ উঠিল। তীব্ৰ শব্দেৰে বাৰম্বাৰ শ্ল'গান ধ্বনি হ'ল। ডি.চি.ৰ বিৰুদ্ধেও হঠাৎ ধ্বনি উঠিল। "সোমাই যোৱা, সোমাই যোৱা" পাছফালৰ পৰা কোনোবাই চিঞৰিলে। এটা ঠেলাহেঁচা আৰম্ভ হ'ল। গেটৰ পুলিচকেইজনে সন্ত্ৰস্ত হৈ বাধা দিবৰ চেষ্টা কৰিলে। হঠাৎ পাছফালৰ পৰা কিছুমান ডেকা সমদল ভাঙি আগবাঢ়ি আহিল, প্ৰবল শ্ল'গান ধ্বনিৰ মাজেৰে, উত্তেজিত চিৎকাৰ আৰু হুলস্থুলৰ মাজেৰে তেওঁলোকে গেটখন পাৰ হৈ যাব খুজিলে আৰু পিছ মুহূৰ্ততে এটা কঢ়া আদেশ-ধ্বনি, ওচৰত ৰৈ থকা লাঠিধাৰী পুলিচবাহিনী গেটৰ ওচৰলৈ ধাৱিত হ'ল, মুহূৰ্ততে সিহঁতৰ হাতৰ লাঠিবোৰ দ্ৰুতবেগে শূন্যলৈ উঠিল আৰু ক্ৰুদ্ধ নিষ্ঠুৰতাৰে তললৈ নামি আহিল।

অকস্মাৎ এটা তপ্ত স্ফুলিঙ্গ জ্যোতিষৰ বুকুৰ মাজত ছিটিকি পৰিল। মানুহবোৰ যেনিতেনি দৌৰিছে, কিছুমান একেলগে আগলৈ যাব খুজিছে। তাৰ মূৰটো উত্তপ্ত হৈ উঠিল; সি সকলো পাহৰি আগলৈ যাবলৈ চেষ্টা কৰিলে। উত্তেজিত ক্ৰুদ্ধ চিৎকাৰ আৰু যন্ত্ৰণাকাতৰ শব্দ, আইনৰ কঠোৰ হাতৰ সঞ্চালন আৰু তাৰ নিষ্ঠুৰ শব্দ, লৰাঢপৰা, হুৰাদুৰা....গাৰ জোৰেৰে আগবাঢ়ি জ্যোতিষে দেখিলে, সেইটো বাপ, তাৰ মূৰৰ ওপৰত পুলিচৰ লাঠি আৰু চকুৰ পলকতে লাঠিৰ মাৰ তাৰ মূৰত পৰিল। বাপ অলপ হালি পৰিল, না, বাপ নহয়, বাপৰ দৰেই অন্য কোনো ল'ৰা। পুনৰায় সি, ল'ৰাটো, দৃঢ়ভাৱে থিয় হ'ল আৰু মত্ত, দৃপ্তপদে আগবাঢ়ি যাব খুজিলে; পুনৰ্বাৰ তাৰ মূৰৰ ওপৰত লাঠি উঠিল আৰু তড়িৎস্পৃষ্টৰ দৰে আচৰিত ক্ষিপ্ৰতাৰে জ্যোতিষে ল'ৰাটোৰ গাত জঁপিয়াই পৰি তাক সাবটি ধৰিলে। মুহূৰ্তৰ মাত্ৰ এটি ক্ষুদ্ৰ ভগ্নাংশ, তাৰ পিছতে নিৰ্দয়, লোলুপ, উদ্যত লাঠিৰ আঘাত সজোৰে জ্যোতিষৰ মূৰত লাগিল আৰু ল'ৰাটোক সাবটি ধৰিয়েই সি মাটিত বাগৰি পৰিল। মুহূৰ্তৰ বাবে তাৰ চকুৰ আগৰ পৰা সকলো অদৃশ্য হৈ গ'ল। মাত্ৰ এটা অন্ধকাৰ চক্ৰ প্ৰবলবেগে তাৰ সন্মুখত ঘূৰিব ধৰিলে। চক্ৰটো ক্ৰমে বিশাল হৈ আহিল আৰু তাৰ ব্যাপ্তিৰ মাজত জ্যোতিষে নিজকে হেৰুৱাই পেলালে।

মাত্ৰ কেইটামান পাখিলগা মুহূৰ্তৰ চমক; তাৰ পিছতে তাৰ চেতনাত নিজৰ অৱস্থিতি পুনৰ অনুভূত হ'ল। মূৰৰ আঘাতটোৰ পৰা অহা এটা তীক্ষ্ণ বিৰশকাৰী যন্ত্ৰণাই তাৰ সমগ্ৰ শৰীৰ কোঁচ খুৱাই আনিলে। আঘাতটোৰ পৰা গালৰ ওপৰেদি এটা ধীৰ, উষ্ণ ধাৰা তললৈ মাটিৰ বুকুলৈ বৈ আহিল। চকুমেলি সি দেখিলে ল'ৰাটো সাবটি ধৰি সি মাটিত বাগৰি আছে, চাৰিওফালে দিনান্তৰ ম্লান পোহৰ, চাৰিওফালে দৌৰাৰ শব্দ, গধুৰ জোতাৰ শব্দ, যন্ত্ৰণাকাতৰ কেঁকনিৰ শব্দ, পুলিচৰ গাড়ীৰ শব্দ, ওচৰৰ ক'ৰবাৰ পৰা প্ৰায়—অবিশ্ৰান্তভাৱে অহা ৰণহুংকাৰৰ দৰে ক্ৰুদ্ধ, মত্ত, সমস্বৰ শ্ল'গানৰ শব্দ আৰু বহু বিচিত্ৰ, অবোধ্য, প্ৰকৃত বা কল্পিত শব্দ একেলগে তাৰ চেতনাত উপস্থিত হ'ল। সি চকুযোৰ মুদি দিলে। শ্ল'গানৰ শব্দবোৰ বুজিবৰ চেষ্টা কৰি বিফল হ'ল, কিন্তু তাৰ ক্ৰুদ্ধ উল্লাসৰ মাজত যেন সি আশ্ৰয় ল'ব খুজিলে। মূৰৰ আঘাতটোৰ পৰা তাৰ সমগ্ৰ শৰীৰলৈ যেন এক পৰম সুখৰ অনুভূতি ধীৰে ধীৰে বাগৰি যাব ধৰিলে। ●



# ততো যুদ্ধায় যুজ্যস্ব

**(শ্ৰীমান টুনীৰ যন্ত্ৰণাক্লিষ্ট আত্মগোপন-কালৰ স্মৃতিত ৰচিত)**

ঘৰটো ভাগি খহি পৰিছে। কাল আৰু বতৰৰ আঘাতত জৰ্জৰ, নিঃসঙ্গ, হতভাগ্য, সৰু একোঠলীয়া অৱশেষ ঃ অন্ধ গলিটোৰ মুখত জীৰ্ণ ইস্তাহাৰ। খুব সম্ভৱ, অনুমান কৰিব পাৰি, এসময়ৰ এখন গেলামালৰ দোকান বা লণ্ড্ৰী বা দৰ্জিশাল, তাৰ গাত বতাহে কোবাই ছিঙা কোনো প'ষ্টাৰৰ বিবৰ্ণ টুকুৰা। গলিটো কেঁচা, ধূলিময়, কিছুমান বিশৃঙ্খল গাঁতেৰে নিৰ্মিত। যিবোৰ গাঁত দ, বাৰিষা বোকা হয়, আচৰিত ধৰণে তাত দুই-চাৰিটা ডাঙৰ,ডাঙৰ শিলে মূৰ তুলি খৰালিৰ পথচাৰীৰ অভিশাপ গ্ৰহণ কৰে। এই শিলবোৰো, খুব সম্ভৱ, এই অঞ্চলটোৰ অস্তিত্বৰ স্বীকৃতি, সভ্যতাৰ এটা উপহাৰ—চকুত পৰা আন দুটামান হ'ল গলিৰ মূৰত থকা একমাত্ৰ ষ্ট্ৰীট্ লাইট্‌টো আৰু গলিৰ একাষে ভেৰ উঠি থকা আৱৰ্জনাবাহী নলাটো (কোনো নিৰ্বাচনৰ প্ৰতিশ্ৰুত প্ৰতিদান হ'ব পাৰে) —যদিও অঞ্চলটো সভ্যতাৰ বিপৰীত মেৰুত, কাৰণ ইয়াৰ পাছফালে থকা প্ৰকাণ্ড হোলাটোৰ সিপাৰৰ সৰু পথাৰখনৰো সিপাৰেহে সভ্যতা—তথাকথিত এখন আধুনিক চহৰ।

সম্প্ৰতি সি শিলত উজুটিয়াই ভাৰসাম্য হেৰুৱায় আৰু পুনৰ স্থিৰ হৈ আন্ধাৰ পথত মনোযোগ দিবৰ চেষ্টা কৰে। কাষৰ বন্ধ নলাৰ সেউজীয়া শেলুৱৈৰে ঢাক খাই থকা ময়লা পানীৰ দৰে সি তাৰ চেতনাক নিশ্চল, নিৰ্বিকাৰ কৰি তুলিছে। মাজে মাজে এটা উত্তেজনাৰ পিৰ্‌পিৰণি বুকুৰ চুকত অনুভূত হ'ব খোজে, মুহূৰ্তৰ বাবে কেতিয়াবা সি অস্থিৰ হৈ উঠে। হঠাৎ একোবাৰ এটা অনিশ্চয়তা উশাহৰ বাটত গধুৰ হৈ বহে। কিন্তু লগে লগেই সি টানি আনে তাৰ আত্মসচেতন দৃঢ়তা যাৰ সহায়ত একাধিকবাৰ প্ৰায় অসম্ভৱ পৰিস্থিতিতো সি নিজক সপ্ৰমাণ কৰিব পাৰিছে—সহযোগী-সতীৰ্থৰ পৰা আদায় কৰিছে সবিস্ময় শ্ৰদ্ধা, এনেকি কিছু' সংগোপন ঈৰ্ষা। সি আজি তাৰ সাধন-মাৰ্গৰ গুৰুত্বপূৰ্ণ পৰ্যায়ত উপস্থিত; সিদ্ধ-যোগীৰ দৰে কাল আৰু স্থানৰ বন্ধনৰ পৰা নিজকে মুক্ত কৰি সি তাৰ উদ্দিষ্ট লক্ষ্যৰ প্ৰতি একাগ্ৰচিত্ত হ'ব লগা হৈছে। অথচ প্ৰতিটো বিশ্বাসঘাতক মুহূৰ্তই দাবী কৰে তাৰ তীক্ষ্ণ সজাগতা। অজ্ঞাত বিপদ বা আকস্মিক বিপৰ্যয়ৰ মুহুৰ্মুহু সম্ভাৱনাই তাৰ স্নায়ুক ক্ষুৰধাৰ কৰি তোলে। কঠোৰ মানসিক সংযমেৰে গঢ়ি তোলা তাৰ স্থিৰ নিৰ্বেদ থান-বান হৈ যাব খোজে। বুকুৰ ভিতৰলৈ প্ৰচুৰ বতাহ টানি লৈ সি শ্বাস-প্ৰশ্বাস নিয়মিত কৰিবৰ চেষ্টা কৰে।

ভঙা ঘৰটোৰ প্ৰায় বিপৰীতে গাত এডোখৰ ৰঙাকাপোৰ মেৰিওৱা এজোপা প্ৰবীণ পাকৰি গছ। কেতিয়াবা দেখা যায়—হয়তো কোনো বিশেষ উপলক্ষ বা তিথি বা বাৰত—গধূলি গছজোপাৰ তলত এগছ চাকি জ্বলে। গছজোপাৰ কাষত এটা প্ৰায় হাউলি পৰা জীৰ্ণ খেৰৰ জুপুৰি, তাৰ সন্মুখত এটা পুৰণি কাঠৰ বাকচত এখন পাণ-চিগাৰেটৰ দৰিদ্ৰ দোকান। ঘৰটোত থকা বিহাৰী বুঢ়ীজনীৰ প্ৰধান ব্যৱসায় দেশী মদ আৰু ভাঙৰ পুৰিয়া; দহবছৰীয়া নাতিনীয়েক বহি থকা পাণ-চিগাৰেট-বুট ভজাৰ দোকানখন তাইৰ ব্যৱসায়ৰ প্ৰয়োজনীয় 'ফ্ৰণ্ট্' মাত্ৰ। কোনোদিনা গধূলি তালৈ তাইৰ জোঁৱায়েক আহে আৰু কিঞ্চিৎ পানোন্মত্ত হৈ তাৰ পুতেকক বুঢ়ীয়ে নষ্ট কৰা বুলি তীব্ৰস্বৰে কাজিয়াত লিপ্ত হয়, দোকান লণ্ড-ভণ্ড কৰি পুতেকক টনা-আঁজোৰা কৰে। আৰু বুঢ়ীয়ে জোঁৱায়েকক চৰিয়াই-ভুকুৱাই চুলিত ধৰি টানি নি চোতালৰ ৰচীৰ খাটিয়াখনত পেলাই থৈ গালি পাৰি পাৰি অন্যান্য গ্ৰাহকলৈ মনোযোগ দিয়ে। বুঢ়ীৰ ঘৰৰ অলপ আঁতৰত একে শাৰীতে থকা দুটা সৰু সৰু খেৰী জুপুৰীৰ নিবাসী তিনিটা ঘোঁৰা গাড়ীৱালা। এটাত এটা সপৰিয়ালে, আনটোত দুটা বৰলা। ঘৰৰ বিপৰীতফালৰ নলাটোৰ কাষত গলিৰ ওপৰতে থিয় কৰি থোৱা গাড়ীকেইখনৰ লগত সন্মুখত দানাৰ বাকচৰে ঘোঁৰাকেইটা বন্ধা থাকে। চাৰিওফালৰ বোকা আৰু কদৰ্যতাৰ গোন্ধ, গোবৰ আৰু দানাৰ গোন্ধৰ মাজত দিনটোৰ বিৰামহীন শ্ৰমৰ শেষত গধূলি সিহঁতে বিশ্ৰাম লয়। খৈনীৰ সোৱাদ, ভাং আৰু সুৰাৰ নিচা, ঢুলুকী-সহযোগত দুই-এটা প্ৰাণ দি গোৱা পৰদেশ সম্পৰ্কীয় উচ্চস্বৰ গীতৰ মাজত সিহঁতে পাহৰিব খোজে নিজৰ অস্তিত্ব—সন্মুখৰ ঘোঁৰাকেইটাৰ দৰে যি নিস্তাৰহীনভাৱে চলন্ত বাস্তৱৰ লগত সংযুক্ত, নিৰন্তৰ কঠিন ঘৰ্ষণৰ মুখত তিলে তিলে ক্ষীয়মাণ। প্ৰাণ উজাৰি গোৱা সিহঁতৰ গীতৰ শব্দত বা ঢুলুকীৰ চাবত যেন নিৰুদ্ধ দুৰন্ত কোনো উন্মাদনাই বাগৰি আহিব খোজে। কিছু আগলৈ এটা গুম্‌তি ঃ এই গলিত উচ্চমূল্যত অত্যাৱশ্যকীয় সামগ্ৰী স্ৰবৰাহৰ একমাত্ৰ অনিৰ্ভৰযোগ্য প্ৰতিষ্ঠান। আধাপকা চুলি, মলিয়ন বনিয়ন, (বিকল্পে উদং ক্ষীণ গা) কদাচিৎ-দৃষ্ট নিম্নাঙ্গত চুটি ধুতী, তীব্ৰ শক্তিসম্পন্ন বিবৰ্ণ পুৰণি চছ্‌মাৰে আদহীয়া, বিষণ্ণ, সমকামী চেহেৰাৰ দোকানীজন আজি কোনো কাৰণে অনুপস্থিত; হয়তো ঘৰলৈ গৈছে—যদি অৱশ্যে তেওঁৰ বেলেগে ঘৰ আছে (যিটো ধাৰণালৈ নাহে) বা অন্য ক'ৰবালৈ কোনো জৰুৰী প্ৰয়োজনত (যিটো অকল্পনীয়)। সুবিধাজনকভাৱে ইয়াৰ কাষতে আছে গলিৰ ইন্ধন পৰিবেশকজন—এজন নেপালী। এখন সৰু চালিৰ তলত দ'ম কৰি থোৱা কাঠ আৰু বাঁহ খৰিৰ মুঠা (বিজ্ঞানসন্মত ওজন পৰিমাপন ইয়াত এটা পৰিত্যাজ্য বিড়ম্বনা)। কিন্তু অঞ্চলটোৰ বিশেষ অৱস্থানবশতঃ অনুচ্চ চাহিদাৰ ফলত হোৱা ইন্ধন ব্যৱসায়ৰ অস্বাচ্ছন্দ্যৰ বাবে তেওঁ তেওঁৰ জাতীয় দুৰ্বলতা দুগ্ধ-যোগানলৈ ব্যৱসায় বিস্তৃত কৰিছে। অত্যন্ত চাপৰ এটা ঘৰত তেওঁৰ দুই স্ত্ৰী, অজস্ৰ সন্তান—খোৱা বয়োজ্যেষ্ঠটিৰ নেতৃত্বত যিসকল সমগ্ৰ দিন



গলিৰ ওপৰত—আৰু এখন চালিৰ তলত পোৱালিসহ দুজনী গাই, কাষত গোবৰৰ দ'ম আৰু এডৰা গোমধান। এটা ওখ চুলাৰে এখন ক্ষুদ্ৰায়তন লণ্ড্ৰী—মালিক ক্ষীণ, ওখ, অত্যধিক পানাসক্ত আৰু স্ত্ৰী শকত, নীৰৱ (খুব সম্ভৱ নিঃসন্তান)। অলপ আঁতৰতে আৰু এটা ঘৰ—এইখনো এখন দোকান। বাহিৰত এটা চুলা, এখন দুৰ্বল টেবুলত এটা ভঙা কাঁচৰ বাকচত চানা, ফুলৰি আদি লোভনীয় তেলত ভজা খাদ্য-সামগ্ৰী, ভিতৰত দেশী-পানীয়ৰ ব্যৱস্থা। গালভঙা ক'লা, প্ৰকাণ্ড মোচৱালা আদবয়সীয়া বিহাৰী মালিক, মুখৰা স্ত্ৰী, একাধিক পুত্ৰকন্যা—প্ৰতি সন্ধিয়াৰ এটা কলহমুখৰ কেন্দ্ৰ। সন্ধিয়া গ্ৰাহকৰ অহা-যোৱাই গলিটো যেতিয়া চঞ্চল কৰে নলাৰ অকটা গোন্ধৰ লগত দেশী মদ আৰু তেলত ভজাৰ গোন্ধেৰে সন্ধ্যাৰ মাতাল বতাহ ভৰি উঠে। ব্যৱসায়ৰ শেষত ৰাতি বন্ধ দোকানৰ বাহিৰত বেঞ্চত দীঘল দি কিঞ্চিত দেশীমদৰ প্ৰেৰণাত দিনটোৰ চুলাৰ উত্তাপ আৰু মুখৰা স্ত্ৰীক উপেক্ষা কৰি মোচৱালাই তাৰ বেপৰোৱা গলা সৰৱ কৰি তোলে। তাৰ স্বাস্থ্য-শ্ৰীহীন কুকুৰটো আত্ম নিবেদিত ভঙ্গীত তাৰ ওচৰত পৰি থাকে। এইখিনিতে মাজে মাজে দেখা যায় দুই-তিনিটা কিশোৰ। আজন্ম দুঃস্থ জীৱনৰ মাজত সিহঁতৰ দেৱা-পোৱা কৈশোৰে পিন্ধিছে বিধ্বস্ত বয়সৰ মুখা। সিহঁতৰ ৰুক্ষ অৱয়বত, মলিন পোছাকত, কথা-বতৰাৰ সহজ বেপৰোৱা অশ্লীলতাত বিৰিঙি উঠে সিহঁতৰ অনিশ্চিত ডেস্পাৰেট্ অস্তিত্ব। হয়তো এই গলিৰে এসময়ৰ অধিবাসী আছিল সিহঁত, হয়তো এতিয়াও ইয়াৰে কোনোবাটো সিহঁতৰ ঘৰ—কিন্তু সিহঁত আৰু এতিয়া কোনো ঘৰৰ ল'ৰা নহয়। ঘৰৰ উষ্ণ, কোমল গৰ্ভৰ মাজৰ পৰা ক্ৰুৰ পৃথিৱীয়ে সিহঁতক উলিয়াই লৈ গৈছে; চিনেমা হ'ল, ৰেলষ্টেছন, ষ্টেডিয়াম, বজাৰৰ মাজত সিহঁতে নিজকে প্ৰতিষ্ঠা কৰি লৈছে। জীৱনৰ প্ৰৱঞ্চনা আৰু অপমানৰ উত্তৰত নিজৰ অজ্ঞাতে জীৱনকে নিদাৰুণভাৱে অপমান কৰিছে।

ইয়াৰ পিছত কিছুদূৰ গলিটো বসতিশূন্য। কেৱল সোঁফালে বন্ধ নলাটো দীঘল হৈ গৈ আছে, বাওঁহাতে দেখা যায় হোলাটোৰ পানীমেটেকা ভৰা অংশবিশেষ। ভাব হয় যেন আগলৈ আৰু মানুহ নাই, গলিটো সংকীৰ্ণ আৰু দুৰ্গম। কিন্তু কিছু আগবাঢ়ি বাওঁফালে ঘূৰাৰ লগে লগে, হোলাটোৰ প্ৰায় পাৰতে ইতস্ততঃ তিনিটা জুপুৰি। গলিটোৰ এই বন্ধ মূৰটো ইয়াৰ নিষিদ্ধ অঞ্চল। ইয়ালৈ পাতলভাৱে আহে গলিটোৰ বাহিৰৰ চহৰৰ ফালৰ পান আৰু আমোদবিলাসী সংগোপন সান্ধ্য অতিথি। গলিৰ অন্যান্য অধিবাসীসকল এই মূৰলৈ আহে কেৱল ৰাতিপুৱা, হোলাৰ কাষেদি পথাৰখনলৈ তেওঁলোকৰ নিত্য কৰ্মটিৰ বাবে। তেওঁলোকৰ লগত এই জুপুৰিকেইটাৰ অধিবাসিনীহঁতৰ সম্পৰ্ক অসহজ, আত্মীয়তা আৰু ঘৃণাৰ, নিৰুপায় সহাৱস্থানৰ। অবৈধতাৰ জগততো বিভাজন আছে, নিষিদ্ধতাৰ মাত্ৰাভেদৰ নিজস্ব বিচাৰ আছে, অপৰাধী চেতনাতো মাত্ৰাভেদজনিত আত্মশুচিতাৰ ধূপ-ধূনা জ্বলে। তিনিটা জুপুৰিৰ প্ৰথমটো সম্প্ৰতি অব্যৱহৃত। তাত থকা

আদহীয়া মানুহজনী কিছুদিনৰ আগতে জ্বৰ আৰু বিষত কেইবাবাৰো কাহিল হৈ চহৰৰ হাস্পতালৰ চিকিৎসা লৈছিল। কিন্তু এবাৰ হাস্পতাললৈ গৈ তাই আৰু ঘূৰি অহা নাছিল। কিছুদিন নহাৰ পাছত কাষৰ দুজনীয়ে তাইৰ কথা চিন্তা কৰিবলৈ এৰি দিয়াৰ সময়তে এদিন শুনিছিল যে চহৰৰ সিফালে ষ্টেছনৰ বাহিৰত ৰেলে এজনী মানুহ কাটিছে। এটা অনিশ্চিত সন্দেহে সিহঁতৰ বুকুখন খুন্দা মাৰি একমুহূৰ্তৰ বাবে উশাহ বন্ধ কৰিব খোজাৰ বাহিৰে সিহঁতৰ একো পৰিৱৰ্তন হোৱা নাছিল। সাধাৰণ কৌতূহলকো এটা অস্পষ্ট ভয়ে হেঁচি ৰাখিছিল।

গলিটোৰ বন্ধ মূৰলৈকে এই জঘন্য পথছোৱা, তাৰ হৰেক ৰকমৰ বিপনি—বৈধাবৈধৰ সামান্য প্ৰশ্নৰ পৰাও মুক্ত, তাৰ বিভিন্ন চৰিত্ৰ—প্ৰতিটোৱেই বিচিত্ৰ, কৌতূহলোদ্দীপক, প্ৰায় প্ৰতিটোৱেই, কিঞ্চিদধিক ক্ষুদ্ৰ পাপত আসক্ত—এই সকলোবোৰ সম্পৰ্কে সি এতিয়া মোটামুটিভাৱে অৱহিত। তাৰ 'বোধ সিহঁতে আৰু আলোড়িত নকৰে। সিহঁতৰ নিঃস্বতাৰে, কৰুণ বাস্তৱতাৰে, ব্যক্তিগত অপৰিচয় সত্ত্বেও, তাৰ চেতনাত সিহঁত আত্মীয়। নিষ্ঠুৰ বাস্তৱে অসুৰ পেষণেৰে সিহঁতক মোহাৰি সামৰি দলিয়াই থৈ গৈছে; জীৱনৰ কুটিল কাৰচাজিত সিহঁতৰ চেতনাৰ এক বিপৰীত ৰূপান্তৰ সংঘটিত হৈছে। সমাজৰ যাদু-চশমাৰ দৃষ্টিৰে, সহজ স্বাভাৱিক প্ৰক্ৰিয়াত সিহঁতৰ পশুত্ব মানি লোৱা হৈছে।

খুব কম সময়ৰ ভিতৰতে সি এই গলি আৰু তাৰ অধিবাসীবৃন্দক জানিব লগীয়া হৈছিল। অথচ মনোযোগ আকৰ্ষণ কৰা, কোনো ধৰণে ঘনিষ্ঠ হোৱা, নিজৰ ভুৱা পৰিচয়েৰেও গভীৰভাৱে পৰিচিত হোৱা ওপৰৰ পৰা নিষিদ্ধ আছিল। 'এক্শ্যন্'ৰ ভয়াবহ কৰ্মসূচীৰ প্ৰাথমিক নিৰ্দেশনামাত তাৰকা চিহ্নিত এক বিধান আছিল,' 'লক্ষ্য পূৰণৰ বাবে নিজৰ ফালৰ পৰা অধিক নিদিয়াকৈ সকলো ধৰণৰ সুযোগ গ্ৰহণ কৰা উচিত।' (যিটো সি আক্ষৰিক অৰ্থত ৰক্ষা কৰিব পৰা নাই আৰু তাৰ বাবে মনৰ এচুকত নিৰুপায় গ্লানিবোধ হৈছে)। তাৰ লক্ষ্য নিৰ্দিষ্ট কৰি দিয়া হৈছিল, সকলো যাৱতীয় নিৰ্দেশ, জ্ঞাতব্য তথ্য আৰু প্ৰয়োজনীয় সতৰ্কতা গোপনে তাক অৱগত কৰোৱা হৈছিল। অৱশ্যে অকুস্থলত উপস্থিতজনেই পৰিস্থিতিৰ 'সৰ্বোত্তম বিচাৰক' ('কেৱল তেওঁক পৰিচালিত কৰা একমাত্ৰ সক্ৰিয় চিন্তা হ'ব বিপ্লৱী দলৰ স্বাৰ্থ'—আন এটা তাৰকা খচিত নিৰ্দেশ) আৰু সেয়ে সি সম্পূৰ্ণ নিজৰ মতে প্ৰস্তুত কৰি লৈছিল বিভিন্ন খুঁতি-নাতি, পোনাই-পজবাই লৈছিল অমিল আঁতবোৰ, পৰীক্ষা কৰি চাইছিল পৰিকল্পনাটোৰ সন্দেহজনক অংশবোৰ। তাৰ প্ৰথম প্ৰয়োজন এটা সংযোগ, এটা তাৎক্ষণিক আশ্ৰয়। তাৰ প্ৰয়োজন এট 'বে'চ', অঞ্চলটোৰ বাট-অবাট, বিভিন্ন দিশ আৰু দূৰত্ব, যোগাযোগৰ উপায় আৰু সময়, যাক কয় 'লজিষ্টিক'ৰ জ্ঞান। যদিও সি জানে এই সকলোবোৰ নিয়ম, নিয়ম-মাফিক পদ্ধতি মুহূৰ্ততে অৰ্থহীন হৈ যাব পাৰে। প্ৰদত্ত তথ্য, প্ৰেৰিত নিৰ্দেশ,



সংগৃহীত খবৰ কোনোটোৱেই সম্পূৰ্ণ বা চূড়ান্তভাৱে নিৰ্ভৰযোগ্য নহ'ব পাৰে। হঠাৎ চৰম মুহূৰ্তত এটা খবৰ ভুল প্ৰমাণিত হ'ব পাৰে, কোনো তথ্য সন্দেহজনক হৈ উঠিব পাৰে, এটা নিষ্কলুষ নিৰ্দেশ ভয়ানকভাৱে ভ্ৰান্তিপূৰ্ণ দেখা যাব পাৰে—সমস্ত পৰিকল্পনাই যাৰ ফলত বিপদজনকভাৱে আত্মঘাতী হৈ পৰে। কত দীৰ্ঘসময় জুৰি কৰা আঁচনিতো ৰৈ যায় এটা নিৰুপায় অসম্পূৰ্ণতা, এটা উপেক্ষিত ভুল, কোনো ডিটেইলৰ প্ৰতি অমনোযোগ। আৰু এইবোৰ সম্ভাৱনাৰ অঙ্কৰ উপৰি আছে অপ্ৰত্যাশিত কোনো সংঘটন, ভূতৰ ওপৰত দানহ ব্য মুহূৰ্ততে পৰিস্থিতিৰ আকস্মিক আৰু অভাৱনীয় পৰিৱৰ্তন। এনে অনেক সম্ভাৱনাৰ বিস্ফোৰক বোজাৰ উপৰি আছে অজস্ৰ ৰাধা-নিষেধ, বিভিন্ন চৰ্ত, কঠোৰ সতৰ্কতামূলক নিয়ন্ত্ৰণ, যাৰ ফলত প্ৰথমৰ পৰাই সি অনুভৱ কৰিছে সি এটা অসম্ভৱতাৰ পিছত ঘূৰিছে, এটা দুঃসাধ্যক তাৰ সুজ্ঞাত পৰিণতিলৈ আঁকোৰ-গোজ পাশৰ জেদেৰে কেৱল টানি লৈ গৈছে।

নিৰ্বিকাৰ ভঙ্গীত অনুমানতে গাঁত আৰু শিলৰ মাজৰ নিৰাপদ ঠাইত ভৰি দিবলৈ চেষ্টা কৰি সি আগবাঢ়িল। সি জানে সি খোজ দিছে একোটা বিস্ফোৰণমুখী মুহূৰ্তৰ মূৰত। তাৰ সকলো প্ৰস্তুতি, সকলো সতৰ্কতা এটা মাত্ৰ ভয়ঙ্কৰ মুহূৰ্তত অৰ্থশূন্য হৈ উঠিব পাৰে, অন্ধকাৰৰ মাজৰ পৰা অহা এটা অট্টহাঁহিৰ মাজত কৰুণ নিষ্ফলতালৈ পৰ্যবসিত হ'ব পাৰে। আন্ধাৰৰ মাজত এযোৰ সজাগ সন্ধানী চকু, এটা কাহ, এটা সুঁহুৰি, আপাত-নিৰীহ কোনো এটা স্বাভাৱিক প্ৰতিক্ৰিয়া—হয়তো মাৰ্বল খেলা খোৱা ল'ৰাটোৰ পৰা, কিশোৰ ব্লেকমাৰ্কেটিটোৰ পৰা, গাখীৰ বেপাৰী খৰিৱালাটোৰ পৰা—এটা সাংকেতিক ভাষা হৈ বিজুলীৰ গতিত বৈ যাব তাৰ উদ্দিষ্ট লক্ষ্যলৈ আৰু চাৰিওফালৰ বতাহ চঞ্চল হৈ উঠিব, উত্তপ্ত হৈ পৰিব আৰু শক্তিশালী শত্ৰুৰ দুৰ্ভেদ্য বেহুৰ মাজত নিজকে সি উপলব্ধি কৰিব কৰুণভাৱে নিঃসঙ্গ, হাস্যকৰভাৱে ব্যৰ্থ, এক পৰাভূত অনস্তিত্ব। এনে সম্ভাৱনাৰ প্ৰতি সজাগ হোৱা বাবেই সি মনলৈ এক দাৰ্শনিক ঔদাসীন্য আনিব পাৰিছে। মাজে মাজে বিৰিঙি উঠিব খোজা ক্ষণিক উত্তেজনাৰ শিহৰণ, উশাহৰ মাজেৰে বিয়পি পৰা উদ্বিগ্ন অস্থিৰতা সি দৃঢ়তাৰে মনৰ পৰা দূৰ কৰি পঠাই এক মানসিক নিৰ্বাত সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে।

গলিৰ ভাঁজটো ঘূৰাৰ আগতে সি এবাৰ পাছলৈ চালে। তাৰ পিছত পুনৰ আগবাঢ়ি জুপুৰি তিনিটাৰ ওচৰ পালেগৈ। খেৰ-বাঁহৰ সৰু সৰু জুপুৰি, নিঃশব্দ, আন্ধাৰ, আপাত-দৃষ্টিত জনপ্ৰাণহীন। মৃত, অন্ধকাৰ, অন্য পৃথিৱী; দুৰ্গন্ধ, দীন, দয়া-নিৰ্ভৰ। মেটেকা আৰু দলনি ভৰা দীঘল হোলা আৰু সেউজীয়া শেলাই আৰু কচুভৰা ময়লা নলাৰে সুপৰিবৃত। প্ৰমত্ত আন্ধাৰত ক্লেদ আৰু ক্লান্তিৰ, মানুহৰ পৰাজয় আৰু পশুত্বৰ গ্লানিময় আৱৰ্জনা—অন্ধকাৰ য'ত প্ৰয়োজন, ময়লা স্বাভাৱিক। একেবাৰে শেষৰ জুপুৰিটোৰ ওচৰ পাই সি অকণমান ৰ'ল, অন্তঃপ্ৰেৰিতভাৱে ঘূৰি পাছলৈ চালে আৰু

তাৰ পিছত দ্ৰুতপদে ঘৰটোৰ ওচৰলৈ গৈ দুৱাৰত শব্দ কৰিলে। সি ৰ'ল; ভিতৰত কোনো প্ৰতিক্ৰিয়া নহ'ল। সি মূৰ ঘূৰাই হোলাটোৰ ফালে চালে। হোলাৰ সিকাষে পথাৰ। পথাৰৰ সিপাৰে চহৰৰ এটা চুবুৰি। আন্ধাৰৰ মাজেৰে দেখা যায় দুই-এটা লাইট, দুই-এটা আলোকিত ঘৰ, চলন্ত গাড়ীৰ পোহৰ বা ক্ষীণভাৱে অহা কোনো যান্ত্ৰিক আৱাজ আৰু চুবুৰিটোৰ সিফালে এখন আলোকিত আকাশৰ আভাস যাৰ তলত উচ্ছল দ্ৰুত গতি, অবোধ্য উন্মাদনা, জলমল্ পণ্যসম্ভাৰ, অনেক বিচিত্ৰ আৱাজ, সজীৱ, উদ্বেল প্ৰাণপ্ৰবাহ। সেই আলোকস্ফুৰিত আকাশৰ পৰা চকু ঘূৰাই আনি সি জুপুৰিটোৰ বাঁহৰ দুৱাৰখনলৈ চালে আৰু নিজৰ পাছফালে এবাৰ দৃষ্টি নিক্ষেপ কৰি পুনৰায় দুৱাৰত শব্দ কৰিলে। কেইমুহূৰ্তমান ৰৈ সি পুনৰ অধৈৰ্যভাৱে দুৱাৰ ঢকিয়ালে। এইবাৰ ভিতৰৰ পৰা ৰুক্ষ নাৰীকণ্ঠত প্ৰশ্ন আহিল, "কৌন?" আমোদ উপভোগ কৰিব খুজিও সি ৰৈ গ'ল আৰু এবাৰ পাছফালে চাই আকৌ দুৱাৰত আঘাত কৰিলে।

"আৰে কৌন? বন্দ্ হেয়।" স্পষ্ট বিৰক্তি ৰুক্ষ কণ্ঠেৰে বাগৰি আহিল। তথাপি সি নামাতিলে আৰু আগতকৈও জৰুৰীভাৱে দুৱাৰ ঢকিয়ালে। ভিতৰত নাৰী কণ্ঠই ধৈৰ্য হেৰুৱালে আৰু তীব্ৰ স্বৰে উচ্চাৰণ কৰিলে, "আৰে, শুনা নেহি—"

কিন্তু সি মুখ খুলিলে, নিম্নকণ্ঠত দ্ৰুতবেগে সি ক'লে, "মই মায়া! খোলা।"

সি শুনিলে ভিতৰত বাঁহৰ চাঙৰ শব্দ, দ্ৰুত খোজৰ শব্দ, জুইশলাবাহ আৰু জুই জ্বলোৱাৰ শব্দ আৰু লগে লগে পোহৰৰ আভাস। পোহৰটো দুৱাৰৰ ওচৰ চাপিল আৰু সি নিম্নকণ্ঠে বাহিৰৰ পৰা আদেশ দিলে, "চাকিটো নুমোৱা!" সামান্য বিৰতিৰ পিছত চাকিটো নুমাল আৰু শব্দ কৰি ধীৰে ধীৰে বাঁহৰ দুৱাৰখন খুলি গ'ল।

আন্ধাৰৰ মাজত তাই দেখিলে, এখন হাত কঁকালত দি তাৰ নিৰ্ভুল ভংগীত দুৱাৰমুখত সি থিয় দি আছে। (যি দৰে, তাইৰ মনত চমক খেলি গ'ল, কিছুদিনৰ আগতে প্ৰথমবাৰৰ বাবে সি আহি তাইৰ দুৱাৰমুখত, অস্পষ্ট জোনৰ পোহৰত, ঠিক এই ভঙ্গীত তাইৰ আহ্বানৰ বাবে অধীৰ অসহজচিত্তে থিয় হৈ ৰৈছিল। আৰু দুয়ো যেতিয়া দুয়োকে চকুৰেই জুখি চাব ধৰিছিল—মুখামুখি, পৰিচয়হীন, দুই বিভিন্ন ৰণক্ষেত্ৰৰ সৈনিক, পাৰস্পৰিক প্ৰয়োজনবোধৰ পৰাই উৎসাৰিত এক কৃত্ৰিম আকৰ্ষণেৰে আকৃষ্ট—সেই সময়ত সিহঁতৰ কৌতূহলী দৃষ্টিত নিজৰ অজ্ঞাতেই বিপৰীত প্ৰত্যাশাৰ চিক্‌মিকনি ক্ষীণভাৱে খেলি গৈছিল। হয়তো তাইৰ কোনো নতুন প্ৰতিক্ৰিয়া নহৈছিল। মনৰ শীতল কচায়ে তাইৰ ঘৃণ্য সময়ৰ মাংসৰ বিপৰীতে দৈনন্দিনৰ তুচ্ছ প্ৰত্যাশাক তুলাচনীত তুলি চাইছিল। দেহ বা মনৰ ক'তো, কোনো দূৰ চুকতো বতাহ লগা নাছিল। কাৰণ, এতিয়া তাই, যাক কয়, ত্ৰিশৰ ছায়াচ্ছন্ন দিশত, বেছ কেইবছৰমান ধৰি তাই ক্ৰমে দেহৰ পৰা নিৰাপদ দূৰত্বলৈ মনক আঁতৰাই নিছে আৰু এতিয়া সময়, অভিজ্ঞতা আৰু অভ্যাসৰ চাপত মনৰ একালৰ বৈদ্যুতিক সজীৱতা গভীৰভাৱে পৰিবৃত হৈ উঠিছে। বা আচৰিত



যেন লাগিলেও ক'ৰবাত, মনৰ গভীৰত, হয়তো তাই এটা অস্বস্তিকৰ ধ্বনি শুনিবলৈ পাইছিল, কোনো বাচন পৰি ভাঙি বহু দেৰীলৈকে হৈ থকা এটা সৰ্বনাশী ধ্বনি-কম্পন, হয়তো এছাটি অসময়ৰ অচিন বতাহে ক'ৰবাত কেইটামান শুকান পাত কঁপাই পাৰ হৈ গৈছিল। কাৰণ জীৱিকাৰ পথ যিমানেই নিৰানন্দ আৰু কষ্টকৰ হৈ আহিছে, যন্ত্ৰৰ দৰে যিমানেই নিৰ্ভুল হৈ আহিছে কথা-বতৰা-হাঁহি, দেহৰ সঞ্চালন, চকুৰ ভঙ্গী, জীৱনৰ প্ৰতি সেই হাৰত বঢ়া নাই বিৰাগ বা বিতৃষ্ণা। কাৰণ মোহাচ্ছন্নৰ দৰে এতিয়াও তাই কৈশোৰ আৰু যৌৱনৰ দ্ৰুত নিঃশেষিত আনন্দ আৰু উচ্ছ্বাসৰ দিনবোৰৰ স্মৃতি লৈ খেলা কৰে, নিষ্পেষিত আশা আৰু অস্ফুটিত আকাংক্ষাৰ স্বপ্নক নিশ্বাসৰ দীৰ্ঘতাৰে আৰ্দ্ৰ কৰে। কাৰণ, হয়তো জোনৰ অস্পষ্ট পোহৰত উদ্ভাসিত তাৰ অৱয়বত—তাৰ বয়সৰ কোমলতাত, অপ্ৰস্তুত অসহজতাত, কঁকালত হাত দিয়া স্মাৰ্ট, দৃপ্ত ভঙ্গী সত্ত্বেও প্ৰকাশ পোৱা অনভিজ্ঞ সৌজন্যত তাই অজানিতেই তাৰ প্ৰতি কোমল হৈ পৰিছিল। আৰু দুৱাৰখন বহলকৈ মেলি, সামান্য সঞ্চালনেৰে দেহটোক অধিক লোভনীয় কৰি তাই তালৈ চাই অভ্যস্ত হাঁহিটো মাৰিছিল, এসময়ত স্বতঃস্ফূৰ্ততাৰ বাবেই যি হাঁহি নিশ্চয় সুন্দৰ আছিল।

তাইৰ কোমল কামনাসিক্ত আহ্বানত অসহজভাৱে সি এবাৰ তাইলৈ চাইছিল, তাৰ পিছত মূৰটো ঘূৰাই এবাৰ পাছফালে দূৰলৈকে আৰু সোঁফালে হোলাটোলৈ চকু দিছিল। তাৰ সঙ্কোচ আৰু সতৰ্কতাই তাইক আমোদ দিছিল। ইয়াৰ পিছত ক্লান্ত, ধীৰ খোজেৰে তাইৰ কাষেৰে সি ভিতৰলৈ সোমাল আৰু তাই দুৱাৰখন জপাই দাং লগাই দিলে।

সৰু কোঠাটোত ঠেক বাঁহৰ চাঙৰ ওপৰত এখন চেপেটা বিছনা। জীৱন সৰল, ক্ষুদ্ৰ সঙ্কীৰ্ণ পৰিসীমাৰ মাজত আবদ্ধ। ৰং যোৱা লেতেৰা চাদৰেৰে বিছনাখন ঢকা, শিতানত এটা অবৰ্ণনীয় ৰঙৰ গাৰু। বহুবছৰৰ আগতে এই চাদৰ আৰু গাৰুত ফুল আছিল, নতুনৰ গোন্ধ আছিল। এখন সৰু পুৰণি কাঠৰ নিৰাৱৰণ টেবুলৰ ওপৰত দুটা সৰু আইনাৰ গিলাচ, এখন সৰু আইনা, এখন সস্তীয়া ফণি; ক্ষীণ ৰঙচুৱা পোহৰ দিয়া মলিন সৰু এটা লেম্প। এখন দুৰ্বল, বিবৰ্ণ কাঠৰ চকী। বেৰত এখন পুৰণি কেলেণ্ডাৰৰ পৰা কটা ধূপ-ধূনা প্ৰদীপ—অৰ্চিত শিৱলিঙ্গৰ ৰঙীন ছবি আৰু তাৰ তলত বেৰত এডাল নুমাওঁ নুমাওঁ ধূপকাঠি। অকস্মাৎ এই শিৱ-অৰ্চনাই তাৰ অন্তৰত এটা তীব্ৰ বিতৃষ্ণা সৃষ্টি কৰিলে, এক অশ্লীল বোধে তাৰ চকু আঁতৰাই আনি কাষৰ এখন কেলেণ্ডাৰত নিবিষ্ট কৰালে, য'ত পাৰত ট্ৰাঞ্জিষ্টৰ ৰেডিঅ' লগাই নিজৰাৰ বুকুত প্ৰায় উন্মুক্ত দেহে এজনী গাভৰুৱে গা ধুইছে। কোঠাৰ সংগোপন নিঃসাৰতা ভঙ্গ নকৰাকৈ সি লাহেকৈ চকীখনত বহি পৰিল আৰু জেপৰ পৰা জীৰ্ণ চিগাৰেটৰ পেকেট উলিয়াই এটা চিগাৰেট জ্বলালে। তাই তাক পাছফালৰ পৰা নিৰীক্ষণ কৰিলে, বুজিলে তাৰ ব্যস্ততা নাই আৰু কাষৰ সৰু আন্ধাৰ কোঠাটোলৈ সোমাই গৈ হাতত এটা বটল লৈ ঘূৰি আহিল। টেবুলৰ ওপৰৰ পৰা

এটা গিলাচ আনি তাইৰ কৃত্রিম সলাজ হাঁহিটোৰে তাই তাৰ ফালে প্রশ্নসূচক ভঙ্গীত গিলাচ আৰু বটলটো তুলি ধৰিলে। উগ্র দেশী মদৰ গোন্ধ কোঠাত বিয়পি গ'ল।

সি স্থিৰভাৱে তাইলৈ চাই মূৰ জোঁকাৰিলে। হাঁহিটোৰ লগতে তাইৰ মুখৰ উৎসাহৰ আভা ম্লান হৈ গ'ল। তাৰ নিঃশব্দ উত্তৰত কিবা এটা আছিল; কোনো আব্দাৰমিশ্রিত অনুযোগ, ঘনিষ্ঠতাব্যঞ্জক কোমল সুৰৰ অনুৰোধ, উত্তেজনাপ্রৱণ যৌৱনৰ অভিযানৰ প্রতি উৎসাহ-বাণী—এনেবোৰ পৰিস্থিতিত যি স্বাভাৱিক—একোৰেই তাইৰ কণ্ঠলৈ নাহিল। কিছু হতোদ্যম হৈ তাই বটলটো ভিতৰত থৈ আহি দেখে চকীখনতে বহি সি চকু দুটা মুদি মূৰটো আঁউজাই দিছে। তাৰ সমগ্র অৱয়ব তাইৰ চকুত স্পষ্ট হৈ পৰিল। তাৰ দেহ আছিল ক্লান্ত, মলিন, মুখ নীৰস, কঠোৰ মুখভাৱৰ তলতো আছিল বয়সৰ কোমলতা—নিশ্চিতভাৱে সি পঁচিছৰ তলত, তাৰ সুঠাম শৰীৰত কঠোৰ কষ্টময় সময়ৰ ছাপ; কিন্তু তথাপি তাৰ মুখমণ্ডলত আছিল এক ধৰ্মৰ গভীৰতা, কোনো স্থিৰ দৃঢ় প্রতিজ্ঞাৰ প্রচ্ছন্ন উদ্ভাস। তাই তাৰ বিষয়ে একো সঠিক অনুমান কৰিব নোৱাৰিলে। প্রথমে তাৰ সঙ্কোচ দেখি ভাব হৈছিল, স্কুল-কলেজৰ নতুন ল'ৰা; কিন্তু তাৰ ব্যৱহাৰ একেবাৰেই বিপৰীত। বটলটোৰ প্রতি সি সামান্যও দুৰ্বলতা বা কৌতূহল নেদেখুৱালে। তাৰ আচৰণত কোনো ব্যগ্রতা বা অস্থিৰতা নাই। তাইৰ চকু পৰিল তাৰ পেণ্ট আৰু চাৰ্টত, সিহঁতৰ দৰেই লেতেৰা, বেছ কিছুদিন ধৰি সেইবোৰ ধোৱা হোৱা নাই; তাৰ চুলি অযত্নপালিত, দীঘল—কিন্তু এইটো আজিকালি চব ডেকা ল'ৰাৰে ষ্টাইল; তাৰ চেণ্ডেলযোৰ সস্তীয়া, ভৰি দুখন ধূলিময়, পথক্লান্ত। তাইৰ মনত কোনো স্পষ্ট ধাৰণা নহ'ল। এইটো পঢ়া ল'ৰা নে বে'কাৰ মাস্তান? তাৰ জেপত পইচা আছে নে? গণ্ডগোল নকৰেতো? যিহওক, মিছাই সময় নষ্ট হৈছে, তাই ভাবিলে আৰু গাৰ পৰা অভ্যস্ত ভঙ্গীত শাৰীখন খুলি বিছনাৰ বিপৰীত ফালৰ বেৰত ওলমি থকা ৰচীডালত থ'লে। বিছনা আৰু চকীৰ মাজত থিয় হৈ তাই দেখিলে তাৰ চকু তেতিয়াও জাপখোৱা। যেন সি ভয়ানক ক্লান্ত বা সি যেন তাৰ চাৰিওফালৰ আৰু সন্মুখৰ বাস্তৱক বুজি চাব খুজি অনিশ্চিত হৈ পৰিছে।

"আও, বহুৎ 'দেবী' হুৱা—"সামান্য গহীন ব্যৱসায়ী সুৰত তাই ক'লে।

সি যেন হঠাৎ সাৰ পাই, তাইলৈ মূৰ তুলি চালে; যেন হঠাৎ বুজি পালে সি ক'ত আৰু তাৰ কৰ্তব্য কি আৰু এক মুহূৰ্তৰ বাবে অসহজ হৈও পূৰ্ণ দৃষ্টিৰে তাইলৈ স্থিৰভাৱে চালে। তাই অনিশ্চিতভাৱে তাইৰ ব্যৱসায়ৰ হাঁহিটো মাৰিলে আৰু আশা কৰিলে সি এতিয়া জেপৰ পৰা বেগটো উলিয়াব। সি ব্যৱসায়ৰ নিয়মবোৰ জানেতো? সি তাইৰ পৰা দৃষ্টি আঁতৰাই আনিলে। চিগাৰেটত দীঘল হোঁপা এটা মাৰি সি নিজকে প্রস্তুত কৰিলে আৰু ধোঁৱাবোৰ এৰি দি সহজভাৱে ক'লে, "তুমি দেখোন হিন্দী কৈছা, তুমিতো বাঙালী!"

তাইৰ চকুলৈ বিস্ময় আহিল, সামান্য ভয়ৰ ৰেশ মনৰ মাজেদি পাৰ হৈ গ'ল।



কোন? চিনাকি? ক'ৰবাত...? ক'ত......আগতে আহিছে...ওঁহো...আৰু তাইৰ মুখেদি ওলাল উদ্বিগ্ন প্রশ্ন, "তুমি—আপুনি কেনেকৈ জানিলে?"

ক্ষীণ হাঁহি এটা তাৰ ওঁঠেৰে বাগৰি গ'ল। আকৌ এবাৰ চিগাৰেটত হোঁপা মাৰি সি ক'লে, "নাই, তোমাক মই চিনি নাপাওঁ। কিন্তু মই তোমাৰ বিষয়ে খবৰ লৈ আহিছোঁ।"

"অ'।" তাই আশ্বস্ত হ'ল কিন্তু বিছনাত বহি অস্বস্তিবোধ কৰিব ধৰিলে। হিন্দী ব্যৱহাৰৰ সুবিধা কি তাই ক'ব নুখুজিলে। কিন্তু তাইৰ ভাব হ'ল, ল'ৰাটো আনবোৰৰ দৰে নহয়। তাইৰ প্রতি তাৰ আগ্রহ দেখা যোৱা নাই। সি হয়তো অসুবিধা কৰিব। তাক ভিতৰলৈ মতা ঠিক হ'লনে? অস্পষ্ট শঙ্কাৰ মেঘ মনৰ চুকেৰে যেন উঠি আহিব খুজিলে।

সি পুনৰ তাইলৈ চালে, তাইৰ চকুৰে-চকুৰে পৰিল। সি তলমূৰ কৰিলে আৰু কেঁচা, অন্ধকাৰ মজিয়ালৈ চাই ধীৰ, স্পষ্ট সুৰত ক'লে, "মই পিছে তোমাৰ ইয়াত অলপ বহিবলৈহে আহিছোঁ।"

"কি?!" তাইৰ অবিশ্বাসৰ তীক্ষ্ণতাই যেন কোঠাৰ অনিশ্চিত পৰিবেশক ছুৰিবিদ্ধ কৰিলে। হতাশা আৰু অপমানে কোঠাৰ মলিন পোহৰতো তাইৰ শেঁতা মুখখন কিছু ৰঙা কৰি তুলিলে। সি দেখিলে তাইৰ চকুত জ্বলন্ত দৃষ্টি। কিন্তু অত্যধিক ক্রোধ বা হয়তো তাৰ অস্বাভাৱিক আচৰণৰ বাবে তাইৰ কোনো বাক্‌স্ফূৰ্তি নহ'ল, কোনো তিক্ত উক্তি, কোনো ক্রুদ্ধ অশ্লীলতা মুখলৈ নাহিল। মাত্র তাই দ্রুতভাৱে গৈ দুৱাৰৰ দাং খুলিব খুজিলে। ইমান সময়ৰ ক্লান্ত অলস আচৰণৰ বিপৰীতে অভাৱনীয় ক্ষিপ্রতাৰে সি জাঁপ মাৰি উঠি দুৱাৰমুখ পালেগৈ আৰু একে আঁজোৰে তাই দুৱাৰত ধৰা হাতখন টানি আনিলে।

"এৰি দিয়া!" তাই ক্রুদ্ধকণ্ঠে চেপা চিৎকাৰ কৰিলে।

নিঃশব্দে সি হাতখন ধৰি থাকিয়েই এটা কৌশলপূৰ্ণ পাক দিলে, তাই এপাক ঘূৰি আহি তাৰ বক্ষলগ্ন হ'ল। সি বাওঁহাতেৰে তাইৰ বাওঁহাতখনো ধৰি পেলালে। তাৰ পিছত ধীৰ, স্বাভাৱিক কণ্ঠত ক'লে, "তোমাৰ খং উঠিছে, মই বুজিছোঁ। কিন্তু মোৰ উপায় নাই। মই এটা ডাঙৰ কামত আহিছোঁ, তুমি মোক সহায় কৰিব লাগিব।"

তাৰ স্বাভাৱিক কণ্ঠতো এটা সুদূৰ উদ্বেগ আছিল, তাই অৱশ্যেই সেইটো ধৰিব নোৱাৰিলে। তাই মাত্র অনুভৱ কৰিলে তাৰ হাতৰ কব্জিৰ অবিশ্বাস্য শক্তি, আচৰিত ধৰণে লাভ কৰা তাৰ দেহৰ অপ্রত্যাশিত সান্নিধ্য আৰু তাৰ কণ্ঠৰ সবিশ্বাস দৃঢ়তা। তাই মূৰটো দাঙি আহত ভঙ্গীৰে তালৈ চালে; তাইৰ চকুৰ পৰা নিম্নবাস পৰিহিত তাইৰ দেহটোলৈ তাৰ দৃষ্টি নামি গ'ল আৰু অসহজভাৱে সি তাইক এৰি দিলে। তাই বেৰৰ ওচৰলৈ গৈ শাৰীখন গাত মেৰিয়াই ল'লে আৰু বিছনাত বহি পৰিল।

সি চকীখনৰ ওচৰলৈ গৈ বহি পৰিল আৰু এটা নতুন চিগাৰেট জ্বলালে। নীৰৱে, অন্যমনস্কভাৱে চিগাৰেটত টান দি সি দেখিলে তাই তালৈ চাইছে, তাইৰ মুখৰত এতিয়াও আহত অভিমান।

"কি কৰিব লাগিব?" তাই সুধিলে। পৰিস্থিতিটো মানি ল'ব লগা হ'লেও, তাইৰ সৰল কণ্ঠত অন্তৰৰ ক্ষোভ ঢাকি ৰাখিব নোৱাৰিলেও, তাই কৌতূহলৰ ওচৰত ধৰা দিছিল। তাইৰ প্ৰচ্ছন্ন ক্ষোভৰ ধাৰ সম্পূৰ্ণ উপেক্ষা কৰি নাকে-মুখে ধোঁৱা উলিয়াই সি ক'লে, "মই তোমাৰ ইয়াত দুঘণ্টামান বহিম।" কোনো প্ৰাৰ্থনা নহয়, অনুৰোধ নহয়, এটা ঘোষণা। তাৰ মুখ শুকান, দেহ ক্লান্ত, কিন্তু তাৰ কণ্ঠত অবিচল আত্ম-প্ৰত্যয়। পৰিস্থিতি এতিয়া সম্পূৰ্ণভাৱে তাইৰ নিয়ন্ত্ৰণৰ বাহিৰত। অলপ আগতে এটা চুকত উঠি অহা ডাৱৰ পাতলভাৱে এতিয়া তাইৰ মনৰ মাজত বহল হৈ পৰিল। হয়তো ভাল ঘৰৰ ল'ৰা, গুণ্ডা হৈছে, তাই ভাবিলে। কিন্তু ডকাইতি কৰিবলৈ তাইৰ ঘৰত একো নাই, জোৰ কৰিলে দেহটো দিবলৈ তাইৰ আপত্তি নাই; কিন্তু যদি অত্যাচাৰ কৰে? যদি তাৰ মগজৰ গোলমাল আছে? ডিঙিত যদি—তাই অস্বস্তিবোধ কৰিব ধৰিলে।

"এগিলাচ পানী খুৱাবা?" সি হঠাৎ সুধিলে।

তাই চক্ খাই উঠিল। তাৰ পিছত সন্ত্ৰস্তভাৱে টেবুলৰ পৰা এটা গিলাচ লৈ সতৰ্কতাৰে ভিতৰলৈ গ'ল। বেৰখনৰ সিপাৰে বৈ তাই আন্ধাৰৰ পৰা ঘূৰি চালে, সি উঠি অহা নেদেখি লৰালৰিকৈ পানীগিলাচ বাকী তাৰ ওচৰলৈ আহিল। সি আগৰ দৰে চকুমুদি আছে, তাৰ হাতত আধাজ্বলা চিগাৰেট।

"হোৱা।" তাই ক'লে। সি চকুমেলি তাইলৈ চালে। তাৰ দৃষ্টিত স্বাভাৱিকতা আছিল, কিছু কৃতজ্ঞ প্ৰকাশ আছিল, এনেকি যেন সামান্য উষ্ণতা আছিল। সি পানীগিলাচ শেষ কৰি পিলে, গিলাচটো তাইক ঘূৰাই দি অভ্যাসবশতঃ উচ্চাৰণ কৰিলে, "ধন্যবাদ" আৰু লগে লগে কিছু অপ্ৰস্তুতভাৱে মুখখন হাতেৰেই মচিলে।

বিছনাত বহি তাই তালৈ চালে, সি তাইলৈ চাই আছে। অপ্ৰতিভবোধ কৰি তাই মাটিলৈ চালে আৰু কিছু সহজ হ'বৰ চেষ্টাৰে সুধিলে, "তোমাৰ কামটোনো কি?"

সি মন কৰিলে তাই সুন্দৰ অসমীয়া কৈছে, তাৰ পিছত ক'লে, "অ" যেন পাহৰিছিলেই, 'টাউনত এটা মানুহৰ ঘৰ উলিয়াব লাগে।" সি মুখলৈ চিগাৰেটটো নিলে।

"এই ৰাতিখন?" তাই আচৰিত হৈ সুধিলে। মুখত চিগাৰেটটো ধৰি থাকিয়েই সি মূৰ দুপিয়ালে।

"তেনেহ'লে আকৌ এইফালে আহিলা কিয়?" তাৰ অজ্ঞতাত তাই বয়স আৰু অভিজ্ঞতাৰ পোহৰ পেলাব খুজিলে।

"এইফালে যাব লাগিব। এই হোলাৰ কাষেৰে গৈ পথাৰ পাৰ হৈ টাউন সোমাব পাৰি বোলে। চাওঁচোন এইটো ৰাস্তাৰে গৈ কেনেকুৱা।"

আচৰিত হৈ কিবা এটা ক'ব খুজিও তাই নিৰস্ত হ'ল। কি ধৰণৰ ল'ৰা! সি তাইলৈ চাই আছিল আৰু তাইৰ মুখৰ অভিব্যক্তি দেখি তাৰ প্ৰথম আমোদ মিশ্ৰিত হাঁহিটো মাৰিছিল।) আৰু আজি এই মুহূৰ্ততো, আন্ধাৰতে তাই ধৰিব পাৰিলে, তাৰ মুখত সেই



একে আমোদসনা হাঁহি। কিন্তু হাঁহিটো চুটি, মুহূৰ্তৰ মাত্ৰ, আৰু সি যেন কিবা এটা লুকুৱাবলৈকে লঘু সুৰত সুধিলে, "আন মানুহ বুলি ভাবিছিলা?"

অলপ আগৰ কঠোৰ প্ৰত্যাখ্যানৰ কথা মনত পৰি তাই লজ্জিতভাৱে হাঁহিলে, "ধেৎ তেৰি! তুমিতো আৰু নাহিবা বুলিয়েই ভাবিছিলো! আহা।" তাই দুৱাৰখন মেলি ধৰিলে, সি ভিতৰ সোমাই গ'ল।

দুৱাৰখনত দাং লগাই ঘূৰি তাই আন্ধাৰতে তাক সাবটি ধৰিলে আৰু তাৰ বুকুৰ মাজত মূৰটো সুমুৱাই দিলে। এক মুহূৰ্তৰ বাবে তাৰ দেহত পৌৰুষৰ তেজ যেন উতলি উঠিল। সজোৰে সি তাইক দুবাহুৰ মাজত নিপিষ্ট কৰিব খুজিলে আৰু মত্তভাৱে চুমা খালে। কিন্তু পিছমুহূৰ্ততে সি শান্ত হৈ পৰিল, দেহ শিথিল হ'ল আৰু সি তাইক তাৰ বাহুবন্ধনৰ পৰা মুক্ত কৰি দিলে। তাই সামান্য হতাশ হ'ল, আন্ধাৰতে তাৰ মুখখন চাবৰ চেষ্টা কৰিলে আৰু ব্যৰ্থ হৈ টেবুলৰ ওচৰলৈ গৈ সৰু লেম্পটো জ্বলাই দিলে। সি আগবাঢ়ি গৈ চকীখনত বহিল আৰু জেপৰ পৰা চিগাৰেট উলিয়াই জ্বলালে।

"বহা" সি তাইৰ উদ্দেশ্যে ক'লে আৰু ওপৰলৈ চাই চিগাৰেট হুঁপিব ধৰিলে। তাৰ গাত সেই একে মলিন পেণ্ট-শ্যাৰ্ট্, ভৰিত জীৰ্ণ চেণ্ডেল। মুখখন যেন আগতকৈও নীৰস আৰু কঠোৰ হৈ পৰিছে; চকু দুটা অদ্ভুত ধৰণে ৰঙা। তাৰ ডাড়িবোৰ বৰ বেছিকৈ বাঢ়িছে, চুলি শুকান আৰু বিশৃঙ্খল। তাৰ মুখভাব আপাতদৃষ্টিত নিৰুদ্বেগ, তাৰ চেতনা দূৰমগ্ন, কিন্তু তাৰ মুখত যেন আছিল কোনো ভয়াবহতাৰ অশুভ আভাস। তাই তাৰ মুখৰ থম্থম্ ভাব দেখি শঙ্কিত হ'ল।

"কি হ'ল? একো কথা নাই দেখোন?" সাৱধানে, সহজ সুৰত তাই ক'লে।

"আঁ?" সি এটা প্ৰশ্ন সোধাৰ দৰে কৰিলে আৰু ওপৰলৈ চাই থাকিল। তাই অস্থিৰ অনুভৱ কৰিলে।

"গা বেয়া নেকি?" পুনৰ নিম্নস্বৰে তাই সুধিলে। তাইৰ কণ্ঠত দূৰ কোনো গভীৰৰ পৰা নাৰীৰ সাগ্ৰহ কোমল সুৰ যেন বাজি উঠিল।

"হুঁ?" সি উচ্চাৰণ কৰিলে আৰু চকু নমাই আনি তাইলৈ চালে আৰু যেন তাইৰ প্ৰশ্নটো হঠাৎ বুজি পালে, ব্যস্তভাৱে কৈ উঠিল, "নাই, নাই, ঠিকেই আছে।" আৰু পুনৰ্বাৰ সি মৌনতাৰ মাজত হেৰাই গ'ল। কি হৈছে, কি হৈছে, তাই উদ্বিগ্ন হৈ উঠিল। ৰাতি কোঠাৰ অস্পষ্ট পোহৰত দুটা মূলবিহীন, নিঃসঙ্গ, বিচ্ছিন্ন জীৱনৰ মাজৰ অনিশ্চিত, অস্থিৰ আত্মীয়তা তাইৰ দুশ্চিন্তাত পাক খাবলৈ ধৰিলে। নিৰুপায় অন্ধকাৰৰ মাজত হঠাৎ এছাটি পোহৰ, এটা অৱলম্বন—অৱশ্যেই যাৰ উৎস অজ্ঞাত, স্বৰূপ অপৰিচিত, স্থায়িত্ব অনিৰ্ণেয়—আশাহীনৰ আশাৰে, ভীতি-দুৰ্বল চেতনাৰে ক'ব নোৱৰাকৈয়ে তাই সেই পোহৰক আশ্ৰয় কৰিব খুজিছিল নেকি, আজি অপ্ৰত্যাশিত অনিশ্চয়তাত সি কঁপি উঠিছে।

সি আকৌ এবাৰ তাইলৈ চালে। তাই নীৰৱে তালৈকে চাই আছে আৰু সি দেখিলে

তাইৰ মুখত উদ্বেগ আৰু শঙ্কাৰ পাতল মিশ্ৰিত ছায়া। তাই কিবা বুজিছে নেকি? হয়তো কিবা অনুমান কৰিছে, ভয় খাইছে। অথচ, কি আছিল সিহঁতৰ মাজত? দুদিনৰ পৰিচয়, এটা অস্বাভাৱিক সম্পৰ্ক। কোনো প্ৰতিশ্ৰুতি নাই, প্ৰাপ্তিৰ আশা নাই। হঠাৎ হোৱা পথযাত্ৰীৰ আত্মীয়তা। সি পুনৰ দূৰলৈ চকু ঘূৰালে আৰু নিশ্চিত হ'ল যে ক'ৰবাত এটা ভুল হ'ল; এটা, যাক কয়, সাধাৰণ মানৱীয় ভুল (সি বোধহয় নিজকে বেহাই দিব খুজিছে, তাৰ অৱচেতনাত আত্ম-সমৰ্থনৰ স্বাভাৱিক স্বয়ংক্ৰিয় বোধ এতিয়াও সজাগ হৈ আছে)। কি আচৰিত, সি ভাবিলে, কেনেকৈ কোন কোমল অগোচৰ অন্তঃস্থলত অতৰ্কিতে এটা মৃদু আঘাত লাগি সৃষ্টি হয় একোটা সৰু ভুলৰ ঢৌ আৰু কেনেকৈ অলক্ষিত অলেখ নিৰীহ মুহূৰ্তৰ ফাঁকেৰে পঙ্কিলতাৰ মাজৰ এটা বিমল হাঁহিৰ উদ্ভাসত, স্বাভাৱিক প্ৰাত্যহিকতাৰ গভীৰত থকা কোনো অন্তৰতম দুঃখৰ ছাঁয়াত, এটা গুন-নুগুন সেমেকা নিশ্বাসৰ শব্দত কোনো অৰ্ধোক্তিৰ অস্ফুটিত মৰ্মত সেই ঢৌ তাৰ কম্পন প্ৰবাহেৰে বাংময় হৈ উঠে। তাৰ কোনো অভিজ্ঞতা নাছিল, ভুল হ'ব পৰা দূৰত্বলৈ সি কোনোদিন অহা নাছিল। কিন্তু আজি সি এই আশ্চৰ্য সংঘটন প্ৰত্যক্ষ কৰিছে। 'অৱশ্যে মোৰ কোনো দায়িত্ব নাই', সি যেন মনতে ক'লে আৰু অপৰাধী অৱচেতনাই যেন তাৰ অনুক্ত মন্তব্যৰ উত্তৰ হিচাপেই টানি আনিলে তাইৰ লগত তাৰ সান্নিধ্যৰ কেঁচা নিৰুপায় স্মৃতি, এইকেইদিন তাৰ মনৰ শান্ত স্বাভাৱিক অৱস্থাত, ন্যায়, বিবেক, যুক্তি আদি প্ৰহৰীৰ জাগ্ৰত অৱস্থাত, তাৰ কঠিন কৰ্তব্য সাধনাৰ চিন্তা আৰু সচেতন, সতৰ্ক প্ৰস্তুতিৰ মনোযোগিতাৰ মাজত বিৰক্তিকৰ মাখিৰ দৰে বাৰে বাৰে যি আহি তাক অস্বস্তি দিছেহি।

সেই আচহুৱা ৰাতিৰ পিছত সি আৰু দুদিন দিনৰ ভাগতে তাইৰ তালৈ আহিছিল। প্ৰথম দিনা আহিছিল দৰ্কাৰী কামত; দিনৰ পোহৰত অঞ্চলটো, তাৰ বাট-পথ, সুবিধা-অসুবিধা আদি পৰ্যবেক্ষণ কৰা, তাৰ অধিবাসীসকলৰ বিষয়ে যথাসম্ভৱ সম্ভেদ লোৱা আৰু সম্ভাব্য বিপদৰ উৎস নিৰ্ণয় কৰা তাৰ বাবে অতি প্ৰয়োজনীয় আছিল। তাৰ আঁচনিৰ প্ৰতিটো অংশ, কৌশলৰ প্ৰতিটো দিশ, প্ৰস্তুতিৰ প্ৰতিটো পৰ্ব সি নিখুঁত কৰিবলৈ বিচাৰিছিল। কাৰণ, বয়স আৰু অভিজ্ঞতাৰ বাধা থকা সত্ত্বেও কেৱল দলৰ নেতৃত্বৰ তাৰ ওপৰত থকা গভীৰ আস্থাৰ বাবেই তাক 'এক্‌শ্যন্' কাৰ্যসূচীৰ অন্তৰ্ভুক্ত কৰা হৈছিল, ফলত তাৰ দায়িত্বৰ গুৰুত্ব আৰু ভয়াবহতা সম্পৰ্কে সি অত্যধিক সজাগ হৈ পৰিছিল।

সেইদিনা ফৰকাল বতৰ, প্ৰকৃতিৰ সজীৱতা আৰু তাৰ হৃদয় আন্দোলিত কৰিবলৈ চেষ্টা কৰা এজাক কোমল বতাহ সত্ত্বেও তাৰ চেতনা আছিল কিছু মগ্ন, মনটো যেন গধুৰ আৰু তাৰ চিন্তা আছিল আবদ্ধ কামৰ বিভিন্ন ডিটেইলৰ প্ৰতি সজাগ, যাৰ ফলত তাইৰ প্ৰথম দৰ্শনৰ মুখচ্ছবিও তাৰ স্মৃতিত হৈ পৰিছিল কিছু ধোঁৱাময়। অৱশ্যেই প্ৰথম ৰাতিৰ সাক্ষাৎ আছিল এটা অস্বস্তিকৰ অভিজ্ঞতা—দুই একাষাৰ অসংলগ্ন কথা, একাপ চাহৰ নিৰুপায় সৌজন্যসূচক প্ৰস্তাৱ আৰু তাৰ অভদ্ৰ প্ৰত্যাখ্যানতে সীমাবদ্ধ। কেৱল তাৰ



মনত আছে, মাজনিশা সি যেতিয়া গুচি আহিবলৈ চকীৰ পৰা উঠিছিল তাইৰ মুখৰ বিমূঢ় অভিব্যক্তিৰ মাজত সি দেখিছিল এক অবোধ্য আকৰ্ষণৰ ছাপ। সি অপ্ৰস্তুতভাৱে অলপ হাঁহা যেন কৰিছিল, যাৰ ফলত মুখখন সামান্যভাৱে বিকৃত হৈ পৰিছিল।

কিন্তু প্ৰথমবাৰ দিনৰভাগত যোৱা দিনা সিহঁতৰ কথোপকথন আছিল সহজ আৰু আন্তৰিক, যদিও আন্তৰিকতা আছিল তাৰ সচেতন কৌশলৰ অঙ্গ। তাৰ আকস্মিক অসময়ৰ আগমনে তাইক অপ্ৰস্তুত কৰিলেও, স্বাভাৱিক হাঁহি আৰু আগ্ৰহেৰেই তাই তাক আমন্ত্ৰণ জনাইছিল; কাৰণ তাৰ ওঁঠত আছিল অপৰাধী হাঁহি আৰু তদুপৰি সহজভাৱে সি তাইৰ বিছনাত বহিছিল, স্বাভাৱিক সুৰত আৰম্ভ কৰিছিল দীঘলীয়া কথোপকথন আৰু নিৰ্বিবাদে গ্ৰহণ কৰিছিল তাইৰ ৰঙা চাহৰ আতিথ্য। দিনৰ পোহৰত তাইৰ মলিন ৰূপ আৰু জীৰ্ণ বেশ, তাই দীন সংসাৰৰ হাড়-ছাল প্ৰকট হৈ পৰা সত্ত্বেও তাৰ ব্যৱহাৰ আছিল নিঃসঙ্কোচ, আপোন, কথা-বতৰা আছিল আন্তৰিক যাৰ মাজেৰে সহজে সি আহৰণ কৰিছিল তাৰ প্ৰয়োজনীয় তথ্য আৰু তাতকৈও প্ৰয়োজনীয় তাইৰ বিশ্বাস আৰু বন্ধুত্ব। বিদায় লোৱাৰ আগে আগে এদিনৰ বাবে তাই আগবঢ়োৱা নিমন্ত্ৰণ সি গ্ৰহণ কৰিছিল আৰু আজি সি বুজিছে, সেইদিনাৰ সেই দুৰ্বল মুহূৰ্ততে সি তাৰ প্ৰথম ভুলটো কৰিছিল। কাৰণ, তাৰ বাবে তাইৰ প্ৰয়োজন সেইখিনিতে শেষ হোৱা সত্ত্বেও নিয়মৰ বাহিৰত তাইৰ লগত হোৱা সম্পৰ্ক আৰু আন্তৰিক আৰু দীঘলীয়া কৰিব খুজিছিল।

দ্বিতীয়বাৰ দিনৰ পোহৰত সি যিদিনা তাইৰ তালৈ আহিছিল সিহঁত দুয়ো পৰস্পৰৰ ওচৰত মুক্ত হৈছিল। পৰস্পৰৰ প্ৰতি প্ৰকাশ হোৱা আগ্ৰহৰ মাজেদি সিহঁত ঘনিষ্ঠ হৈ পৰিছিল। হয়তো এইটোও হ'ব পাৰে যে তাৰ আপাত ঔদাসীন্যৰ তলত অথবা তাৰ গুৰুত্বপূৰ্ণ দায়িত্বৰ প্ৰতি পূৰ্ব-নিয়োজিত মনৰ কোনো গোপন চুকত কৌতূহলৰ দুৰ্বল বীজাণু লুকাই আছিল, যাৰ সংক্ৰমণত সিহঁতৰ আলাপ অন্তৰঙ্গ হৈছিল। ক্ৰমে পৰিচিতৰ নৈমিত্তিক আগ্ৰহৰ ঠাইলৈ আহিছিল আন্তৰিক অনুভূতি, সৌজন্যৰ ঠাই লৈছিল গভীৰ আত্মীয়তাই।

এসময়ত তাই চুমকি নাছিল, আছিল মায়া, মায়াৰাণী। তাই আছিল এটা নাৰকীয় সময়ৰ সন্তান, এক ৰাজনৈতিক প্ৰব্ৰজনৰ বলি। তাইৰ নিষ্পাপ শৈশৱৰ মাজতে গৃহত্যাগৰ ভয়াবহ অভিজ্ঞতা তাই লাভ কৰিছিল আৰু তাৰ পিছত জীৱনৰ কৰুণতম অভিজ্ঞতাবোৰে একে একে আহি তাইক পূৰঠ কৰি তুলিছিল। মাক-দেউতাক, ভাই-ভনীৰে কোনো ঘৰৰ স্মৃতি, শৈশৱ আৰু কৈশোৰৰ কোনো মধুৰ স্মৃতি তাইৰ সাঁচতীয়া নাছিল; কেৱল আছিল আত্মীয়-স্বজনৰ দয়া-নিৰ্ভৰ জীৱনৰ তিক্ততা, আত্মীয় পুৰুষৰ হাতত কৌমাৰ্য হেৰুওৱাৰ লাঞ্ছনা, প্ৰেম, পলায়ন আৰু গাৰ্হস্থ্যৰ অবিশ্বাস্য স্বপ্নভঙ্গ আৰু তাৰ বিস্বাদ স্মৃতি। আছিল একাধিক বিশ্বাসঘাতকতাৰ নিষ্ঠুৰতা আৰু জীৱনৰ সকলো সম্পদ হেৰুৱাই তাইৰ সৰ্বশেষ মূলধনেৰে আৰম্ভ কৰা আদিতম ব্যৱসায়ৰ জঘন্যতা।

এই কঠোৰ বীভৎস বাস্তৱৰ কৰুণ সাৰাংশই আছিল তাইৰ জীৱন; এটা সাধাৰণ জীৱন, আন বহু একে ধৰণৰ জীৱনৰে আন এটা জীৱন। দুঃসময় আৰু সমাজৰ অবিৰাম ষড়যন্ত্ৰ, নিৰন্তৰ নিষ্পেষণ, অমোঘ ভাগ্যলিপিৰ ওচৰত তাইৰ নিৰুপায় সমৰ্পণ, নিজৰ দেহৰ ওপৰত, ঘাম-ক্লেদ কালিমাৰ মাজত তাইৰ ঘৃণ্য জীৱন-যাপন—জনপ্ৰিয় গল্পৰ সকলো উপকৰণেৰে তাই যেন নিজৰ বাবে তৈয়াৰ কৰিছিল এক অবিশ্বাস্য বাস্তৱতা। বিৰক্তিকৰ, একেসুৰীয়া সেই বহুকথিত বহুশ্ৰুত গল্প। কিন্তু নায়িকাৰ মুখত তাৰ স্ব-কথিত বৰ্ণনা শুনি তাৰ কঠোৰ মুখ সামান্যভাৱে শিথিল হৈ অস্বাভাৱিক হৈ পৰিছিল।

সি বুজি নাপালে যে কোনোবা এঠাইত সি ভুল কৰিছে। তাৰ প্ৰস্তুতি সকলো ৰকমে সম্পূৰ্ণ হৈছে। অনুকূল সময় আৰু পৰিস্থিতি চাই সি এতিয়া 'শত্ৰু'ক আঘাত কৰা উচিত। কিন্তু 'এক্‌শ্যন'ৰ চূড়ান্ত পৰ্যায়ত সিয়েই সৰ্বময়কৰ্তা, সকলো সিদ্ধান্তৰ চূড়ান্ত নিৰূপক। কোনো অবোধ্য কাৰণত সি সময় ল'ব ধৰিলে। দুদিনমান সি এক অনিশ্চয়তাত কটালে, যদিও নিজকে সি সান্ত্বনা দিলে যে সমগ্ৰ 'এক্‌শ্যন্ প্লেন্' তাৰ হাতৰ মুঠিত, সি তাৰ ইচ্ছামতে যিকোনো মুহূৰ্তে আঘাত কৰিব পাৰে। আৰু এনে সময়তে এদিন সন্ধিয়া ক'ব নোৱাৰাকৈয়ে সি সেই দুৰ্গম গলিত পুনৰ্বাৰ খোজ দিলে আৰু শেষ ভাঁজটো ঘূৰি দেখিলে তাইৰ জীৰ্ণ খেৰ-বাঁহৰ জুপুৰিৰ জেকা শেলাই-বন্ধ অকণমান চোতালখনত তাই থিয় দি আছে। তাই থিয় দি আছে তাৰ ফালে পিঠি দি, এখন সাধাৰণ শাৰী পিন্ধি। তাইৰ দীঘল চুলিকোছাৰে তাই এডাল বেণী বান্ধিছে আৰু আঙুলিবোৰেৰে গঁথা দুইখন হাতৰ মাজত মুখটো আঁউজাই তাই চাই আছে হোলাটোৰ ওপৰৰ দূৰ আকাশলৈ। সি স্থিৰ হৈ ৰৈ তাইক চাব ধৰিলে। হয়তো তাই অপেক্ষা কৰিছে কোনো ঘৃণ্য মাতাল গ্ৰাহকলৈ, কোনো শয্যাসঙ্গীৰ কেইমুহূৰ্তমানৰ পাশৱ সম্ভোগৰ বিনিময়ত অতি আৱশ্যকীয় কেইটামান ক্লেদাক্ত টকালৈ। হয়তো তাইৰ দৃষ্টি স্বপ্নহীন, তাইৰ মন ভাৱশূন্য, নিশ্চেতন। কিন্তু সি দেখিলে মুক্ত, বিস্তৃত পটভূমিত অস্পষ্ট সন্ধ্যালোকত আকাশৰ বুকুলৈ চাই থিয় হৈছে এজনী নাৰী; তাইৰ হৃদয় হ'ব পাৰে উদাস আকূতিৰে গধুৰ, হ'ব পাৰে অজান পুলকেৰে আকুল, তাইৰ দৃষ্টি হ'ব পাৰে স্বপ্নাতুৰ। সি লাহে লাহে তাইৰ ফালে আগবাঢ়ি গ'ল আৰু একেবাৰে ওচৰত ৰৈ মাতিলে, "মায়া!"

তাই চক্ খাই ঘূৰি চালে আৰু মুহূৰ্ততে তাইৰ মুখত খেলি যোৱা বিস্ময়, লাজ আৰু আনন্দৰ মিশ্ৰিত হাঁহিটোৱে তাৰ গভীৰত চুই গ'ল।

এটা বিৰল, নিৰুৎকণ্ঠ, শান্ত সন্ধিয়াৰ এজাক কোমল বতাহে তাৰ দেহ আৰু মনৰ পৰা বহুদিনৰ ক্লান্তিৰ ধূলি উৰাই নিছিল। নিৰুপদ্ৰৱ ঘৰৰ প্ৰশান্তি, ৰন্ধনৰ শব্দ আৰু গন্ধ, হঠাৎ গুণ্‌গুণকৈ এটা বিস্মৃত যুগৰ গানৰ কলি, চঞ্চল, মৃদু খোজৰ ধ্বনি, অপ্ৰত্যাশিত এটা নাৰীসুলভ প্ৰশ্ন বা হাঁহি—এই পাহৰি অহা পৃথিৱীৰ মাজত সি আত্মবিস্মৃত হৈ পৰিছিল। কত ধৰণৰ কথা, সাগ্ৰহ প্ৰশ্ন, পাতল ঠাট্টা, চঞ্চল হাঁহি, অস্পষ্ট অভিযোগ, মোহময় দৃষ্টি আৰু কমনীয় দেহভঙ্গীৰে সন্ধিয়াটো পূৰ্ণ হৈ উঠিছিল। এবাৰ



হঠাৎ দুৱাৰত সন্ধিয়াৰ কোনো অজ্ঞাত আগন্তুকৰ অধৈৰ্য আঘাতত তাইৰ অপ্ৰস্তুত, বিব্ৰত, দৃষ্টিৰ আগেদি যেতিয়া সি উঠি গৈ বাহিৰৰ উদ্দেশ্যে কৈছিল, "আদ্‌মী হেয়" তেতিয়াও সি ভিতৰত কোনো অস্বস্তি বা অসহজ বোধ কৰা নাছিল। ৰাতি আহাৰান্তত সি যেতিয়া তাইৰ বাঁহৰ চাঙৰ বিছনাত পৰি অলসভাৱে চিগাৰেট টানিছিল, খুব স্বাভাৱিক সহজতাৰে তাই আহি তাৰ কাষত বাগৰ দিছিল। পাণ-চুপাৰীৰ ৰাগী বা অপ্ৰকাশ্য আনন্দৰ উচ্ছ্বাসত তাইৰ চকু জলমল্ কৰিছিল। নিঃসঙ্কোচে পাণ চোবাই তাই তাৰফালে ঘূৰি পাতল অভিযোগেৰে কৈছিল, "তোমাৰ নিজৰ কথা দেখোন একো নক'লা?"

আত্মমগ্ন হৈ সি চিগাৰেট টানিছিল। তাইৰ প্ৰশ্নত বিলম্বিতভাৱে সজাগ হৈ সি ক'লে, "মোৰ কথা ক'বলৈ একো নাই, মায়া। মই নিজকে একদম পাহৰি গৈছোঁ, একো মনত নাই।"

তাৰ কথাত কি অনিচ্ছাকৃত কোনো বেদনাৰ আভাস আছিল? নে তাই আছিল বুলি ভাবিছিল? স্থিৰ ব্যথাপূৰ্ণ দৃষ্টিৰে তাই তালৈ চালে আৰু সি চালে তাইলৈ। তাইৰ দৃষ্টিয়ে তাক দুৰ্বল কৰিলে। তাইৰ চকু-মুখ বাগৰি তাৰ দৃষ্টি তাইৰ দেহলৈ গ'ল। আৰু সি অনুভৱ কৰিলে যে তাৰ আৰু একো ক'বলৈ নাই, সি এতিয়া নিজকে পাহৰি গৈছে। এই কাৰণে যে তাৰ মনৰ ভিতৰত এটা ধুমুহা আৰম্ভ হৈছে, ক্ৰমে বাঢ়ি আহিছে মাতাল বতাহৰ বেগ, অচিন ৰাগীত বেপৰোৱা হৈ উঠিছে দেহ, তেজৰ দ্ৰুত ধাৰাত বৈ আহিছে উন্মাদ উল্লাস, চেতনা-অচেতনাৰ সীমাত যেন পাৰ ভাঙি আহিল এটা ৰুদ্ধ উদ্দাম প্ৰৱাহ।

শেষ ৰাতি সাৰ পাই উঠি অস্পষ্ট লেম্পৰ পোহৰত সি দেখিছিল, তাৰ কাষত এটা সম্পূৰ্ণ নগ্ন নিদ্ৰামগ্ন নাৰীদেহ, তাতকৈ বয়স আৰু অভিজ্ঞতাত ডাঙৰ বহুব্যৱহৃত, বহুলাঞ্ছিত, অথচ এই মুহূৰ্তত তাৰ নগ্ন সৌন্দৰ্যৰে উজ্জ্বল, এক মগ্ন প্ৰশান্তিত মহিমাময়, আনন্দ আৰু বেদনাৰে একে সময়তে যি হৃদয়ক অভিভূত কৰি তোলে। সি তাইৰ মূৰত ল্যাহেকৈ হাত বুলালে। মায়া কোনো লোভনীয় পণ্য নহয়, বহুভুক্তা কোনো নাৰী নহয়, এজনী নিৰ্বোধ, উদ্ধত, কিশোৰী, বিবস্ত্ৰা, তৃপ্তা, সুৰক্ষিতা হৈ তাৰ বুকুৰ কাষত নিশ্চিন্তে নিদ্ৰিতা। সি উঠি বহিল আৰু হঠাৎ অস্বস্তিবোধ কৰিবলৈ ধৰিলে। বেৰৰ ফুটাৰে সি বাহিৰলৈ চালে, জোন ডুবিছে। সাৱধানে সি চাংখনৰ পৰা নামিল আৰু দ্ৰুতভাৱে কাপোৰ পিন্ধিব ধৰিলে। তাইৰ উদং গাটো ঢাকি দিব নেকি ভাবিলে, কিন্তু সাৰ পাব বুলি সন্দেহ কৰি সি ঘূৰিল আৰু দুৱাৰৰ দাঙত হাত দিলে। দাংডাল খোলাৰ শব্দতে সাৰ পাই তাই তৎক্ষণাৎ ঘূৰিল।

"ক'ত যোৱা?" ব্যগ্ৰ, নিম্নকণ্ঠে তাই সুধিলে।

"অলপ কা, আছে।" বিব্ৰত কণ্ঠে তাইৰ গাৰ পৰা দৃষ্টি আঁতৰাই সি ক'লে।

"ইমান ৰাতি?" অবিশ্বাস নাথাকিলেও তাইৰ কণ্ঠত আপত্তি আছিল।

"অ' অলপ কাম আছে।" বেৰলৈ চাই সি ক'লে।

"ইমান ৰাতিখন? ৰাতিপুৱা গ'লে নহ'ব?" তাই যেন অনুৰোধ কৰিবলৈ এটা অধিকাৰ বিচাৰিছিল। কিন্তু সি এতিয়া নিজৰ সম্পৰ্কে সচেতন হৈ উঠিছে। আদৰ্শৰ বাহিৰে তাৰ ওপৰত কোনো মানুহৰ অধিকাৰ নাই।

"নাই, জৰুৰী কাম আছে। ৰাতিয়েই যাব লাগিব। তুমি শোৱা।" সি দুৱাৰখন খুলিলে।

"আকৌ কেতিয়া আহিবা?" তাইৰ কণ্ঠ দ্ৰুত, বিপন্ন। যেন আন্ধাৰৰ মাজৰ পৰা তাই আতুৰ হৈ সহায় বিচাৰিছে। স্বয়ংক্ৰিয়ভাৱে তাৰ দৃষ্টি বেৰৰ পৰা তাইলৈ গ'ল। এটা ভুল হ'বলৈ ধৰিছে, সি সঙ্কুচিত হৈ উঠিল; নে হৈ গ'ল ইতিমধ্যে? সি তাইৰ ওচৰলৈ গ'ল। তাই বিছনাতে উঠি বহিল, কিন্তু সি ওচৰ চপাৰ লগে লগে এক অনভ্যস্ত অনুভূতিয়ে তাইক কোঁচ খুৱাই তুলিলে। দুই হাত আৰু দুভৰিৰ মাজত নিজৰ নিৰাৱৰণ দেহটো লুকুৱাবৰ চেষ্টা কৰিলে। তাৰ সন্দেহ ঘন হৈ কপালখন কুঞ্চিত হ'ল। সি তাইৰ মূৰত হাতখন বুলাই দিলে; কিবা এটা যেন সি ক'ব বিচাৰিছে, কিন্তু ক'ব পৰা নাই। কেইমুহূৰ্তমান নীৰৱে পাৰ হ'ল। তাৰ পিছত নিৰ্লিপ্ত, অনুতাপহীন কণ্ঠে সি ক'লে, "মায়া মই এটা খুব বিপদজনক মানুহ। মোৰ পৰা তোমাৰ বিপদ হ'ব পাৰে।"

তাইৰ মূৰৰ ওপৰত থকা তাৰ হাতখন খামুচি ধৰি তাই সুধিলে, "কেতিয়া আহিবা?"

"তোমাৰ বিপদ হ'ব পাৰে।" সি দৃঢ়স্বৰে বাধা দিব খুজিলে।

"হওক।" সমান দৃঢ়তাৰে তাই উত্তৰ দিলে। সি একো নক'লে। তাইৰ মুঠিৰ পৰা তাৰ হাতখন মুক্ত কৰিলে আৰু ঘূৰি লৈ দ্ৰুতপদে ঘৰৰ বাহিৰ ওলাই দুৱাৰখন মাৰি দিলে।

দ্ৰুতবেগে খোজ দি সি আগবাঢ়িছিল। এটা অস্থিৰতাই তাৰ মনটো আগুৰি ধৰিছিল যেন। নিজৰ ওপৰত সি ক্ৰুদ্ধ হৈ উঠিছিল। ক'লৈ আহিছিল সি? কি কাম আছিল তাৰ; হঠাৎ সি বৈ গৈছিল। এক মুহূৰ্তৰ পিছত অবিবেচকৰ দৰে, অবুজ গোঁৱাৰৰ দৰে সি পুনৰ তাইৰ ঘৰৰ ফালে ঘূৰিছিল আৰু ক্ৰুদ্ধ, দ্ৰুত খোজেৰে তাইৰ ঘৰ পাৰ হৈ হোলাৰ কাষেদি পথাৰখনলৈ আগবাঢ়িছিল।

আৰু তাৰ পিছত আজি সি আকৌ তাইৰ ওচৰলৈ আহিছে। আজি সি তাৰ কামত আহিছে, হয়তো শেষবাৰৰ বাবে আহিছে, আৰু তাই ভিতৰি উল্লাসিত হৈও আনন্দ কৰিব পৰা নাই, দ্বিধাগ্ৰস্ত হৈছে। কাৰণ, তাই ইতিমধ্যে বুজিছে, নাৰীৰ স্বাভাৱিক বোধেৰে, যে তাৰ সাধাৰণ বন্ধুত্বও তাই আশা কৰিব নোৱাৰে, ক'ৰবাত তাৰ কিবা বাধা আছে।

সি দেখিলে তাইৰ দৃষ্টিত গভীৰ আত্মীয়তা, তাইৰ উদ্বিগ্ন মুখত অনিশ্চিত শঙ্কাৰ ছাঁ। আৰু সি তাইলৈ চাবলৈ অসুবিধা পাইছে। কাৰণ, সি অনুভৱ কৰিছে, অনুতাপ কৰিব নুখুজিলেও, যে কেনেবাকৈ এটা ভুল হৈছে, য'ত সি শাৰীৰিকভাৱে জড়িত। তাৰ বিবৰ্ণ মুখৰ মালিন্য, কপালৰ ৰেখাবোৰৰ জটিল সঙ্কোচন, অস্নাত দেহ আৰু অমাৰ্জিত ডাড়িৰ



তলত উদ্‌ভ্ৰান্তৰ চেহেৰা—তাই যেন সেইবোৰৰ মাজত কিবা এটা বুজিবলৈ চেষ্টা কৰিছিল। কিন্তু তাৰ দূৰ-মগ্ন চেতনা, শুকান মুখৰ দুৰ্ভেদ্য অবোধ্যতা—আজি ডাড়িৰ সহযোগত বহুগুণে বৰ্ধিত—বেচেৰীৰ বাবে দূৰতিক্ৰম্য আছিল। তাইৰ তীক্ষ্ণ চকুৰ দৃষ্টি তাৰ সহানুভূতিশূন্য মুখৰ নিশ্ছিদ্ৰ দেৱালত বাৰে বাৰে ব্যৰ্থ হৈছিল।

"তুমি ভাত খাই আহিছা?" তাই হঠাৎ সুধিলে।

"হুঁ" সি ক'লে। তাৰ উক্তিটো প্ৰশ্ন নে উত্তৰ তাই ধৰিব নোৱাৰিলে।

"কেইটামান বহাই দিওঁ?" তাই সুধিলে আৰু বিছনাৰ পৰা উঠিল।

"কি?" হঠাৎ সজাগ হৈ সি সুধিলে আৰু লৰালৰিকৈ ক'লে, "নাই, মই ভাত খাই আহিছোঁ। ইমান ৰাতি—" সি অৰ্ধোক্তি কৰি বৈ গ'ল। তাই তালৈ চাই অসহজভাৱে থিয় দি ৰ'ল।

"সঁচাতো? নাই খোৱা যদি......"

"খাই আহিছোঁ।" ক্লান্ত সুৰত যন্ত্ৰৰ দৰে সি ক'লে। তাই পুনৰ লাহেকৈ বহি পৰিল। তাই ধৰিব নোৱাৰিলে। ইয়াৰ পিছত কি কোৱা বা কৰা উচিত।

'মই এজন বিপদজনক মানুহ, মায়া....' উইংচৰ কাষৰ পৰা লাহে লাহে অস্পষ্ট পোহৰৰ মাজেদি ষ্টেজৰ ওপৰেদি সি বিছনাৰ ওচৰলৈ গ'ল। বিছনাত অৰ্ধশায়িতা বিবস্ত্ৰা নায়িকা, সলজ্জ আৰু উৎকণ্ঠ। সি, নায়ক, এটা অসহজ ভঙ্গীত থিয় হৈ নায়িকাৰ উৎকণ্ঠ আকুলতাৰ প্ৰতি নায়কসুলভ কণ্ঠেৰে ক'লে, 'মই এজন...' এখন মেল'ড্ৰামাটিক্ নাটকৰ এটা ৰোমাঞ্চকৰ দৃশ্য, হয়তো তাৰ সংলাপটো এটা চমৎকাৰ এক্সিট্ লাইন্ হ'লহেঁতেন! এই চৰম মুহূৰ্ততো সি নিজকে লৈ আমোদ কৰিলে, মাত্ৰ আমোদটো ক'তো, মনৰ ভিতৰতো ফুটি নুঠিল, এই কাৰণে যে ইয়াত পৰাজয়ৰ ছাঁ আছিল। সি এটা দীঘল নিশ্বাস এৰিলে আৰু পুনৰ এটা চিগাৰেট জ্বলালে। সি মায়ালৈ চালে, তাই এইবাৰ মাটিলৈ চাই আছে। সি তাইক কৈছিল, তাৰ নিজৰ কথা একো ক'বলৈ নাই। কিন্তু আজি জীৱনৰ চৰম মুহূৰ্তত উপস্থিত হৈ তাৰ ক'বৰ মন গ'ল, তাৰ কিছু কথা আছিল; এটা অতীত আছিল, কোমল হওক বা কঠোৰ, উজ্জ্বল বা মলিন, আৱেগসঞ্চাৰী বা এতিয়া মায়াহীন। আৰু যে অন্ততঃ নাটক আছিল, যাক এৰি আহোঁতে কিছু কষ্ট হৈছিল, কাৰণ এইটো আছিল তাৰ নিচা। বাচা, হেমেন, নৰকান্ত, কমলেশ—সিহঁতে চাগৈ এতিয়াও নাটক কৰে, নাটকৰ কথা ভাবে; সি আৰু ভাবিব নোৱাৰে। কাৰণ, সি জীৱন দেখিছে, নাটকতকৈ ডাঙৰ, নাটকতকৈ অবিশ্বাস্য।

সি এখন ঘৰ এৰি আহিছিল, তাৰ কোনো কষ্ট হোৱা নাছিল। কাৰণ, তাৰ বাবে ঘৰ আছিল তাৰ মাক; সি দেখিছিল মাকৰ বাহিৰে বাকী সকলোৰে আকৰ্ষণ আছিল ঘৰৰ প্ৰতি নহয়, বাহিৰৰ প্ৰতি বা নিজৰ প্ৰতি। মাক ঢুকোৱাৰ পিছত তাৰ বাবে আৰু কোনো ঘৰ নাছিল। সি শুনিছিল তাৰ দেউতাকে দেশৰ স্বাধীনতাৰ বাবে চাকৰিৰ মোহ এৰিছিল, গাভৰু পত্নী আৰু শিশু-সন্তানৰ মায়া এৰি পুলিচৰ অত্যাচাৰ আৰু জেলৰ যন্ত্ৰণা বৰণ

কৰিছিল। কিন্তু নীৰৱ, নিষ্প্ৰতিবাদ সেনাধ্যক্ষৰ দৰে দেউতাকহঁতৰ সন্মুখত স্বাধীনতা যুদ্ধৰ কোটি কোটি সৈন্যক অৰ্ধনগ্ন, অৰ্ধভুক পশুত পৰিণত কৰা দেখি মাজে মাজে তাৰ সুধিবলৈ মন গৈছিল, তেওঁলোকৰ স্বাধীনতাৰ স্বপ্ন কি আছিল। এইটো কি আছিল এটা বিমূৰ্ত আদৰ্শৰ প্ৰতি উত্ৰাৱল উচ্ছ্বাস? অথবা কেৱল উন্নিদ্ৰ যৌৱনৰ বোধবিহীন উন্মাদনা? আৰু সি আচৰিত হৈছিল যে এনে একোটা প্ৰশ্নই তেওঁলোকৰ বোধ-বিবেক আমূল জোঁকাৰি পেলোৱাৰ পৰিৱৰ্তে স্বাধীনতাৰ ভোগ-সম্ভোগত তেওঁলোকে চকু মুদি লেটি লৈছে। মাজে মাজে তাৰ ভাব হৈছিল তেওঁলোক স্বপ্নভঙ্গৰ আঘাতত কিংকৰ্তব্য, মূক, নিৰুপায়ভাৱে আত্মসমৰ্পিত। কিন্তু পিছমুহূৰ্ততে সি তেওঁলোকক ক্ষমা কৰিবলৈ অস্বীকৃত হয়, ক্লীৱ এক ক্ৰোধে তাক অন্ধ কৰি তোলে। কাৰণ সি দেখে, তাৰ ডাঙৰ ককায়েকে বিদেশৰ ইঞ্জিনীয়াৰিঙৰ ডিগ্ৰী লৈ আহি দেশত এটা এটাকৈ বেনামী আধুনিক প্ৰাসাদ সাজিছে; সৰু ককায়েকে সুখ্যাতিৰে মেডিকেল পাছ কৰি চৰকাৰী বৃত্তিৰে বিদেশী শিক্ষা লৈ বিদেশৰ চাকৰি আৰু নাগৰিকত্ব অৰ্জন কৰি পৰম সুখৰ জীৱন ভোগ কৰিছে। তাৰ দুয়োজনী সুপাত্ৰস্থ বায়েকে চলাইছে সম্পদ আৰু সম্ভোগৰ, বিকৃত আধুনিকতা আৰু অপব্যয়ৰ শেষহীন প্ৰতিযোগিতা। গভীৰ অস্বস্তিৰে সি অনুভৱ কৰিছিল যে আন বহু সুখী পৰিয়ালৰ দৰেই সিহঁতেও আদায় কৰিছে দেউতাকৰ ত্যাগৰ মূল্য, নিশ্চিন্ত আৰামৰ, পৰম সম্ভোগৰ জীৱন। বহু বিক্ষুব্ধ প্ৰশ্ন, বহু নিৰুদ্ধ প্ৰতিবাদে তাৰ বুকু গধুৰ কৰিছিল, মুখ গম্ভীৰ, আচৰণ অস্বাভাৱিক কৰি তুলিছিল। কলেজলৈ আহি সি বিচাৰি পাইছিল তাৰ সগোত্ৰ মনৰ সম্ভেদ, প্ৰশ্নৰ উত্তৰ, অন্ধকাৰত আলোক। আৰু এদিন সি কলেজৰ উজ্জ্বল ছাত্ৰ, তাৰ্কিক-বক্তা-অভিনেতা, সৰু-সুৱা প্ৰতিভা, বিস্ময়কৰভাৱে কলেজৰ পৰাই নিৰুদ্দেশ হৈছিল। মঞ্চৰ নিয়ন্ত্ৰিত আলোকৰ বাস্তৱৰ পৰা সি যাব খুজিছিল ধূলি মাটিৰ অন্ধকাৰ বাস্তৱলৈ, জীৱনৰ কঠিন অভ্যন্তৰলৈ। সি আৰু তাৰ দৰে অনেক উদগ্ৰ যৌৱন সজাগ হৈছিল সিহঁতৰ নাৰকীয় পৰিবেশৰ প্ৰতি, সৰ্বব্যাপ্ত অন্যায় আৰু অমানুষিকতাৰ প্ৰতি, দেশ নামৰ জহন্নামৰ প্ৰতি, ৰাষ্ট্ৰ নামৰ সৰ্বনাশা শক্তিৰ প্ৰতি। সিহঁতৰ অন্তৰত জ্বলিছিল ক্ষোভ আৰু বিদ্বেষৰ জুই; প্ৰতিশ্ৰুতিময় ভৱিষ্যৎ, অভ্যস্ত অনায়াস সুখ আৰু সম্ভোগৰ জীৱনৰ প্ৰতি সিহঁতৰ বিবেকে সৃষ্টি কৰিছিল তীব্ৰ নিৰঙ্কুশ ঘৃণা।

ঘৰৰ মানুহে তাক গোপনে বিচাৰিছিল, পৰিয়ালৰ সম্ভ্ৰমৰ প্ৰশ্ন ইয়াত জড়িত আছিল। ব্যক্তিগত সন্ধানৰ উপৰি গোপনে পুলিচত খবৰ দিছিল। কিন্তু কিছুদিন পিছত পুলিচে নিজৰ পৰাই তাক বিচাৰিবলৈ আৰম্ভ কৰিলে। তেতিয়া সি কোনো দূৰ গাঁৱত শুহি শেষ কৰা মানুহ নামৰ কঙ্কালসাৰ অস্তিত্বৰ মাজত, আদিম আৰু অকৃত্ৰিম দাৰিদ্ৰ্যৰ মাজত জীৱনৰ সৈতে পৰিচিত হৈছিল। শুদা বাঁহৰ চাঙত আঠুৱা নোহোৱাকৈ শুই, পূৰৈ শাক আৰু নিমখেৰে ভাত খাই, প্ৰচণ্ড ৰ'দ আৰু ধাৰাসাৰ বৰষুণ মূৰৰ ওপৰত লৈ সিহঁতে দুৰ্দশা-জীৰ্ণ গাঁৱৰ বাটেদি খোজ কাঢ়িছিল, দাৰিদ্ৰ্যৰ নিৰানন্দ চোতাল গচকিছিল, হুমুনিয়াহেৰে ভাৰাক্ৰান্ত অভাৱৰ মলিন মজিয়াত এখন্তেক বহিছিল। মানুহবোৰক



সিহঁতে সাৰ পোৱাব খুজিছিল, অন্তৰত সৃষ্টি কৰিব খুজিছিল ক্ষোভ আৰু ক্ৰোধ, মুখত দিব খুজিছিল প্ৰতিবাদৰ ভাষা, হাতত প্ৰতিশোধৰ অস্ত্ৰ।

এটা সময়ত খুব সংগোপনে আৰম্ভ হৈছিল সিহঁতৰ দলৰ ভয়াবহ 'এক্‌শ্যন্' কাৰ্যসূচী। কাগজত হুলস্থুল হৈছিল, প্ৰশাসন আৰু পুলিচত তৎপৰতা দেখা গৈছিল। উৎসাহজনক প্ৰাথমিক সাফল্যৰে অপ্ৰস্তুত পুলিচক সিহঁতে বিভ্ৰান্ত কৰিছিল, প্ৰশাসন বিমূঢ় হৈছিল আৰু এটা শীতল সন্ত্ৰাসৰ পৰিবেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। তাৰ পিছত অৱশ্যে বিপৰ্যয়ো আহিছিল। সুদক্ষ কৰ্মী এৰেষ্ট হৈছিল, দুই-এক দলত্যাগীয়ে বিশ্বাসঘাতকতা কৰিছিল। কেইবাজনকো সংঘৰ্ষৰ নামত পুলিচে গুলিয়াই হত্যা কৰিছিল। সংগঠনৰ কামত দূৰৰ গাঁও এখনত সোমাই থকা অৱস্থাত সিহঁতৰ পুৰণি গাঁৱৰ ঘৰৰ ওচৰত এটা হত্যাকাণ্ড সংঘটিত হয়। পুলিচে তাক এই হত্যাকাণ্ডৰ লগত জড়িত কৰে; কাৰণ, মানুহটো আছিল সুতখোৰ মহাজন, উগ্ৰপন্থীৰ উদ্দেঘোষিত লক্ষ্য। যদিও প্ৰকৃততে হত্যাকাণ্ডটো আছিল পৰিয়ালৰ অন্তৰ্কলহৰ ফল। সি আত্মগোপন কৰিছিল, আগতকৈ অধিক সাৱধান হ'ব লগা হৈছিল। শৰীৰৰ ওপৰত কষ্ট আৰু অত্যাচাৰ বাঢ়িছিল। কেইমাহমানৰ পিছত এদিন ডিচেম্বৰৰ প্ৰচণ্ড শীতৰ ৰাতি, ক্লান্ত, অৱশ, ক্ষুৎকাতৰ দেহেৰে প্ৰচণ্ড পেটৰ বিষত এখন দলঙৰ মূৰত গাটো কম্বলেৰে মেৰিয়াই টোপালাৰ দৰে পৰি থকা অৱস্থাত হিন্দী চিনেমাৰ সুলভ দৃশ্যৰ দৰে তাক আৱিষ্কাৰ কৰে কৌতূহলবশতঃ গাড়ী ৰাখি নামি চোৱা তাৰ ডাঙৰ ভিনিহিয়েকে। চহৰত থকা তাৰ ইঞ্জিনীয়াৰ ককায়েকৰ ঘৰত তাৰ চিকিৎসা কৰা হয়। ডাক্তৰে হাস্পতালত ভৰ্তি কৰাৰ পৰামৰ্শ দিয়ে। তাৰ স্বাস্থ্য আৰু ককায়েকৰ চাকৰিৰ চিন্তা কৰি আত্মসমৰ্পণৰ সিদ্ধান্ত লোৱা হয়। ককায়েকৰ বন্ধু পুলিচ চুপাৰিন্‌টেণ্ডেণ্টক খবৰ দিবলৈ ঠিক কৰা হয় আৰু সেইদিনা ৰাতিয়েই অবিশ্বাস্যভাৱে ভগ্নদেহেৰে সি পুনৰ ঘৰ এৰে। কাচিকটাত হেমেনৰ বিধৱা পেহীয়েকৰ অভাৱনীয় শুশ্ৰূষা আৰু তাৰ মনৰ ক্ৰমবৰ্ধিত দৃঢ়তাৰ জোৰত এমাহৰ ভিতৰতে সি পুনৰ সুস্থ হৈ উঠে। ইয়াৰ পিছত যিমানেই কষ্ট বাঢ়িছে, পীড়ন বাঢ়িছে, শৰীৰ দুৰ্বল হৈছে, সিমানেই মন কঠোৰ হৈছে, জেদ বাঢ়ি গৈছে। আৰু আজি সি সন্মুখীন হৈছে তাৰ সাধন-মাৰ্গৰ চৰম পৰীক্ষাত।

কিমান সময় তেনেকৈ পাৰ হ'ল সি ক'ব নোৱাৰে। হয়তো খুব কম সময়, কেইটামান মুহূৰ্ত মাত্ৰ। কিন্তু সি বুজিছে সি অযথা চিন্তাবিলাস কৰিছে। তাৰ কোনো অতীত নাই, এতিয়া তাৰ কোনো ব্যক্তিগত বৰ্তমানো নাই আৰু কোনে জানে, হয়তো কিছুসময়ৰ পিছত, তাৰ কোনো ভৱিষ্যতো নাথাকিব। সি আগবাঢ়িছে দলৰ নিৰ্দেশিত দায়িত্ব পালন কৰিবলৈ। তাৰ কোনো ব্যক্তিগত সত্তা নাই, আদৰ্শৰ পৱিত্ৰ শপতে তাক পৰিচালনা কৰিছে। হয়তো তাৰ অৱচেতনাৰ শেষ বিন্দু দুৰ্বলতাই, অস্পষ্ট মোহৰ শেষ কুঁৱলিয়ে তাক অৱশিষ্ট কেইটামান চুৰ কৰা মুহূৰ্তৰ বাবে অতীত বিলাসী কৰি তুলিছে, তাৰ সত্তাৰ বন্ধ দুৱাৰৰ অন্ধকাৰ ভিতৰলৈ জুমি চাবলৈ প্ৰলোভিত কৰিছে।

"নোশোৱা জানো?" হঠাৎ যেন তাৰ স্বপ্নৰ মাজেৰে সি শুনিবলৈ পালে তাইৰ পৰিচিত নিম্ন কণ্ঠস্বৰ।

"হু" সি উচ্চাৰণ কৰিলে আৰু একেদৰেই মাটিলৈ চাই ৰ'ল।

"নোশোৱা?" তাই পুনৰ সুধিলে। তাই কিবা এটা ক'ব খুজিছিল, কিবা এটা কৰিব বিচাৰিছিল। কাৰণ, অনিশ্চয়তাৰ পৰা, উদ্বিগ্নতাৰ পৰা তাই মুক্ত হ'ব বিচাৰিছিল।

চক্ খাই সি ঘড়ীটোলৈ চালে, বাৰ বাজিবৰ হৈছে। সি তাইলৈ চালে, তাইৰ মুখত পাতল ছাঁয়া, সন্দেহ আৰু ভয়ৰ, কিন্তু তাৰ ওপৰেদি তাইৰ মুখত বিয়পিছে এক অদ্ভুত কোমলতা, এক অবুজ আকূতি। মুহূৰ্ততে সি বাস্তৱলৈ ঘূৰি আহিল, তাৰ মনৰ সকলো দৃঢ়তা টানি আনিলে আৰু দৃপ্তপদে থিয় হ'ল। ভৰিৰ চেণ্ডেলযোৰ সি টেবুলৰ তললৈ দলিয়াই দিলে আৰু তাইলৈ ঘূৰি ক'লে, "তুমি শোৱা, মই এতিয়াই আহিম। দুৱাৰখন খুলি থ'বা।"

তাইৰ মুখ আন্ধাৰ হৈ উঠিল, কিন্তু কোনো প্ৰশ্ন বা প্ৰতিবাদ তাইৰ কণ্ঠলৈ নাহিল। ক্ষণিকৰ বাবে তাইৰ ভাব হ'ল তাই তাক চিনি নাপায়, তাৰ অস্বাভাৱিক চেহেৰাৰে সি এজন সঁচাই বিপদজনক মানুহ। লগে লগে তাই দেখিলে সি ঘূৰি দুৱাৰেৰে বেগাই বাহিৰ ওলাই গৈছে।

অদ্ভুত ধৰণৰ এটা আঘাত তাই অনুভৱ কৰিলে। বেদনা নহয়, এক নিশ্চেতন স্থবিৰতাই তাইৰ মন আৱৰি ধৰিলে। মূক, নিশ্চল হৈ তাই বহি ৰ'ল। দূৰত ক'ৰবাত বাৰ বজাৰ ঘণ্টাধ্বনি হ'ল। দুৰ্বলভাৱে সেই ঘণ্টাধ্বনি তাইৰ মগজৰ গভীৰলৈ ধীৰে ধীৰে পৰিস্ৰাৱিত হৈ গ'ল, যেন অমনোযোগিতাৰে লক্ষ্য কৰা এটা অস্পষ্ট সংকেত যি আলসুৱাভাৱে ওপঙি ৰোৱা এটা ধূঁৱলি চেতনাৰ মাজেৰে পুনৰ তাইৰ মনলৈ আনিলে ভয় আৰু দুশ্চিন্তাৰ ৰেশ। কিছু সময়ৰ মূৰত এবাৰ সজাগ হৈ তাই নিজৰ চাৰিওফালে চালে, কিমান সময় পাৰ হ'ল অনুমান কৰিবৰ চেষ্টা কৰিলে আৰু একো ধৰিব নোৱাৰি অন্তহীন প্ৰতীক্ষাত একেদৰেই বহি ৰ'ল। সময় ক্ৰমশঃ গধুৰ হৈ অন্ধকাৰৰ সৈতে তাইৰ চাৰিওফালে ওলমি ৰ'ল।

কি হৈছে তাই বুজি নাপায়, বুজিব নোৱাৰেও। কিন্তু তাই অনুভৱ কৰে কিবা এটা হৈ গ'ল। সি তাইক মুহিছে; কিন্তু তাইৰ কোনো স্বাৰ্থ নাই, কোনো আশা, কোনো গোপন বাসনা নাই। বহু আশাভঙ্গই তাইক স্বপ্ন শূন্য কৰিছে, বহু বিশ্বাসঘাতকতাই তাইক শীতল কৰি থৈ গৈছে। তেন্তে কি হ'ল? কিয় তাই তাক বিচাৰিছে? কিয় বাৰে বাৰে তাৰ উপস্থিতিত অধীৰ হৈ উঠিছে? মলিন চেহেৰাৰ এটা সম্বলহীন, অনভিজ্ঞ ডেকা ল'ৰা; তথাপি তাৰ ব্যক্তিত্বত আছিল এক অস্বাভাৱিক আকৰ্ষণ, কথা-বতৰাত তাইৰ অপৰিচিত সৌজন্য আৰু তাই আছিল এটি নিম্নশ্ৰেণীৰ জীৱ, জন্মসূত্ৰেই কেৱল মানুহৰ সগোত্ৰ আৰু দীৰ্ঘদিন ধৰি মানুহৰ দ্বাৰাই বিচিত্ৰ ধৰণে লাঞ্ছিত, পণ্য হিচাপে ব্যৱহৃত। এনেকি যেতিয়া ক'ৰবাত দূৰ পৃথিৱীত ললিত ৰাগত ৰাতি পুৱায়, তাই সাৰ পাই উঠি বিছনা



এৰি আহি অলস বিষণ্ণ ৰাতিপুৱাৰ মুখামুখি হৈ দেখে খালী গাৰে ৰঙা গামোচা পিন্ধি মুখত দাঁতোন আৰু কাণত লগুণ তুলি তাইৰ ঘৰৰ আগেৰে হোলাৰ পাৰলৈ পাৰ হৈ যোৱা ৰামপীৰিতহঁতে তাইক অশ্লীল ইঙ্গিত দি গৈছে। তাইৰ কোনো প্ৰতিক্ৰিয়া নহয়; আমোদ, বিৰক্তি, ক্ৰোধ, ঘৃণা একোৱেই তাই অনুভৱ নকৰে, জড় পদাৰ্থৰ দৰে একেদৰেই ৰাতিপুৱাৰ বৈচিত্ৰ্যহীন পৃথিৱীক চাই ৰয়। তাৰ দৰে কলেজত পঢ়া সদ্য-বয়ঃপ্ৰাপ্ত যৌৱনোন্মত্ত তৰুণে যেতিয়া তাইৰ লগত অশ্লীলতা কৰে, পশুৰ দৰে অত্যাচাৰ কৰে, তাই আপত্তি কৰিব নোৱাৰে, কাৰণ এইটো তাইৰ ভাত-ৰুটিৰ ব্যৱস্থাৰ উপৰুৱা প্ৰাপ্য। কিন্তু হঠাৎ সেইদিনা সি আহিল আৰু তাইৰ ওচৰত বিচাৰিলে তাইৰ ক্ৰয়যোগ্য দেহটো নহয়, এটা সহায়—দুঘণ্টামানৰ আশ্ৰয়। অৰ্থাৎ তাই মানুহ! তাৰ কথা-বতৰা, আন্তৰিকতা, আগ্ৰহৰ উষ্ণতা, আপোন ঘৰুৱা ব্যৱহাৰতো এক ধৰণৰ সম্ভ্ৰম, এনেকি তাৰ মৰম-আদৰতো আচৰিত সংযম আৰু শালীনতা—এইবোৰ তাইৰ অচিনাকি আছিল। তাইৰ লুণ্ঠিত-যৌৱন, ব্যৱহাৰ-ক্লিষ্ট দেহটোৰ অৱশিষ্ট সৌন্দৰ্য সি সবিস্ময় তৃষ্ণাৰে আৱিষ্কাৰ কৰিছিল আৰু উত্তাল যৌৱনৰ উন্মাদনাৰে সি তাইৰ ওচৰত নিজকে নিঃশেষ কৰিব খুজিছিল। তাই অনুভৱ কৰিছিল এক নতুন অস্তিত্ব, অননুভূতপূৰ্ব এক আকৰ্ষণ, মনৰ ভিতৰত নতুনকৈ জাগিছিল মোহ। অথচ বাস্তৱৰ লগত, জীৱনৰ লগত তাইৰ পৰিচয় ইমান গভীৰ আছিল যে তাই কোনো স্বপ্ন দেখা নাছিল, কোনো অৰ্থহীন আশাৰে নিজকে তাই প্ৰৱঞ্চনা কৰিব খোজা নাছিল। তথাপি তাই বুজিছিল, কিবা এটা হৈছে, ক'ৰবাত কিবা এটা ঘটিছে।

হঠাৎ উচপ্ খাই তাই শুনিলে ঘৰৰ বাহিৰত দ্ৰুত পদশব্দ আৰু প্ৰায় লগে লগেই সজোৰে দুৱাৰখন মেল খাই গ'ল। তাই দেখিলে দুৱাৰমুখত সি থিয় হৈছে। সি ফোঁপাইছে, তাৰ ভৰি আৰু পেণ্টত বোকা। তাই বহাৰ পৰা দৌৰি যোৱাৰ দৰে গৈ তাৰ বাহুত ধৰি হাহাকাৰ কৰি উঠিল, "কি হৈছে? কি হৈছে?"

"চুপ!" কঠোৰ, চুটি উত্তৰেৰে সি তাইৰ হাতখন এৰুৱাই ঘূৰি লৈ দুৱাৰখন ভালকৈ বন্ধ কৰি দিলে। তাৰ পিছত আগবাঢ়ি গৈ চকীখনত বহি পৰিল। তায়ো আহি আগৰ দৰে বিছনাত বহিল। সি ক্লান্ত, নিস্তেজ। ভিতৰত ক'ৰবাত যেন একুৰা জুই নুমাই গ'ল। তাৰ শৰীৰটোৰ ভিতৰৰ দুৰ্দম্য তেজ, মুখৰ ভয়ংকৰ উগ্ৰতা, চকুৰ জ্বলন্ত দীপ্তি অকস্মাৎ যেন নিস্প্ৰভ হৈ পৰিল। যেন প্ৰকৃতিৰ অভিজাত গম্ভীৰ অৱয়বক এজাক পগলা ধুমুহাই কোবাই অসহায় কৰি থৈ গ'ল। তাৰ ডাড়িভৰ্তি, শুকান মুখৰ ওপৰত বিয়পি গৈছে এক অনিশ্চয় চেতনা, গ্লানি আৰু বিভ্ৰান্তিৰ অস্বস্তি, হয়তো কিজানি এক গোপন আৰ্ত-আকূতি। সি যেন দূৰ, নিৰ্জন, যেন নিঃসঙ্গ, পৰিত্যক্ত।

তাই প্ৰশ্নসূচক মুখেৰে তালৈ চালে। সি নিৰুত্তৰ হৈ ৰ'ল। তাই বহুখিনি আশ্বস্ত, কিন্তু তাইৰ মুখত অনিশ্চয় বিপদৰ মলিন মেঘ তেতিয়াও পাতলকৈ ওলমি আছিল।

লাহেকৈ, কোঠাৰ ভিতৰৰ নিশ্চল পৰিবেশ সামান্যও আঘাত নকৰাকৈ, তাই বহাৰ পৰা উঠিল আৰু তাৰ কাষত গৈ থিয় হ'ল।

"কি হৈছে? কি হৈছে তোমাৰ, কোৱা!" তাৰ মূৰত লাহে লাহে হাত বুলাই দি তাই সুধিলে। মূৰ দাঙি সি তাইলৈ চালে, তাৰ পিছত দৃষ্টি নমাই আনি বেৰত নিবদ্ধ কৰিলে। তাই তাৰ গালে-মুখে হাত ফুৰাই মৰম কৰিলে। সি তাইৰ কৌতূহল নিবসন কৰিবলৈ কোনো চেষ্টা নকৰিলে। তাৰ ফোঁপনিটো কমিছিল। সি তাইৰ হাত এখন সজোৰে খামুচি ধৰিলে। যেন তাৰ হাতৰ ভাষা তাই বুজি পালে, তাৰ অব্যক্ত উত্তৰ শুনিবলৈ পালে, তেনেভাবত তাৰ মূৰটো তাই বুকুৰ মাজলৈ টানি আনিলে আৰু স্নেহাৰ্দ্ৰ সুৰত ক'লে, "এনেকৈ আৰু ঘূৰিব নোৱৰা। তোম্মাৰ গা খুব বেয়া। দুদিনমান জিৰণি লোৱা।"

তাইৰ বুকুৰ মাজত মূৰ থৈয়েই সি তাইলৈ আকৌ চালে আৰু আকৌ একো নোকোৱাকৈয়ে দৃষ্টি নমাই আনিলে। সি যেন কিবা ক'ব খুজিছে, ক'ব পৰা নাই। তাৰ মুখখন যেন কিহবাই চেপি-খুন্দি থৈ গৈছে। সি জেপৰ পৰা তাৰ বিধ্বস্ত চিগাৰেটৰ পেকেটটো উলিয়াই এটা চিগাৰেট জ্বলালে আৰু ধ্বংসাৱশেষৰ মাজত নিৰুদ্দিষ্টজনৰ দৰে অতল চিন্তাৰ মাজত হেৰাই গ'ল। চিগাৰেট হুঁপিবলৈ সি পাহৰি গ'ল।

"শোৱাগৈ, ব'লা" তাই ক'লে আৰু তললৈ হালি তাৰ মুখলৈ চালে। সি দীঘলীয়াকৈ তাইলৈ চালে আৰু আবেগহীন, ধীৰ, শুকান কণ্ঠে ক'লে, "মই এতিয়াই যাব লাগিব, মায়া।"

"ক'লৈ? কিয়?" গুলীৰ শব্দৰ দৰে তাইৰ তীক্ষ্ণ, চুটি প্ৰশ্ন দুটাত এক আহত বিস্ময় বাহিৰ হৈ আহিল।

"চুপ্। হাল্লা নকৰিবা।" হঠাৎ সচেতন হৈ সি নিম্নকণ্ঠে তাইক সতৰ্ক কৰিলে। তাইৰ মুখ গভীৰভাৱে আন্ধাৰ হৈ উঠিল, হয়তো ভয়ত, হয়তো আহত অভিমানত। তলমূৰকৈয়ে সি এইবাৰ কোমল কণ্ঠেৰে ক'লে, "মই এতিয়াই ইয়াৰ পৰা যাব লাগিব, মায়া। নহ'লে বিপদ হ'ব।"

"কি বিপদ হ'ব?" অচিন, অবোধ্য জগতৰ মাজত থিয় হৈ তাইৰ মুখেদি এটা প্ৰশ্ন ওলাই আহিল। সি কোনো উত্তৰ নিদিলে। তাইৰ নিজকে বুৰ্বক যেন লাগিল। তাৰ মূৰ তাইৰ বুকুৰ মাজত আশ্ৰিত, তাইৰ দুহাত তাৰ চুলিৰ মাজত সক্ৰিয়। অলপ ৰৈ তাই সুধিলে, "এতিয়াই যাবা?"

সি পুনৰ নিৰুত্তৰে ৰ'ল। পুতলাৰ দৰে সিহঁত স্থিৰ হৈ থাকিল। কোনো কৌতূহল আৰু নাই, কোনো গুৰুত্ব নাই, দূৰৰ মৰুদ্যান দূৰতে অদৃশ্য হৈ গৈছে, তলৰ উত্তপ্ত ভূমিত ভৰি দি যেন শেষ আশাকণো দূৰ কৰিবৰ বাবেই তাই সুধিলে, "আকৌ আহিবানে?"

তাইৰ কণ্ঠত জোৰ নাছিল, অধিকাৰৰ নিশ্বাস নাছিল। সি হাতৰ চিগাৰেটটোলৈ চালে, নুমাই গৈছে। পুনৰ সি বেৰৰ ফালে চালে, মাটিলৈ চালে আৰু শেষত মূৰটো



চকীত আঁউজাই দি তাইৰ মুখলৈ স্থিৰভাৱে চালে আৰু তাইক একো সুধিবৰ সুবিধা নিদি ক'লে, "এটা কথা জানানে? সিফালৰ টাউনখন ধুনীয়া কৰিবৰ কাৰণে তাৰ চব ময়লা তোমালোকৰ এই হোলাটোত ঢালি দিছে, জানানে?"

তাই একো উত্তৰ নিদিলে। আৰু সি অনুভৱ কৰিলে, তাৰ কথাবোৰ অত্যন্ত কৃত্রিম, নাটকৰ চৌখীন সংলাপ, অৰ্থহীন আৰু ভোতা; তাৰ কথাই তাইক স্পৰ্শ নকৰে, কাৰণ সেইবোৰ তাইৰ বোধৰ ঊৰ্দ্ধত। অকস্মাৎ তাৰ মনটো বিৰক্তিত ভৰি গ'ল; এক অক্ষম, অব্যক্ত ক্ৰোধে তাক অস্থিৰ কৰি তুলিলে আৰু সকলো পাহৰি সি কৈ উঠিল, "মই আজি এটা মানুহ খুন কৰিবলৈ গৈছিলো, জানা?"

চক খাই তাই তালৈ চালে। অবাক বিস্ময়ত তাইৰ চকু বহল হৈ গ'ল, বিপন্ন শঙ্কাই তাইৰ সমগ্ৰ মুখাৱয়ব ছাটি ধৰিলে। তাইৰ মনৰ মাজত ইমানদিনৰ ৰহস্যময় নাটকখন ধীৰে ধীৰে পৰিষ্কাৰ হৈ গ'ল। যেন ক'ৰবাত এটা সংযোগ বিচ্ছিন্ন হৈ গ'ল, তাইৰ শৰীৰটো জঠৰ, তাইৰ হাত দুখন নিষ্ক্ৰিয়, স্থবিৰ হৈ পৰিল। এটা চেপা, ভয়াৰ্ত কণ্ঠৰ প্ৰশ্ন নিজে নিজে ওলাই আহিল, "কাক?"

চকুহাল মুদি ক্লান্ত, নিৰুদ্বেগ কণ্ঠে সি ক'লে, "তোমাৰ তালৈ প্ৰথম অহাৰ দিনা ৰাতি যাৰ ঘৰ বিচাৰি গৈছিলো, তাক। কি হ'ব, নোৱাৰিলো।"

"কি কাৰণে?" এই প্ৰশ্নটো নিজে ওলাই অহা নাছিল, প্ৰশ্নটো তাই কৰিছিল। প্ৰশ্নটোত কৌতূহলতকৈও যেন বেছি কিবা আছিল। সি চকু মেলি তাইলৈ চালে, তাইৰ প্ৰশ্নটোৰ অৰ্থ যেন ধৰিব পাৰিলে আৰু গম্ভীৰ সুৰত ক'লে, "সি আমাৰ শত্ৰু। তোমাৰ-মোৰ দৰে মানুহবোৰক সি শুহি শুহি খাইছে।" সি একমুহূৰ্ত ৰ'ল আৰু তাৰ কণ্ঠলৈ হঠাৎ উগ্ৰতা আনি ক'লে, "সিহঁতে তোমাক এইটো জীৱন দিছে, বুজা নাই?"

তাই একো উত্তৰ নিদিলে। সি কিছুসময় তাইলৈ চাই থাকিল। অস্থিৰভাৱে সি নুমাই যোৱা চিগাৰেটটো জ্বলাই নাকে-মুখে ধোঁৱা উলিয়াই দি ক'লে, "শুনা, ইহঁতক শেষ কৰিব লাগিব, নহ'লে ইহঁতে আমাক শেষ কৰিব।" সি অনুভৱ কৰিলে তাৰ মুখখন শুকাইছে; কথাবোৰ সহজভাৱে ওলাই অহা নাই। তাই জঠৰভাৱে তাৰ ওচৰত থিয় দি আছে; তাৰ কথা শুনিছেনে? বুজিছেনে? সি অনুভৱ কৰিলে, সংযোগ বিচ্ছিন্ন হৈছে, অস্পষ্টভাৱে এটা দূৰত্ব সৃষ্টি হৈছে। এক বিৱশকাৰী অৱসাদে তাক হেঁচি ধৰিলে। অলপ আগতে তাৰ কৰ্তব্যত ব্যৰ্থ হৈ তিনিমহলাৰ পাইপ বগাই নামি যেতিয়া কুকুৰৰ ভুক্ভুকনি, চৌকিদাৰৰ চিঞৰৰ মাজত অদ্ভুত ক্ষিপ্ৰতাৰে দেৱাল বগাই মানুহৰ ঘৰৰ পাছফাল, পায়খানা, বাৰী, নৰ্দমা পাৰ হৈ এজাক কুকুৰৰ ৰৌৰৌৱনিৰ মাজেদি শূন্য, আন্ধাৰ পথাৰখনেদি প্ৰাণান্তপ্ৰয়াসে দৌৰিছিল তাৰ নিজকে পৰাভূত, অসহায়, পুতৌজনকভাৱে নিঃসঙ্গ অনুভৱ হৈছিল। আৰু এতিয়া তাইৰ যন্ত্ৰবৎ সান্নিধ্যত, ব্যৰ্থতাৰ অৱসাদ, দুৰ্ঘোৰ ক্লান্তিৰ মাজত সি পুনৰ অনুভৱ কৰিলে এক সীমাহীন শূন্যতা, পৰম গভীৰ নৈঃসঙ্গ। আজি তাৰ জীৱনৰ এটা অন্ধকাৰ দিন; তাৰ প্ৰতিশ্ৰুত লক্ষ্য সাধনত,

উৎসৰ্গিত জীৱনৰ দায়িত্বপালনত সি ব্যৰ্থ হৈছে। সি বৰণ কৰা নাছিল মৃত্যু অথবা বন্দীত্ব। কিন্তু সি পলাই আহিল। ইয়াতো হয়তো সি ভুল কৰিছে যাৰ বাবে সি কৈফিয়ৎ দিব লাগিব আৰু কৈফিয়ৎ সত্ত্বেও সমালোচনা আৰু ভ্ৰূকুটিৰ পাত্ৰ হ'ব লাগিব। তাৰ ভৱিষ্যৎ অনিশ্চিত আৰু বিপন্ন আৰু ইয়াৰ বাবে সি প্ৰস্তুত আছিল। কিন্তু কিয় তেনে নৈঃসঙ্গ আৰু ক্লান্তিয়ে তাক ভাৰাক্ৰান্ত কৰিছে? কিয় ভাব হৈছে তাৰ বাবে সকলো শেষ, জেলৰ অন্ধকাৰত বা অতৰ্কিত পুলিচৰ গুলীত সি এদিন নিঃশেষ হৈ যাব। এয়ে কি তাৰ ভূমিকা আছিল? এই অন্ধযুগৰ শেষত উচ্ছল অনাবিল পোহৰে যেতিয়া পৃথিৱীত খেলিব, সিহঁতৰ দুঃসাহসৰ গৌৰৱে নতুন মানুহৰ বুকু ভৰাই তুলিবনে? আৰু সিহঁত যদি ব্যৰ্থ হয়, সিহঁতৰ ব্যৰ্থতাক সময়ে কি পাহৰি যাব এক অস্থিৰ ৰাতিৰ দুঃস্বপ্নৰ দৰে?

আৰু এতিয়া সি কি কৰিব? সি ঘূৰি যাব লাগিব কঠোৰ, ক্ষমাহীন দলৰ অনুশাসনৰ সন্মুখীন হ'বলৈ, হয়তো কোনো উপেক্ষিত চুকত ব্যৰ্থতাৰ গ্লানি লৈ পৰিত্যক্ত হৈ ৰ'বলৈ। মায়া? নাই, তাৰ মায়া আশ্ৰয় নহয়। পাৰস্পৰিক ভুলৰ মাজেদি সিহঁত ঘনিষ্ঠ হৈছিল, কিন্তু সিহঁতে পৰস্পৰক চিনি নাপায়। সি ঘূৰি যাব লাগিব নামহীন নিঃস্ব মানুহবোৰৰ মাজলৈ য'ত সি তৈয়াৰ কৰিছিল তাৰ নতুন জীৱনৰ পটভূমি। কিন্তু এটা অস্পষ্ট সঙ্কোচে তাক আমনি দিব ধৰিছে। তাৰ মনলৈ হঠাৎ আহিছে দ্বিধা, এটা অস্বস্তিকৰ সন্দেহ। সিহঁতক সি লগত আনিছেনে? সিহঁতে আজি তাক ঠিক বুজি পাবনে? সিয়েই বা সিহঁতক বুজিছেনে সম্পূৰ্ণভাৱে? সিহঁত যদি হয় মায়াৰ দৰে, আত্মনিবেদনৰ পিছতো সপ্ৰশ্ন, বিভ্ৰান্ত, শীতল?

নিজে নিজে পুৰি শেষ হৈ অহা চিগাৰেটটো সি গছকি নুমালে। তাৰ পিছত থিয় হৈ দুৱাৰৰ ওচৰলৈ গৈ দুৱাৰ মেলি বাহিৰৰ আন্ধাৰলৈ চাই ৰ'ল। তাই উদগ্ৰীৱ হৈ তাক লক্ষ্য কৰিলে। সি এই মুহূৰ্তে ইয়াৰ পৰা যাব লাগিব, মানুহৰ মাজলৈকে সি ঘূৰি যাব লাগিব, সি ঠিক কৰিলে। বাহিৰৰ পৰা মুখখন ঘূৰাই সি দুৱাৰখন লাহেকৈ লগালে আৰু তাইলৈ চাই ক'লে, "কাইলৈ কিন্তু তোমালোকৰ ইয়াত পুলিচে উৎপাত কৰিব। তোমাক ধৰি নি অত্যাচাৰ কৰিবও পাৰে।"

তাইৰ কোনো তাৎক্ষণিক প্ৰতিক্ৰিয়া নহ'ল। বৰং এক চৰম নিৰ্বেদে তাইৰ মুখ গম্ভীৰ কৰি তুলিছে। এই ল'ৰাটোৱে এটা মানুহ মাৰিবলৈ আহিছিল, কিন্তু তাৰ নিজৰ প্ৰয়োজনত নহয়; সি কৈছে, সিহঁতৰ প্ৰয়োজনত। সি তাইক সন্মান দিছিল, মানুহৰ দৰে ব্যৱহাৰ কৰিছিল। কিন্তু সি কেৱল তাইৰ নহয়, দূৰৰ বহল পৃথিৱীৰ। তাইৰ ঘনিষ্ঠ হৈও বহুতৰ। কিন্তু সি যিটো সাংঘাতিক কাণ্ড কৰিবলৈ আহিছিল—। নাই, তাই ইমানদূৰ ভাবিব নোৱাৰে। তাই তাৰ বিদায়ৰ বাবে প্ৰস্তুত হ'ল। অচিন্তনীয় এক অনিবাৰ্যতাই তাইৰ স্বপ্নহীন, মলিন, জীৰ্ণ জুপুৰিৰ জেকা মজিয়ালৈ তাইক নমাই আনিলে। তাই তালৈ চালে।

তাৰ ঘনে ঘনে আন্দোলিত চেতনা যেন কিছু সুস্থিৰ হৈছিল। তাৰ বিধ্বস্ত মুখভাব



ঢাকি পুনৰ ব্যাপ্ত হৈছিল পৰিচিত কঠোৰতাৰ ছাঁ। আৰু আচৰিত আত্মস্থতাৰে বেপৰোৱা ভঙ্গীত সি পুনৰ জ্বলাইছিল আৰু এটা জৰাজীৰ্ণ চিগাৰেট। সি তাইৰ কথা এবাৰ ভাবিলে। কাইলৈ এই পাৰাত পুলিচৰ উৎপাত হ'ব। হয়তো তাইকো ধৰিব। অত্যাচাৰ কৰিব। আৰু পুলিচৰ প্ৰতি সিহঁতৰ ঘৃণা চিৰস্থায়ী হ'ব। সি তাইলৈ চালে, যেন তাইৰ ভিতৰলৈ চাব খুজিলে। তাই চকীখনৰ ওচৰত একেই ভঙ্গীত স্থিৰ হৈ থিয় দি আছিল। ধীৰ খোজেৰে সি তাইৰ ওচৰলৈ গ'ল আৰু তাৰ বাওঁ হাতখন তাইৰ কান্ধত ৰাখিলে। তাইৰ চকুত চকু ৰাখি সহজ, অকম্পিত স্বৰে সি ক'লে, "মোৰ এটা ভুল হৈ গ'ল। ক'ব নোৱাৰিলো কেনেকৈ হ'ল। হ'ব নালাগিছিল। তুমি মোৰ ওপৰত খং নাৰাখিবা, মায়া।"

নিজৰ নিয়তিৰ বাবে সম্পূৰ্ণ প্ৰস্তুত হৈও তাই দুৰ্বল হৈ পৰিল আৰু সজোৰে তাক সাবটি ধৰিলে। তাইৰ সঘন, কম্পিত নিঃশ্বাসে তাক অসহজ কৰি তুলিলে। সি তাইৰ মূৰত হাত বুলাই দিলে আৰু নিজকে বাধা দিব নোৱাৰি কৈ উঠিল, "মোৰ খুব অকলশৰীয়া লাগিছে, মায়া!"

উত্তৰত তাই আৰু জোৰেৰে তাক সাবটি ধৰিলে আৰু তাৰ পিঠিত হাত বুলাই তাক যেন আশ্বস্ত কৰিব খুজিলে। কিছুসময় সি নিজকে তাইৰ হাতত এৰি দিলে আৰু তাৰ পিছত ধীৰে ধীৰে তাইৰ বাহুবেষ্টনৰ পৰা নিজকে মুক্ত কৰিলে। সি চকীখনত বহিল আৰু পুনৰ তাই তাৰ মূৰত হাত বুলাব ধৰিলে। আৰু সি বুজিলে সি ভুল ঠাইত সময় নষ্ট কৰিছে।

হঠাৎ সি পোন হৈ বহিল আৰু মূৰটো ঘূৰাই বাহিৰৰ ফালে কাণ থিয় কৰি কিবা এটা শুনিবৰ চেষ্টা কৰিলে। সি তাইলৈ চালে, উদ্‌বিগ্ন কণ্ঠে তাই সুধিলে, "কি?"

"কিবা এটা শুনিছানে? মটৰ গাড়ীৰ শব্দ? দূৰত?"

সি সুধিলে আৰু উঠি দুৱাৰৰ ওচৰত থিয় হৈ বাহিৰলৈ কাণ দিলে। সি পুনৰ তাইলৈ চালে, তাৰ পিছত মাটিলৈ চাই দ্ৰুতভাৱে কিবা এটা চিন্তা কৰিলে।

"এই ৰাস্তাৰে মটৰ নাহে।" সি অৰ্ধস্ফুটভাৱে উচ্চাৰণ কৰিলে আৰু দুৱাৰৰ দাংডাল ভালকৈ লগাই দিলে। লৰালৰিকৈ সি পেণ্টটো খুলিলে আৰু ভৰিৰ বোকাবোৰ পেণ্টটোত মচি পেণ্টটো বিছনাৰ তললৈ দলিয়াই দিলে। কঁকালৰ লেতেৰা অন্তৰ্বাসটোৰ ওপৰত ওলমি থকা ক'লা খাপটোৰ সৈতে দীঘল ছুৰিখন খুলি সি তাইৰ বিছনাৰ গাৰুৰ তলত থ'লে, গাৰ চোলাটো খুলি গাৰুৰ তলত ছুৰিখন ঢাকি থ'লে।

"বিছনাত উঠা।" সি ক'লে আৰু লেম্পটো নুমাই দিলে। আন্ধাৰত বিছনাত পৰি তাইৰ অৰ্ধনগ্ন দেহটো সি ওচৰ চপাই ল'লে।

"পুলিচ?" নিম্ন, ভয়াৰ্ত কণ্ঠে তাই সুধিলে?

"হ'ব পাৰে।" উদাসীন কণ্ঠে সি উত্তৰ দিলে।

"ঘৰত সোমাব নেকি?" তাইৰ প্ৰশ্নত উৎকণ্ঠা।

30531/04

"কি ঠিক!" সি নির্বিকাৰ। ভয়, উৎকণ্ঠাৰ মাজত তাৰ বুকুত সোমায়ো তাই আড়ষ্ট বোধ কৰিলে।

"ভয় লাগিছে নেকি?" সি সুধিলে।

"নাই লগা।" তাই তৎক্ষণাৎ ক'লে। সি এটা শুকান হাঁহি মাৰিলে।

"একো ভয় নাই। ধৰি লোৱা, মই তোমাৰ মানুহটো। কাঠমিস্ত্ৰীৰ যোগালি। দূৰত কামলৈ গৈছিলো, আজি গধূলি ঘূৰি আহিছোঁ। আমাৰ ল'ৰা-ছোৱালী নাই। মনত থাকিব?" সি তাইক লাহেকৈ চুমা খালে। সি স্নায়ুসমূহক সহজ কৰি নিয়ন্ত্ৰণলৈ আনিব খুজিছিল।

"ভয় নাই। তুমি বিছনাতে থাকিবা। মই ওলাই যাম।"

"ওঁ।" তাই কোনোমতে ক'লে আৰু তাৰ বুকুৰ মাজত জড় হৈ ৰ'ল।

সিহঁতৰ কৃত্ৰিম বাহু-বন্ধন, অনিয়মিত নিশ্বাসৰ গতি আৰু সামান্য লৰচৰতে উঠা বাঁহৰ চাঙখনৰ বিপদজনক শব্দৰ মাজত অসহজ, উৎকণ্ঠ হৈ সিহঁত পৰি ৰ'ল। অন্ধকাৰৰ মাজত সময় গাঢ় হৈ অচল হৈ পৰিল। আৰু এই সময়তে অদূৰৰ পৰা ভাহি আহিল গধুৰ পদশব্দ; বাৰে বাৰে চাৰিও দিশ আলোকিত কৰি নিৰ্বাপিত হৈ গ'ল তীব্ৰ উজ্জ্বল, সন্ধানী টৰ্চৰ পোহৰ। তাইৰ জীৰ্ণ জুপুৰিটো প্ৰবল পোহৰত উদং হৈ ধৰা পৰিল। মাটি খহা বেৰৰ মাজেৰে পোহৰৰ পোন ৰেখাবোৰ ভিতৰলৈ আহি সিহঁতক মুহূৰ্তে মুহূৰ্তে সচকিত কৰি তুলিলেহি। অলপ পিছতে গধুৰ শব্দৰে কেইবাজোৰা ভৰি দ্ৰুতবেগে তাইৰ জুপুৰিৰ কাষেৰে হোলাটোৰ ফালে আগবাঢ়ি গ'ল। নিঃশব্দ পোহৰত লেতেৰা জঘন্য অঞ্চলটো উলঙ্গ হৈ পৰিল। পুনৰ গাঢ়তৰ অন্ধকাৰত তাইৰ ঘৰটো ডুবি গ'ল। সামান্যভাৱে সিহঁতৰ বাহুবন্ধন শিথিল হ'ল। তথাপি অন্ধকাৰৰ মাজত অনিশ্চিত, বিপন্ন চেতনাৰে, শ্বাসৰুদ্ধ, দেহলগ্ন অৱস্থাৰে এক ভয়ঙ্কৰ সম্ভাৱনাৰ প্ৰতীক্ষাত সিহঁত অলৰ হৈ পৰি ৰ'ল।

"ঘূৰি আহিছে।" তাই ফুচ্‌ফুচাই ক'লে। মুহূৰ্তৰ বাবে ঘৰটো উজ্জ্বল পোহৰত ভাহি উঠি আকৌ আন্ধাৰ হৈ গ'ল। তাইৰ শৰীৰত এক ভয়াৰ্ত শিহৰণ খেলি গ'ল।

"ভয় লাগিছে?" সিও ফুচ্‌ফুচাই সুধিলে আৰু তাইক আশ্বস্ত কৰিবলৈ আন্ধাৰতে পুনৰ তাইৰ দেহটো সজোৰে ধৰি চুমা খালে। পোহৰৰ ৰেখাবোৰ দুৱাৰমান সোমাই আহি গুচি গ'ল।

"সিহঁতে বেয়াকৈ মাৰে?" তাই ফুচ্‌ফুচাই সুধিলে।

"কি ঠিক। চব কৰিব পাৰে।" সি নিশ্চিন্ত। প্ৰস্তুত।

"হাত-ভৰি ভাঙি যদি মোৰ গাটো ঘুণীয়া কৰে?" তাই পুনৰ ব্যগ্ৰ, উৎকণ্ঠসুৰে ফুচ্‌ফুচালে। সি কিবা এটা ক'ব খুজিছিল, কিন্তু এই বিস্ফোৰণ-উন্মুখ মুহূৰ্ততো, তাইৰ নিম্নকণ্ঠ প্ৰশ্নটোতো সি কিবা এটা যেন শুনিবলৈ পালে। অন্ধকাৰতে সি তাইলৈ চালে, যেন তাইৰ দেহটো অনুমান কৰিবৰ চেষ্টা কৰিলে। এটা ক্ষুদ্ৰ মুহূৰ্তৰ বাবে সি নিশ্চল



জড়-ভৰত হৈ পৰিল। তাৰ পিছত হঠাৎ তাৰ মগজত এটা বিদ্যুৎ-তৰঙ্গই খেলি গ'ল আৰু তাৰ সমগ্ৰ সত্তাত সঞ্চাৰিত হৈ তাৰ হৃদয়, বিবেক বোধ সকলো আন্দোলিত কৰি তুলিলে। জাঁপমাৰি সি বিছনাৰ পৰা নামিল আৰু তাইৰ হাতত ধৰি তাইক প্ৰায় চোঁচোৱাই নমাই আনিলে। গাৰুৰ তলৰ স্প্ৰিং ছুৰিখন উলিয়াই সি তাৰ বুটামটো টিপি দিলে, খট্ শব্দ কৰি ছুৰিখন মুকলি হৈ গ'ল। বাওঁহাতৰ সজোৰ সঞ্চালনৰে সি তাইৰ নিম্নবাস খহাই পেলালে। ভয়ত, অবোধ্য বিস্ময়ত বাকৰুদ্ধ হৈ তাই তাক সাৱটি ধৰিব খুজিলে, মুখেৰে এটা চেপা আৰ্তনাদ বাহিৰ হৈ আহিল।

"চুপ!" তাইৰ কান্ধত সজোৰে খামুচি ধৰি সি এটা চেপা ধমক্ দিলে। ঘৰটোত একেৰাহে পোহৰ পৰিব ধৰিলে। ৰাতিৰ নীৰৱতাৰ মাজেৰে দূৰৰ পৰা ওচৰলৈ গধুৰ পদশব্দ ভাহি আহিল। পোহৰ উজ্জ্বলতৰ হ'ব ধৰিলে, পদশব্দবোৰ ক্ৰমে স্পষ্টতৰ হৈ আহিল। দ্ৰুত, জৰুৰী, চেপা কণ্ঠেৰে অনুচ্চ সুৰত সি তাইক ক'ব ধৰিলে, "শুনা, তুমি চিনি নোপোৱা, কোনোদিন দেখা নাই। তুমি চহৰত দিন-মজুৰি কৰা, কাঁহী বাচন ধোৱা। তোমাৰ কোনো নাই, মতাই এৰি গৈছে। আজি এইমাত্ৰ তোমাৰ ঘৰত জোৰ-জবৰ সোমাই মই তোমাক বেইজ্জতী কৰিব খুজিছোঁ। কৈছোঁ যে মুখ বন্ধ কৰি নাথাকিলে মই তোমাক খুন কৰি দিম। আৰু তুমি চুপ কৰি আছা। মনত থাকিব? ঠিক আছে।"

তাই জড়বৎ। চৈতন্যহীন প্ৰায়। সি একমুহূৰ্ত ৰ'ল। তাৰ পিছত ৰুদ্ধশ্বাস, দ্ৰুত, নিম্নস্বৰ প্ৰলাপৰ দৰে কৈ গ'ল, "মায়া! মায়া, শুনিছা? ঠিক আছে, শুনা। শত্ৰুৰ বিৰুদ্ধে যুঁজিব লাগিব, বুজিছা? যুঁজিবা। শত্ৰুক শেষ কৰিব লাগিব। চিনি পাইছা নহয়? যিবিলাকে তোমাক এই জীৱন দিছে। তোমাক নহয়, তোমালোক সবকে। যিবিলাকে তোমালোকক এই হোলাটো দিছে। এই বিষাক্ত গেলা-পচাৰ মাজত জীয়াই থাকিবলৈ দিছে। সিহঁত। জানা, সিহঁত কেনেকৈ আছে? সিহঁতে তোমালোকৰ গাত ঘা কৰিছে আৰু ঘাত অপমানৰ খাৰলি দিছে। সিহঁতক শেষ কৰিব লাগিব। বুজিছা? .....যুঁজিবানে? কোৱা, যুঁজিবানে? ......যেনেকৈ পাৰা, যিধৰণে পাৰা। যুঁজিবা। শুনিছা? মায়া, শুনিছা?" সি তাইক জোঁকাৰি দিলে। তাৰ ভয় হৈছিল তাই কিজানি চিঞৰি উঠে, কিজানি অসহ্য হৈ কান্দোনত ভাঙি পৰে।

দুৱাৰত পোহৰ ৰাশি স্থিৰ আৰু তীব্ৰতৰ হৈ উঠিল। খোজবোৰ ধীৰ আৰু সতৰ্ক হৈ আগবাঢ়িল। সি তাইৰ কান্ধত ধৰি তাইৰ নগ্ন দেহাটো দুৱাৰৰ ফালে মুখ কৰি ঘূৰাই দিলে। তাইৰ ঠিক পাছফালে থিয় হৈ সি বাওঁহাতেৰে তাইক গৱা মাৰি ধৰি নিজৰ গাৰফালে টানি ধৰিলে আৰু সোঁহাতৰ দীৰ্ঘ তীক্ষ্ণ ছুৰিখন তাইৰ ডিঙিত পথালিকৈ স্থিৰভাৱে ধৰি মুখলৈ তাৰ কঠোৰ নিৰ্বিকাৰ ভঙ্গীটো টানি আনিলে।

বাঁহৰ জীৰ্ণ দুৱাৰখনৰ ফাঁকেৰে ভিতৰলৈ বিভক্ত পোহৰৰ ৰেখাবোৰ আহিল। কিন্তু

তাৰ অৱস্থানৰ পৰা সি তাইৰ মুখখন ভালকৈ দেখা নাপালে। তাইৰ কাণত মুখ লগাই সি সুধিলে, "দুঃখ পাইছা?" সি গম পালে তাই ক্ষীণভাৱে মূৰ জোঁকাৰিছে।

"ভয় লাগিছে?" পুনৰ তাই মূৰ জোঁকৰা সি ধৰিব পাৰিলে। সি তাইৰ চুলিৰ মাজত মুখখন ৰাখিলে, আকৌ তুলি নি গালখনেৰে তাইৰ কাণখন হেঁচি ধৰিলে। এক অবুজ আৱেগে বুকুখন ভৰাই তুলিলেহি। তাইৰ কাণত পুনৰ মুখ লগাই সি কৈ উঠিল, "মোৰ খুব ভাল লাগিছে, মায়া! এতিয়া আৰু অকলশৰীয়া লগা নাই। মই আকৌ তোমাৰ ওচৰলৈ আহিম। তোমালোকৰ লগতে....."

দুৱাৰমুখত খোজৰ শব্দ উঠিল। স্থিৰ ত্ৰাস-সঞ্চাৰী পোহৰ। দুৱাৰত এটা হেঁচা পৰিল আৰু পিছমুহূৰ্ততে এটা প্ৰচণ্ড পদাঘাতত বাঁহৰ দুৱাৰখন প্ৰায় ভাগি পৰিল। টুকুৰা টুকুৰি পোহৰৰ টৌৰ মাজত সিহঁতে দেখা পালে দুৱাৰ ভাঙি ভিতৰলৈ সোমাই আহিছে নিষ্ঠুৰ হিংস্ৰতাৰে উদ্যত এপাট ক'লা গধুৰ বুটজোতা। ●



# অন্ধকাৰৰ আলাপ

ওপৰত সোঁ সোঁকৈ ফেনখন ঘূৰিছে। বতাহৰ শব্দৰ লগত ফেনখনৰ এটা অস্পষ্ট অভিযোগ মিহলি হৈ আছিল। বিমানে কিছুসময় মন দি শব্দটো শুনিলে। চাৰিওফালে ৰাতিৰ সুতীব্ৰ অন্ধকাৰৰ মাজত সি এখন অচিনাকি পৃথিৱীত, এখন অচিনাকি বিছনাত। কিন্তু জীৱনত বহুবাৰ বহুবিচিত্ৰ পৰিবেশত এনে ভ্ৰান্ত অচিনাকি পৃথিৱীৰ আচহুৱা অভিজ্ঞতা তাৰ হৈ গৈছে। নিৰুদ্বেগ সহজতাৰে সি তাৰ অস্তিত্বৰ চাৰিওফালে ঘূৰি আহিল। কিন্তু কোঠাটোৰ দুৱাৰ-খিৰিকি-বেৰ, বস্তুৰ অৱস্থান বা শূন্যতা সি একো অনুমান কৰিব নোৱাৰিলে। সি পাহৰিও গৈছে, আকস্মিক বিভ্ৰান্তিৰ কাৰণেই ক'ত আছিল বুক্-কে'চটো, কোনখিনিত বা ৰবি ঠাকুৰৰ ছবি। এক গাঢ়, ফেনৰ ব্লেডকেইখনৰ দ্ৰুত আঘাতত ঘূৰ্ণ্যমান আন্ধাৰ প্ৰবাহৰ মাজত সি নিজকে হেৰাই যোৱা যেন অনুভৱ কৰিলে। 'যেন পৃথিবীর বহু ঊর্ধ্বে, স্তরে স্তরে সাজানো ভয়ের তলে প্রোথিত পৃথিবীর বহু ঊর্ধ্বে, একটা জঙ্গলাকীর্ণ মাটির টিলার শীর্ষে শশী হঠাৎ হারাইয়া গিয়াছে।' কিন্তু সি নিৰ্ভয়, সি আত্মবিলুপ্ত নহয়। তাৰ চাৰিওফালৰ কোনো ধাৰণাতীত সীমাহীনতাই ঘনীভূত হৈ তাক গ্ৰাস কৰা নাই। তাৰ পিঠিত তাৰ সুদীৰ্ঘ অতীত আৰু তাৰ মূৰৰ ওপৰত এক দীৰ্ঘতৰ ভৱিষ্যৎ লৈ সি তাৰ বৰ্তমানৰ বিষয়ে নিশ্চিত ঃ সীমাহীন অতল এক জীৱন্ত অন্ধকাৰৰ গৰ্ভত সি আশ্ৰিত, একেলগে সি অসহায় আৰু নিৰুদ্বেগ। সি সহজে নিশ্বাস পেলাইছে, কিয়নো অন্ধকাৰে তাক গভীৰ আৰু আপোনভাৱে সযতনে লালন কৰিছে। আৰু এইদৰে অন্ধকাৰৰ মাজত, শ্বাসৰোধকাৰী প্ৰতিকূলতাৰ মাজত সি বহুকাল নিশ্বাস পেলাই যাব লাগিব। এসময়ত যেতিয়া তাৰ অন্তৰ আছিল অতি স্পৰ্শকাতৰ, অৰ্থহীন আত্মনিবেদনৰ বাবে প্ৰস্তুত, সহজ সমৰ্পণৰ বাবে উন্মুখ, কোনো গভীৰ গোপন আকৃতিৰ মাজত, তাৰুণ্যৰ নামহীন বেদনাৰ গভীৰত, ৰোমাঞ্চ-সনা কোনো অভিজ্ঞতাৰ সন্ধানত সি নিজকে বহুবাৰ বিসৰ্জন দিব খুজিছিল। শেষৰ বাৰ, তাৰ মনত আছে, আজি কেইবছৰমানৰ আগতে, অচিনাকি অৰুণাচলৰ এটা সভ্যতা-নিষিদ্ধ প্ৰকৃতিৰ প্ৰান্তত তাৰ এজন আদি বন্ধুৰ সৈতে টিলাৰ ওপৰৰ চাং-ঘৰত কটোৱা এটা নিশাত ভয়াল এক অন্ধকাৰ নৈঃসৰ্গৰ মাজত নিশ্চিহ্ন হৈ যাব খুজিছিল। ৰাতি, কিমান ৰাতি সি ক'ব নোৱাৰে, হঠাৎ সাৰ পাই বাহিৰলৈ আহি সি থমকি ৰ'ল। তাৰ চাৰিওফালে এক অনন্ত অন্ধকাৰ, আদিম নৈঃশব্দ্য। পৃথিৱী যেন হঠাৎ

আহি ক'ৰবাত বৈ গ'ল, স্থিৰ, নিশ্চল। দিনানুদৈনিকতা ব্যাহত, চিনাকি পৃথিৱীৰ মুখ নিৰুদ্দিষ্ট। তুমি-মই নিশ্চিহ্ন, অস্তিত্বৰ চেতনা অন্তৰ্হিত, কাল আৰু স্থানৰ জ্ঞান অৱলুপ্ত। বিশ্বচৰাচৰ সংজ্ঞাতীত এক অসীম ৰহস্যৰ আন্ধাৰত নিমজ্জিত। নিঃসীম নিশ্ছিদ্ৰ সেই অন্ধকাৰ বিশালৰ মাজত তাৰ অসহায় ক্ষুদ্ৰত্ব বিসৰ্জন দি, সীমাহীনতাৰ গৰ্ভত তাৰ অসীম উপলব্ধিৰ দেৱাল ভাঙি দি নিসৰ্গৰ গৰ্ভাশয়ত এটা বিপৰীত প্ৰক্ৰিয়াত আত্মলীন হৈ যোৱাত তাৰ ব্যৰ্থতা এটা করুণ মূক কান্দোনৰ মাজেৰে তাৰ সমগ্ৰ হৃদয়ত প্ৰসাৰিত হৈ পৰিল। অন্তৰতম এক সুদীৰ্ঘ গভীৰ নিশ্বাস আহি চৌদিশৰ অন্ধকাৰ নীৰৱতাক আঘাত কৰিলেহি। প্ৰথম যৌন-সম্ভোগৰ দৰে এই আশ্চৰ্য নিশাৰ অৱৰ্ণনীয় অভিজ্ঞতাই তাৰ মানসিকভাৱে বয়ঃপ্ৰাপ্তি সূচনা কৰি গ'ল।

চাৰিওফালে অন্ধকাৰ, ওপৰত সবেগে ঘূৰি থকা এখন ফেন আৰু সি এখন কোমল বিছনাত। অৰ্থাৎ এইটো অৱনীৰ ঘৰৰ এটা কোঠা, য'ত আজি প্ৰায় গোটেই দিন সি শুই-বহি-খোজকাঢ়ি কটাইছে। কোঠাটোৰ ছবি এতিয়া খেলিমেলিকৈ তাৰ মনত পৰি যায়, কোনটো চুকত বুক্-কে'চটোৰ সৈতে আৰামী চকীখন, বিছনাৰ একাষে পঢ়া টেবুল আৰু চকী, বেৰত বিদেশী কোম্পানীৰ কেলেণ্ডাৰত বিশাল বেলাভূমি, এফালে কাৰ দক্ষ হাতৰ অনায়াস ৰেখাত ৰবীন্দ্ৰনাথ, দুৱাৰৰ কাষত একাধিক বিশ্বস্ত চুইচ্। বেচ সুবিধাৰ অৱনীৰ ঘৰটো। সৰু, মৰমলগা, পৰিপাটি, চাৰিওফালে সচেতন সজ্জা আৰু সযত্ন সংৰক্ষণৰ চাপ। বস্তুতঃ মানুহৰ মনত এনেকুৱা এটা ঘৰৰ ছবিৰ আভাস থাকে। অৱনী আৰু সুপ্ৰভাৰ মনতো আছিল নে এই ঘৰৰ কল্পনা, সৰু এখন সংসাৰৰ মোহ, অকণমান এটা ঘৰৰ মায়া, প্ৰেম-সুখ-শান্তি আদি অমূৰ্ত আকাংক্ষাৰ আধাৰ? এটি সন্তান, এডোখৰ মাটি, এটা ঘৰ, এই ধৰণৰ পাৰ্থিৱ হিচাপৰ যোগেদি মানুহে জমা কৰে ব্যক্তিগত সুখ বা দুখ, শান্তি বা অশান্তি। আজীৱন বিৰামহীন এই প্ৰচেষ্টা, যাক কোৱা হয় জীৱন সংগ্ৰাম আৰু তাৰ ফলশ্ৰুতি সুখ বা দুখ—ইয়াৰে এটা জীৱন পূৰ্ণ হয়। অভীপ্সিত লক্ষ্য আৰু প্ৰাপ্তি-অপ্ৰাপ্তিৰ নীৰৱ হিচাপ-নিকাচ হয় সন্ধ্যাৰ নিৰ্জন বাৰাণ্ডাত আৰু ৰাতিৰ বিশাল বুকুত সকলো লীন যায় নিঃশব্দে, হয়তো অস্পষ্টভাৱে বৈ যায় ক'ৰবাত কোনো চিহ্ন, বিন্দুবৎ এটি আভাস, ৰাতিৰ অনন্ত প্ৰেক্ষাপটত।

অৱশ্যেই, অৱনী আৰু সুপ্ৰভা, সি বুজি পাইছে, আন এটি সুখী পৰিয়াল। অৱনীৰ খুব উচ্চাকাংক্ষা নাছিল, কিন্তু ৰুচি আৰু বোধিৰ এণ্টিচেপ্টিক পৰিবেশৰ মাজৰ পৰাই সামাজিক ক্ষেত্ৰত জীৱনক সৎ আৰু সুস্থ কৰি তোলাত আগ্ৰহ সংশয়াতীতভাৱে আন্তৰিক। পঢ়া-শুনা, বিশ্ববিদ্যালয়ৰ পৰীক্ষা, জীৱনৰ সংগতি বা সামাজিক প্ৰতিষ্ঠা আদি তাৰ ব্যক্তিগত ভৱিষ্যতে তাক কোনোদিন উদ্বিগ্ন কৰা



নাছিল। তাৰ চাৰিওফালৰ প্ৰাত্যহিক বিভিন্ন উত্তেজনাই তাক অভিভূত নকৰিছিল, কিন্তু অন্যায় আৰু অবিচাৰৰ সামান্য এটা খবৰেই তাক কেণ্টিনৰ টেবুলতো সৰৱ কৰি তুলিছিল। সমাজৰ অনেক আগ্ৰাসী অশুভ শক্তি আৰু সিহঁতৰ নিষ্ঠুৰ হেঁচাত কোঙা হৈ অহা মানুহৰ ভৱিষ্যৎ চিন্তাই তাক প্ৰায়ে উৎকণ্ঠিত কৰি তোলে। বিদেশৰ পৰা নতুন পুৰুষৰ ওপৰত মহেন্দ্ৰই লিখা উচ্ছ্বসিত চিঠিৰ উত্তৰত সি লিখে, 'কালি ৰাতি জিলা পুথিভঁৰালত অধ্যাপক হবিবৰ বক্তৃতা শুনি শেষ বাছত উভতি আহোঁতে দেখিলো আমাৰ লগৰে কেইজনমান নতুন-পুৰুষ বাছৰ ভাৰা দিবৰ সময়ত ভয়ানক ক্লান্তিত নিদ্ৰামগ্ন হৈ পৰিছে আৰু অন্ততঃ দুজনে ত্ৰিশ পইচাৰ ভাৰা দিবলৈ দহ টকাৰ নোট জোঁকাৰিছে। অত্যন্ত সৰু ঘটনা। আণুবীক্ষণিক লঘিষ্ঠতাৰ যুক্তিৰে এই ঘটনাটো উৰাই দিব পাৰি, কিন্তু ইয়াতে দুৰ্নীতিৰ লগত ভণ্ডামি যোগ হৈছে আৰু ইয়াত জড়িত আছোঁ অধ্যাপক হবিবৰ বুদ্ধিদীপ্ত বক্তৃতাৰে অনুপ্ৰেৰিত আমি কেইজনমান 'সূৰ্য-সম্ভৱ' 'নতুন-পুৰুষ'। বিচ্ছিন্নতা আৰু লিপ্ততা সম্পৰ্কে এটা কঠিন উদ্ধৃতি-দুষ্ট প্ৰবন্ধ লিখি উঠি সি কেইদিনমান গম্ভীৰ হৈ থাকে আৰু হঠাৎ ব্ৰহ্মপুত্ৰ দলঙৰ মূৰত থিয় হৈ নিমজ্জমান অস্তাচললৈ চাই বন্ধুৰ উদ্দেশ্য প্ৰশ্ন কৰে, 'মানুহৰ বাবে কি সম্ভৱ আল্টিমেট্‌লি কিছুমান নিঃসঙ্গ দূৰ দ্বীপ হৈ যোৱা?' নাই, মানুহৰ সামূহিক জীৱন-পদ্ধতিত, যৌথ আৱেগ আৰু কৰ্মপ্ৰক্ৰিয়াত তাৰ আস্থা অচল। আৰু হয়তো এই গভীৰবোধ আৰু বিশ্বাসে সহজ, সুখী, আৰামদায়ক জীৱনৰ বহু প্ৰলোভনৰ পথৰ পৰা তাক আঁতৰাই আনিলে। গজ-দন্ত-মিনাৰ আৰোহণৰ চেষ্টা নকৰি সি ওকালতি কৰিবলৈ নামিল।

অনিশ্চিত, দ্ৰুত-পৰিৱৰ্তিত কক্ষত, দ্ৰুত পৰিৱৰ্তিত বেগত পূব-পশ্চিম-উত্তৰ-দক্ষিণ-বায়ু-অগ্নি-ঈশান-নৈঋত পাৰ হৈ আহি বিমানে এদিন উপলব্ধি কৰিলে যে নিজৰ শক্তি আৰু গতিৰ উপযুক্ত একোটা নিৰ্দিষ্ট কক্ষ প্ৰত্যেকে আয়ত্ত কৰি লয় আৰু সি ঠিক কৰিলে যে তাৰ নিৰ্বাচিত আৰু আয়ত্ত কক্ষত সি এতিয়া তাৰ গতি আৰু শক্তিপূৰ্ণ পৰিমাপত নিয়োজিত কৰিব। অৱনী আৰু তাৰ ঘনিষ্ঠ বন্ধুদলৰ মানসিকতা আৰু সিহঁতৰ সমসাময়িক সেই নতুন পুৰুষৰ বাস্তৱ-চেতনাৰ সংক্ৰমণ আছিল অপ্ৰতিৰোধ্য। চৌদিশৰ চতুৰ কাৰচাজি, দুৰ্গন্ধময় আৱৰ্জনা আৰু যন্ত্ৰণাকাতৰ কেঁকনি সিহঁতে হঠাৎ আৱিষ্কাৰ কৰিছিল। এছাটি নতুন বতাহ বলিছিল। কিন্তু বিমানৰ অন্তৰৰ গভীৰত আছিল এটা অস্বস্তি, এটা অস্পষ্ট সন্দেহ। সি বিচাৰিছিল মাটি, সি চাব খুজিছিল সিহঁতৰ শিপা ক'ত। এই সমস্ত উষ্মা আৰু অসহিষ্ণুতা, এই বিস্ফোৰণ-প্ৰৱণতা, এই ভঙাৰ সংকল্প আৰু গঢ়াৰ প্ৰতিজ্ঞা সকলোবোৰেই আন্তৰিক, নিঃসন্দেহে এক গভীৰ অন্তৰ্দাহৰ ফলশ্ৰুতি। এক সৰ্বাত্মক নতুন বোধোদয়ৰ লক্ষণ।

কিন্তু ক'ত তাৰ উৎস? কি তাৰ গভীৰতা? চেতনাৰ কোন গভীৰ স্তৰত তাৰ মূল প্ৰোথিত? ই কি মাত্ৰ এছাট বতাহ, দুৰন্ত, সম্ভাৱনাময়, উদ্দাম আৰু সাময়িক? সময়ত সি দেখিলে যে তাৰ সন্দেহ অমূলক নাছিল। সিহঁতৰ ব্যগ্ৰতা বহুক্ষেত্ৰত আছিল ঋতুকালীন চাঞ্চল্য; সিহঁতৰ অনেক আঁচনি আছিল স্বপ্নবিলাস, প্ৰতিশ্ৰুতি আছিল বয়সোচিত প্ৰেৰণাৰ চিন্তাহীন স্বতঃস্ফূৰ্ত প্ৰকাশ। স্বপ্নৰ ভৱিষ্যৎ যেতিয়া বৰ্ণহীন বৰ্তমান হৈ আহিল, অপসৃয়মাণ বৰ্তমান ৰূপান্তৰিত হৈ পৰিল এক ভ্ৰষ্টস্বপ্ন অতীতলৈ, বিমানে দেখিলে সিহঁতে বাছি ল'লে সহজ নিৰাপদ কক্ষ, আচৰিত ক্ষিপ্ৰতাৰে অৰ্জন কৰি ল'লে ওজন আৰু গতি আৰু নিৰ্বিকাৰ নিশ্চিন্ত চিত্তে ঘূৰিবলৈ ধৰিলে নিজৰ নিৰ্দিষ্ট কক্ষপথত। তাত নাছিল উত্তাপ, নাছিল উদ্দাম গতি আৰু স্ফুৰিত আৱেগৰ উচ্ছ্বাস; অৱশ্যে আছিল নিৰুপায় গতি আৰু স্তিমিত এক উৎসাহৰ অনুৰণন, কিয়নো জীৱন তাৰ পুৰাতন, বিবৰ্ণ ৰূপতো চলমান আৰু তাৰ আমনি লগা পুনৰাবৃত্তিতো থাকে দুই-এক খুচুৰা বৈচিত্ৰ্য।

তাৰ চাৰিওফালে এই আত্ম-প্ৰৱঞ্চনাৰ ৰূঢ় অভিজ্ঞতাই তাৰ চেতনালৈ আনিলে এক গভীৰতা। আৰু সেই গভীৰতাৰ পৰা জন্ম হোৱা দৃঢ়, সমূল একাগ্ৰবোধে তাক লৈ গ'ল কক্ষৰ পৰা কক্ষান্তৰলৈ, অভিজ্ঞতাৰ পৰা অভিজ্ঞতালৈ, জীৱনৰ পৰা জীৱনৰ অন্তৰতম সান্নিধ্যলৈ। সেই কষ্টকৰ জীৱন-সন্ধানৰ মাজত আত্মবিস্মৃত হৈ থাকোঁতে, গভীৰ এটা বিশ্বাসৰ হাত ধৰি নীৰৱ উৎসৰ্গিত যাত্ৰাত বাট বুলোতে এদিন সি সুপ্ৰভাৰ এখন চিঠি পালে। এটা পুৰণি গানৰ টুকুৰা যেন মনত পৰিল, স্মৃতিবহ, অচিন মায়াৰে ধূঁৱলী, কষ্টদায়ক। সুপ্ৰভা, সপ্ৰতিভ আৰু আধুনিকা, তাইৰ সমগ্ৰ শৰীৰৰ উজ্জ্বলতা আৰু চপল গতিশীলতাৰে, তাইৰ বুদ্ধিদীপ্ত আৰু স্মাৰ্ট কথা কোৱাৰ ভঙ্গীৰে সিহঁতৰ পুৰুষালি আড্ডাৰ ৰমণীয় বৈচিত্ৰ্য আছিল। অৱনীৰ প্ৰতি তাইৰ বোধহয় এটা কৌতূহল আছিল কিয়নো বিমানে দেখিছে তাই প্ৰায়েই অৱনীক প্ৰতিবাদ কৰিবলৈ চেষ্টা কৰিছে, এনেকি কেতিয়াবা হাস্যকৰ অযুক্তিৰে। আৰু অৱনীয়ে ক্ৰমে তাইৰ প্ৰতিবাদত গুৰুত্ব দিবলৈ এৰিছে। অৱনীৰ কোনো গম্ভীৰ ঘোষণাৰ ওপৰত কোনোদিন তাই হঠাৎ লঘুভাৱে কৈ উঠে, 'অৱনী, তুমি সঁচাই চিৰিয়াচ্ নে আমাক স্মাৰ্ট দেখুৱাইছা?' ক্ৰুদ্ধ অৱনী নীৰৱ হৈ পৰে।

অৰুণাচলৰ এটা অজ্ঞাত প্ৰান্তত সি সুপ্ৰভাৰ এখন চিঠি পালে। এটা ৰোমাঞ্চকৰ অভিজ্ঞতা। 'এটা চিৰিয়াচ্ ঘটনা ঘটিব ধৰিছে' তাই লিখিলে। অৱনীৰ লগত তাইৰ বিয়া ঃ অৱশ্যেই এটা চিৰিয়াচ্ ঘটনা। 'প্ৰেম ঠিক নহয়, কিন্তু তুমি বোধহয় ধৰিব পাৰিছিলা, অৱনীৰ প্ৰতি মোৰ কিবা এক ধৰণৰ আকৰ্ষণ আছিল। তদুপৰি চাকৰিৰ যোগেদি পৃথিৱীখনৰ বিষয়ে যি জ্ঞান হৈছে, অৱনীৰ ন্যায়-নীতিবোধ আৰু অত্যধিক



সচেতনতা আজি আৰু মোৰ অস্বাভাৱিক যেন নালাগে....।' সুপ্ৰভা বহুত সলনি হৈছে। জীৱন সম্পৰ্কে তাই বেছ চিৰিয়াচ্ হৈছে বুজা গ'ল। অতীত তাৰ বিচিত্ৰ বৰ্ণেৰে, মধুৰ মূৰ্ছনাৰে সেই নিঃসঙ্গ মুহূৰ্তত তাৰ মনৰ মাজত সাৰ পাই উঠিল। ক্ষন্তেকলৈ সি বিহ্বল হৈ পৰিছিল। কিন্তু সি বুজি উঠিল যে তাৰ বাবে সেই স্বপ্নময় অতীত এতিয়া অৰ্থহীন, পুৰণি ঘৰৰ নিৰ্জন বাৰাণ্ডাৰ জীৰ্ণ বেতৰ চকীৰ দৰে সি মাথোন স্মৃতি-সৰ্বস্ব। সময় সলনি হৈছে, বহু পৰিৱৰ্তন, বহু উত্থান-পতন পৃথিৱীয়ে দেখা পাইছে। সি নিজে তাৰ কক্ষ স্থিৰ কৰি লৈছে। আৰু সি আজিও নিঃসঙ্গ নহয়। পৃথিৱীৰ অজস্ৰ মানুহৰ লগত সি আজি একেলগে ভৱিষ্যতলৈ আগবাঢ়িছে। সুপ্ৰভাৰ বিয়াৰ খবৰ তাৰ মনৰ মাজত মাত্ৰ এটা খলকনি তুলি মাৰ গ'ল আৰু সি অৱনী আৰু সুপ্ৰভাক পুনৰ তাৰ অতীতত এৰি দিলে।

আজি ৰাতিপুৱা সি বুজিলে যে কাকো আচলতে তেনেকৈ এৰি দিব নোৱাৰি। সি, অৱনী, সুপ্ৰভা, এটা চলমান প্ৰবাহৰ অংশ মাত্ৰ। সিহঁত প্ৰত্যেকেই প্ৰত্যেকৰ বাবে অৰ্থপূৰ্ণ। কিন্তু কি ধৰণে, কিমান সিহঁত সলনি হৈ গ'ল, পৰস্পৰৰ পৰা সিহঁত সকলো ধৰণে কিমান দূৰ হৈ গ'ল! একান্ত নিৰীহ এষাৰ কথাও এতিয়া সঙ্কোচৰ পৰ্দাৰ সিপাৰে আহি ৰৈ থাকে। কোনো ব্যক্তিগত আগ্ৰহ আগৰ দৰে প্ৰাণময় আৰু স্বতঃস্ফূৰ্ত নহয়। অথচ ৰাতিপুৱা অৱনীৰ লগত আহি ঘৰ সোমোৱাৰ লগে লগে, যেন একোৱেই হোৱা নাই, যেন ইমান বছৰৰ নিঃসংযোগ সম্পৰ্কত ক'তো ধূলি-মাকতি নাছিল, এনে স্বাভাৱিক উজ্জ্বল হাঁহিৰে সুপ্ৰভাই তাক আদৰণি জনালে। সিহঁত দুটাক দুকাপ চাহ দি ক'লে, 'বাথৰুমত পানী দিছোঁ, গাটো ধুই পেলোৱা। বাথৰুমতে ডাঢ়ি খুৱাব পাৰিবা'।

গা ধুই বিমানে খুব সজীৱ আৰু সুস্থ অনুভৱ কৰিলে। যেন বহুদিনৰ সঞ্চিত অপৰিচ্ছন্নতাৰ ক্লেদ আজি সি পৰিষ্কাৰ কৰি পেলালে। চাহৰ টেবুলত বহাৰ লগে লগে সুপ্ৰভাই ক'লে, 'ডাঢ়িসোপা নাকাটিলা কিয়? মই বৰ বেয়া দেখো পাই...'

বিমানে তাইলৈ চাই এটা হাঁহি মাৰিলে আৰু ডাঢ়িখিনিত আলফুলে হাত ফুৰালে। সুপ্ৰভাৰ কিমান কথা আছিল সুধিবলৈ, কিমান কথা জানিবলৈ! কত অনন্তকাল সিহঁতে লগ পোৱা নাই।

'কিয়? হি নীড্চ্ এ প্ৰপ্ টু হিজ্ চেগিং ইমেইজ্। বুজা নাই?' অৱনীয়ে লুচিৰ প্লেটখন ওচৰ চপাই ক'লে।

'দেখিছা বিমান, অৱনী এতিয়াও স্মাৰ্ট্ হ'বলৈ এৰা নাই।' চপল ব্যঙ্গেৰে সুপ্ৰভাই বিমানৰ হৈ অৱনীক আক্ৰমণ কৰিলে।

'সেইটো আৰু ক'ত যাব? কিন্তু প্ৰথম কথা হ'ল, মোৰ কিবা এটা ইমেইজ্

কেতিয়াবা সঁচাকৈয়ে আছিল নেকি? আমি পঢ়ি থকা দিনত তো তোৰহে এটা ইন্টেলেক্‌চুৱেল্ ছাপ আছিল।' বিমানে অৱনীলৈ চাই হাঁহিলে।

'অঁ, আমাৰ ওপৰত এওঁ বেছ 'চাল' দি গ'ল দেই'। সুপ্ৰভাই পুনৰ বিমানক সমৰ্থন কৰিলে আৰু অৱনীয়ে এটা আহ্লাদৰ হাঁহি মাৰিলে।

'তুমি চেনি বেছি খোৱা নে....?' চাহ বাকিবলৈ ধৰি সুপ্ৰভাই বিমানক সুধিলে। ব্যস্ত হৈ অপ্ৰতিভস্বৰে বিমানে ক'লে, 'নাই, নাই, কমাই দিয়া।' আৰু তাৰ পিছত অস্বস্তিখিনি আঁতৰাই সি ক'লে, 'ক'ত নো গাঁৱত চেনি সদায় খাবলৈ পাওঁ? ৰাতিপুৱা প্ৰায়েই গুৰৰ চাহ আৰু পানীপিঠা খাওঁ।'

'বহুত ভাল। এই ভেজাল ঘিউৰ লুচিতকৈ সেয়াই বহুগুণে ভাল।' অৱনীয়ে ক'লে। বিমানে গভীৰ, তীক্ষ্ণ দৃষ্টিৰে অৱনীলৈ চালে, এটা চোকা হাঁহি মাৰিলে আৰু ক'লে, 'সান্ত্বনা দিছ?'

আৰু আহত, ক্ষুব্ধকণ্ঠে অৱনীয়ে ক'লে, 'সান্ত্বনাই তোক ঢুকি পাব?'

ক'ৰ্টলৈ যাবলৈ ওলাই অৱনী ভাতৰ পাতত বহিছিল, কাষত দুই পুত্ৰ। 'হলী চাইল্ড'ত পঢ়ে; শান্ত, স্বাস্থ্যৱান, মৰমলগা।

'বিমান, একাপ চাহ খোৱা। আমাৰ ভাতলৈ দেৰী আছে।' সুপ্ৰভাই ক'লে।

'তোমাৰ কলেজ কেতিয়া?' সি সুধিলে।

'কলেজ নাই। পৰীক্ষাৰ চীজন্ তো এতিয়া।' তাই উত্তৰ দি ওলাই গ'ল।

'তোৰ চাকৰিটোৰ মাজতে কি গণ্ডগোল লাগিছিল?' অৱনীয়ে সুধিলে।

'কেনেকৈ গম পালি?' বিমান আচৰিত হ'ল।

'জানো, পাহৰিলো। কোনোবাই কৈছিল।'

'স্কুলৰ মিটিং এখনত ইন্সপেক্টৰক প্ৰশ্ন কৰিছিলো। আমেৰিকাৰ অভাৱনীয় বৈজ্ঞানিক উন্নতিৰ বিষয়ে কিছুমান পচা খবৰেৰে উচ্ছ্বাসপূৰ্ণ বক্তৃতা দি আছিল। মই উঠি সুধিলো, 'আপুনি আমেৰিকাক গ্ল'ৰিফাই কৰি আছে কিয়? বৈজ্ঞানিক উন্নতিত আৰু দুই-এক দেশেও তো আমেৰিকাৰ লগত ফেৰ মাৰিছে। আৰু বৈজ্ঞানিক গৱেষণাৰ বাবে প্ৰয়োজনীয় অতুল সম্পদ আমেৰিকাই লুটিছে ক'ৰ পৰা জানেনে?' মানুহটোৱে অপমানিত বোধ কৰিলে। এসপ্তাহ চাচ্‌পেণ্ড্ কৰি ৰাখিলে। হেড্‌মাষ্টৰজন ভাল কাৰণে কোনোমতে ৰৈ গ'লো।'

সুপ্ৰভাই তাক একাপ চাহ আনি দিলে।

'তই ইয়ালৈ নাহ কিয়? ইয়াত আৰু এখন কলেজ খোলাৰ কথা চলিছে!' বিমানলৈ নোচোৱাকৈ অৱনীয়ে ক'লে।

'কথা চলিছে মানে এই চেছ'নৰ পৰা আৰম্ভই হ'ব।' পুতেকহঁতৰ টিফিন্-বক্স্



ভৰোৱাৰ পৰা মূৰ তুলি সুপ্ৰভাই ক'লে। অৱনীয়ে বিমানলৈ চালে। বিমানে হাঁহিছে। অৱনীয়ে অস্বস্তিবোধ কৰিলে।

'এওঁলোকৰো তো এটা অৰ্গানাইজেশ্যন্ আছে। তই আহিলে বেছ কাম কৰিব পাৰিবি।' অৱনীয়ে এটা যুক্তিৰে তাৰ প্ৰস্তাৱটো সবল কৰিব খুজিলে। কিন্তু প্ৰত্যয়ৰ অভাৱত যুক্তিটো দুৰ্বল হৈ ৰ'ল।

'কি কাম? ইউ-জি-চি স্কে'ল্? মেডিকেল্ বেনিফিট্? বিধানসভাৰ সন্মুখত বিক্ষোভ?' বিমানে একধৰণে হাঁহিলে। 'এইবোৰ তো হৈয়েই আছে। মই কি কৰিমহি?'

অৱনী মনে মনে ৰ'ল। ক'ৰবাত এটা ফাঁক তৈয়াৰ হৈছে। অসহজতাৰ এটা পাতল ছাঁ অনবৰতে সিহঁতৰ ওপৰত আছে। অসহায়ভাৱে অৱনীয়ে কথাটো অনুভৱ কৰিলে।

তাক ৰে'ষ্ট্ ল'বলৈ কৈ অৱনী কাছাৰীলৈ গ'ল। কিন্তু ৰে'ষ্ট্ আৰু ক'ত লোৱা হয়, পাক-ঘৰৰ কাম শেষ কৰি আহি সুপ্ৰভা তাৰ ওচৰত বহিল। ইমান দিনৰ মূৰত তাইৰ এই পৰিৱৰ্তিত জীৱনৰ মাজত তাক পাই সুপ্ৰভা বেছ সুখী হৈছে; কিন্তু তাই আগৰ দৰে প্ৰগল্‌ভ্ হৈ উঠা নাই। কি কাৰণে? তাইৰ লগত তাৰ কোনো মানসিক ব্যৱধান গঢ়ি উঠা নাই। সি তাইৰ অতি আপোন আৰু অন্তৰঙ্গ। তাই তাৰ বাবে একেলগে ভনী আৰু বান্ধৱী। কিন্তু তাইৰ মনৰ ভিতৰত যেন এক অস্পষ্ট মালিন্য, অশান্তিৰ পাতল কুঁৱলী। ক্লান্তি, হতাশা অথবা ব্যৰ্থতা। অতীতৰ সৰস স্মৃতিৰ মাজেৰে সিহঁত দুয়ো ঘূৰিব ধৰিলে। নিজৰ অজ্ঞাতে সিহঁতে বোধহয় বৰ্তমানক এৰাই যাব খুজিছে। কিন্তু হঠাৎ এবাৰ সুপ্ৰভাই ক'লে, 'তুমি কিন্তু বহুত সলনি হৈ গ'লা।'

আৰু সি, যেন উত্তৰটো তাৰ প্ৰস্তুত আছিল, ক'লে, 'সকলোৱেই তো হয়। তুমি হোৱা নাই?'

'হৈছোঁ চাগৈ। তুমিহে ধৰিব পাৰিবা...। কিন্তু মাজে মাজে খুব শূন্য যেন লাগে, ঠিক ধৰিব নোৱাৰোঁ কি বা কিয়। তুমি ক'ব পাৰা নে ষ্টেটাচ্ বাদ দিলে এগৰাকী বিবাহিতা নাৰী আৰু শিক্ষিতা ৰক্ষিতাৰ মাজত পাৰ্থক্য কোনখিনিত? অন্ততঃ মানসিকভাৱে?'

বিমানে এটা মানসিক জোঁকাৰ খালে। পুৱাৰ কোমলতাখিনি আঁতৰি গৈছে। আৰম্ভ হৈছে দুপৰৰ অনাত্মীয় ৰুক্ষতা। ঘৰটো নিজান। সি অনুভৱ কৰিলে পৃথিৱীখন কেৱল সলনি হোৱা নাই, অপৰিচিতো হৈ গৈছে।

'তোমাৰ তো তেনেকুৱা হ'ব নালাগে। তোমাৰ চাকৰি আছে, পঢ়া-শুনা আছে, তোমাৰ সংসাৰ পূৰ্ণ হৈছে। তোমাৰ মনত কিহৰ শূন্যতা? সৰু-সুৰা সাময়িক

হতাশাতো সকলোৰে থাকিব। আচলতে এটা স্থিৰ লক্ষ্যৰ পিছত, কোনো এটা ঐকান্তিক সন্ধানত নিজকে ব্যস্ত ৰাখা, বাকী সকলো আক্ষেপ তল পৰি যাব।'

'কিহৰ সন্ধান কৰিম? সকলো দেখোন অৰ্থহীন যেন লাগে। মাজে মাজে ভাব হয়, মই যেন এঠাইত ৰৈ গ'লো। বন্ধ হৈ গ'লো। খুব অকলশৰীয়া বোধকৰোঁ। বোধহয় মই সলনি হৈছোঁ। অৰনীও সলনি হৈ গৈছে।' নিৰুপায় সুৱত সুপ্ৰভাই ক'লে। যেন কোনো আৰু আশা নাই, কোনো আৰু পথ নাই, এনে এটা ভৱিষ্যৎহীন বৰ্তমানৰ কূপত তাই অৱৰুদ্ধ। বিমানে বুজিব নোৱাৰিলে ক'ত এই অন্ধকাৰৰ উৎস। হয়তো কোনো ব্যক্তিগত দুঃখ বা আশা ভঙ্গ, হয়তো মধ্যবিত্তীয় বস্তুগত হতাশা, হয়তো...।

'আমি সকলোৱেই তো সলনি হৈছোঁ সুপ্ৰভা। এসময়ত আমি ভাবিছিলো সকলো মিলি আপ্ৰাণ চেষ্টাৰে গোটেই দেশ, সমাজ, মানুহৰ চেহেৰা সলনি কৰি দিম। কি এক গভীৰ বিশ্বাস আছিল, কি অদম্য প্ৰেৰণাই মনটো সজীৱ কৰি ৰাখিছিল। এতিয়া দেখিছা, চব কি দৰে উল্টা-পাল্টা হৈ গৈছে। পূৰ্ণেন্দু আৰু মৃণালে ভাবিলে ডাঙৰ চৰকাৰী চাকৰিৰেই সমাজক বদলাই দিব পাৰি। আমাৰ দেশোদ্ধাৰৰ প্ৰতিখন অভিনৰ আঁচনিৰ পিতৃ অবিনাশ এতিয়া দিল্লীত কোনোবা কোম্পানীৰ ডাঙৰ চাকৰিয়াল। কোনোবাই কণ্ট্ৰেক্ট কৰি লাখপতি হৈছে, কোনোবাই ৰাজনীতি কৰি। গৌতম হৈছে দুৰ্দান্ত পুলিচ অফিচাৰ, কাৰবাৰ আগত হেনো কৈছে, এই দেশত পিটি মানুহক ঠিক কৰিব লাগিব, পলিটিক্স্ কৰি নহয়। অৰনীয়েই বা কি কৰিব খুজিছে? হয়তো প্ৰপ্ দৰ্কাৰ হৈছে অৰনীক, মোক নহয়। সি কিবা এটা হেৰুৱাইছে।' বিমানৰ কণ্ঠলৈ ক্ৰমে আহিল বেদনা, ব্যঙ্গ আৰু অৱশেষত স্বাভাৱিক উৎকণ্ঠা।

''অ', অৰনীও সলনি হৈছে। ব্যক্তিগত বা সামাজিক কোনো কথাতে তেওঁৰ আগৰ সেই উত্তাপ নাই, আগ্ৰহো নাই। সকলো কথা সহজে গ্ৰহণ কৰি ল'ব খোজে। খুব যেন যান্ত্ৰিক হৈ পৰিছে। ...বিমান, তুমি আহানা ইয়ালৈ। কলেজখনত চাকৰি এটা পাই যাবা। তুমি আহিলে মোৰ খুব ভাল লাগিব।' সুপ্ৰভাই হাঁহি মাৰি ক'লে। তাইৰ অনুৰোধৰ পাতল স্বৰৰ মাজতো সি ধৰিব পাৰিলে এক নিঃশব্দ গভীৰতা, এটা গোপন আকুতি। সি হাঁহিলে। কিন্তু সি বুজিলে তাৰ হাঁহি স্বাভাৱিক নহয়। নীৰৱ অনিশ্চয়তাৰ মাজত সিহঁত বহি ৰ'ল।

কিছুমান খেলিমেলি চিন্তাৰে দুপৰটো পাৰ হ'ল। ভাত খাই উঠি সি বিছনাত পৰি আছে। সুপ্ৰভা নিজৰ কোঠালৈ জিৰাবলৈ গৈছে। গৰম পৰিবলৈ আৰম্ভ কৰিছে, সি ফেনখন ধীৰগতিত চলিবলৈ দিলে। হঠাৎ এই অদ্ভুত সময়ত বড়ে গুলাম আলি খাঁৰ কণ্ঠত 'প্ৰেম যোগন বন কে...' ভাহি আহিল। সুপ্ৰভাই ৰেডিঅ' শুনিছে। বুৰঞ্জীৰ অধ্যাপিকাগৰাকী বিভ্ৰান্ত গৃহিণী হৈ বিছনাত বাগৰি ৰৈছে। অৰনীৰ প্ৰতি তাইৰ এটা



আকৰ্ষণ আছিল। ঠিক্ প্ৰেম নহয়, কিন্তু কি? সেই আকৰ্ষণ তেন্তে হেৰাইছে। তাই অকলশৰীয়া বোধ কৰে, ক'ৰবাত ৰৈ গ'ল যেন অনুভৱ কৰে। অৰনীও কি তাইৰ লগত নাই? তাই তাক বিচাৰিছে। বোধহয় তাৰ সঙ্গ আৰু বন্ধুত্বৰ আশ্ৰয়ত তাই নতুনকৈ এক সন্ধান আৰম্ভ কৰিব খোজে। কিন্তু প্ৰেমৰ বাহিৰে কিহে তাইৰ জীৱন-সন্ধান সজীৱ কৰি ৰাখিব? যিহেতু কোনো গভীৰ লিপ্তি বা মহত্ত্বৰ আদৰ্শই তাইক অনুপ্ৰাণিত কৰা নাই, তাইৰ চেতনাক উদ্দীপ্ত কৰা নাই জীৱনৰ কোনো বৃহত্তৰ প্ৰয়োজনে? হয়তো প্ৰেমো যথেষ্ট নহয়, সিনো কিটো জানে? প্ৰেম মানে সিটো মাত্ৰ জানে এক অস্পষ্ট গাঁৱৰ গধূলি এখন সৰু হাতৰ লাহি আঙুলিৰ মাজত তাৰ দুৰ্বল হাতখন ক্ৰমে হেৰাই যোৱা, ধূসৰ কোনো পিক্নিকৰ দুপৰীয়া লাহি হাতখনত ধৰি সৰু এটা জুৰি বাৰে বাৰে পাৰ হোৱা। অযুত কম্পন, অশেষ অনুক্তি। এক গোপন ৰহস্যময় কষ্ট। এটা অবাস্তৱতা। যি এতিয়াও কোনো নিঃসঙ্গ ৰাতি লাহে লাহে তাৰ বুকুখন চেপি আনে।

এতিয়া ৰাতি। হঠাৎ এক আচহুৱা অন্ধকাৰৰ মাজত সাৰ পাই সি অৰনীৰ ঘৰৰ এটা কোঠাত নিজকে আৱিষ্কাৰ কৰিছে। অৰনী আৰু সুপ্ৰভাৰ আদৰ-যত্নৰ মাজত এটা দিন বেছ আৰামত কটোৱা গ'ল। কিন্তু সি সহজ হোৱা নাই মনে মনে। ক'ৰবাত এটা ফাঁক সৃষ্টি হৈছে। এটা নিৰ্বাত শূন্যতা মাজত আহি পৰিছে, কোনেও সেইটো পাৰ হৈ যাব পৰা নাই। যোৱা আঠদিন জেলত লেতেৰা বিছনাত গৰম আৰু উৰহৰ উৎপাতৰ মাজতো তাৰ টোপনি আহিছিল। আজি এই আৰামতো সি শুব পৰা নাই। মনটো অশান্ত হৈ পৰিছে। হয়তো কোনো প্ৰয়োজন নাই, কোনো অৰ্থ নাই, কিন্তু গভীৰ অস্বস্তি আৰু অশান্তিয়ে তাৰ মনটো ধোঁৱাই তুলিছে। তথাপি আজি অৰনীক সি জব্দ কৰি পেলাইছিল। অৰনী আৰু ঘূৰি নাহে, সি তাৰ পোন আৰু পৰিষ্কাৰ পথ চিনি পাইছে। কিন্তু তাৰ যাত্ৰা কোনোদিন স্বস্তিকৰ নহ'ব, বিমানে নিশ্চিতভাৱে বুজি পাইছে। তাৰ মুখৰ সফলতা আৰু সন্তুষ্টিৰ তলত আছে এটা হতাশাৰ ছাঁ।

'প্ৰকৃততে আমি আৰু ভাৰতবৰ্ষৰ বুৰঞ্জীৰ বাবে প্ৰয়োজনীয় নহওঁ। ভাৰতবৰ্ষৰ বুৰঞ্জী নিয়ন্ত্ৰণ কৰিব দগাবাজ প্ৰফেছনেল্ পলিটিচিয়ান্ আৰু বোমা দলিওৱা এড্‌ভেঞ্চাৰিষ্ট্‌কেইটাৰ নিষ্ফল দুঃসাহসে। ইণ্টেলেক্‌চুৱেলৰ কোনো ভূমিকা নাই এই দেশত। উই আৰ্ দা স্কাম্ অৱ দিচ্ চ'চাইটী।' আজি গধূলি বাৰাণ্ডাৰ আন্ধাৰত বহি অৰনীয়ে কৈছিল। তাৰ বক্তব্যত স্বাভাৱিক চমক দিয়াৰ চেষ্টাতকৈও এটা চেপা আহত সুৰ আছিল। বিমানে ঠিক কৰিলে অৰনীৰ নিৰ্বোধ অভিমানক আৰু কিছু আঘাত কৰা যাওক।

'সেইটো এটা পলায়নবাদী যুক্তি। ইণ্টেলেক্‌চুৱেলিজমক ইমান সহজে ৰেহাই দিব

নোৱাৰি। তহঁতে কৰিছ কি? প্ৰতিটো ঘটনাক চেলেঞ্জ কৰিব লাগিব, ব্যাখ্যা কৰিব লাগিব। প্ৰতিদিনৰ ইতিহাসক নতুন আৰু প্ৰকৃত পাৰ্ছপেক্‌টিভ্ দিব লাগিব। কিন্তু ইণ্টেলেক্‌চুৱেলসকল তো চাহৰ টেবুলত বক্তৃতা দিয়েই খালাচ। তহঁতৰ ভূমিকা, খুব বেছি ক'ব পাৰি, পেশ্বিভ্, তাতকৈ বেছি একো নহয়। শতাব্দীজোৰা ইনাৰ্শ্বিয়া আৰু এক্‌চেপ্তেন্সৰ পৰা তহঁত মুকলি হ'ব পৰা নাই।' বিমানে ইচ্ছা কৰিয়েই তাৰ গলাৰ পৰ্দা কিছু উঠাই দিলে।

'ৰ, ৰ, তেনেকৈ চুইপিং জেনেৰেলাইজেশ্যন কৰিলে নহ'ব নহয়। দেশত এই যে প্ৰতিবাদবোৰ হৈছে, পুঁজিবাদী শোষণৰ বিৰুদ্ধে আৱাজ উঠিছে, সমাজবাদৰ ধ্বনি আকাশে-বতাহে উৰিছে, ইয়াত কি বুদ্ধিজীৱীৰ কোনো বৰঙণি নাই? এইবোৰ কি নিজে নিজে শূন্যতে সৃষ্টি হৈছে?'

'এই কাৰণেই তহঁতৰ লগত কথা পাতিব নোৱাৰি। তই ভূমিকাৰ কথা কৈছিলি, এইমাত্ৰ তাক বৰঙণিৰ লগত সানি পেলালি। বৰঙণি তহঁতৰ কোনে অস্বীকাৰ কৰিছে। কিন্তু এই যে প্ৰতিবাদ, বিক্ষোভ, আৱাজ, ইয়াৰ পৰা কাৰ লাভ হৈছে ভাবি চাইছ নে? লাভ হৈছে আমোলাসকলৰ, ৰেলকৰ্মীৰ নামত বাবুসকলৰ, কলেজৰ অধ্যাপকৰ। তেওঁলোকৰ বিক্ষোভ আন্তৰিক, তেওঁলোকৰ সততাক সন্দেহ কৰা অনুচিত আৰু তেওঁলোক যি ত্যাগ স্বীকাৰ কৰিবলৈ আগবাঢ়িছে তাকো স্বীকাৰ কৰিব লাগিব। কিন্তু মধ্যবিত্তীয় স্বাৰ্থৰ কুঁৱলী ফালি তেওঁলোক আহিব পৰা নাই। তই যে কৈছিলি ভাৰতবৰ্ষৰ ইতিহাসৰ কথা, এই ইতিহাস নিয়ন্ত্ৰণ কৰিব এই বাবুসকলে নহয়, অযুত-লক্ষ দাৰিদ্ৰ্য-ক্লিষ্ট খেতিয়কে, অন্যায়-পীড়িত শ্ৰমিকে। কিন্তু তহঁত তেওঁলোকৰ পৰা কিমান দূৰত!' বিমানে অনুভূতি ভৰা কণ্ঠেৰে ক'লে।

'কিন্তু আল্টিমে'ট্‌লী সিহঁতৰ স্বাৰ্থৰ বাবেই তো এইবোৰ কৰা হৈছে। এইবোৰ মাত্ৰ একোটা স্তৰ, এটা পাছিংফে'জ্। এইদৰে সংগ্ৰামৰ মাজেদি আমি সকলো এদিন লগ হ'ব লাগিব।'

'হ'ব লাগিব, কিন্তু হোৱাৰ আশা আছে নে? কেৱল সামাজিক স্তৰতে নহয়, মানসিক, সাংস্কৃতিক সকলো দিশতে তহঁত সিহঁতৰ পৰা দূৰত বৈ গৈছ।'

'আৰে, এইটো তো সদায় নাথাকে। কৈছোঁৱেই তো এইটো এটা পাছিংফে'জ্। অৰ্থনৈতিক আৰু সামাজিক সমতা অহাৰ লগে লগে সকলো মানসিক প্ৰতিবন্ধক ভাঙি যাব। আৰু সাংস্কৃতিক ক্ষেত্ৰত আমি ইতিমধ্যেই ওচৰ চাপি আহিছোঁ।' অৰনীৰ খং উঠিছে, সি বুজিব পাৰিলে। চকীখনত সি লৰচৰকৈ বহি ভৰি দুখন মেলি দিলে।

আৰু চোকা ব্যঙ্গ সানি বিমানে ক'লে, 'ওচৰ চাপি আহিছ? কেনেকৈ? খেতিয়কৰ দুৰ্দশাৰ কথাৰে দুখন উপন্যাস লিখি? চহৰত ভাল্‌গাৰ্ বিহু পাতি? প্ৰকৃততে



হৈছে কি, চহৰবাসী মধ্যবিত্তই সংস্কৃতিৰ স্বৰূপ নিয়ন্ত্ৰণ কৰিছে আৰু মূলতঃ চহৰীয়া সংস্কৃতিত এটা নষ্টাল্‌জিক্ গ্ৰাম্য সাঁচ দিবৰ চেষ্টা কৰিছে। এইটো সজ্ঞান ভণ্ডামি নহ'ব পাৰে, কিন্তু এই গোটেই ব্যৱস্থাটোতে এটা কৰুণ অবাস্তৱতা সোমাই আছে। গাঁৱৰ মাটিৰ বুকুৰ পৰা এটা নতুন সবল জীয়া সংস্কৃতি গঢ়ি নুঠালৈকে এই অবাস্তৱতা চলি থাকিব।'

অৰনীৰ খং নামি গ'ল বোধহয়। সি মনে মনে ৰ'ল। বিমানে পুনৰ তাৰ কথাৰ সূত্ৰ ধৰি গ'ল। 'অৱশ্যে সেই নতুন সংস্কৃতি গঢ়ি নুঠালৈকে আৱাজ আৰু ভণ্ডামিৰ তলত সূক্ষ্ম ৰুচিবোধ আৰু কলাজ্ঞান হেৰাই যাবলৈ দিব নোৱাৰি। প্ৰকৃত অনুভূতি আৰু নিষ্ঠাৰ অভাৱত যিটোৰ ভয় এতিয়া আটাইতকৈ বেছি হৈছে। আচল কথা হ'ল, এক গভীৰ আৰু পৰিণত বোধ যি সমগ্ৰ জীৱন সামৰি লয়। ন্যায়-অন্যায়, সুৰুচি-কুৰুচি, সংস্কৃতি-দুষ্কৃতিৰ প্ৰকৃত বোধ, জীৱনৰ মহত্তম আৰু উচ্চতম বিকাশৰ বাবে প্ৰয়োজন এক গভীৰ চেতনা একেডাল সূক্ষ্ম কঠিন সূতাত গঁথা থাকে। গভীৰ উপলব্ধিৰে, অন্তৰ্দৃষ্টিৰে, ঐকান্তিকতাৰে তাক আয়ত্ত কৰিব লাগিব।'

সুপ্ৰভা আহি ভাত খাবলৈ মাতোঁতে তাৰ বক্তৃতা বন্ধ হ'ল। ল'ৰা দুটা বোধহয় কেতিয়াবাই শুইছিল। সিহঁত তিনিটা ভাতৰ টেবুলত বহিল। সুপ্ৰভাৰ গৃহিণীসুলভ সৌজন্যসূচক কথাৰ বাহিৰে বিশেষ কথা ওলোৱা নাছিল। অৰনীক ক্লান্ত দেখা গৈছিল। বহুদূৰ যাত্ৰাৰ পিছত যেন গন্তব্যৰ প্ৰতি হ'ব ধৰিছে সন্দেহ, যাত্ৰাৰ প্ৰতি হেৰাইছে আগ্ৰহ। হঠাৎ যেন খেলিমেলি লাগি গৈছে ক'ৰবাত। তাৰ মনৰ সকলো গোপন হতাশা সত্ত্বেও, তাৰ অন্তৰৰ অৱদমিত অভিমান সত্ত্বেও তাৰ এটা বিশ্বাস আছিল। আজি বিমানে তাৰ সেই বিশ্বাস জোঁকাৰি দিছে। হঠাৎ ফেনখনৰ গতি হ্ৰাস পালে। সি ওপৰলৈ চালে। আন্ধাৰৰ মাজেৰে সি অনুমান কৰিলে ফেনখন ক্ৰমে লাহে লাহে ঘূৰিবলৈ ধৰিছে। বিদ্যুৎ যোগান বোধহয় ব্যাহত হৈছে। গতি কমি আহি ফেনখন এসময়ত ৰৈ গ'ল। সি ওপৰলৈ আন্ধাৰলৈ চাই ৰ'ল।

ভাত খোৱাৰ পিছতো আলাপ জমা নাছিল। গভীৰ হৈ পৰিছিল যেন পৰিবেশ। তাৰ মাজতে অৰনীয়ে বিমানক সুধিছিল, 'তই বাৰু তাত সোমাই থাকি কি কৰিব খুজিছ, ক'চোন। ৰাজনীতি কৰাৰ মতলব আছে নেকি?' বিমানে ভাবি চালে অৰনীৰ প্ৰশ্নৰ মূলত কি আছে, ক্ষোভ নে বিদ্ৰূপ নে তাক তাৰ ওচৰলৈ অনাৰ পৰোক্ষ প্ৰস্তাৱ। সি লাহে লাহে উত্তৰ দিলে, 'ৰাজনীতি কৰিবলৈ গাঁৱৰ চুকত সোমাব লাগে নেকি? মোৰ সেইবোৰ দুৰাকাংক্ষা নাই বুজিছ। মই য'ত আছোঁ, একেবাৰে ভিতৰুৱা গাঁও; দৰিদ্ৰ, জীৰ্ণ এজাক মানুহ। সিহঁতে নাজানিছিল যে সিহঁতৰ অভাৱ আছে। অভাৱবোধৰ অভাৱত সিহঁতে দাৰিদ্ৰ্যক স্বাভাৱিকতা বুলি লৈছিল। অন্যায় বা অবিচাৰক

সিহঁতে ভগৱানৰ কোনো দুৰ্বোধ্য বিচাৰৰ শাস্তি বুলি শিৰোধাৰ্য কৰিছিল। মই লাহে লাহে সিহঁতৰ বিশ্বাসবোৰ ভাঙি দিব খুজিছোঁ।' অৱনী মনে মনে থাকিল।

বিমানৰ মনলৈ আহিল কাকীপথাৰৰ জমিদাৰ আব্দুল খালেকৰ বিশাল পথাৰৰ এমূৰে মাটি দখল কৰিবলৈ জমা হোৱা এজাক দুৰ্বল জীৰ্ণদেহৰ মানুহ, সিহঁতৰ হাতত নাঙলৰ অস্ত্ৰ। নিশ্চল, নিঃশব্দ আন্ধাৰৰ মাজত বিমানৰ মন এক উত্তেজনাত কঁপি উঠিল। তৃপ্তি আৰু বেদনাত তাৰ মন অদ্ভুতভাৱে ভৰি গ'ল। জমিদাৰৰ মানুহে অতৰ্কিতে সিহঁতৰ ওপৰত আক্ৰমণ চলায়। বে-আইনীভাৱে মাটি দখল কৰাৰ চেষ্টাৰ অপৰাধত সিহঁতক আটক কৰা হয়। মানুহখিনিলৈ তাৰ মনত পৰিবলৈ ধৰিলে।

ফেনখন পুনৰ হঠাৎ চলিবলৈ আৰম্ভ কৰিলে। প্ৰথমে লাহে লাহে, তাৰ পিছত সবেগে। অৱনীৰ চেষ্টাত আজি সি জেলৰ পৰা ওলাই আহিছে। অৱনীয়ে তাক চহৰলৈ মাতিছে, সুপ্ৰভাই তাক ওচৰত বিচাৰিছে। ক'ৰবাত অস্পষ্ট কোনো অৰ্থহীনতা, কোনো শূন্যতা অনুভৱ কৰিবলৈ ধৰিছে। সিহঁতে আকৌ শুদ্ধকৈ ভুলবোৰ কৰিব খোজে। বতাহৰ সোঁ সোঁ শব্দ, ফেনৰ অনুচ্চ শব্দ তাৰ কাণলৈ আহিছে। আন্ধাৰবোৰ পুনৰ ঘূৰিবলৈ ধৰিছে। বন্ধ কোঠাৰ অন্ধকাৰত তাক ডুবাই ৰখা হৈছে। ৰাতিপুৱালৈ হয়তো দেৰী আছে, কিন্তু সি ৰাতিপুৱাৰ ফালেইটো নিশ্চয় আগবাঢ়িছে। সি চকুমুদি বাগৰ সলালে। টোপনিৰ মাজেৰে আন্ধাৰখিনি পাৰ হৈ যাব।

পিছদিনা দোকমোকালিতে কোনো আপত্তি নুশুনি বিমান যেতিয়া ৰাতিপুৱাৰ ৰেলত যাবলৈ ওলাল, অৱনী আৰু সুপ্ৰভাই গেটৰ ওচৰত তাক আগবঢ়াই দিলে। যাদৱ দত্তৰ প্ৰকাণ্ড দুইমহলা ঘৰটোৰ সিফালে তাক নেদেখা হ'লত সিহঁত গেটৰ পৰা ঘূৰিল। বাৰাণ্ডাত উঠি সিহঁতে অনুভৱ কৰিলে চাৰিওফালে ৰাতিপুৱাৰ নিৰ্জীৱতা, 'লন'ৰ দুইফালে গন্ধহীন নিষ্ঠুৰ বিদেশী ফুলৰ চমক। সমগ্ৰ পৰিৱেশ এক শ্বাসৰোধকাৰী শূন্যতাৰে বোবা। বাৰাণ্ডাৰ কঠিন মজিয়াত সিহঁত দুয়ো চিত্ৰাৰ্পিত মূৰ্তি হৈ থিয় দি ৰ'ল। ●



# নিনাদ

ডেকা মানুহজনলৈ তেওঁ নিস্পৃহভাৱে মূৰ তুলি চালে ঃ স্বাস্থ্যৱান, মূৰত দীঘল পৰিপাটি চুলি। চুলিত এটা পুৰণি ঢৌ খেলা ষ্টাইল। মুখত সজীৱ হাঁহি। হাঁহিৰ মাজত কিছু আত্ম-সচেতনতা। চকু বয়সোচিতভাৱে উজ্জ্বল। উজ্জ্বলতাৰ লগত এক আন্তৰিক উচ্ছ্বাসৰ বিচ্ছুৰণ। এটা ডিঙি খোলা চোলাত চেইন লগোৱা সোণালী বুটাম (আন এটা পুৰণি ষ্টাইল)। চোলাৰ ওপৰত এটা চুৱেটাৰৰ আভাস ঃ এটা পৰিপূৰ্ণ সজাগ যৌৱন পুৰণি ফ্ৰে'মত বন্দী হৈ করুণভাৱে দেৱালত ওলমি ৰৈছে। এইটো এটা প্ৰাচীন ঘটনা, নিশ্চয় কলেজৰ নিৰ্বোধ আনন্দ আৰু উৎসৱমুখৰ দিনৰ এটা অহেতুক খেয়াল, এটা ক্ষণিক উচ্ছ্বাস। এতিয়া ফ্ৰে'মটোত হয়তো ঘুণে ধৰিছে, আইনাৰ ওপৰত বহুবছৰ ধূলি আৰু অযত্ন, হয়তো মকৰাই এৰি থৈ যোৱা জাল। এনেকি দৃশ্যটোৰ সজীৱতা, তাৰ ঔজ্জ্বল্য, তাৰ বগা-ক'লাৰ বৈপৰীত্য—সকলোতে এক অদৃশ্য অবক্ষয়ৰ সংক্ৰমণ; ডেকা মানুহজন কালৰ মলিন স্পৰ্শত আচ্ছন্ন। তেওঁ, জিতেন্দ্ৰনাথ চক্ৰৱৰ্তী, বহাৰ পৰাই সামান্যভাৱে আগলৈ হালি পৰিল, দেৱালৰ ফ্ৰে'মত বন্দী দৃশ্যটোত তেওঁ গভীৰভাৱে মনোনিৱেশ কৰিবৰ চেষ্টা কৰিলে। পাৰিপট্য, উৎফুল্লতা; ক'তো সামান্য দায়িত্বৰ ছাপ নাই, ক'তো এডাল চিন্তাৰ ৰেখা নাই। কেতিয়া, কোন সময়, কি চন, কি তাৰিখ, কি উপলক্ষ—স্পষ্ট নহয়, একো আভাস পৰ্যন্ত পোৱা নাযায়। কেৱল বিশুদ্ধ আনন্দৰ প্ৰকাশ, ভৰা কৈশোৰৰ ছবি—হয়তো প্ৰথম যৌৱন—কেৱল আত্মপ্ৰীতিৰ প্ৰচ্ছন্ন মোহ আৰু সুখৰ আবেশ, যেন এটা প্ৰায় নৈৰ্ব্যক্তিক চেতনাৰ প্ৰকাশ, এটা প্ৰাকৃতিক অভিব্যক্তি। পৰিৱেশ বা ঘটনাৰ কোনো অনুসঙ্গ, কোনো একান্ত অনুভূতি, ব্যক্তিগত কোনো স্মৃতি ই আৰু এতিয়া কঢ়িয়াই নানে।

অফিচ-ফিৰৎ ক্লান্তিৰ ভৰত তেওঁ অৱসন্ন বোধ কৰিছিল। তেওঁৰ মনৰ চুকত প্ৰাত্যহিক ক্লান্তিৰ সঞ্চয় ক্ৰমবৰ্ধমান হাৰত বাঢ়িছিল আৰু লাহে লাহে তাৰ ওজন তেওঁৰ দেহৰ ওপৰত বিস্তৃত হৈছিল। যোৱা এসপ্তাহৰ ওপৰ অফিচত তেওঁ এটা গোপন জৰুৰী ৰিপ'ৰ্ট প্ৰস্তুত কৰাত মগ্ন। কাৰো পৰা তেওঁ কোনো সহায় পোৱা নাই—ঈৰ্ষাতপ্ত বেঁকা ইংগিত বা পৰোক্ষ প্ৰত্যাখ্যানৰ বাহিৰে—প্ৰায় অকলশৰীয়া হাত যাক কয় আৰু তেওঁৰ পাব্লিক স্কুল উৎপাদিত ওপৰৱালাই তেওঁক মাতি নি প্ৰায়ে সতৰ্ক কৰিছে, প্ৰতিটো তথ্য, প্ৰতিটো প্ৰাথমিক খবৰ যেন সম্পূৰ্ণ বিতংভাৱে পৰীক্ষা কৰা হয় ঃ 'য়'ৰ্ ষ্টাডী মাষ্ট্ বি ডিটেইল্ড্, ইণ্টাৰ্প্ৰিটেশ্যন্চ্ একিউৰেট্ এণ্ড্ য়'ৰ্ থেচিচ্

মাষ্টি ষ্টেণ্ড্ টু ৰিজন্'। এটা সম্পূৰ্ণ ডেৰাইভেটিভ্ ৰিপ'ৰ্ট, নিৰ্ভৰযোগ্য সাক্ষ্য নাই, প্ৰথম পক্ষীয় বিৱৰণী নাই, কেৱল বিচ্ছিন্ন কিছুমান ঘটনা, কিছুমান চৰিত্ৰৰ ইন্ভ'লভ্মেণ্ট্', কেইবাটাও ক'ৰ'ব'ৰেটিভ্ তথ্য আৰু অৱশ্যেই কিছুমান আচৰিত যোগাযোগ। তেওঁৰ মনলৈ আকৌ সেই ক্লান্তিকৰ ৰিপ'ৰ্টটোৰ খেলিমেলি কথাবোৰ ঘূৰি আহিবলৈ ধৰিছিল, কিন্তু হঠাৎ তেওঁ অনুভৱ কৰিলে, কাঞ্চা ঘৰত নাই। তেওঁ বিৰক্ত, তেওঁৰ একাপ চাহৰ প্ৰয়োজন আছিল। 'সি... বোধ হয়...' ভাবটো সম্পূৰ্ণ নকৰিলে, এই কাৰণে যে কাঞ্চাৰ অনিশ্চিত গতি-প্ৰকৃতিৰ বাবেই তাৰ সম্পৰ্কে কোনো শুদ্ধ ধাৰণা লোৱা তেওঁৰ পক্ষে সম্ভৱ নাছিল। বজাৰ পাহৰি সি হয়তো এতিয়া ষ্টেডিয়ামৰ বেৰৰ ফুটাত চকু লগাই প্ৰদৰ্শনী ফুটবলৰ চুৰ কৰা আনন্দত আত্মহাৰা।

তেওঁ উঠি চুইচ্‌টোৰ ওচৰলৈ গ'ল আৰু লাইটটো জ্বলাই দি চ'ফাখনতে বহি পৰিল। কুশ্যন্খন চেপেটা লাগিছে, সেইখন আৰু এতিয়া আৰামদায়ক নহয়, এটা অপৰিহাৰ্য বিবৰ্ণ ফেশ্যন্। তেওঁ চিগাৰেটৰ বাবে জেপত হাত ভৰালে। বেৰত, তেওঁৰ চকু পৰিল, আল্পিন মাৰি লগাই থোৱা আছে এখন ছবি বা ছবিৰ আভাস—শাৰদীয় 'দেশ' কি 'আনন্দবাজাৰ'ৰ পৰা কটা। এতিয়া ধূলিৰ বাবে একো ধৰিব পৰা নাযায়, কিন্তু তেওঁৰ মনত আছে এইখন এখন মাতিছ্—খুব সম্ভৱ ৰিক্লাইনিং ব'মেন্ বা সেই জাতীয় কিবা (নামটো এতিয়া তেওঁৰো মনত নাই, হয়তো ধূলিৰ তলত আৱিষ্কাৰ কৰিব পৰা যাব) আৰু তেওঁৰ মনত আছে এসময়ত এই দুৰ্বল ৰিপ্ৰডাক্‌শ্যন্খনেও তেওঁৰ হৃদয়লৈ আনিছিল আচৰিত ধৰণৰ এক গভীৰতা, এক অবোধ্য নিৰুপায় মোহ। আৰু এই মুহূৰ্তত ছবিখন বা তাৰ নামৰ চিন্তা তল পেলাই অকস্মাৎ তেওঁৰ মনলৈ আহিল, In every poem by Matisse there is the history of a particle of human flesh which refused consumation of death.....(আৰু এইবাৰো তেওঁৰ বক্তাৰ নাম মনত নপৰিল। বৰং মনত পৰিল যে অফিচত এদিন ফ্ৰয়েড্-এডিক্ট্ হুছেইনে কৈছিল যে পঁয়ত্ৰিশৰ পিছত মানুহে সংজ্ঞাবাচক বিশেষ্য পাহৰিবলৈ আৰম্ভ কৰে)। তেওঁৰ নিজৰ বাবেই পৰিষ্কাৰ নহয় কিয় আৰু কোন সময়ৰ পৰা তেওঁৰ মনত চিত্ৰকলাৰ প্ৰতি প্ৰথম উৎসাহ সোমাইছিল। খুব সম্ভৱ বুদ্ধিজীৱীৰ অপৰিহাৰ্য লক্ষণ বা ফেশ্যন্ হিচাপে এসময়ত তেওঁ ব্ৰাক্, মাতিছ, ব্লু পিৰিয়'ড্ আদিৰ খবৰ ৰাখিব লগীয়া হৈছিল। তেওঁ চিগাৰেট জ্বলালে আৰু পৰিণত ধূমপায়ীৰ অভ্যস্ততাৰে দীঘলীয়া হোঁপা মাৰিলে।

সময়ৰ ধূলিৰ তলত দেহৰ ইতিহাসৰ আভাস লুপ্ত, তেওঁ বেৰৰ ধূলিময় আয়তক্ষেত্ৰলৈ চকু দিলে। ৰেফিউজড্ কন্চি'উমেশ্যন্ অৱ্ ডে'থ্? হ'ব পাৰে। ভাব হয় যে সত্য। কিন্তু সত্য এটা কষ্ট-সাপেক্ষ বস্তু, তেওঁ নিজকে ক'লে, আৰু বোধহয় আপেক্ষিক। বোধহয়। তেওঁৰ ধাৰণা মাত্ৰ, তেওঁ নিশ্চিত নহয়। এই যে সিদিনা



হুছেইনৰ টেবুলত দুপৰীয়াৰ চাহৰ মাজত এখন আলোচনীত সত্যৰ আপেক্ষিকতা সম্পৰ্কে কি এটা কনট্ৰ'ভাৰ্চি, অত্যন্ত পেডাণ্টিক্ আলোচনা, তেওঁ অনেক চেষ্টা কৰিও ভালকৈ বুজি নাপালে। কথাবোৰ খেলিমেলি, বহু প্ৰতিজ্ঞা আৰু আনুষংগিক বহু অনুসিদ্ধান্ত, বহু অকোৰা-পকোৰা যুক্তি। অৱশ্যে সাহিত্যৰ লগত তেওঁৰ সম্পৰ্ক ঘনিষ্ঠ বুলি তেওঁ দাবী নকৰে আৰু তাৰবাবে তেওঁৰ কোনো অস্বস্তি বা অনুতাপ নাই (অসমীয়া ভাষাটো আগতকৈ লাহে লাহে কঠিন হৈ আহিব ধৰিছে, তেওঁৰ ভাব হয় বা ভাষাৰ ওপৰত তেওঁৰ দখল ইতিমধ্যে হেৰাইছে)। বস্তুতঃ আজিকালি আৰু তেওঁৰ ভাব নহয় যে ক'ৰবাত কিবা এটা পৰম বা এব্চলিউট্ আছে। এনেকি অলপতে তেওঁ এখন মাৰ্কিন আলোচনীত পঢ়িছে (চেটাৰ্ডে' ৰেভিউ অৱ্ চায়েন্স্) যে বিশেষ আপেক্ষিকতা সূত্ৰৰ আইনষ্টাইনীয় গতি-নিষেধো হয়তো উলংঘা কৰিব পৰা যাব, যাৰ ফলত হাইপাৰ্‌স্পে'চ্ (তেওঁ চায়েন্স্ ফিক্‌শ্যনৰ প্ৰতি দুৰ্বল) অৱশেষত মানুহৰ বাস্তৱ বিচৰণভূমিলৈ পৰ্যবসিত হ'ব। ভৰিকেইটা দীঘলকৈ দূৰলৈ মেলি তেওঁ দেহটো সম্পূৰ্ণভাৱে চ'ফাখনত এৰি দিলে আৰু চিগাৰেটত দীঘলীয়া সুখটান দিবলৈ ধৰিলে। ৰেফিউজড্ কন্চিউমেশ্যন্........নাঃ, দেহ দুৰ্বল, দেহ বৰ ভংগুৰ। মৃত্যুৱে তাক পৰাভৱ কৰিব নালাগে, মৃত্যুৰ ওচৰত সি আত্মোৎসৰ্গিত। মৃত্যু এটা অন্তঃক্ষয়ী প্ৰণালীৰ সমাপ্তি, এটা দীঘলীয়া নিবেদনৰ উত্তৰ। আৰু কোনে জানে, হয়তো ইমান দিনে আশীৰ্বাদৰ ভঙ্গীত মৃত্যুৰ মকৰা সদৃশ প্ৰসাৰিত হাতৰ ছাঁ তেওঁৰ দেহত পৰিব্যাপ্ত হৈছে। তদুপৰি....বহুত কথা একেলগে তেওঁৰ মনলৈ হেঁচা মাৰি আহিব খুজিলে। কিন্তু তেওঁ অলপ সময় একোকে ভাবিব নোখোজে। প্ৰায় জোৰ কৰি তেওঁ চিন্তাবোৰ মনৰ পৰা বাহিৰ কৰি দিলে। আৰু প্ৰায় লগে লগেই পুনৰ তেওঁ ভাবিলে যে কি কাৰণে এনে হয়, প্ৰায়ে এনে হয়, যে ভাগৰত যেতিয়া শৰীৰ জড়, অৱশ তেতিয়াও এহেজাৰ বিভিন্ন চিন্তা কিশোৰ চঞ্চলতাৰে মনৰ মাজলৈ হুৰ্মূৰ্কৈ সোমাই আহিব খোজে। তেওঁৰ শৰীৰ আৰু মন ভীষণভাৱে পৰিশ্ৰান্ত। অফিচত আৰু অফিচৰ বাহিৰত কত ষিচিত্ৰ ঘটনাই তেওঁৰ মনটো আলোড়িত কৰি তোলে। ক্ৰোধ, বিৰক্তি, হতাশা, ধৈৰ্যচ্যুতি — মনৰ কত ধৰণৰ অভিব্যক্তিৰ লগত দিনটোত তেওঁ কিমানবাৰ আপোচ কৰিব লগীয়া হয়। তেওঁৰ ফাইল্-ক্লান্ত দেহ-মনৰ ওপৰত কিমান ফালৰ পৰা কত বিভিন্ন মাত্ৰাৰ চাপ পৰে আৰু তেওঁৰ মেজাজৰ ভাৰসাম্য বজাই ৰাখিবলৈ তেওঁ প্ৰতিদিনে কিদৰে গলদঘৰ্ম হ'ব লাগে। ওপৰৱালাৰ অবিশ্বাস্য নিৰ্দেশত ('উই ৱাণ্ট্ দিচ্ ৰিপ'ৰ্ট্ ইন্চাইড্ এ উইক্। দা হে'ড্ ইজ্ ব্ৰ'ৰিং হিজ্ টপ্, ইউ ন'?) তেওঁৰ চকু স্থিৰ নহয়, মুখত কোনো বিস্ময় বা প্ৰতিবাদ বিৰিঙি নুঠে। সহকৰ্মীয়ে অযাচিত উপদেশ দিলে ('আপুনি কিয় ঘূৰাঘূৰি কৰি মৰিছে? উই আৰ নট্ এ'ন্ অপাৰেশ্যনেল্

ষ্টাফ্, উই আৰ্ ইন্ দা ৰিচাৰ্চ্। বেছি খাটি মৰি ভৱিষ্যতে পস্তাব চাব।') তেওঁ চিগাৰেটৰ ধোঁৱাৰ মাজেৰে দূৰলৈ, যেন ভৱিষ্যতলৈ, দৃষ্টি নিক্ষেপ কৰে। কেৰাণীয়ে বাৰে বাৰে একেটা ভুল কৰিলে ('চাৰ, আপোনাৰ বিলখন চাৰ এইবাৰো ঘূৰি আহিল। সিহঁতে চাৰ....') তেওঁ যথাসম্ভৱ শীঘ্রে পুনৰ কামত নিমগ্ন হ'বৰ চেষ্টা কৰে। কলিং বে'ল টিপি পিয়ন নাপালে ('সোণেশ্বৰ বাহিৰলৈ গৈছে, চাৰ') তেওঁ নিজে ফাইল লৈ গহীন খোজেৰে ওপৰৱালাৰ কোঠালৈ পাৰ হৈ যায়। সদা-বিস্মৰণশীল বন্ধুৱে টকা ধাৰ বিচাৰি আহিলে ('তোক আগৰো কিবা অলপ দিবলৈ আছে নেকি!') তেওঁৰ গম্ভীৰ মুখত এটা শুকান হাঁহি বিয়পি যায়। প্ৰায়েই প্ৰয়োজনৰ সময়ত কাঞ্চা অনুপস্থিত থাকে, প্ৰতিবেশীৰ ৰেকৰ্ড প্লেয়াৰত ৰাতিপুৱা ব্ৰাহ্মমুহূৰ্তত অদ্ভুত ধৰণৰ ফিল্মী গান বাজি উঠে, ৰাতি দহবজাত অদূৰৰ ৰেফিউজী পৰিয়ালত কোন কাৰ লগত তুমুল কাজিয়াত মত্ত হয়, হঠাৎ মাজৰাতিৰ ত্ৰাস-ঘণ্টা বজাই ফায়াৰ্ ব্ৰিগেডৰ দুৰ্দান্ত গাড়ীবোৰ দৌৰি যায়, বন্ধৰ দিনৰ অলস মধ্যাহ্নত পৰিয়ালৰ প্ৰায় বিস্মৃত কোনোজনৰ পৰা শুভ-বিবাহ বা অন্ন-প্ৰাশনৰ নিমন্ত্ৰণী চিঠি আহে, বাইদেউৰ পৰা খোলা প'ষ্ট-কাৰ্ডৰ সৰহ চিঠিতে ভুল বানানৰ মাজত আহে অলেখ অভিযোগ আৰু ততোধিক ভিক্ট'ৰীয়ান অভিমান। আৰু তেওঁ, অকলে, মনৰ ভিতৰত এইবোৰ বিভিন্ন মাত্ৰাৰ, বিভিন্ন গভীৰতাৰ আঘাতক সযতনে ঠাই উলিয়াই দিব লগীয়া হয়। সিহঁতৰ প্ৰত্যাশিত বা আকস্মিক বিচিত্ৰ প্ৰতিক্ৰিয়াৰ পিঠিত কোমলভাৱে হাত বুলাই শান্ত কৰিব লগীয়া হয়। চাৰিওফালৰ অশান্ত, অস্থিৰ পৰিবেশৰ মাজত এটা ভাৰসাম্য অৱস্থিতিৰ চেষ্টাত, গছৰ দৰে সকলোৰে মাজত অকলশৰে জীয়াই থকাৰ চেষ্টাত এইদৰে তেওঁ প্ৰাণান্ত হৈ উঠে।

চ'ফাখনত তেওঁ মূৰটো পেলাই দিলে। 'কাঞ্চাটো পলাল নেকি'? বিৰক্ত হৈ তেওঁ ভাবিলে আৰু চকুহাল মুদি কিছুসময় সেইদৰে পৰি ৰ'ল। চিগাৰেটত শেষ হোঁপা মাৰি তেওঁ উঠিল আৰু প্ৰায় মাতাল খোজেৰে ভিতৰলৈ গ'ল। স্থূল ৰুচিৰ পুৰণি কেলেণ্ডাৰ (ৰেডিঅ' শুনি অশ্লীল ভঙ্গীত স্বল্পাবৃতা কোনো চিত্ৰতাৰকা), ইতস্ততঃ বিড়িৰ টুকুৰা, জুইশলাৰ কাঠী, ছাঁই আৰু ধূলি, বিছনাত লেতেৰা চাদৰ, অবৰ্ণনীয় গাৰুৰ কাষত চিনেমাৰ গানৰ কিতাপ, ওলমি থকা ক'লা জীৰ্ণ আঁঠুৱা— লাইটৰ পোহৰত দেখিলে কাঞ্চাৰ কোঠাত কোনো পৰিৱৰ্তন নাই, উন্নতি বা অধোন্নতিৰ চিন বা চেষ্টা একো ধৰিব নোৱাৰি। 'কাঞ্চা!' তেওঁ অধৈৰ্য হৈ চিঞৰিলে। কাষৰ ঘৰৰ খিৰিকি মুখত এখন কৌতূহলী নাৰীমুখে ভুমুকি মাৰিলে। তেওঁ লৰালৰিকৈ ভিতৰ সোমাল।

পুনৰ তেওঁ আগফাললৈ ওলাই গ'ল। পুনৰ তেওঁ এটা চিগাৰেট জ্বলাই দীঘলীয়া



টান দিলে। বৰ্ষীয়সী মহিলাৰ মুখলৈ নামি অহা বিষণ্ণ নিৰ্জীৱতাৰ দৰে পাতল অন্ধকাৰ তেওঁৰ চাৰিওফালে নামি আহিছে। ষ্ট্ৰীট লাইটৰ দুৰ্বল পোহৰ আৰু শিল আৰু গাঁতৰ প্ৰতিবন্ধক আওকাণ কৰি তেওঁলোকৰ জনবিৰল পথত সকাতৰ গতিত এখন ৰিক্সা পাৰ হৈ যাবলৈ ধৰিছে। চহৰৰ মাজৰ পৰা বৈ বৈ ভাহি আহিছে ব্যস্ত, অতিষ্ঠ মটৰৰ হৰ্ণ। কান্ধত চোলা ওলোমাই নিম্নকণ্ঠে কথা পাতি ঘৰলৈ ঘূৰিছে দুজন শ্ৰমিক। মুহূৰ্তৰ বাবে পৰিবেশ সলনি কৰি পুনৰ হেৰাই গৈছে তিনিজন কিশোৰৰ উচ্ছ্বসিত কলকণ্ঠ। আন্ধাৰৰ বুকুত উফৰি পৰি নুমাই গৈছে তেওঁৰ হাতৰ চিগাৰেটৰ জ্বলন্ত স্ফুলিঙ্গ। আৰু উদ্দেশ্যহীন, অনিশ্চিত খোজেৰে তেওঁ পুনৰ ঘূৰি গৈছে ঘৰৰ ভিতৰলৈ, নিঃসঙ্গ অস্তিত্বৰ মাজলৈ, দিনান্তত দুঃসহ ৰাতিৰ বুকুলৈ।

কিছু আশা আৰু কিছু সন্দেহেৰে তেওঁ শোৱাকোঠালৈ গ'ল, ফ্ৰিজ্‌টো খুলিলে, তেওঁৰ মুখলৈ সামান্য স্বস্তিৰ আভাস আহিল; ভিতৰত এতিয়াও এটা বীয়াৰৰ বটল কুমাৰী হৈ আছে। লোভীৰ দৰে হাতত তুলি লৈ তেওঁ বটলটোৰ দেহটো নিৰীক্ষণ কৰিলে। লাহে লাহে তেওঁ বিছনাৰ ওচৰলৈ গ'ল আৰু সৰু টেবুলখনলৈ চালে— দা ইণ্ডিয়ান্ পুলিচ্ জৰ্নাল্, চায়েন্স্ ৰিপ'ৰ্টাৰ্, এফ্ বি আই ল্ এন্‌ফ'ৰ্চ্‌মেণ্ট্ বুলেটিন্, দা পুলিচ্ চীফ্, ম'ৰ পেংগুইন্ চায়েন্স্ ফিক্‌শ্যন্ (ব্ৰায়ান্ এল্‌ড্ৰিছ্)। তেওঁ চাপৰিলে আৰু দ্ৰুত ৰুক্ষ হাতৰ সঞ্চালনেৰে আলোচনীবোৰ টেবুলৰ একাষে ঠেলি দিলে। দুখনমান আলোচনী মাটিত বাগৰি পৰিল। টেবুলৰ ওপৰত এটা ডাঙৰ গিলাচত তেওঁ বীয়াৰটো খুলিলে আৰু চাপৰ চকী এখন টানি বহি পৰিল। আৰু ঠিক সেই মুহূৰ্ততে কোঠাৰ এমূৰে থকা ডাঙৰ টেবুলখনত টেলিফ'নটো বাজি উঠিল। তেওঁৰ বোধহয় সামান্য খং উঠিল। দ্ৰুত ভ্ৰূসঙ্কোচন হৈ পুনৰ স্বাভাৱিক হ'ল। প্ৰথমে তেওঁ অনিচ্ছাৰে থিয় হ'ল, তাৰ পিছত পুনৰ লাহে লাহে বহি পৰিল। নিৰ্বিকাৰভাৱে তেওঁ টেলিফ'নটো বাৰে বাৰে বাজি কঁপি উঠা চাই ৰ'ল, যেন সেইটোৱেই তেওঁৰ একমাত্ৰ স্বাভাৱিক প্ৰতিক্ৰিয়া। কেইবাৰমান বাজি যন্ত্ৰটো নীৰৱ হৈ গ'ল। আৰু সহজভাৱে ধীৰে ধীৰে তেওঁ বীয়াৰৰ গিলাচটো মুখলৈ তুলি ল'লে।

.....আঃ, অনুচ্চাৰিতভাৱে তেওঁ নিজকে ক'লে, নিজকে চকীখনত এৰি দিলে আৰু অনুভৱ কৰিলে যেন তেওঁৰ ক্লিষ্ট দেহৰ পৰা এটা ভাৰ নামি গ'ল, কঁকালৰ কিছুমান বান্ধোন শিথিল হৈ গ'ল, ক্ৰমে বাঢ়ি অহা চাপৰ ফলত অলস তেওঁৰ মগজ আৰু স্নায়ুসমূহৰ ক্লেদ ধীৰে ধীৰে যেন গলিব ধৰিলে। তেওঁ আৰাম বোধ কৰিলে, গলাধঃকৃত বীয়াৰৰ লগত তেওঁৰ মনৰ মাজলৈ, তেওঁৰ দেহৰ মেৰু-মজ্জাৰ ভিতৰলৈ লাহে লাহে এই বোধ বৈ গ'ল আৰু তেওঁ বুজিলে যে তেওঁ আৰাম বোধ কৰিছে। আৰু তেওঁ বুজিলে যে এই আৰাম মাথোন কষ্টৰ বিপৰীত প্ৰতিজ্ঞা, এটা

নেতিবাচক অনুভূতি, ফলত মূলতঃ এটা সাময়িক বিৰতি মাত্ৰ। প্ৰতিদিনৰ বিচিত্ৰ গ্লানি ছিছিফাছৰ দৰে তেওঁ কান্ধত তুলি লয়, তাৰ ছাঁ ডাৱৰৰ দৰে বহল হৈ গৈ তেওঁৰ মন অন্ধকাৰ কৰি আনে। তেওঁৰ মনৰ বিবৰ্ণ ৰংবোৰ আন্ধাৰৰ মাজত লাহে লাহে মিলি যায়। তেওঁৰ শিথিল স্নায়ুসমূহে পুনৰ ধীৰে ধীৰে গুণ লয়।

অদৰ্কাৰী বৰ্ণনাৰ জাবৰ, উদ্ভট, অস্পষ্ট বিশ্লেষণ, ৰাশি ৰাশি তথ্যৰ ভুল (ভাষা আৰু ব্যাকৰণৰ শ্ৰাদ্ধ) আৰু বিভ্ৰান্তিকৰ পৰিসংখ্যাৰ তলৰ পৰা, অসমাপ্ত ফাইলৰ মাজৰ পৰা শ্বাসৰুদ্ধ হৈ, প্ৰায় পলাই, ক্লান্ত, বিৱশ-দেহ তেওঁ ওপঙা শেলাইৰ দৰে আয়াসহীনভাৱে গধূলিৰ ভিৰৰ সোঁতত হেৰাই যাব খোজে। ক্লাবৰ দূৰ বিমৰ্ষ চুকত এহাত দাবা, ৰেস্তোৰাঁৰ উপেক্ষিত কোণত অগভীৰ কোনো বন্ধুৰ লগত একাপ নীৰৱ সান্ধ্য-চাহ, লাইব্ৰেৰীত এঘণ্টা নিৰুপদ্ৰৱ অধ্যয়ন, বজাৰৰ বিভিন্নমুখী খেলিমেলি জনতা, নদী পাৰৰ বিৰল নিৰ্জনতা, এইবোৰৰ মাজত তেওঁ এটা কিবা, এটা অবাস্তৱতা, এটা ভাসমান অৱস্থিতি অনুভৱ কৰিবৰ চেষ্টা কৰে। অথচ এইবোৰৰ এটা ধাৰণাও তেওঁৰ মনত স্পষ্ট নহয়। তেওঁ নাজানে তেওঁ কিহৰ সন্ধান কৰিছে, কি তেওঁৰ আশা, কিহৰেই বা প্ৰতীক্ষা। অথবা আশা, প্ৰতীক্ষা, স্বপ্ন, ভৱিষ্যৎ এনে মানৱীয় দুৰ্বলতাৰ কোনো সাযুজ্য তেওঁৰ এই শেষ মধ্যাহ্নত স্বাভাৱিক নে? তেওঁৰ কিবা প্ৰতিশ্ৰুতি আছিল নে? তেওঁৰ কোনো প্ৰত্যাশা আছে নে? একোৰে প্ৰতি তেওঁৰ আকৰ্ষণ নাই। মনুষ্য বা মনুষ্যেতৰ কোনো বস্তু-সামগ্ৰীৰ লগত তেওঁৰ সম্পৰ্ক গভীৰ নহয়। বস্তুতঃ ঐকান্তিক গভীৰ যিকোনো মানৱীয় সম্পৰ্ককে তেওঁ সন্দিহান চকুৰে চাব খোজে। নিজৰ অৱস্থিতিক তেওঁ মুক্ত, একক হিচাপে অনুভৱ কৰিব খোজে। হায়, তেওঁ ভাবি চোৱা নাই যে দূৰ শূন্যত বিচৰণশীল চৰাইৰ জাকো অৱশেষত অৰণ্য আৰু তাৰ নিৰ্মম বাস্তৱৰ লগতেই সংযুক্ত। তেওঁ ভাবি চোৱা নাই যে তেওঁৰ মনৰ চাৰিওফালে আছে এখন দেৱাল, ওখ আৰু মজবুত, যি তেওঁক কৰি তুলিছে অতীত বা বৰ্তমান বা ভৱিষ্যতৰ প্ৰতি অনাসক্ত, বহিৰ্জগতৰ প্ৰতি উদাসীন। বেৰত ওলমি থকা তেওঁৰ কিশোৰ ফটোখন, স্পষ্টতঃ কাল-নিৰূপক, যি বহন কৰিছে তেওঁৰ জীৱনৰ সৰলতম দিনবোৰৰ আভাস, দ্ৰুত-নিঃশেষিত মধুৰতম মুহূৰ্তবোৰৰ সোচ্চাৰ সাক্ষ্য; কিন্তু তেওঁৰ বাবে ই এক নিৰ্জীৱ জড় পদাৰ্থ, এটা অপ্ৰয়োজনীয় স্থূল কৌশল, হয়তো সময়ত অস্বস্তিদায়ক। তেওঁ পাহৰি গৈছে তাৰ প্ৰচ্ছন্ন কাৰণ বা নিগূঢ় প্ৰেৰণা, তাৰ সুদীৰ্ঘ অস্তিত্বৰ প্ৰয়োজন। এনে নহয় যে তেওঁ অতীত বিস্মৰণ হৈছে, বৰং তেওঁৰ মুখৰ নিৰ্বিকাৰ অভিব্যক্তিৰ তলত তেওঁৰ অতীত সুৰক্ষিত। আৰু অৱশ্যেই দীঘলীয়া আৰু স্মৃতিবহুল, কিন্তু তেওঁৰ বাবে তাৰ আৰু কোনো আবেদন নাই। এটা নাম, এটা কাহিনী বা এটা সৰু ঘটনাৰ চুইচৰ সিফালে জমা হৈ আছে শক্তিশালী কোনো



অনুভূতিৰ বিদ্যুৎ, সামান্য স্পৰ্শ বা চাপৰ ফলত জলপ্ৰপাতৰ দৰে যি বাগৰি আহি তেওঁৰ হৃদয়ক আঘাত কৰিব, অৱশ কৰি তুলিব তেওঁৰ দেহ। কিন্তু নষ্টাল্‌জিয়াৰ বিলাস এতিয়া তেওঁৰ বয়স আৰু মানসিকতাৰ বাহিৰত। তেওঁ আশ্বস্ত।

নষ্টাল্‌জিয়া, এসময়ত এই অপৰিচিত শব্দটো কিমান প্ৰিয়, কিমান আপোন যেন লাগিছিল। হঠাতে এদিন তেওঁ ক'ত এই অচিনাকি শব্দটো দেখা পাইছিল, নীৰস কোনো কাহিনীত, হয়তো বিৰক্তিকৰ বৰ্ণনাৰ ভিতৰত, কিতাপৰ শুকান পাতৰ দীন, মলিন, অথৰ্ব শব্দৰাজিৰ মাজত। হঠাৎ। উজ্জ্বল কিন্তু বিনম্ৰ। মধুৰ আৰু ৰহস্যময়। আৰু তাৰ প্ৰতি, তাৰ অৰ্থ নুবুজাকৈয়ে, তেওঁৰ মনত সোমাইছিল এটা আচৰিত মোহ। বেছ কিছুদিন শব্দটো তেওঁৰ মনৰ মাজত ঘূৰা-পকা কৰি আছিল আৰু মনলৈ আহিলেই তাক তেওঁ এবাৰ গোপন মন্ত্ৰৰ দৰে মনে মনে উচ্চাৰণ কৰিছিল। এইদৰে এটা শব্দৰ লগত প্ৰথম যৌৱনত তেওঁ এক গভীৰ আত্মীয়তা অনুভৱ কৰিছিল আৰু এদিন বন্ধৰ দুপৰীয়া হোষ্টেলত নষ্টাল্‌জিয়া নামৰ গল্প এটা নপঢ়ালৈকে শব্দটোৰ প্ৰতি তেওঁৰ দুৰ্বলতা আঁতৰি যোৱা নাছিল। কিন্তু শব্দটোৰ প্ৰতি মোহভঙ্গত ক্ৰুদ্ধ বা বিৰক্ত হোৱাতকৈও অতিশয় আচৰিত হৈ তেওঁ ভাবিছিল যে অবনীৰ—তেওঁৰ বন্ধু অবনীৰ—দৰে এজন তীব্ৰ সংবেদনশীল তৰুণ কবিয়েও কেনেকৈ এনে এটা অখাদ্য গল্প লিখিব পাৰিলে। বহুকালৰ পিছত এদিন বাতৰি কাকতৰ উপেক্ষিত চুকত 'ডেকা অধ্যাপকৰ মৃত্যু'ৰ খবৰ পঢ়ি (কি হৈছিল তাৰ? আল্‌চাৰ? এপেণ্ডিচাইটিচ্?) তেওঁৰ অবনীলৈ মনত পৰিছিল। আৰু, কি আশ্চৰ্য, তাৰ সদ্য পিতৃহীন তীব্ৰ, কোমল, গোলাপ শিশুৰ দৰে কবিতাবোৰলৈ নহয়, এই অকালকুষ্মাণ্ড ক্লিশে-কণ্টকিত গল্পটোলৈ। বোধহয় এই কাৰণে যে ই তেওঁৰ অৱচেতনাৰ ঈৰ্ষাক সামান্যভাৱে খজুৱাই গৈছিল। বা হয়তো গল্পলেখকজনৰ প্ৰতি তেওঁৰ অৱচেতনাই পুহি ৰাখিছিল কোমল এটি প্ৰতিহিংসা। অথচ জ্ঞানতঃ তেওঁ কোনোদিন অবনীক ঈৰ্ষা কৰা নাছিল বৰং সাহিত্য সম্পৰ্কে সাংঘাতিক কোনো উৎসাহ নথকা সত্ত্বেও বন্ধু হিচাপে তাক উল্লেখ কৰি মনে মনে বোধ হয় তাৰ কবি খ্যাতিৰ ভাগ লৈছিল। এনেকি স্নেহ বশতঃ অবনীক তেওঁ কোনোদিন, তাৰ সেই অদ্ভুত গল্পৰ পিছতো, কঠোৰ সমালোচনা কৰা নাছিল। সেই সময়ত তেওঁৰ জীৱনত এই ধৰণৰ অদ্ভুত ঘটনা কিছুমান ঘটে। অবনীৰ লগত হঠাৎ কি ধৰণে জানো বন্ধুত্ব হৈ যায় আৰু অবনীয়ে তেওঁক—কি আচৰিত খেয়াল—কাছাৰীঘাটৰ নিঃসঙ্গ খেজুৰ গছ, সাত পাহাৰৰ অসহায় নিৰ্জনতা আৰু নৈৰ ঘাটৰ বিহাৰী নাৱৰীয়াৰ বিশাল বন্ধ দোলায়মান নাৱৰ গৰ্ভলৈ ফুৰিবলৈ লৈ যায়। এদিন শীতৰ সন্ধ্যা হোষ্টেলৰ কোঠাত অকলশৰে এখন বাংলা আলোচনীৰ পাতত অকস্মাৎ তেওঁ 'ক'লোক্ চাঁতিমতাল্' পঢ়ি উঠে আৰু প্ৰায় এসপ্তাহ এক আশ্চৰ্য অননুভূতপূৰ্ব বিষাদৰ ঘোৰত তেওঁ নিমজ্জিত হৈ ৰয়। ত্ৰিদিব

তেওঁৰ ৰুমমে'ট আৰু বন্ধু হয় আৰু তাৰ বন্ধুত্বৰ উষ্ণতাৱে তেওঁক অসহজ কৰি তোলে। আৰু ত্ৰিদিবৰ বহিৰ্মুখিতাই বিজ্ঞান আৰু পৃথিৱী সম্পৰ্কে, এইবোৰৰ বিপুল সম্ভাৱনা সম্পৰ্কে, সময়ৰ নিষ্ঠুৰ আৰু প্ৰচণ্ড গতিশীলতা সম্পৰ্কে তেওঁক সজাগ আৰু সচকিত কৰি তোলে। আৰু হঠাৎ এদিন আধুনিক পাশ্চাত্য সভ্যতাৰ বিচিত্ৰ প্ৰভাৱৰ সন্মুখত ভাৰতীয় তৰুণ বিষয়ক তেওঁৰ এখন সুদীৰ্ঘ চিঠি এখন অভিজাত জাতীয় দৈনিক সংবাদপত্ৰত প্ৰকাশ হয়। সেই সময়ত এইবোৰ ৰীতিমতে একো একোটা ঘটনা। এতিয়া অনেক কাল হ'ল, এই ঘটনাবোৰৰ মূল্য বা গুৰুত্ব—হয়তো বা অস্তিত্বই—সকলোৰে বাবে হেৰাই গৈছে।

অবনীক প্ৰায় সম্পূৰ্ণ পাহৰি যোৱাৰ আগতে বাতৰি কাকতৰ মাৰফৎ তেওঁ খবৰ পালে যে অবনী নাই, এজন ডেকা অধ্যাপকৰ মৃত্যু হৈছে ('উল্লেখযোগ্য যে অধ্যাপক দত্তই তৰুণ অসমীয়া কবিসকলৰ মাজত এক বৈশিষ্ট্যপূৰ্ণ স্থান লাভ কৰিছিল')। ত্ৰিদিবৰ তেনে কোনো খবৰ এতিয়াও পোৱা নাই (সি অৱশ্যে আল্চাৰ বা এপেণ্ডিচাইটিচত ঢুকাব লগীয়া নহয়।)। এটা পুৰণি খবৰ মতে সি আমেৰিকাত এটা দৈত্যাকাৰ ইলেক্‌ট্ৰনিক্স্ কোম্পানীত ওখ খাপৰ বিষয়া। বিদেশলৈ গৈ প্ৰথম চিঠিত ত্ৰিদিবে লিখিছিল, 'ইয়াত আহি ঠাণ্ডা 'বনি' গৈছোঁ একেবাৰে। কিমান কথা শিকিবলৈ আছে, কিমান অপাৰ বস্তু আছে জানিবলৈ। ইমান দিনে যিবোৰ শিকিছোঁ সেইবোৰ পুৰণি কথা হৈ পৰিছে। কালিৰ জ্ঞান আজি ডে'টেড্ হৈ গৈছে। নিত্য-নতুন পদ্ধতি, নিত্য-নতুন জ্ঞান। কি অভাৱনীয় কাৰবাৰ......! মোলৈ চিঠি-পত্ৰ দি থাকিবি। তহঁতৰ পৰা কিছু উত্তাপ বিচাৰোঁ, প্ৰেৰণা বিচাৰোঁ। বহুত কাম কৰিবলৈ বাকী আছে। বহুত কিবা-কিবি কৰিব লাগিব। আৰু উত্তৰত তেওঁ লিখিছিল......'তই এটা অদ্ভুত প্ৰস্তাৱ কৰিছ। থাৰ্ম' ডাইনামিক্সৰ দ্বিতীয় বিধিটো তই নিশ্চয় পাহৰিব নোৱাৰ। তেন্তে মোৰ পৰা কেনেকৈ উত্তাপ বিচাৰিছ? বোধহয় প্ৰথম শ্বক্‌টোৱে তোক কিছু ইম'শ্যনাল্ কৰি দিছে। এইটো পাৰ হৈ যাব, চিন্তা নকৰিবি।' তাৰ পিছত কোনোটোৱে কাৰোপৰা উত্তাপৰ প্ৰয়োজন হোৱা নাই, পত্ৰ-বিনিময় হোৱা নাই। ত্ৰিদিবে নিশ্চয় বহুত কিবা কৰিছে। ডিগ্ৰী লৈছে, ইটোৰ পিছত সিটো চাকৰি সলাইছে। যু'ৰোপলৈ গৈছে, জাৰ্মেনিত কোন এটা ষ্ট্ৰাচেত এখন মনিহাৰি দোকানত প্ৰাক্তন প্ৰেমিকা শেফালিক হঠাৎ গল্পত পোৱাৰ দৰে লগ পাই গৈছে, স্কাণ্ডিনেভিয়াৰ মুক্ত যৌনতাত মত্ত হৈছে, প্ৰেম বা বিবাহ কৰিছে আৰু পুনৰ ঘৰলৈ ঘূৰাৰ আনন্দেৰে আমেৰিকালৈ ঘূৰি গৈছে। কিন্তু ত্ৰিদিবৰ কথা তেওঁ কোনোদিন ভাবিব বা মনত পেলাব লগা হোৱা নাই। বহুদিনৰ আগেয়ে তেওঁ বুজিছে যে ত্ৰিদিব বা অবনী, ভেৰ্লেন্ বা সাতপাহাৰৰ ৰাতি, পৃথিৱীত ভূমাৰ স্বপ্ন আৰু বাতৰি কাকতৰ 'কাৰেছ্‌পণ্ডেন্স্ ক'লাম'ত দেশৰ তৰুণৰ ভৱিষ্যৎ চিন্তা এই সকলোবোৰৰে অৱশ্যেই



এটা অৰ্থ আছিল। তেওঁৰ ভিতৰত এটা সত্তাই অনুভৱ কৰিব বিচাৰিছিল, জানিবলৈ বিচাৰিছিল আৰু অনিশ্চিতভাৱে কিবা কৰিব খুজিছিল (কি কিবা তেওঁ নাজানিছিল)। কিন্তু সেই সকলোবোৰ মূলতঃ আভ্যন্তৰীণ এটা অস্থিৰতা আৰু অনিশ্চয়তাৰে প্ৰতিফলন। আৱেগ আৰু সৰল শুভ-বুদ্ধিৰ বাহিৰে সিহঁতৰ পিছত নাছিল কোনো যুক্তিৰ সংঘাত-মথিত প্ৰত্যয় অথবা কোনো চেতনাৰ প্ৰেৰণাদীপ্ত অভিজ্ঞান। আৰু অৱশ্যম্ভাৱীভাৱেই সেই অনেক বিস্ময়কৰ ঘটনা বা ৰহস্যময় অভিজ্ঞতাই সময়ৰ লগে লগে তেওঁৰ বাবে সিহঁতৰ তাৎপৰ্য হেৰুৱাইছিল আৰু তেওঁৰ মনৰ পৰা এসময়ত অন্তৰ্হিত হৈ গৈছিল।

তদুপৰি তেওঁ বুজিলে যে তেওঁ নিৰন্তৰ সময়ৰ বিৰুদ্ধে আগবাঢ়িছে। কুটিল-দেৱতা-সদৃশ সময়ৰ হিম-হাতৰ পৰিহাসপূৰ্ণ আশীষ্ তেওঁ মূৰ দোঁৱাই লৈছে। মানুহৰ প্ৰতি ধীৰে ধীৰে হেৰুৱাই পেলাইছে দুৰ্বলতা, বন্ধু বা আত্মীয়ৰ প্ৰতি আগ্ৰহ্। ভোটা হৈ আহিছে যৌৱনৰ প্ৰখৰ অনুভূতিৰাশি। পৃথিৱী আৰু তাৰ বিভিন্ন বস্তুনিচয়ৰ প্ৰতি হেৰাই গৈছে এসময়ৰ মোহ আৰু কৌতূহল। গভীৰ এক নিৰ্বেদেৰে পূৰ্ণ হৈ স্থিৰ হৈ পৰিছে তেওঁৰ মন। নিজৰ চাৰিওফালে এদিন তেওঁ চকু বুলাই চালে আৰু দেখিলে যে সকলোবোৰ আগবাঢ়ি গৈছে—যাৰ যি বাটত—কোনো ৰোৱা নাই, মাত্ৰ তেওঁ অকলে পিছ পৰি গৈছে, তেওঁ ইতিহাসৰ পৰিচিত পেটাৰ্নত মিলি যাব ধৰিছে, আৰু তেওঁ অনুভৱ কৰিলে এই উপলব্ধি বহুসময়ত বিস্বাদ হৈ তেওঁৰ অন্তৰত লাগি ৰৈছে। তেওঁৰ মনলৈ ক্ষোভ আহিল, আক্ৰোশ আহিল আৰু তেওঁ নিজৰ ওচৰত নিজৰ ভৱিষ্যৎ সম্বন্ধে প্ৰতিজ্ঞা কৰিলে। তাৰ পিছত কিমান কষ্ট, কত দুৰ্দিন আৰু বিপৰ্যয়, অপমান আৰু গ্লানি, আশা আৰু অপেক্ষা, আশাভঙ্গ আৰু অপেক্ষা আৰু পুনৰ আশা আৰু পুনৰ অপেক্ষা, যিবোৰৰ মাজত মন আৰু শৰীৰ জৰ্জৰি। কেৰাণীৰ মলিন টেবুলৰ পৰা হাই স্কুলৰ নিৰ্জীৱ কমনৰুম, তাৰ পৰা বাতৰি কাগজৰ ঈৰ্ষাতপ্ত নিউজৰুম্ আৰু অৱশেষত, এটা শেষ চেষ্টাত, যাক আজিকালি কোৱা হৈছে আৰক্ষী বিভাগৰ দায়িত্বপূৰ্ণ উচ্চ চৰকাৰী পদ। আৰু আচৰিত, অভীপ্সিত লক্ষ্যত থিয় হৈ তেওঁ বুজি উঠিল কি অৰ্থহীন তেওঁৰ আক্ৰোশ, কি স্থূল, সীমিত আৰু ব্যক্তিগত তেওঁৰ প্ৰতিশোধৰ জেদ। কিন্তু ইয়াৰ পিছত আৰু ধৈৰ্যৰ প্ৰশ্ন নুঠে; তেওঁ অত্যন্ত পৰিশ্ৰান্ত। ৰক্তাক্ত বাস্তৱৰ মাজত তেওঁ অনেক তেজ আৰু শ্ৰম ক্ষয় কৰিছে; তেওঁৰ চেহেৰা সলনি হৈ গৈছে। এসময়ত তেওঁৰ এটা জেদ আছিল, এটা গোপন দুৰ্বল আশা আছিল যে এদিন বিস্ময় বা ঈৰ্ষাত অবাক দৃষ্টিৰে সকলোৱে তেওঁলৈ ঘূৰি চাব আৰু তেওঁ কৃত্ৰিম অসহজতাৰে তেওঁলোকক বিজয় বিনম্ৰ হাঁহিৰ সম্ভাষণ জনাই আগুৱাই যাব। কিন্তু তেওঁ বুজিলে তেওঁৰ যৌৱনৰ সংগ্ৰাম এক কৰুণ মূৰ্খামি, তেওঁৰ বিজয় ইতিহাসৰ পৰিচিত এটা অতি সাধাৰণ কাহিনী।

তেওঁ গিলাচত পুনৰ কিছু বীয়াৰ ঢালিলে আৰু তাৰ গাঢ় ৰংটোত মনোনিবেশ কৰি বহি ৰ'ল। তেওঁৰ দেহৰ অভ্যন্তৰলৈ সোমাই যাব খোজা প্ৰতিটোপা পানীয়ৰ ভিতৰলৈ তেওঁ সোমাই যাবৰ চেষ্টা কৰিলে। আসক্তিৰ ফেনায়িত উচ্ছ্বাস পাৰ হৈ গিলাচৰ পানীয়ৰ লগত তেওঁ একান্ত আত্মীয়তা অনুভৱ কৰিলে। অপৰাধী কুকুৰৰ দৰে অস্থিৰ অৱনত দৃষ্টিৰে কাঞ্চা দুৱাৰমুখেদি অহা-যোৱা কৰিব ধৰিছে। তেওঁ তাক অগ্ৰাহ্য কৰিলে আৰু গিলাচটো তুলি ল'লে। তেওঁৰ আৰাম লাগিছে। তেওঁ স্বস্তিবোধ কৰিছে। চকীখনত আঁউজি তেওঁ দেহাৰ ভাৰ এৰি দিছে। তেওঁ কিছুসময় এনেকৈ কটাব খোজে। অকলশৰে। বিচ্ছিন্ন আৰু বিলুপ্ত হৈ। নীৰৱে বীয়াৰ পান কৰি। পুৰণি ক্লান্তি আৰু দীৰ্ঘ অৱসাদৰ পৰা এঙামূৰি দি। তেওঁ আৰু কিছু বীয়াৰ অনোৱাৰ কথা ভাবিলে। কিন্তু তেওঁৰ অৰ্ডাৰ্লি ছুটীত গৈছে আৰু কাঞ্চাটো এটা অলগদ্ধ, তেওঁৰ লগে লগে মনত পৰিল। আৰু ঠিক সেই সময়তে কোঠাৰ টেলিফ'নটো বাজি উঠিল। তেওঁৰ খং নুঠিল। টেলিফ'নটোকো তেওঁ অগ্ৰাহ্য কৰিলে আৰু ভাৱলেশহীন মুখেৰে বেফিকিৰ ভঙ্গীত ধীৰেৰে গিলাচটো তুলি লৈ বীয়াৰখিনি ডিঙিত বাকী দিলে। তাৰ পিছত তেওঁ ঘৰৰ বাহিৰ ওলাল।

উদ্দেশ্যহীনভাৱে ক্ৰমে ভিৰ আৰু কোলাহলৰ মাজলৈ তেওঁ খোজকাঢ়ি যাব ধৰিলে। লাইব্ৰেৰীৰ ওচৰ পাই তেওঁ গতি ধীৰ কৰিলে, কিন্তু তেওঁ লাইব্ৰেৰীত নোসোমাল, আকৌ আগবাঢ়িলে। চহৰখনত হঠাৎ হুলস্থূল আৰু হেঁচা-ঠেলা বেছি হৈ যোৱা যেন লাগিল। নিজৰ অজানিতে তেওঁ নিৰ্ভুলভাৱে তেওঁৰ প্ৰিয় ৰেস্তোৰাঁখনৰ সন্মুখ পালেহি। ই সম্প্ৰতি ইন্‌টেলেক্‌চুৱেল্‌সকলৰ দখলত, চুকত তেওঁলোকৰ পৰিচিত ধূমায়িত আড্ডা। কিন্তু পাৰ হৈ তেওঁ ক'লৈ যাব, তেওঁ ভাবিলে। তেওঁৰ কোনো গন্তব্য নাই। তেওঁ পলাই আহিছে তেওঁৰ টেলিফ'নটোৰ পৰা, তাৰ বাৰম্বাৰ আহ্বানৰ পৰা, অতি পৰিচিত, বিতৃষ্ণাপূৰ্ণ তেওঁৰ নিজৰ জগৎখনৰ পৰা। তেওঁ জোৰকৈ খোজ আগবঢ়ালে আৰু নিজকে উদ্দেশ্যহীনভাৱে পথত এৰি দিলে।

বহুত কৰিছে তেওঁ। অনেক কৰ্তব্য, অনেক দায়িত্ব গভীৰ নিষ্ঠা আৰু আনুগত্যৰে তেওঁ পালন কৰি আহিছে। জাঁপ মাৰি উঠি টেলিফ'ন ধৰিছে; সোঁহাতে বেতন, বাওঁহাতে টুপী থাপ মাৰি লৈ দৌৰি উঠিছে জীপত, বিনাপ্ৰশ্নে, বিনাতৰ্কে হস্তদন্ত হৈ ঢাপলি মেলিছে কোনো অনিৰ্দিষ্ট সন্ধানত। সময় নাই, সময় নাই। শান্তি আৰু শৃংখলা। ইমাৰ্জেন্সি আৰু আভ্যন্তৰীণ নিৰাপত্তা। টেলিফ'ন-ৱায়াৰ্‌লেছ্‌, মটৰ চাইকেল-জীপ, ঘূৰাঘূৰি-দৌৰাদৌৰি, খোৱা-শোৱাৰ কোনো পাত্তা নাই, সকলোতে কেৱল অনিয়ম আৰু অসময়। হয়তো কোনোদিন ক্লান্তিত কুঁজা হৈ আহি গাৰ কোট বিছনালৈ দলিয়াই দিছে আৰু এটা অস্ফুট শব্দেৰে দেহৰ ভাগৰবোৰ ঠেলি উলিয়াই পঠাবৰ চেষ্টা



কৰি, যেন কষ্টৰ ওচৰতে নিজকে সমৰ্পণ কৰিব খুজিছে এনে ভঙ্গীত দুহাত মূৰৰ ওপৰত তুলি আৰামী চকীখনত নিজকে ঠিক এৰি দিছে মাত্ৰ (বীয়াৰৰ অভ্যাসটো তেতিয়াও নিয়মিত হোৱা নাই), আৰু সেই মুহূৰ্ততে শব্দ হৈছে ক্ৰিং ক্ৰিং আৰু তেওঁ জঁপিয়াই উঠিছে যেন চাবি এৰি দিয়া স্প্ৰিং, টেলিফ'ন তুলি স্মাৰ্ট, সপ্ৰতিভ কণ্ঠত উত্তৰ দিছে আৰু তাৰ পিছত কোটটো টানি লৈ পুনৰ ব্যস্তভাৱে বাহিৰলৈ ওলাই গৈছে। ৰাতি এক বজাত লগত নগেন বৰ্মনক লৈ জীপ দৌৰাইছে পানীখাইতিৰ বিপদসঙ্কুল ঘাটিলৈ, কুখ্যাত কালাপাহাৰলৈ, শেষ ৰাতি ছাত্ৰ নেতাক বিচাৰি গভীৰ অস্বস্তি আৰু উত্তেজনাৰ মাজেৰে সোমাই গৈছে পুলিচ-বেষ্টিত ছাত্ৰাবাসৰ চৌহদৰ ভিতৰলৈ।

তেওঁৰ অতীত কীৰ্তিবিহীন, অস্মৰণীয়, শ্ৰম আৰু দুৰ্ভোগৰ এক কঠোৰ ইতিহাস মাত্ৰ। জীৱনৰ প্ৰতি কোনো স্থিৰ এটিটিউড্‌, গভীৰ আদৰ্শ, দীৰ্ঘ পৰিকল্পনা বা দূৰতৰ কোনো লক্ষ্য, অনেকৰ জীৱন যিবোৰ সুনিৰ্দিষ্ট অৱলম্বনত বিকশিত হয়, তেওঁৰ বাবে সেইবোৰ কোনোদিন ৰচিত হোৱা নাছিল। এইকাৰণে যে তেওঁৰ বৰ্তমান আছিল অস্থিৰ আৰু ভৱিষ্যৎ এক অনিশ্চয়ৰ অন্ধকাৰ। কিন্তু অতীতৰ বাবে তেওঁ কোনো অনুতাপ নকৰে, কিয়নো যে ই তেওঁক অভিজ্ঞ আৰু নিৰ্বিকাৰ কৰিছে, বৰ্তমানৰ প্ৰতি বেপৰোৱা কৰিছে আৰু ভৱিষ্যতক তেওঁৰ বাবে কৰি তুলিছে তুচ্ছ। দুৰ্দশাৰ অন্ধকাৰৰ শেষত এদিন যেতিয়া তেওঁ বাস্তৱক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিলে, তেতিয়া হঠাৎ আচৰিত ধৰণে তেওঁৰ স্বপ্নভঙ্গ হ'ল। তেওঁ বুজিলে এক বিশাল পৃথিৱী এৰি থৈ আহি তেওঁ এটা পুৰণি সংকীৰ্ণ গলিত সোমাই পৰিছেহি। বহু অন্ধ মোহ আৰু বিলাসী স্বপ্নৰ মায়াজালে হঠাতে তেওঁক এৰা দিলে। তেওঁ হ'ব খুজিলে কেৱল এজন সুদক্ষ বিষয়া, নিজৰ কাম আৰু কামৰ জগতত নিমগ্ন, নিঃসংযোগ আৰু নিঃসঙ্গ। তেওঁ অৰ্জন কৰি ল'লে এক নতুন ব্যক্তিত্ব, দায়িত্বৰ চাপত গম্ভীৰ, নিষ্ঠা আৰু সততাৰ স্পৰ্শত আন্তৰিক। এক অন্ধ আক্ৰোশেৰে যেন তেওঁ নিজক সুপ্ৰতিষ্ঠিত কৰিব খুজিলে। নিৰ্বিকাৰ, আপোচহীন একক প্ৰচেষ্টাৰে তেওঁ দাবী কৰিলে সেই সন্মান যাৰ পৰা তেওঁ চিৰকাল বঞ্চিত হৈ আহিছে। তেওঁৰ পুৰণি অধ্যয়নৰ অভ্যাসক তেওঁ কামত লগাবলৈ চেষ্টা কৰিলে। হায়দৰাবাদত বহা একাদশ সৰ্বভাৰতীয় আৰক্ষী সেৱা সন্মিলনৰ ছুভেনিৰত এটা প্ৰবন্ধযোগে তেওঁ আগবঢ়ালে এটা অভিনৱ প্ৰস্তাৱ ঃ আৰক্ষী বাহিনীৰ বাবে বিষয়াৰ স্তৰত পদাতিক বাহিনীৰ যুদ্ধাস্ত্ৰ আৰু ৰণকৌশলৰ প্ৰশিক্ষণ (সম্প্ৰতি দেশৰ ঠায়ে ঠায়ে হোৱা অশান্তি আৰু জনজাগৰণৰ বিৰুদ্ধে যিটো বৰ্ধিত সফলতাৰে প্ৰয়োগ কৰা হৈছে)। তেওঁ দুঃসাহসেৰে দেখুৱালে যে দিল্লী আৰু কলিকতাৰ সাম্প্ৰতিক এক্‌ষ্ট্ৰিমিষ্ট্‌ ভায়'লেন্স্‌ আৰু গেংষ্টাৰিজ্‌মৰ সন্মুখত দেশৰ প্ৰথম শ্ৰেণীৰ আৰক্ষী শক্তিৰ সীমাবদ্ধতা প্ৰমাণিত হৈ গৈছে। ইণ্ডিয়ান্‌ পুলিচ্‌ জাৰ্ণালৰ কোনোবা এটা সংখ্যাত

অপ্রত্যাশিতভাৱে ওলাল তেওঁৰ এটা চুটি, অত্যন্ত টেক্‌নিকেল্ প্ৰবন্ধ ঃ 'থ্রি ডাইমেন্সনেল্ এটেক্', য'ত তেওঁ প্ৰমাণ কৰিব খুজিলে শান্তিৰ সময়ত জনপূৰ্ণ চহৰৰ মাজত মুখামুখি টু-ডাইমেন্সনেল্ আক্ৰমণ পদ্ধতি কিদৰে যুক্তিহীন আৰু কিদৰে তাৰ আধুনিক বিকল্প হিচাপে প্ৰচুৰ সফলতাৰে ব্যৱহাৰ কৰিব পৰা যায় 'ইম্প্ৰ'ভাইজড্ ভাৰ্টিকেল্ এন্‌ভেলপ্‌মেন্ট্', যাৰ উল্লেখ আচৰিত ধৰণে তেওঁ পাইছিল এখন বহুল প্ৰচাৰিত মাৰ্কিন্ ক্ৰাইম্-নভেলত (টাইম্ নিউজ্-মেগাজিনত বহুসপ্তাহ ধৰি এক নম্বৰ বে'ষ্ট্-চেলাৰ্)।

এইবোৰ কোন কাহানিৰে কথা, দুৰ্যোগৰ শেষৰ ফালে ফৰকাল সময়ৰ, চাকৰি জীৱনৰ প্ৰথম দিশৰ। তেওঁ জানিছিল এই ধৰণৰ উৎসাহ হয়তো অৰ্থহীন, হয়তো কুহুমীয়া প্ৰশংসাৰ অস্বস্তিকৰ হাত বুলনি, শীতল ঈৰ্ষাৰ আমোদজনক ভ্ৰূকুটি ইয়াৰ বাবে তেওঁ সহ্য কৰিব লাগিব। তদুপৰি তেওঁ জানে, সকলোৱেই জানে, শক্তিৰ যাদুকৰী কোন অদৃশ্য হাতত, কাৰ ইংগিতত নিৰ্ধাৰিত হয় বিদেশৰ প্ৰশিক্ষণ, প্ৰমোশ্যন্, চেণ্ট্ৰেল্ কে'ডাৰ্, ডেক'ৰেশ্যন্। তথাপি হঠাৎ এদিন তেওঁক পঠোৱা হ'ল স্পেচিয়েল্ ব্ৰাঞ্চলৈ—জেনেৰেল ডিউটিৰ পৰা ইন্‌ভেষ্টিগেশ্যন্ আৰু ৰিচাৰ্চ—এটা অনিশ্চয় স্বীকৃতিৰ সূচক। ইতিমধ্যে অৱশ্যে তেওঁৰ কাণ্ডজ্ঞান বাঢ়িছে। তেওঁ সহজে আচৰিত নহ'বলৈ শিকিছে। তেওঁৰ বাহ্যিক উচ্ছ্বাসহীনতাই এক অভেদ্য শীতলতাৰ পৰ্যায় লাভ কৰিছে। আত্মবিশ্বাস আৰু কঠোৰতা তেওঁ সম্পূৰ্ণ আয়ত্ত কৰিছে। তেওঁ বিশেষ শাখালৈ আনিলে এটা প্ৰচ্ছন্ন ব্যক্তিগত চাপ, আধুনিকতা আৰু সজীৱতা। তেওঁৰ চেষ্টাত বিদেশৰ পৰা আহিল হাই-ফ্ৰিকুৱেন্সি ৱাকী-টকী, চাইক'লজিকেল্ ষ্ট্ৰে'চ্ ইভেলুৱেটৰ্ (পলীগ্ৰাফ্ লাই ডিটেক্টৰতকৈ যিটো বহুগুণে উন্নত), বিভিন্ন, 'গেজেট্' বিভিন্ন ইলেক্‌ট্ৰনিক্ ডিভাইচ্। আৰু এসময়ত যেতিয়া কেন্দ্ৰৰ নিৰ্দেশ আৰু সহযোগত উগ্ৰপন্থী কাৰ্যকলাপৰ অধ্যয়ন আৰু অনুসন্ধানৰ বিশেষ উদ্দেশ্যৰে এটা স্পেচিয়েল্ চে'ল্ প্ৰতিষ্ঠা কৰা হ'ল, তেওঁক দিয়া হ'ল এটা নতুন উচ্চ পৰ্যায়ৰ দায়িত্ব—পুনৰ এটা অস্পষ্ট সন্মান। আৰু তেওঁ দেখিলে তেওঁৰ চাৰিওফালৰ বিভিন্ন দৃষ্টি আৰু কণ্ঠলৈ আহিছে শ্ৰদ্ধা, প্ৰশংসা, ঈৰ্ষা আৰু কুটিলতা। কোমল গদীযুক্ত তেওঁৰ নতুন আসনত বহি তেওঁ চকু মুদিলে আৰু তেওঁৰ ওঁঠ চেপি ধৰা প্ৰায় অদৃশ্য ম্লান বিষণ্ণ হাঁহিটো মাৰিলে। .....ক্ৰিং ক্ৰিংকৈ ক'ৰবাত টেলিফ'ন বাজিল। তেওঁ চক্ খাই ঘূৰিল। কাষৰ ঘৰৰ ওপৰ মহলাত খিৰিকিৰ কাষত কোনোবা এজনী দৌৰি আহি এটা টেলিফ'ন তুলি ল'লে। -তাইৰ লাহী গাত এখন আকাশী শাৰী, নিয়নৰ পোহৰত তাইৰ পিঠিফালটো মাত্ৰ দেখা গৈছে আৰু তাই উচ্চ কণ্ঠে কৈছে, 'হেল', অ' কুকি, তুমি যে কি ভাই, মোৰ খুব খং উঠিছে জানা.....'; কাষেদি পাৰ হৈ যোৱা এখন মটৰৰ শব্দত



তাইৰ কণ্ঠ হেৰাই গ'ল আৰু তেওঁ চকু নমাই আকৌ আগবাঢ়িব ধৰিলে। ঘৰৰ টেলিফ'নটোলৈ তেওঁৰ মনত পৰিল। এই যন্ত্ৰটো! তেওঁৰ মনলৈ এটা বিতৃষ্ণাৰ ভাব আহিল। এই সৰু যান্ত্ৰিক ব্যৱস্থাটো, অনেক বছৰৰ আগতে যি তেওঁক কৰিছিল পদবীসচেতন আৰু উদ্যোগী, আজি ব্যৱহাৰ-মলিন সি তেওঁক কেৱল বিৰক্ত কৰি তোলে। দিনটোত হাজাৰবাৰ—অফিচত, ঘৰত, ক্লাবত, আনকি তেওঁৰ প্ৰিয় চাহৰ দোকানখনত—সি তেওঁৰ স্নায়ুসমূহক উত্যক্ত কৰে, যাৰ ফলত এনেকি কোনো নিৰুপদ্ৰৱ নিশা টোপনিৰ গভীৰতাতো তেওঁ অৱচেতনাৰ তলিত শুনে আঁকোৰ-গোজ এটা টেলিফ'নৰ উদ্ধত জৰুৰী আহ্বান, ক্ৰিং ক্ৰিং ক্ৰিং ক্ৰিং ক্ৰিং...। তেওঁৰ হঠাৎ ভাব হ'ল, এক মুহূৰ্তৰ বাবে, টেলিফ'নটো যেন জৰুৰী আছিল....নাঃ তেওঁ অদৰকাৰীভাৱে বেছি কৰি আহিছে চিৰকাল, তেওঁ ভাবিলে। কোনো প্ৰয়োজন নাই, তেওঁৰ বাহিৰেও অনেক মানুহ আছে, তেওঁ এদিন এটা টেলিফ'ন নধৰাৰ বাবে যদি জহন্নামে যায় দেশ, যাওক। তেওঁ নীৰৱে এঘণ্টা অকলে কটাব খোজে। শান্তিত এগিলাচ বীয়াৰ খাব খোজে। এপাক ফুৰিব খোজে। তাৰ বাবে যদি ৰসাতলে যায় শান্তি আৰু শৃংখলা, তেওঁৰ একো কৰিব লগীয়া নাই; তাৰ বাবে তেওঁ বৰং ঘূৰি গৈ আৰু এগিলাচ বীয়াৰ খাব।

নদীৰ পাৰৰ ঠেক বাটেদি তেওঁ আগবাঢ়িছিল। ইয়াতো মানুহ, অজস্ৰ অচিনাকি মুখৰ অহা-যোৱা। অপেক্ষাকৃত কম পোহৰ পৰা ঠাই এডোখৰত তেওঁ বাটৰ কাষত নদীৰ ফালে চাই থিয় দিলে। এজাক বতাহ মাৰিছে। পাতল অন্ধকাৰৰ মাজত নদীৰ সুবিস্তৃত বুকু। দূৰত, নদীৰ মাজত আৰু সিপাৰত, ক্ষুদ্ৰ ক্ষুদ্ৰ পোহৰ বিন্দু। মানুহবোৰৰ কথা তেওঁ পাহৰি গ'ল। অন্ধকাৰাচ্ছন্ন নদী আৰু আকাশৰ বিস্তৃতিৰ মাজত তেওঁ অকলশৰীয়া হৈ থিয় দি ৰ'ল। ....এসময়ত লাহে লাহে তেওঁৰ মনলৈ আহিছিল এটা আচহুৱা অনুভূতি। যিখন পৃথিৱীত নিজৰ অস্তিত্ব সপ্ৰমাণ কৰিবলৈ তেওঁ তেওঁৰ ৰক্ত, ঘাম, বীৰ্য ক্ষয় কৰিছিল, তেওঁক পাহৰি থকা যি পৃথিৱীৰ আদৰ আৰু আত্মীয়তা লাভ কৰিবলৈ তেওঁ প্ৰাণান্ত হৈছিল, সেইখন পৃথিৱী, তেওঁৰ অনুভৱ হ'ল, তেওঁৰ অস্তিত্বৰ বাবে অপৰিহাৰ্য নহয়, তাৰ লগত তেওঁৰ কোনো আত্মিক যোগাযোগ নাই। অনায়াস জীৱনৰ অতি পৰিচিত ব্যাপ্তিৰ মাজত, সূচীবদ্ধ নিয়মিত ক্ৰিয়া-কৰ্তব্যৰ ঘঁহনিত, অতিবাহিত কালি আৰু সুনিশ্চিত আজিৰ ক্লান্তিত, নিষ্প্ৰয়োজন কিন্তু অৱশ্যম্ভাৱী ভৱিষ্যতৰ অপেক্ষাত তেওঁ অনুভৱ কৰিলে তেওঁৰ সত্তাৰ বিস্তৃতি আৰু গভীৰতা ক'ৰবাত হেৰাই গৈছে। এটা বিশাল যান্ত্ৰিক প্ৰবাহৰ তেওঁ মাত্ৰ এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ অঙ্গ। মানুহে য'ত পাহৰি যায় তাৰ মহত্ত্বৰ বিকাশৰ সম্ভাৱনা, উচ্চতৰ কোনো সন্ধানৰ প্ৰয়াস, তেনে এক সুপৰিব্যাপ্ত বৃহৎ ষড়যন্ত্ৰৰ তেওঁ এটি তাৎপৰ্যহীন সামান্য আহিলা।

আত্মবিস্মৃত হৈ এই যে তেওঁ হাজাৰটা বিভিন্ন সমস্যাৰ মাজত দিনে-ৰাতিয়ে নিমগ্ন হৈ ৰৈছে, যেন তেওঁৰ ওপৰত ন্যস্ত হৈছে অবিকল্প কোনো মহান নিৰ্দেশ, অমোঘ কোনো কৰ্তব্যৰ ভাৰ, কিহে তেওঁক উদ্বুদ্ধ কৰিছে? কি তেওঁৰ প্ৰেৰণা? কিহৰ বাবে, কাৰ কাৰণে তেওঁৰ এই আত্মনিগ্ৰহ? এই প্ৰত্যাশাহীন আত্মোৎসৰ্গ? তেওঁ কাৰ? তেওঁৰ দেহ আৰু মনৰ পৰিসীমাৰ বাহিৰত তেওঁৰ সত্তাৰ কোনো বিস্তৃতি আছে নে? তেওঁৰ সঙ্কীৰ্ণ অস্তিত্বৰ তলত গভীৰ প্ৰশান্ত কোনো চেতনাৰ অতললৈ তেওঁৰ উপলব্ধিৰ শিপা প্ৰসাৰিত হৈ গৈছে নে? তেওঁৰ জীৱন আৰু কাম নিয়ন্ত্ৰিত কৰিছে অজস্ৰ জীৰ্ণ আদৰ্শৰ কংকালে, বিমূৰ্ত—ভ্ৰান্ত বা সত্য—অনেক চেতনাই, কোনো তীব্ৰ জীৱন শক্তিয়ে নহয়, কোনো উষ্ণ সজীৱ প্ৰাণ প্ৰৱাহে নহয়। হায়! এক শুকান, নিৰ্মম, অন্ধকাৰ পৰিমণ্ডলত তেওঁ ভাবি আছিল তেওঁ অন্ততঃ জীৱনক তাৰ গৌৰৱময় পূৰ্ণতাৰে কৰায়ত্ত কৰিছে। তেওঁ বুজিলে, তেওঁৰ কাল বা পৃথিৱীৰ লগত তেওঁৰ জীৱনৰ কোনো সামঞ্জস্য নাই। এটা তাৎপৰ্যহীন ঘটনাক্ৰমিক সম্পৰ্কত তেওঁ মাত্ৰ বাস্তৱৰ লগত জড়িত হৈ পৰিছে। তেওঁ মূলবিহীন, অস্তিত্বৰ কোনো অৰ্থময় গভীৰত তেওঁৰ জীৱন প্ৰোথিত নহয়। বহু উৎকণ্ঠা-প্ৰতীক্ষিত সাফল্যৰ পিছত, বহু অভীপ্সিত লক্ষ্য পূৰণৰ শেষত তেওঁ অনুভৱ কৰিছে সেই সাফল্য আৰু লক্ষ্যৰ অসাৰ্থকতা। তেওঁ অনুভৱ কৰিছে তেওঁৰ সত্তাৰ বাহিৰে-ভিতৰে এক নিৰ্বাত নিশ্চল পৰম শূন্যতাৰ ভাৰ। আৰু সেয়ে যেন এক দুৰ্গৰ ভিতৰত বাহিৰৰ পৃথিৱীৰ প্ৰতি তেওঁৰ আকৰ্ষণ আৰু সম্বন্ধ ছিন্ন কৰি নিজৰ অৱস্থিতিক কেৱল তেওঁ লেহন কৰিছে, এক অন্তহীন অন্ধকাৰ চক্ৰবেহুৰ নৈঃসঙ্গৰ মাজত উদ্ধাৰহীনভাৱে ডুব দিছে।.....

তেওঁ পুনৰ অস্থিৰ হৈ পৰিল। মনটোৰ ভিতৰত কিবা এটা অস্বস্তিবোধ হৈ আছে। তেওঁ পুনৰ ঘৰৰ ফালে খোজ ল'লে। ঘৰত সোমায়েই তেওঁ লাইটটো জ্বলালে আৰু টেলিফ'নটোৰ ওচৰলৈ গৈ এটা নাম্বাৰ ডায়েল কৰিলে। সিফালৰ পৰা হুছেইনৰ সাগ্ৰহ, সতৰ্ক কণ্ঠ ভাহি আহিল, 'ইয়েচ্...'

'চক্ৰৱৰ্তী' তেওঁ চুটিকৈ ক'লে।

'অ' মাই গড্, এম্ আই হেপী টু হিয়েৰ্ ইউ! ক'ত নিখোজ হৈছিল? উই'ভ্ বিন্ হাণ্টিং ইউ ফৰ্ অ'ভাৰ্ এ'ন আৱাৰ্!' উচ্ছ্বাস আৰু স্বস্তি একেলগে হুছেইনৰ কণ্ঠেৰে বাগৰি আহিল।

'ঘটনা কি?'

'আপুনি তৎক্ষণাৎ আহি যাওক। ইমাৰ্জেন্সি। দা টপ্ হেজ্ কাম্ ডাউন্।'

'ডেম্ য়'ৰ্ টপ্। আই'ভ্ আন্কৰ্ক্‌ড্ চাম্‌থিং। আই হেভ্ টু ফিনিছ্ ইট্।'

'আৰে কি কাণ্ড? আৰ্ ইউ ড্ৰাংক্? ইটচ্ ইমাৰ্জেন্সি।' হুছেইনৰ কণ্ঠলৈ তৎক্ষণাৎ আহিল উদ্বেগ আৰু ভৰ্ৎসনা।



'বুল্‌শ্বিট্। আই'ম্ পাৰ্ফেক্টলি চ'বাৰ্। ইমাৰ্জেন্সি কেন্ ৱেইট্। আই'ম্ টায়াৰ্ড লাইক্ হে'ল্।'

আৰু কণ্ঠস্বৰত অনুনয় সানি এইবাৰ হুইছেনে ব্যগ্ৰভাৱে কৈ উঠিল, 'চক্ৰৱৰ্তী, প্লিজ, আপুনি আহক না ভাই। ফিনিছ্ ইট্ ফাষ্ট্ এণ্ড্ ডেছ্ টু দা অফিচ্। ফ'নত একো ক'ব নোৱাৰোঁ, কিন্তু টেক্ ইট ফ্ৰম্ মি, দিচ্ ইজ্ আ ৰিয়াল্ ইমাৰ্জেন্সি, এণ্ড্ উই নীড্ ইউ! প্লিজ!'

তেওঁ অলপ সময় ৰ'ল আৰু তাৰ পিছত ক'লে, 'অল্‌ৰাইট্। বাট্ লিচ্‌ন্, আই'ম্ চিক্ অব্ ইউ—দা হ'ল ডেম্‌ড্ লট্ অব্ ইউ।' তেওঁ সজোৰে ৰিচিভাৰটো নমাই থ'লে।

প্ৰচণ্ডবেগে এখন প্ৰাইভেট মটৰ কাৰত তেওঁলোক আগবাঢ়িছিল। সতৰ্কতামূলক ব্যৱস্থাৰ অঙ্গ হিচাপে তেওঁলোকক বিভাগীয় গাড়ী ব্যৱহাৰ কৰিবলৈ নিষেধ কৰি দিয়া হৈছিল। চহৰৰ বিচিত্ৰ আলোকমালা, বিভিন্ন অসংলগ্ন আৱাজ, অৰ্থহীন ভিৰ আৰু ভিৰৰ মাজত অৰ্থহীন প্ৰাণপণ গতি সকলোবোৰ তেওঁলোকে কেতিয়াবাই এৰি থৈ আহিছে। এৰি আহিছে বাটৰ কাষৰ যাত্ৰা বিৰতিৰ চৰাইখানা, তামোল-পাণৰ গুম্‌তি, চাহৰ দোকান, দেশী মদ আৰু বেশ্যাৰ ঘাটি। শাৰী শাৰী ট্ৰাক, দুই-এক জীপ, টেক্সি, মটৰকাৰ। যাত্ৰাকালীন অপৰিচ্ছন্নতা আৰু অৱসাদেৰে ইতস্ততঃ অহা-যোৱা কৰা মানুহ। তেওঁলোকে এৰি আহিছে উপকণ্ঠৰ অসহায় সিঁচৰতি ঘৰ, দুৰ্বল পোহৰ, আন্ধাৰ ৰাতিৰ বুকুৰ পৰা উদ্ধাৰ কৰা আঁকোৰা-পঁকোৰা দীৰ্ঘ ক'লা পথ।

গতিবেগ অলপো নকমোৱাকৈ বাওঁফালে এজোপা গছ আৰু সোঁফালে চোঁচা লৈ অহা এখন দুৰ্দান্ত ট্ৰাকৰ মাজেৰে এটা প্ৰায়-দুৰ্ঘটনাক অভ্যস্ত স্বাভাৱিকতালৈ ৰূপান্তৰিত কৰি নগেন বৰ্মনে দক্ষতাৰে তেওঁলোকৰ গাড়ীখন উলিয়াই লৈ গ'ল। বীয়াৰৰ আমেজ কেতিয়াবাই নষ্ট হৈ গৈছিল। এতিয়া সন্ধ্যাৰ বীয়াৰসিক্ত বিশ্ৰামৰ নিৰ্ভাৰ অৱকাশৰ পৰা দূৰত, নিৰূপভোগ্য গতিৰ মাজত দায়িত্ব আৰু দীৰ্ঘযাত্ৰা কান্ধত লৈ তেওঁ অনুভৱ কৰিলে তেওঁৰ দেহলৈ দ্বিগুণ হৈ ঘূৰি আহিছে দিনৰ নিস্তাৰহীন ক্লান্তিৰ বোজা, তেওঁৰ স্নায়ুৰ ওপৰত পুনৰ বাঢ়ি আহিছে গধুৰ চাপ। তেওঁৰ মনলৈ আহিল অফিচৰ দৃশ্য, ইমাৰ্জেন্সি কন্‌ফাৰেন্সৰ ৰিশ্যুৱেল্। দ্ৰুতগতিৰ ফেন, নিয়নৰ ভুৱা অভিজাত আলোকৰাশি, চিৰ পৰিচিত অফিচ কোঠাৰ নিৰ্জীৱ পশ্চাৎপট, মেদসমৃদ্ধ, গম্ভীৰ, বৰমূৰীয়াৰ মুখ ঃ যেন কেমেৰা পেন্ কৰি তেওঁ চাইছে আধুনিকতাৰ এটা ফ্ৰে'ম্, খণ্ডিত আৰু স্থিৰ, বতাহ আৰু পোহৰৰ দৰে প্ৰাকৃতিক সমলসমূহো য'ত কৃত্ৰিম। আৰু হঠাৎ যেন দৃশ্যটোলৈ প্ৰাণ আহিল, তেওঁৰ কাণলৈ আহিল সংলাপ, এটা কৃত্ৰিম ইংৰাজীৰ টুকুৰা, 'কীপ্ দা ৰড় হট্। ইউ মে' হেভ্ টু

টেক্ এ ৰাইড্ অন্...', ধীৰ আলোচনাৰ মাজত এটা চুটি নির্দেশ, য'ত তেওঁ অলপ থমক খাইছিল আৰু তেওঁৰ মুখৰ নিৰাসক্ত, নির্বিকাৰ অভিব্যক্তি মুহূর্তৰ বাবে জোঁকাৰ খাই উঠিছিল। অথচ এইটো এটা নিয়মিত নির্দেশ, প্রায় 'ক্লিচে'ত পৰিণত, কি কাৰণে ই তেওঁক লাহেকৈ জোঁকাৰি গ'ল? বুকুৰ কাষত তেওঁ অনুভৱ কৰিলে এটা শীতল ওজন—এটা পুৰণি বিশ্বস্ত ·২২ ৰেব্‌লী। ওজনটো যেন ক্রমে ভিতৰলৈ সোমাই গৈছে। তেওঁ অকাৰণত অস্বস্তিবোধ কৰিলে। বুকুৰ ভিতৰৰ ওজনটো ঠেলি এটা দীর্ঘ শ্বাস ওপৰলৈ উঠি আহিল।

তেওঁ বাহিৰলৈ চকু ঘূৰালে। দূৰ-দূৰান্তলৈকে কেৱল ঘন, স্থিৰ অন্ধকাৰ আৰু অন্ধকাৰক গভীৰতৰ কৰি অস্থিৰ উজ্জ্বল জোনাকীৰ জাক। তেওঁ একেথৰে তালৈ চাই ৰ'ল। তেওঁৰ চাৰিওফালে অন্ধকাৰৰ নির্জন গর্ভ, চেতনাত এক অলৌকিক গতিৰ আভাস। ধীৰে ধীৰে অন্ধকাৰৰ বিহ্বলকাৰী বিশালতাৰ মাজত, অজ্ঞেয় এক অনন্ত ৰহস্যৰ মাজত তেওঁ হেৰাই গ'ল। তেওঁ পাৰ হ'ল অনেক পথ আৰু দলং, অন্ধকাৰ নিমজ্জিত গছ-বন, ঘৰ, হঠাৎ দূৰত ক'ৰবাত এটা অচিনাকি নিঃসঙ্গ পোহৰ। তেওঁৰ মনত কোনো প্রতিক্রিয়া নহ'ল। বাহিৰৰ ৰহস্যময় অদৃশ্যৰ মাজত তেওঁ নিমগ্ন হৈ ৰ'ল। ৰাতিৰ প্রমত্ত বতাহ তেওঁৰ নাকে-মুখে লাগিলহি আৰু লাহে লাহে যেন প্রায় অনিচ্ছাৰেই তেওঁ পাৰ হ'বলৈ ধৰিলে স্মৃতিৰ এখন পুৰণা দলং যি তেওঁক অতি গোপন, অতি ব্যক্তিগত এক অতীত দুঃখৰ সৈতে সংযুক্ত কৰি ৰাখিছে, য'ত থিয় হৈ তেওঁ শুনিবলৈ পায় ডিষ্টেণ্ট্ চিগ্‌নেলৰ বাহিৰত অপেক্ষমান মাজৰাতিৰ ৰেলগাড়ীৰ কৰুণ আহ্বান অথবা অপসৃয়মান জে'ট বিমানৰ বতাহ চিৰাচিৰ কৰি যোৱা অশান্ত গর্জন। বহুদিন, বহু বছৰ হৈ গৈছে, এইদৰে তেওঁ এদিন ঢাপলি মেলিছিল এক ধূসৰ অজ্ঞাত প্রান্তৰ উদ্দেশ্যে। চৰকাৰী কামত সোমোৱাৰ পিছত কিবা এটা অনুসন্ধানত তেওঁ এদিন এখন সৰু ঠাইলৈ যাব লগা হৈছিল। তেতিয়া তেওঁ উৎসাহী ডেকা বিষয়া, দায়িত্ব সচেতন, কর্তব্যৰ প্রতি একনিষ্ঠ। কিন্তু সেইদিনা যাত্রাৰম্ভৰে পৰা তেওঁ এটা দুর্বল অভিপ্রায় গোপনে, যেন নিজৰ অজ্ঞাতসাৰেই, মনৰ গভীৰত লালন কৰিছিল। তেওঁৰ নির্দিষ্ট কামৰ শেষত দায়িত্বমুক্ত হৈ লৰালৰিকৈ দুপৰীয়াৰ আহাৰ সমাপ্ত কৰি এক অখ্যাত-নাম গাঁৱৰ ধূলিময় অচিন পথত তীব্রবেগত তেওঁ জীপ দৌৰাইছিল। তেওঁৰ মনত এক অদম্য কৌতূহল আছিল, তেওঁৰ অন্তৰত উদ্দাম উৎসাহ, হয়তো কণ্ঠত অসংলগ্ন অর্ধবিস্মৃত গানৰ কলি। তেওঁ বিচাৰি গৈছিল তেওঁৰ বান্ধৱী স্নেহলতাৰ ঘৰ।

স্নেহলতা তেওঁতকৈ দুবছৰৰ সৰু, তেওঁৰ আশৈশৱ সঙ্গী। তেওঁলোকৰ শৈশৱ আৰু কৈশোৰত গাঁৱৰ ধূলি-বোকাৰ তৰপ পৰিছিল। নৈৰ ঘাটৰ আঁহতৰ ছাঁত



খলিগুটি খেলি এসময়ত তেওঁলোকে পাহৰিছে গ্রীষ্মৰ নিদাঘ দহন। মাৰলঘৰৰ মজিয়াত একেলগে বহি তেওঁলোকে লৈছে শীতৰ জুহালৰ আমেজ। তৰানিৰ মাজৰ গোপন খলিত একেলগে বৰশী পেলাই নিঃশব্দে অতিষ্ঠচিত্তে পুঙালৈ চাই তেওঁলোকে পাৰ কৰিছে অনেক হোৱা-নোহোৱাৰ দোমোজা। আৰু এইদৰে শীত-গ্রীষ্ম-বর্ষাৰ বিভিন্ন খেলাৰ মাজত, বহু বিস্ময়জনক আকর্ষণ, পুলকভৰা আনন্দ আৰু উত্তেজনাময় আৱিষ্কাৰৰ মাজত ক'ব নোৱৰাকৈয়ে তেওঁলোক ডাঙৰ হৈ উঠিল। পৰিপার্শ্বৰ লগত তেওঁলোকৰ সম্পর্ক লাহে লাহে অসহজ হৈ আহিল, খেলাবোৰ নিৰানন্দ হৈ পৰিল আৰু একালৰ বিচিত্র আকর্ষণসমূহ ক্রমে নিষ্প্রভ হৈ যাব ধৰিলে। তাৰ পিছত দৃশ্যপট সলনি হ'ল, এদিন দুপৰীয়াৰ দাম্ভিক চহৰৰ মাজত অনুগ্রহপ্রার্থীৰ অসহজতাৰে তেওঁ আহি থিয় হ'লহি। এক অপৰিচিত জীৱনৰ লগত আত্মসংযোগৰ চেষ্টাত তেওঁ প্রাণান্ত প্রায় হৈ উঠিল আৰু তাৰ পৰাই আৰম্ভ হ'ল এক নতুন জগতত তেওঁৰ আত্ম-প্রতিষ্ঠাৰ দুস্তৰ সংগ্রাম। শিক্ষা শেষ কৰি উপায়ান্তৰ আৰু অৱলম্বনহীন তেওঁ যেতিয়া গাঁৱলৈ আকৌ ঘূৰি আহিল, গাঁৱৰ স্কুলত শিক্ষকতা আৰম্ভ কৰিলে, স্নেহ—তেতিয়াও কলেজৰ ছাত্রী—আৰু তেওঁৰ মাজত সেই সময়তে এক পৰিপক্ক আৰু গভীৰতৰ বন্ধুত্বৰ সূচনা হ'ল। তেওঁৰ অন্তৰত আছিল সাময়িক হতাশা আৰু ক্ষোভ; তেওঁ আৰু তেওঁৰ ভৱিষ্যতৰ স্বপ্নৰ মাজত আছিল এক অন্ধকাৰাচ্ছন্ন বর্তমান, এক হাহাকাৰৰ অৰণ্য। নিজকে তেওঁ কাৰো ওচৰত মুক্ত কৰিব নুখুজিছিল কিয়নো সমবেদনাই তেওঁক চিৰদিন অস্বস্তি দিছিল। তথাপি, গোপনে তেওঁ যেন তেওঁৰ কাষত বিচাৰিছিল কাৰোবাৰ কোমল উপস্থিতি, সঙ্গীহীন সন্ধ্যা নদীৰ দৰে নীৰৱ এক সংবেদনশীল সমব্যথী। আৰু হয়তো তাৰ ফলস্বৰূপেই স্নেহৰ লগত তেওঁৰ গঢ়ি উঠিছিল এক নির্বাক সংযোগ। আৰু সুদীর্ঘকাল, তেওঁৰ আঁকোৰ-গোজ সংগ্রামমুখৰ দিনবোৰত তাইৰ একোখন সৰল সাধাৰণ চিঠিৰ মাজতো তেওঁ পাইছিল বহু অকথিত বাণী, অনুচ্চাৰিত বহু প্রেৰণা।

মুছৌৰীত এটা ট্রেইনিং লৈ থাকোঁতে এদিন ক্লান্ত বিয়লি এখন আকস্মিক চিঠিত তেওঁলৈ আহিল স্নেহৰ বিয়াৰ খবৰ। পৰিশ্রান্ত দেহেৰে বিছনাত পৰি সেইদিনা অনেক সময় তেওঁ স্নেহৰ কথা মনত পেলালে। তেওঁৰে সমগ্র অতীত কোনো পৰিচিতজনৰ অর্ধবিস্মৃত কাহিনীৰ দৰে তেওঁৰ মনত খেলি গ'ল। কিন্তু কঠোৰ নিয়ম আৰু অনুশাসনপিষ্ট তেওঁৰ অৱশ চেতনাত তাৰ কোনো গভীৰ প্রতিক্রিয়া নহ'ল। গাঁৱৰ অন্তহীন অলস সময়ৰ মাজত স্নেহৰ সহজ আত্মীয়তা আৰু মধুৰ সঙ্গ তেওঁৰ স্মৃতিত বাৰে বাৰে ভাহি উঠিল। স্নেহৰ বিয়াৰ বিষয়ে ভালকৈ জনাৰ এটা নিষ্ফল ইচ্ছা কিছুসময় তেওঁৰ মনৰ মাজত ঘূৰি থাকিল। ৰাতি স্নেহলতালৈ তেওঁ এখন চুটি চিঠি

লিখি তাইলৈ তেওঁৰ শুভকামনা জনালে। আৰু নিদ্ৰাহীন বিছনাত নিজৰ ওচৰতে অসহজ আৰু অসহায় হৈ বাগৰ সলাব ধৰিলে।

সেইদিনা অচিনাকি পদুলিমুখত জীপ ৰাখি অসহজ কৌতূহলেৰে ভিতৰলৈ সোমাই গৈ তেওঁ স্নেহক অবাক কৰি দিছিল। অমল মহন্ত, স্নেহলতাৰ স্বামী—স্কুল শিক্ষক আৰু ৰাজনৈতিক কৰ্মী—সেইদিনা ঘৰত নাছিল। তেওঁ কিছু স্বস্তিবোধ কৰিলে। স্নেহৰ অলেখ প্ৰশ্ন তাইৰ আনন্দবিহ্বল মনৰ মাজত বাৰে বাৰে হেৰাই গৈছিল। তেওঁ দেখিলে, স্নেহ আগৰ দৰেই সহজ আৰু ৰাংঢালী, কিন্তু তাইৰ উচ্ছ্বাস অনেক সংযত, তাইৰ প্ৰগল্ভতা কিছু ব্যাহত। সময় বা সংস্কাৰ বা হয়তো দায়িত্ব যেন তাইৰ মনৰ ক'ৰবাত গধুৰ হৈ বৈছিল। তেওঁ বুজিলে যে তেওঁ নিজে সহজ হ'ব পৰা নাই, তেওঁৰ কৌতূহল ক্ৰমে বাষ্পীভূত। সময় তাৰ ওজন আৰু দূৰত্বৰ অনুভূতি লৈ তেওঁলোকৰ মাজত থিয় হৈছে; তেওঁৰ মনৰ পৰা স্বতঃস্ফূৰ্ত কোনো জিজ্ঞাসা বা সমিধান ঐকান্তিক সুৰত ওলাই অহা নাই। পদুলিত বকুল, পাছফালে ভৰা বাৰী, ভঁৰাল আৰু গোহালি, এখন পৰিপূৰ্ণ ঘৰ, জনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য স্বামী, কোলাত এটি সুন্দৰ শিশু সন্তান ঃ স্নেহলতাই তাইৰ বাবে আৰু একো নিবিচাৰে। তাইৰ মুখত প্ৰাপ্তি আৰু তৃপ্তিৰ উজ্জ্বল আভাস। তেওঁ বুজিলে, স্নেহলতা সুখী আৰু সন্তুষ্ট গৃহিণী, কাৰণ তাই কি পোৱা নাই তাই নাজানে।

আচৰিত, স্নেহই সঁচাকৈয়ে এজন স্কুল শিক্ষকক বিয়া কৰিলে, স্নেহলতাৰ পৰা বিদায় লৈ ঘূৰোঁতে বাটত তেওঁৰ মনত খেলালে। আদৰ্শ নে আত্ম-সচেতনতা? নে কোনো গোপন জেদ? এদিন এটা ঘৰুৱা লঘু আলোচনাত তেওঁ ধেমালিতে স্নেহক কৈছিল, 'দুখীয়া মানুহৰ সঙ্গ নল'বি বুজিছ। দাৰিদ্ৰ্য এটা আদি পাপ। এটা ভাল চাই চহকী ল'ৰা সময় থাকোঁতেই হাত কৰি ল'বি। দেখিবি তহঁতে তেনেকুৱা কৰিলে দাৰিদ্ৰ্যই কমি যাব!'

'অ, তাৰ মানে এজনী দুখীয়া কমি এজনী ধনী বাঢ়িব, নহয় জানো?' তাই হাঁহি সুধিলে।

'অ, আৰু তাই বহুত ধনী ল'ৰা-ছোৱালী জন্ম দিব।' তেওঁ নকল গাম্ভীৰ্যৰে ক'লে। আৰু তাই, স্নেহলতাই, তেওঁক প্ৰায় অপ্ৰস্তুত কৰি উত্তৰ কাটিলে, 'যাহ্ অসভ্য! মই পাৰিলে তোমাৰ দৰে নিৰীহ শিক্ষক এজনকহে হাত কৰিম।'

তেওঁ হতাশ হ'ল। তেওঁ অহাৰ সকলো উৎসাহ আৰু কৌতূহল, সামান্য উত্তেজনাও হয়তোবা, হঠাৎ যেন হাস্যকৰভাৱে অৰ্থহীন হৈ পৰিল। কি তেওঁ আশা কৰিছিল আৰু নাপালে? স্নেহলতা, তেওঁৰ একালৰ পৰম বান্ধৱী, এতিয়া পৰস্ত্ৰী, সুখী আৰু সন্তুষ্ট, পৃথিৱীৰ পৰা তাইৰ একো পাব লগীয়া নাই। তাই এতিয়া নিজতে সম্পূৰ্ণ, বাহিৰৰ কোনো অৱলম্বনৰ তাইৰ আৰু প্ৰয়োজন নাই। স্নেহৰ এই নতুন



অস্তিত্বই তেওঁক অপ্ৰসন্ন কৰি তুলিছে, তেওঁ বুজি পালে। তেওঁ কি ঈৰ্ষান্বিত? তেওঁৰ অৱচেতনাৰ কোনো অপূৰ্ণ আকাংক্ষাৰ লগত তেওঁ স্নেহক জড়িত কৰিব খোজে নেকি? তেওঁৰ কোনো গোপন দুৰ্বলতা অথবা ঠুনুকা অহঙত স্নেহই কি অজানিত আঘাত কৰিছে? জীপৰ বেগ তেওঁ কমাই দিলে। স্নেহৰ ঘৰৰ পৰিবেশত তাইৰ গৃহিণীসুলভ ছবিখন তেওঁৰ মনলৈ আহিল। জীৱনৰ পৰা জানো ইমানেই কেৱল পাব লগা আছিল? নিশ্চিন্ত আহাৰ-নিদ্ৰা, স্ত্ৰী বা স্বামী, যৌনতা আৰু সন্তান? জীৱনৰ ধাৰণা কি ইমান স্থূল আৰু সীমিত? আৰু কোনো সমস্যা নাই জীৱনত? দেশ-নেতৃৰ বক্তৃতাত আৰু অমল মহন্তৰ উক্তিত স্নেহই হয়তো এতিয়া শুনিছে দাৰিদ্ৰ্য কিদৰে দূৰ কৰিব পৰা যায়। কিন্তু দাৰিদ্ৰ্যৰ দৰে অনেক ডাঙৰ সমস্যা এই পৃথিৱীতে আছে, আদিম আৰু অকৃত্ৰিম অনেক পাপ আছে। তাৰ বাবে জীৱনৰ সমগ্ৰ ধাৰণাকে হয়তো সলাই পেলাব লাগিব। জীৱনৰ সুস্থ আৰু মহৎ বিকাশৰ বাবে নতুন মানসিকতা আৰু নতুন প্ৰমূল্য সৃষ্টি কৰিব লাগিব। কিন্তু তেওঁ অনুভৱ কৰিলে তেওঁৰ খুব ভাগৰ লাগিছে। এটা বিচিত্ৰ অনুভূতি ভৰা দিনৰ শেষত গধূলি আহিছে। এইবোৰ কথাৰ আৰু কোনো অৰ্থ নহয় তেওঁৰ বাবে। এক অস্পষ্ট মায়াচ্ছন্ন জগতৰ পতন তেওঁ যেন তেওঁৰ চেতনাৰ গভীৰত অনুভৱ কৰিলে। দলং এখনৰ ওচৰ পাই বাটৰ দাঁতিত তেওঁ জীপখন ৰাখিলে আৰু তলৰ পথাৰলৈ নামি গ'ল। ধান কটা হৈ গৈছে। দূৰৰ গাঁৱৰ ধূসৰ সীমালৈকে বিস্তীৰ্ণ পথাৰজুৰি কেৱল শুকান নৰা। নৰাৰ মাজৰ কোমল ঘাঁহ আঁজুৰি দুই-এটা উদঙীয়া গৰু। তেওঁ পথাৰৰ মাজেৰে নদীৰ পাৰলৈ আগবাঢ়িল। এটা বনফৰিং তেওঁৰ খোজৰ শব্দত জঁপিয়াই আঁতৰি গ'ল। নদীৰ পাৰত থিয় হৈ তেওঁ দেখিলে, সিপাৰে লাহে লাহে নামি আহিব ধৰিছে ধূলি আৰু কুঁৱলীৰ কোমল, ৰহস্যঘন পৰ্দা। তেওঁ দেখিলে, নদীখন শুকাই আহিছে, দুৰ্বল আৰু নিস্তেজ হৈ পৰিছে তাৰ গতি। বহুদূৰত তেওঁৰ গাঁৱৰ মাজেদিও বৈ গৈছে এইখন নদী, এসময়ত যি আছিল এক উদ্দাম প্ৰবাহ, গম্ভীৰ অথচ আমন্ত্ৰণ মুখৰ। বাৰিষা ভৰানদীৰ বুকুত সোঁতৰ বিপৰীত দিশে তেওঁ আৰু গজেনে প্ৰাণপণে চলাইছিল কলগছৰ ভুৰ। তেওঁলোকৰ লগত আছিল আম-তিয়ঁহ, নিমখ-জলকীয়াৰ ৰছদ, কথা আৰু কামত এড্‌ভেঞ্চাৰৰ উদ্যম। তলত সৰব কোবাল নদী আৰু চাৰিওফালে ৰৌদ্ৰোজ্জ্বল আকাশ-বতাহ মুক্ত-প্ৰকৃতিৰ মাজত তেওঁলোকৰ অন্তৰত বয়সোচিত অবুজ উন্মাদনা। তেওঁলোক পাৰ হৈ গৈছে নদীৰ অনেক নতুন ভাঁজ, ডকা আৰু পকনীয়া, দুপাৰৰ অচিন গহীন হাবি; উৎফুল্ল হৈ তেওঁলোকে আৱিষ্কাৰ কৰিছে বৰ বাদাম আৰু ক'লা জামুৰ গছ; দুঃসাহসেৰে, গজেনৰ বাধা নামানি, ভুৰৰ ওপৰৰ পৰাই তেওঁ মাৰিব খুজিছে চোঁচা লৈ অহা পানীমৰলি সাপ; হয়তো স্ফূৰ্তিতে হুৰাই দিছে দলনিৰ মাজৰ আহাৰ সন্ধানী ডাউক আৰু দিকৰৰ জাক।

আহ্....তেওঁ বহুদূৰ আঁতৰি আহিল। সেই বিশাল প্ৰকৃতিৰ সান্নিধ্যৰ পৰা এতিয়া তেওঁ বঞ্চিত। আৰু প্ৰকৃতিও কি ধৰণে বিৰস হৈ পৰিছে! নদীখন শুকাই কুৎসিত হৈ গৈছে, ঘোলা আৰু নিস্তেজ। পথাৰ উদং। গছ-লতা ধূলি-ধূসৰ। তেওঁৰ নিজৰেই কি সেই আগৰ উন্মাদনা আছে? সোঁতৰ প্ৰতিকূলে ভৰ বাৰিষা ভুৰ চলোৱাৰ উদ্যমকে তেওঁ কোন কাহানিবাই হেৰুৱাই পেলাইছে। গজেন, তেওঁ শুনিছে, পঞ্চায়তৰ কি এটা হৈছে; বান্ধ আৰু ডোং স্কীমৰ পোন্ধৰ হেজাৰ টকাৰ গোলমালৰ অভিযোগত যোৱা বছৰ তাৰ নাম তেওঁ বাতৰি-কাকতত পাইছে। এতিয়া তেওঁ চাবি ঘূৰাই জীপ দৌৰায় আৰু চলন্ত জীপৰ ইঞ্জিনত তেওঁৰ বুকুৰ যন্ত্ৰণাৰ প্ৰতিধ্বনি শুনিবলৈ পায়। পানীৰ মাজত ক্ৰুদ্ধ সাপৰ লগত ফেপেৰি পাতিবলৈ আজি আৰু তেওঁৰ সাহস নাই। সকলো ব্যক্তিগত বিপদ, সকলো ভয়াল শত্ৰুৰ বিৰুদ্ধে তেওঁ পিন্ধিছে নিৰ্বেদ আৰু নিষ্ক্ৰিয়তাৰ বৰ্ম।

....নদীৰ পাৰত থিয় হৈ তেওঁ বৰ্তমানৰ পৰা অতীতলৈ, আৰু অতীতৰ পৰা পুনৰ বৰ্তমানলৈ ঘূৰি আহিল। এক আদি-অন্তহীন শূন্যতাই তেওঁৰ অন্তৰ ভৰাই তুলিলে। হৃদয়ৰ ভিতৰত তেওঁ অনুভৱ কৰিলে এক নিৰৱ হাহাকাৰ। দূৰৰ কুঁৱলীৰ পৰ্দাখন যেন ক্ৰমে ডাঠ হৈ আহিব ধৰিলে। তেওঁৰ দৃষ্টি অস্পষ্ট হৈ আহিল। তেওঁ লাহে লাহে পুনৰ বাটলৈ উঠিল।

কেনেকৈ মাত্ৰ দুঘণ্টাৰ ভিতৰতে তেওঁ আহি চহৰ পালেহি তেওঁ ক'ব নোৱাৰে। গাড়ীখন সুমুৱাই থৈ তেওঁ সন্ধ্যাৰ চহৰৰ মাজেৰে খোজ কাঢ়িব ধৰিলে। প্ৰথমে ভাব হ'ল যেন সকলো অপৰিচিত, অলৌকিক, মাত্ৰ তেওঁৰ চেতনা নিঃসাৰ কৰি থৈ যোৱা দিনৰ তীব্ৰ অভিজ্ঞতাই একমাত্ৰ বাস্তৱ। সসঙ্কোচে তেওঁ আগবাঢ়িল। হঠাৎ তেওঁৰ নাকত লাগিলহি পোৰা ডিজেলৰ গোন্ধ, ফুটপাথৰ কাষৰ দোকানৰ পৰা আহিল সান্ধ্য-ধূপৰ গোন্ধ। অযাচিত সম্ভাষণৰ দৰে ভাহি আহিল ঘাম আৰু ময়লাৰ গোন্ধ, প্ৰস্ৰাৱ আৰু ব্লিছিং পাউদাৰৰ গোন্ধ, হঠাৎ মহিলাৰ দেহৰ পৰা বিচিত্ৰ সুগন্ধিৰ গোন্ধ। তেওঁৰ কাণত পৰিল অলেখ শব্দ, ট্ৰেফিকৰ বিভিন্ন আৱাজ, বিভিন্ন কথোপকথন, চেলুনৰ ৰেডিঅ'ত তীক্ষ্ণস্বৰ হিন্দী গীত, ঘোঁৰাৰ ডিঙিৰ জুনুকা, ডিজেল ট্ৰেইনৰ দীৰ্ঘ হৰ্ন, হঠাৎ কাৰোবাৰ চীৎকাৰ, আকাশবাণীত মাৰ্কিণী ঢঙত অসমীয়া বাতৰি। আৰু তেওঁ চাৰিওফালে চকু ঘূৰাই দেখিলে সকলো বস্তু সিহঁতৰ আপোন স্থানত অৱস্থিত, অতি পৰিচিত আৰু বিৰক্তিকৰভাৱে বহুব্যৱহৃত। তেওঁ দেখিলে নকল আনন্দত উন্মাদ সত্তৰৰ 'পোছাক বিপ্লৱ'ৰ বিচিত্ৰ সাজত সজ্জিত যুৱক-যুৱতীহঁত উদ্দেশ্যহীন গধূলিৰ অপচয়ৰ বাবে ওলাই আহিছে। কৌতূহলৰ দৃষ্টি সামৰি সামৰি বে'ল্‌বটম্ আৰু লুঙি শোভিত কিশোৰীহঁত সাইবাবাৰ ভজনৰ পৰা ঘূৰি গৈছে, আচ্ছন্নচিত্তে ঘৰলৈ উভতিছে নিঃসঙ্গ, দুৰ্বল দুই-এক বৃদ্ধ। তেওঁ পথ সলালে। বহুদিনৰ মূৰত



তেওঁ কাছাৰী ঘাটলৈ গ'ল। মানুহ, মানুহ, সৰ্বত্ৰ এই কালিকা লগা জীৱটিৰ শ্বাসৰুদ্ধকাৰী ভিৰ। তেওঁ খেজুৰ জোপাৰ তলত কিছু সময় ৰ'ল; কিন্তু তেওঁ দেখিলে, তালৈকো আহিছে ল'ৰাৰ দল। তেওঁ সাতপাহাৰলৈ দীঘল খোজ ল'লে। পাহাৰৰ ওপৰত দুই-এটা ল'ৰাৰ জাক, আলাপৰত প্ৰেমিক-প্ৰেমিকা, বাটটোত সঘন সবেগ মটৰৰ অহা-যোৱা, মটৰৰ পৰা মত্ত উচ্চকণ্ঠ হাঁহি (ওপৰত নতুনকৈ এখন অভিজাত হোটেল খুলিছে), দূৰত তলৰ জাহাজঘাটৰ পৰা দেছুৱালী সঙ্কীৰ্তনৰ ধ্বনি। নাঃ ক'তো আৰু ভাল নালাগে আগৰ দৰে। সকলোতে কিবা এটা পৰিৱৰ্তন হৈছে, কিবা এটা হেৰাইছে। ক'ৰবাত এটা অবোধ্য ভুল হোৱা যেন লাগিছে, অথচ আচৰিতভাৱে তেওঁ বুজিব পৰা নাই ক'ত, কিদৰে আৰু ঠিক কেতিয়া কি ভুলটো ঘটি গ'ল।

অৱশ দেহটো তেওঁ ঘৰলৈ টানি আনিলে। লাইটটো জ্বলাই তেওঁ টেবুলখনলৈ চালে। তেওঁৰ ফাইল আৰু লিখা কাগজ। কলম আৰু পেঞ্চিল। পে'পাৰ্-ৱেইট্ আৰু এছ্‌ট্ৰে'। টেব্‌ল্-কেলেণ্ডাৰত এদিনৰ পুৰণি তাৰিখ। একাষে ধূলি-লাঞ্ছিত কিতাপৰ জাপ, এ' ফিল'ছফী ফৰ্ দা পুলিচ, প্ৰিভেন্সন্ এণ্ড্ ডিটেক্শ্যন্ অব্ ক্ৰাইম্‌ছ্, ছ'টিঅ'লজী অব্ ক্ৰাইম্ এণ্ড্ ডেলিংকুৱেন্সী, ক্ষেত্ৰামনি এণ্ড্ নগেন্দ্ৰলাল মেম'ৰিয়াল লে'ক্‌চাৰছ্, একপি পুৰণি ক্ৰিমিনল'জিষ্ট্। ইকাষে টেলিফ'ন গাইড্‌খনৰ ওপৰত ফ'নটো। তেওঁৰ চকু যেন মুদ খাই আহিল। বিছনাখনে যেন নিৰুপায়ভাৱে তেওঁক টানি নিলে। গাৰুৰ কাষত তেওঁৰ টৰ্চ আৰু আধাপঢ়া কিতাপ। সৰু টেবুলখনত তেওঁৰ ৰেডিঅ', টুপী, বেটন। বিছনাৰ শান্তিদায়িনী বুকুত নিজকে এৰি দিবলৈ তেওঁৰ মনটো অস্থিৰ হৈ উঠিল। কিন্তু তেওঁ দৃঢ়ভাৱে ঘূৰিল আৰু ডাঙৰ টেবুলখনৰ ওচৰলৈ গৈ টেলিফ'নটো তুলি ল'লে। নম্বৰ এটা ডায়েল কৰি তেওঁ আগ্ৰহেৰে ৰ'ল আৰু সংযোগ অহা মাত্ৰেই ধীৰ, নিম্নকণ্ঠে উচ্চাৰণ কৰিলে, 'চক্ৰৱতী, ছাৰ!'...

চকু চাট্ মৰা পোহৰ আৰু তীক্ষ্ণ দীঘলীয়া হৰ্নেৰে এখন বিশাল ট্ৰাক তেওঁলোকৰ কাষেদি পাৰ হৈ গ'ল। তেওঁৰ চেতনা বাস্তৱলৈ ঘূৰি আহিল।

'ছাৰ!' তেওঁৰ শুনা যেন লাগিল। বাহিৰৰ পৰা চকু ঘূৰাই তেওঁ আগলৈ চালে। উজ্জ্বল পোহৰেৰে অন্ধকাৰ বিদীৰ্ণ কৰি অসম্ভৱ দ্ৰুতবেগে বৰ্মনে গাড়ী চলাইছে।

'ছাৰ!' বৰ্মনে মাতিছে, তেওঁ স্পষ্ট শুনিলে।

'কোৱা' তেওঁ ক'লে।

'জাগীৰোড টাচ্ কৰিব নেকি?'

'নালাগে। সেইটো বৰবৰাৰ মূৰকামোৰণি' তেওঁ ক'লে আৰু বাস্তৱৰ প্ৰতি

সচেতন হৈ পৰিল। নগাঁৱত তেওঁৰ কাম নাই, ইতিমধ্যে হে'ডকোৱাৰ্টাৰৰ পৰা সকলো নিৰ্দেশ আহি যাব নিশ্চয়!

'নগাঁৱত আমি কিবা অলপ খাই ল'ম'-তেওঁ বৰ্মনৰ প্ৰতি আশ্বাসৰ সুৰত ক'লে।

'হয়, ছাৰ। বৰ্মনে সমৰ্থন জনালে।

'ৰবিবাবুৰ দোকান চাগৈ বন্ধ হ'ব' আশা আৰু সংশয় মিশ্ৰিত সুৰত তেওঁ ক'লে। তেওঁৰ দুটামান বীয়াৰ লোৱাৰ ইচ্ছা আছিল।

'হ'ব' ছাৰ্, মেনে'জ্ কৰিব পৰা যাব' বৰ্মনে তেওঁক ঘূৰাই আশ্বাস দিলে।

আশ্বাসৰ তেওঁৰ প্ৰয়োজন আছিল। উজনি খণ্ডত এটা অপাৰেশ্যন্ সংগঠন আৰু পৰিচালনা কৰাৰ দায়িত্ব তেওঁক দিয়া হৈছে। তেওঁ সোনকালে কামত লাগি পৰিব খুজিছে। নিজক আৰু পৰিচিত প্ৰাত্যহিকতাক পাহৰি, চিনাকি পৰিবেশ আৰু কামৰ গতানুগতিকতা ভাঙি তেওঁ অন্য কোনো কামত ব্যস্ত হৈ যাবলৈ বিচাৰিছে। কাইলৈৰ পৰা তেওঁ ঘূৰিব লাগিব এজন পলাতক তৰুণৰ সন্ধানত, হুছেইনে যাৰ নাম দিছে 'ৰে'ড্ কিড্' (বোধহয় ডেনী লে ৰুজৰ অনুকৰণত) আৰু যাৰ বিষয়ে অসম্পূৰ্ণ পাৰ্ছনেল্ ফ'ল্ডাৰ্‌টো আজি মাত্ৰ কেইমাহমানৰ আগতে তেওঁৰ হাতত পৰিছেহি। অফিচৰ ধূলি আৰু মকৰাজালৰ পৰা ওলাই তেওঁ ঘূৰিব লাগিব গাঁও আৰু চহৰ। তেওঁ যোগাযোগ কৰিব লাগিব বিভিন্ন সূত্ৰ, পৰীক্ষা কৰিব লাগিব অনেক সত্যাসত্য তথ্য, বিভিন্ন সম্ভাৱনা। কিন্তু অন্তৰৰ পৰা তেওঁ বিশেষ উৎসাহ বোধ কৰা নাই। এই যাত্ৰা আৰু তাৰ সম্ভাব্য পৰৱৰ্তী ঘটনাৱলী তেওঁৰ অভিপ্ৰেত নহয়। তেওঁ মাত্ৰ অনন্যোপায় হৈ নিজকে এটা কাহিনীৰ সোঁতত এৰি দিছে। কাৰণ, তেওঁ জানে তেওঁৰ সাফল্য এই কাহিনীৰ কৰুণ সমাপ্তি মাত্ৰ।

অভাৱনীয়ভাৱে ৰেল ষ্টেশ্যনত আটক কৰা এজন পলাতক উগ্ৰপন্থী নেতাৰ লগত পুলিচে আৱিষ্কাৰ কৰিছিল এই তৰুণজনৰ এটা গোপন যোগাযোগ, কিছুমান সংকেত আৰু ৰহস্যময় উল্লেখ। সেইদিনা ৰাতি তালাছৰ বাবে তাৰ ঘৰলৈ অহা পুলিচে পাইছিল এটা সম্পূৰ্ণ স্বাভাৱিক কোঠা—বাতৰি কাগজ দি ঢকা পানীৰ গিলাচ আৰু আধা পঢ়ি লুটিয়াই থৈ যোৱা কিতাপ পৰ্যন্ত, এখন শূন্য ডায়েৰীত দীনেশ গুপ্তৰ দুটা অগ্নিবৰ্ষী বাণী, বিস্ময়ত শিলীভূত তাৰ মাক-দেউতাক, ককায়েক আৰু ভনীয়েক। তাৰ পিছত তাৰ আত্মগোপন পৰ্ব। মাজে মাজে হঠাৎ বিভিন্ন অদ্ভুত ঠাইত তাৰ আবিৰ্ভাৱ আৰু অন্তৰ্ধান। বাদুলীপাৰ, গুইজান, দেওপানী। কিফিৰে আউট্‌প'ষ্টত এটা পি.ডব্লিউ.ডি. গেঙৰ লগত থকা অৱস্থাত তাক সন্দেহক্ৰমে আটক কৰা হৈছিল, কিন্তু নাগালেণ্ড পুলিচৰ অসাৱধানতাৰ বাবে কহিমা-ডিমাপুৰ পথত ঘাছপানীৰ আনাৰস পামৰ ওচৰত সি চলন্ত ট্ৰাকৰ পৰা দুঃসাহসিকভাৱে সাৰি যায় (যাৰ বাবে ৰজনী



ভট্টই তাৰ পাৰ্ছনেল্ ফ'ল্ডাৰত লিখে 'তীক্ষ্ণবুদ্ধিসম্পন্ন আৰু অত্যন্ত বিপদজনক') আৰু তাৰ পিছত সি আৰম্ভ কৰে একেৰাহে, দীঘলীয়া অজ্ঞাতবাস। আজি জলপাইগুৰিৰ পৰা অহা এটা গোপন সাংকেতিক বাৰ্তাত জনা গৈছে, কেইদিনমান উত্তৰ বঙ্গৰ বিভিন্ন ঠাইত দেখা যোৱাৰ পিছত সি অদৃশ্য হৈছে, সম্ভৱতঃ সি পুনৰ অসম সোমাইছে। প্ৰৱল সন্দেহ হৈছে যে অচিৰেই তাৰ প্ৰিয় ঘাটিসমূহত তাৰ সম্ভেদ পোৱা যাব।

তেওঁ তাৰ ফাইলটো কেইবাবাৰো চাইছে কৌতূহল আৰু বিস্ময়েৰে ঃ কোনো পুলিচ ৰেকৰ্ড নাই, কোনো গণ্ডগোল বা আন্দোলনত জড়িত নহয়। সভা-সমিতি-প্ৰতিবাদ আদিত দেখা গৈছে নিৰীহ শ্ৰোতা। পঢ়া-শুনাত ব্যস্ত, মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ স্থান। কি এক সৰ্বভাৰতীয় স্তৰৰ ৰচনা প্ৰতিযোগিতাত প্ৰথম। কলেজৰ আলোচনীৰ পৰা সংগৃহীত তাৰ শেহতীয়া ফটোখনত দেখা যায় তাৰুণ্যৰ লঘু উজ্জ্বলতাৰ পৰিৱৰ্তে এক গহীন, বিনম্ৰ দৃঢ়তা, কোনো যেন গোপন অন্বিষ্টৰ ইংগিত। আৰু প্ৰতিবাৰেই বহু প্ৰশ্ন মুখত লৈ তেওঁ নিৰুত্তৰ হৈ ৰৈছে। তাৰ যৌৱনৰ কোমল, ৰহস্যময় স্বপ্নসমূহ আগ্নেয় সম্ভাৱনাৰে ভয়াবহ। কিন্তু ক'ত আছিল তাৰ প্ৰস্তুতি? নে এইটো এটা প্ৰস্তুতহীন নিৰ্বোধ অপৰিণাম দৰ্শন? জীৱনক সি গ্ৰহণ কৰিছে চৰম ত্যাগ আৰু দুঃসাহসৰ শপতেৰে। কি কাৰণে? কিহৰ তাগিদাত? কোন প্ৰেৰণাৰ বলত? আৰু যিমানেই তেওঁ তাৰ বিষয়ে ভাবিছে, যিমান তাৰ মানসিকতা অনুধাৱন কৰিববলৈ চেষ্টা কৰিছে, সিমানেই তেওঁৰ মনলৈ আহিছে এটা অসহজ অনুভূতি, এটা অবোধ্য দুৰ্বলতা, এনেকি যেন সামান্য এক ব্যাখ্যাহীন মোহ। আচৰিত আৰু অস্বস্তিকৰ এই অনুভূতি। এতিয়া, এই বয়সত, তেওঁ যেতিয়া শ্ৰান্ত, নিৰ্মোহ মনৰ পৰা সকলো সংস্কাৰগত দুৰ্বলতা দূৰ কৰি দিছে, নিদাৰুণভাৱে নিৰুদ্বেগ হ'ব খুজিছে পৰিচিত জগৎখনৰ প্ৰতি, সেই সময়ত উদ্যত অস্ত্ৰ হাতত লৈ তেওঁ হঠাৎ দ্বিধাগ্ৰস্ত হৈছে, প্ৰতিপক্ষৰ প্ৰতি অকাৰণত দুৰ্বল হৈ পৰিব ধৰিছে। আৰু তেওঁ বাৰে বাৰে নিজকে কৈছে, নাঃ সি ভুল কৰিছে। এই হিংস্ৰ উগ্ৰতা, এই অমানৱীয় নিষ্ঠুৰতাই, ভৱিষ্যৎ মানুহৰ নতুন ইতিহাস নিৰ্মাণ কৰিব নে? জগাই তুলিব পাৰিব নে ই মানুহৰ মনত চিৰকালৰ ভ্ৰাতৃত্ব আৰু শুভ বুদ্ধি? নাই, তাৰ ভুল হৈছে। বিশ্বাস আৰু সততাৰে, ত্যাগ আৰু দুৰ্ধৰ্ষতাৰ মাজেৰে সিহঁতে এক ৰঙীন দুঃসাহসিকতাৰ খেলত মগ্ন হৈছে। তেওঁ ইয়াক প্ৰশ্ৰয় দিব নোৱাৰে। জীৱনৰ সকলো মহত্ত্ব, সকলো সৌন্দৰ্য তাৰ সকলো দিশ সামৰি লোৱা এটি কাহিনীতেই নিহিত; কিন্তু সিহঁতে মহৎ আৰু সুন্দৰ জীৱনক এক খণ্ডিত, ক্ৰুৰ ৰূপত গ্ৰহণ কৰিব খুজিছে। অৱশ্যে তেওঁ বুজিছে তেওঁৰ দুৰ্বলতা বা মোহ সম্পূৰ্ণ অৰ্থহীন নহয়। ই এক মানসিক জটিলতাৰে

পৰিণতি, ব্যৰ্থতাজনিত হতাশ-চেতনাৰে এক বিমূৰ্ত প্ৰতিফলন। কিহৰ পিছত তেওঁ ঘূৰিছে? তেওঁ কেৱল অহৰ্নিশে খেদি ফুৰিছে চোৰ, তস্কৰ আৰু ডকাইত, হত্যাকাৰী আৰু স্মাগ্‌লাৰ্। তেওঁ ঘূৰিছে কিছুমান অনৃত লক্ষ্যৰ সন্ধানত, কিছুমান গ্লানিময় তুচ্ছতাৰ পাছে পাছে, জীৱনৰ বিশাল চেতনাকে যি বন্দী কৰি ৰাখে ক্ষুদ্ৰ অথৰ্ব এক সীমিত গণ্ডীৰ ভিতৰত। তেওঁৰ আজীৱনৰ কাম আৰু সাধনাৰ শেষত তেওঁ লাভ কৰিছে নে কিবা সুউচ্চ লক্ষ্য, চুব পাৰিছে নে অন্তৰ্নিহিত কোনো গভীৰতা? কিন্তু এই ল'ৰাটো, তাৰ নাম হিৰণ্ময়, তেওঁতকৈ বোধহয় কুৰি বছৰৰো অধিক সৰু, জীৱনক ভালকৈ দেখাই নাই, তাৰ চাৰিওফালৰ অন্যায় আৰু অবিচাৰে তাৰ মনত তুলিছে অশান্ত ধুমুহা। তাৰ ভিতৰত অৱশ্যম্ভাৱীভাৱে জ্বলি উঠিছে প্ৰতিবাদৰ জুই। তেওঁৰ চৌদিশে অনেক ভুল দেৱতা, ভুল প্ৰক্ৰিয়া, ভুৱা ন্যায় আৰু ভুৱা বিচাৰ, অত্যাচাৰ আৰু অমানুষিকতা—অস্তিত্বৰ ভেটিকে যি কঁপাই তুলিছে—এইবোৰৰ এটায়ো তেওঁক স্পৰ্শ নকৰে নে? তেওঁ এসময়ত যি অবিচাৰ আৰু দুৰ্ভোগৰ চিকাৰ আছিল সি তেওঁৰ মনত কোনো প্ৰত্যাহ্বান জগাব পাৰিছে নে? আহা, মই এজন নিৰীহ প্ৰজা, তেওঁ নিজকে কৈছে, আৰু তেওঁ বুজিছে তেওঁ সেই গল্পৰ নায়ক যি সন্মুখত দুই বন্ধুৰ হতাহতি দেখি ঊৰ্দ্ধশ্বাসে দৌৰি পলাইছে, কাৰণ তাৰ স্মৃতিত সি শুনিছে দেউতাকৰ খৰমৰ শব্দ আৰু বাৰে বাৰে মাথোন কৈছে 'দেউতা, মই এইবোৰত নাই। অৰ্থাৎ মই ইন্‌চুলেটেড্, মোৰ চাৰিওকাষৰ ঘটনা বা প্ৰভাৱৰ পৰা মই সুৰক্ষিত, মই নিৰপেক্ষ।'

নিৰপেক্ষতাৰ ৰক্ষাকৱচ। ক'ত পঢ়িলে তেওঁ সিদিনা? বোধহয় হুছেইনৰ ঘৰৰ বাংলা আলোচনীসোপাৰ কোনোবা খনতে, আৱেগ-সঞ্চাৰী ভাষাৰে লেখকে সুধিছে, যেতিয়া এজন অসহায় বৃদ্ধক এটা দুৰ্দান্ত কুকুৰে খেদি আহে, এজনী গাভৰুক এটা মত্ত গুণ্ডাই বলাৎকাৰৰ চেষ্টা কৰে, জীয়াই থকাৰ স্বাভাৱিক অধিকাৰৰ পৰা বঞ্চিত হৈ এটা শিশুৱে যেতিয়া জন্মাবধি আগ্ৰাসী মৃত্যুৰ হাততে নিজকে সমৰ্পণ কৰে, তেতিয়া নিৰপেক্ষ তুমি সেই মত্ত আক্ৰমণ, বলাৎকাৰ আৰু মৃত্যুৰ সহযোগিতা নকৰা নে? তেওঁৰ দেহত নিৰপেক্ষতাৰ তাবিজ। তেওঁ এজন শান্তিপূৰ্ণ নাগৰিক!

অথচ, হিৰণ্ময়, ক'ত পালে সি এই প্ৰেৰণা, ত্যাগ ইত্যাদি? ক'ৰ পৰা আহিল এই দুৰ্দম্য সাহস? ইয়াৰ বীজ কি নাছিল সেই শোষণ আৰু বঞ্চনাৰ মাজত যাৰ তীব্ৰতাই এদিন তেওঁৰ মনতো সৃষ্টি কৰিছিল আক্ৰোশৰ জ্বালা, প্ৰত্যাহ্বানৰ প্ৰতিজ্ঞা? ইয়াৰ মূলত কি নহয় তেওঁৰ এসময়ৰ পৰিচিত, আপোন দাৰিদ্ৰ্য যাৰ চৰম আঘাতত মানুহে শেষবাৰৰ বাবে ঘূৰি থিয় হয় তাৰ ভয়াবহ হিংস্ৰতাৰে? সেইটো তো হিৰণ্ময়, এতিয়া তেওঁৰ পৰিচিত হিৰণ্ময়, তাৰ অন্তৰত ধুমুহা, তাৰ সমগ্ৰ বোধব্যাপী এক দৃঢ় প্ৰতিজ্ঞা, তাৰ মুখ শান্ত, ধীৰ। নাই, হিৰণ্ময় নহয়, তাতকৈও পৰিচিত, সেইটো তেওঁ, তেওঁৰ যৌৱনৰ নিপীড়িত সত্তা। তেওঁ অনুভৱ কৰিলে সেইটো তেওঁৰ হিৰণ্ময়



বা, একেই কথা, হিৰণ্ময়ৰ তেওঁ আৰু তেওঁলোক দুয়ো বিভিন্ন বাটেৰে আহি একেটা ভুলেই কৰিছে।

এটা প্ৰচণ্ড জোঁকাৰত তেওঁ কঁপি উঠিল আৰু তেওঁৰ গতিশীল বৰ্তমানলৈ ঘূৰি আহিল। তেওঁলোকৰ কাষেদি এইমাত্ৰ এখন বিশাল ট্ৰাক পাৰ হৈ গ'ল। আগলৈ চাই তেওঁ দেখিলে উজ্জ্বল পোহৰেৰে অন্ধকাৰ বিদীৰ্ণ কৰি তীব্ৰবেগত তেওঁলোকৰ মটৰ পুনৰ আগবাঢ়িছে। চোলাৰ বুটাম এটা খুলি সোমাই অহা বতাহখিনি তেওঁ উপভোগ কৰিলে। আহ্ ক্লান্তি, ক্লান্তিত তেওঁৰ চকু মুদ খাই আহিল। অতিক্ৰান্ত পথৰ বোজা, ঘাম-ক্লেদ, ধূলি-বতাহ সকলোৱে তেওঁক হেঁচা মাৰি ধৰিছে। তেওঁৰ চিন্তা আচ্ছন্ন, দৃষ্টি ধুঁৱলী। মূৰটো ছিটত আঁউজাই দি তেওঁ চকুহাল মুদি দিলে। আহ....ইয়াৰ পিছত আৰু কি বাকী ৰ'ল? আজীৱন জীৱনৰ সন্ধানত ঘূৰি আজি তেওঁ আহি য'ত উপস্থিত হৈছেহি সেয়া কি জীৱনৰ উদ্দেশ্যহীনতাৰে শেষ চূড়া নহয়? এই অন্ধকাৰ ৰাতিৰ গোপন জৰুৰী অভিযান কি নহয় তেওঁৰ জীৱনৰে চৰম পৰিহাস? কি অৰ্থ এই প্ৰাণহীন, প্ৰেৰণাহীন ঊৰ্দ্ধশ্বাস গতিৰ, অভিনয়হীন অভিনয়ৰ, অবাস্তৱ বাস্তৱতাৰ, যাৰ নাম, তেওঁ ইমানদিনে শুনি আহিছে, জীৱন?

সুতীব্ৰ হৰ্ণৰ শব্দ শুনি তেওঁ চকু মেলি চালে। সন্মুখৰ ফালৰ পৰা আহিছে এশাৰী দৈত্যাকাৰ ট্ৰাক। আকাশচুম্বী ভয় লগা বোজাৰে বিকট শব্দ কৰি ট্ৰাকবোৰ তেওঁলোকৰ ফালে, যেন ক্ষুদ্ৰ, নিৰ্বোধ গাড়ীখন গ্ৰাস কৰিবলৈকে খেদি আহিল আৰু নগেন বৰ্মনৰ স্থিৰ, বেপৰোৱা গতিৰ সন্মুখীন হৈ কাষেদি আঁতৰি গ'ল। হঠাৎ—হঠাৎ তেওঁৰ মনত খেলালে এইটো এটা সুযোগ, এইটোৱেই হয়তো একমাত্ৰ উপায়। বৰ্মনৰ দক্ষ, হুচিয়াৰ হাতৰ কেতিয়াও ভুল নহয়, কিন্তু তেওঁ যদি—তেওঁ দৃশ্যটো মনতে এবাৰ আঁকি চালে ঃ সন্মুখৰ এঢলীয়া পথৰ পৰা সৰোষ গৰ্জনৰে খেদি আহিছে এখন ট্ৰাক— বহু বিচিত্ৰ ৰঙৰ লাইটৰ কাৰুকাৰ্য, পিঠিত দৈত্যৰ বোজা, উদ্ধত আৰু দুৰ্দ্ধৰ্ষ ভঙ্গীৰ গতি। অকস্মাৎ যেন বৰ্মনক কোনো সুবিধা নিদি তেওঁ আগলৈ হালি পৰিছে আৰু আচম্বিতে সজোৰে ষ্টিয়েৰিং হুইল্‌ডাল সামান্য সোঁফালে ঘূৰাই দিছে। এটা তীব্ৰ সংঘৰ্ষ, প্ৰচণ্ড শব্দ। অন্ধকাৰ, অন্ধকাৰ, অন্ধকাৰ। তললৈ, ক্ৰমে গভীৰ অতললৈ তেওঁৰ দেহৰ ভাৰহীন অৱনমন তেওঁ অনুভৱ কৰিলে। তেওঁ চকুহাল মুদি দিলে।.....নাই! এনেকৈ নহয়! বচোৱা!! হঠাৎ ক'ৰবাত তেওঁ এটা চিঞৰ শুনিলে। তেওঁ চক্ খাই উঠিল। তেওঁৰ মনৰ গভীৰ অতলৰ পৰা আহিছে এটা আৰ্তকণ্ঠ, এটা জৰুৰী পৰম আকূতি। তেওঁৰ এটা অপমৃত্যু হৈ গৈছে। আকৌ এটা অন্ততঃ নহয়। তেওঁ তাক, অৰ্থাৎ হিৰণ্ময়ক অৰ্থাৎ প্ৰকৃততে তেওঁকেই বচাব লাগিব। তেওঁৰ হিৰণ্ময়ে এদিন ভুল কৰিছিল, আজি হিৰণ্ময়ৰ তেৰোঁ ভুল কৰিছে। তেওঁৰ ঋতু শেষ হৈ আহিছে, কিন্তু হিৰণ্ময়হঁতে ঋতুবোৰ নতুনকৈ আৰম্ভ কৰিব পাৰিব। ●

# বাহিৰলৈ যোৱা বাট

ৰাতিপুৰা খুব সোনকালে উঠি গৈ দ্বিজেনে তাৰ পঢ়া কোঠাৰ খিৰিকিখন খুলি দিলে। পুৱাটো শেঁতা, অলস, স্থবিৰ। যেন ৰাতিৰ অন্ধকাৰ অচৈতন্যৰ ঘোৰ এতিয়াও কাটি উঠিব পৰা নাই। যেন এটা শ্বকৰ আৱেশ চৌপাশৰ অস্তিত্বত ওলমি আছে। এই পৰিবেশ তাৰ মনৰ সু-সমঞ্জস; সি অনুভৱ কৰে নিৰ্জীৱ প্ৰকৃতিৰ অব্যক্ত, অসম্ভৱ সৌহাৰ্দ্য। অদূৰত থকা অমিতাজোপা দেখি তাৰ মনত এটা আলস্যজড়িত ভাব খেলালে ঃ এই গছজোপা ইয়ালৈ কেনেকৈ আহিল! সি চকীখনত বহি পৰিল আৰু গছজোপালৈ চাই ভাবিব ধৰিলে। আৰু সি নিজকে ক'লে যে যিহেতু গছজোপা ইয়ালৈ আহিব নোৱাৰে, এইজোপা নিশ্চয় ইয়াতে গজি ডাঙৰ হোৱা অমিতাজোপা; সেউজীয়া, সুদৰ্শন, পৰিণত কিন্তু নিষ্ফলা। পুৱাৰ নিৰ্বাত পৰিবেশত আপাত-নিশ্চল গছজোপাৰ দেহত বসন্ত-সমীৰৰ অধৈৰ্য প্ৰতীক্ষা, চঞ্চল হৈ উঠা কোষবোৰত সূৰ্যৰ সস্নেহ তেজৰ বাবে সাগ্ৰহ ব্যস্ততা। গছজোপাৰ কথা যে সি পাহৰি গৈছে ই তাৰ মনৰ খেলা। তাৰ স্বাভাৱিকতে নিষ্ক্ৰিয়, নিস্তৰংগ মনত এইধৰণৰ দুই-এটা অদ্ভুত প্ৰশ্ন উপস্থিত হয়, বিস্ময় বা কৌতূহলৰ অনুষংগ অৱশ্যেই তাত নাথাকে আৰু খুব স্বাভাৱিকভাৱেই সেইবোৰ মনৰ মাজতে ডুবি নিশ্চিহ্ন হৈ যায়। তাৰ কোনো প্ৰতিক্ৰিয়া, কোনো অনুকম্পন বা ৰেশ আৰু ৰৈ নাযায়।

এইখিনি সময় তাৰ পঢ়াৰ সময় বা, ক'ব পাৰি একো নকৰাৰ সময়। সি পঢ়া টেবুলত বহি খিৰিকিয়েদি বাহিৰলৈ চায়, এইটো তাৰ অভ্যাস; বিভিন্ন ভাব, প্ৰশ্ন, সন্দেহ, সম্ভাৱনা তাৰ মনৰ মাজলৈ আহে আৰু পাৰ হৈ গুচি যায়। সিহঁতৰ কোনো সামান্য ছাপ পৰ্যন্ত তাৰ মনত ৰৈ নাযায়। তাৰ চেতনা অক্ষত, অনুপদ্ৰুত হৈ ৰয়। সি পাৰ কৰিব লাগিছে বোধহয় এটা মৃত-অস্তিত্ব। আৰু এই অবাস্তৱ অনুভূতিটোও কোন মৃত্যোন্মুখ কবিৰ পৰা সি চুৰ কৰি আনিছে এই প্ৰশ্নটোও উত্তৰবিহীনভাৱেই মনৰ একোণত গলি যায়। অভ্যাসৰ হাতে জাপৰ পৰা টানি আনে এখন কিতাপ, সি দেখে টেলৰ্ বা টফ্লাৰ বা লাম্পেডুচা বা লে'কাৰি। সি চকু ফুৰাই চাই তাৰ বাকলিত ঘোষিত প্ৰশস্তি, স্ৰষ্টাৰ গহীন আলোকচিত্ৰ, প্ৰদৰ্শনকামী আত্মপ্ৰচাৰ আৰু পণ্যৰ লোভনীয় বিজ্ঞাপনৰ সুকৌশল সংযুক্তি। কিন্তু তাৰ দৃষ্টিত থাকে কৌতূহলৰ পৰিৱৰ্তে দাৰ্শনিক ঔদাসীন্য, শিশুৰ অমাৰ্জিত আচৰণৰ প্ৰতি যেন বৃদ্ধৰ ক্ষমাসুন্দৰ মনোভাৱ। তাৰ বয়স বা বয়সোচিত মানসিক সজাগতা, তাৰ শিক্ষিত মনৰ জটিল



অন্তৰ্ভেদী অৱলোকন, তাৰ সংস্কৃত অন্তৰৰ সুপৰিশীলিত, সুনিয়ন্ত্ৰিত ক্ৰিয়া-প্ৰতিক্ৰিয়া একোৱেই তাৰ চিন্তা, কাম আৰু আচৰণত প্ৰতিফলিত নহয়। মাজে মাজে ৰাতিপুৱাৰ এই খিড়িকিৰ কাষত বহি হঠাৎ সি নিজকে কয়, মই নিজকে কিছুমান প্ৰশ্ন গভীৰভাৱে কৰি চোৱা উচিত; যেনে......কিন্তু কোনো প্ৰশ্ন কোনো নিৰ্দিষ্টৰূপত তাৰ মনলৈ নাহে। বিভিন্ন বিষয় সি তাৰ মনলৈ টানি আনিব খোজে। কিন্তু সি দেখে সেইবোৰত কোনো প্ৰশ্ন নাই, বিষয়বোৰ একান্তই তুচ্ছ আৰু সিহঁতৰ বিষয়ে সকলো সম্ভৱপৰ প্ৰশ্নৰ হাজাৰটা তুচ্ছ উত্তৰ তৈয়াৰ হৈ আছে। এইবোৰ অবাস্তৱ চিন্তা, সি ভাবে আৰু ভাবিবলৈ এৰি বাহিৰলৈ চায়। খিড়িকিৰ পৰা প্ৰায় বিছহাত দূৰলৈকে এই দুৰ্লভ সেউজী টুকুৰাত — এডাল অমিতা গছ, অসমান বননি, পুৰণি ইটাৰ দেৱালত এডাল কোৱাভাতুৰী লতা আৰু বিয়পি পৰা শেলাইৰ মাজত সি আত্ম-নিৰ্বাসিত হয়। পাতৰ মাজেদি কেতিয়াবা এটা কোৱাভাতুৰীৰ আশ্চৰ্য ৰঙে মিচিকিয়াই উঠে; কোন সংযুক্তিৰ বিধিমতে বুজা নাযায়, তাৰ মনত ভাহে ডালিমৰ ৰক্তাভ-মুক্তাৰ ছবি। উৰি আহি এটা নিমাত চৰাই পত্ৰাকীৰ্ণ দেৱালখনত বহেহি, ফানখন নচুৱাই, জঁপিয়াই, ঘূৰি বহি তাৰ মুখামুখি হয়; সি বিব্ৰত বোধ কৰে। শৈশৱৰ চৰাইবোৰ তাৰ মনৰ মাজলৈ উৰি আহিব খোজে; কিন্তু পাৰ আৰু কুকুৰাৰ বাহিৰে আনবোৰ চৰাই এতিয়া অস্পষ্ট, বিবৰ্ণ আৰু নিষ্প্ৰাণ। ডালিম আজিকালি পথ্যৰূপেই সমাদৃত, ভোজ্য সামগ্ৰীৰূপেই চৰাই আহি টেবুলত মানুহৰ ঘনিষ্ঠ। এইবোৰ আজিকালি অত্যন্ত প্ৰয়োজনীয় বস্তু, ইহঁতৰ ভূমিকা সুনিৰ্দিষ্ট, মূল্য নিৰূপিত। আহত অন্তৰেৰে অভিমানী প্ৰকৃতি লোভী, হৃদয়হীন মানুহৰ ওচৰৰ পৰা দূৰলৈ গুচি গৈছে। কাৰণ, মানুহৰ নিকটতম, গভীৰতম সম্পৰ্কও মাত্ৰ স্বাৰ্থময় আৰু যান্ত্ৰিক। দুপৰৰ নীলা আকাশৰ বিশালতাক দীৰ্ঘশ্বাসেৰে বুকুৰ ভিতৰলৈ টানি লৈ হৃদয় গধুৰ কৰি তোলা যন্ত্ৰণাময় আনন্দ, ৰাতিৰ অন্ধকাৰ গৰ্ভৰ ব্যাপ্ত বিশালতাৰ মাজত আপোন অস্তিত্ব হেৰুৱাই দিয়াৰ আকুল আকূতি, সন্ধিয়াৰ শান্ত, নিঃসঙ্গ নদীৰ বাঙ্ময় গতিৰ লগত নিজৰ নিশ্চল অস্তিত্ব বিস্মৃত হৈ একাত্ম হোৱাৰ গোপন কামনা, বিয়লিৰ থমথম গম্ভীৰ প্ৰকৃতি ক্ৰমে ধুমুহাত বিস্ফোৰিত হৈ সৃষ্টি কৰা প্ৰচণ্ড মত্ত উদ্দামতাৰ মাজত উড্ডীন দিক্‌ভ্ৰষ্ট হৈ নিশ্চিহ্ন হৈ যোৱাৰ আত্মবিধ্বংসী বাসনা—প্ৰকৃতিৰ কোমল, উষ্ণ, মাদকতা ভৰা শাৰীৰিক সান্নিধ্যৰ মাজত হৃদয়ৰ যুক্তিহীন অবুজ আৱেগৰ এই ধৰণৰ অযুত লীলাময় খেলা আজি আৰু কৈশোৰৰ স্বপ্নময় স্মৃতি হিচাপেই মানুহৰ অন্তৰত লালিত হৈছে। আৰু সেই স্মৃতিও কেৱল পুৰণি নাটকৰ ব্যৰ্থ নিৰুত্তাপ দৃশ্যৰ দৰেই মনৰ মাজলৈ টানি অনা যায়, যান্ত্ৰিকভাৱে, অভ্যাসবশতঃ যেনেকৈ তাৰ পৰিবাৰৰ যত্ন বা দায়িত্ব বা সম্ভৱতঃ আগ্ৰহৰ প্ৰতি কোনো ধৰণৰ আকৰ্ষণ অনুভূতি নোহোৱাকৈয়ে অকৃতজ্ঞচিত্তে সি হাতত তুলি লয় ৰাতিপুৱাৰ চাহকাপ।

ইতিমধ্যে তাৰ ৰাতিপুৱা দুঘণ্টাৰ পুৰণি হৈ উঠে, যদিও এই সময় তাৰ বাবে এটা ধুঁৱলি চেতনা। চাহৰ টেবুলত বহাৰ পিছতহে তাৰ মন ধীৰে ধীৰে সজাগ হ'বলৈ ধৰে, দীৰ্ঘ অব্যৱহৃত তাৰ অঙ্গ-প্ৰত্যঙ্গবোৰ প্ৰশ্ন বা নিৰ্দেশ বা প্ৰতিক্ৰিয়াত ক্ৰমে সচল হৈ উঠে, তাৰ অনুভূতিবোৰ পুনৰ সক্ৰিয় হৈ উঠে। যন্ত্ৰসুলভ সঠিকতাৰে তাৰ শৰীৰ সঞ্চালিত হয়। চাহৰ পিছত স্বয়ংক্ৰিয়ভাৱে হাত যায় চিগাৰেটৰ পেকেটলৈ, ৰেডিঅ'ৰ ছুইচলৈ। অভ্যস্ত কাণত বাজে বি.বি.চি.—লণ্ডনৰ সংবাদ, কাৰণ এইটোও এটা দীৰ্ঘদিনীয়া অভ্যাস। তাৰ পিছত ৰিংকি আহি তাৰ গাত ওলমেহি; সি আব্দাৰ কৰিব লগা হয় অথবা তাইৰ হিন্দী পাঠৰ শব্দাৰ্থ 'উদ্ধাৰন' কৰিবলৈ লৈ সি অপ্ৰস্তুত হয় কাৰণ, ৰাষ্ট্ৰভাষাত সি অসহজ বোধ কৰে। আৰু তাৰ মাজতেই তাৰ কাণে নিৰ্ভুল তুলি লয় পৰিবাৰৰ প্ৰাত্যহিক ইমাৰ্জেন্সি সংকেত, 'গেছ আজি যাওঁ যাওঁ দেই' বা 'ইলেক্‌ট্ৰিচিটি বিলৰ লাষ্টডেট্ কিন্তু কাইলৈ' বা 'ববৰৰাক খবৰটো দিয়া নহ'ল', বৰ বেয়া কথা হৈছে দেই.....'

সি গম পালে ৰেডিঅ'ত মানীৰ—তাৰ পৰিবাৰৰ—হাত লাগিছে, কাৰণ কুন্দনলাল ছাইগলৰ বেদনাজীৰ্ণ কণ্ঠৰ করুণ গীত ভাহি আহিছে। ৰিংকিয়ে মাকক টিফিনত কি কি দিব লাগিব পৰামৰ্শ দিছে। ওচৰৰ ঘৰত গৰ্দভ-কণ্ঠ দমকলটোৰ আৱাজ তল পেলাই কোনোবাই ডাঙৰ ডাঙৰকৈ কথা পাতিছে। ক'ৰবাৰ পৰা এটা ৰাইচ্-কুকাৰৰ তীব্ৰ শব্দ উঠিছে। সি ওলাই গৈ পুনৰ তাৰ পঢ়া কোঠাত সোমাল। ৰাইচ্-কুকাৰৰ শব্দটো বন্ধ হৈ গ'ল আৰু সি ভাবিলে—আগেয়ে বহুবাৰ ভবাৰ দৰে এই সুতীব্ৰ শব্দটো, যি তাৰ ভাসমান চেতনাক ভেদ কৰি সম্পূৰ্ণ নিৰ্জীৱ কৰি তোলে, তাৰ অৱচেতনাৰ সৃষ্ট কোনো ইংগিত নেকি। মানীয়ে এদিন তাক জনাইছিল যে ওচৰৰ এঘৰত এটা ৰাইচ্-কুকাৰ আনিছে। সি বহুদিনলৈ কথাটো বিশ্বাস কৰা নাছিল। টেবুলৰ ওচৰত বহি সি ঠিক কৰিব নোৱাৰে সি কি কৰিব। তাৰ সন্মুখত এখন পুৰণি ডিলান্ টমাছ্। A baby with an ancient face sat in its pram outside the wine vaults, quiet, very wet, peering cautiously all around it. ডিলান্ আছিল তাৰ ক্ৰেইজ্। কিন্তু এইটোও এটা স্মৃতি। আজি তাৰ সেই শিশুটোলৈ মনত পৰে, খুব আপোন যেন লাগে; বুকুখন গধুৰ হৈ উঠে। কিয় সি বুজি নাপায়। কিন্তু কিতাপখন খুলি আৰু সি পঢ়িব নোৱাৰে। ডিলানৰ ওচৰলৈ সি যাব নোৱাৰে, মাজত কাঁইটীয়া অনেক বছৰৰ অৰণ্য। বাট হেৰাই গৈছে। টেবুলৰ ওপৰত কিতাপৰ জাপ, তাৰ হেণ্ডবেগ্, ন'ট্‌বুক্, ফাইল্, কাগজৰ দ'ম, মানীৰ অনুগ্ৰহত অমলিন, সুসজ্জিত, কাৰণ পৰিচ্ছন্নতা আৰু সজ্জা ৰুচিৰ বাবেই নহয় মানীৰ স্নায়ুৰ বাবেও প্ৰয়োজনীয়। অধ্যাপক দত্তৰ কিতাপখন অৱহেলিতভাৱে এচুকত পৰি আছে। দত্তই তাৰ কিতাপ



এখন আগতে হেৰুৱাইছে, সিও তেওঁৰ এইখন কিতাপ হেৰুৱাই দিব পাৰে। কিন্তু কি দৰ্কাৰ, কিতাপখন বোধহয় বাজে; তাৰ ধাৰণা। তদুপৰি তাৰ কিতাপখন নিয়াৰ এবছৰৰ পিছত হঠাৎ কেনেবাকৈ মনত পৰি 'মোৰ কিতাপখন আপোনাৰ তাত আছে নেকি' বুলি দত্তক সোধা প্ৰশ্নত অনুসন্ধান বা কৌতূহলতকৈও বিস্ময়ৰ সুৰেই যেন ধ্বনিত হৈছিল, অন্ততঃ তাৰ নিজৰ কাণত, আৰু তাৰ মুহূৰ্তৰ বাবে সন্দেহ হৈছিল সি তেনে দত্তক কিতাপখন হেৰুৱাবলৈকে দিছিল নেকি? আৰু দত্তৰ অস্বস্তিৰ বাবে লজ্জিত সি কোনোদিন আৰু এই প্ৰশ্ন তোলা নাছিল।

কিতাপৰ জাপৰ মাজত এখন চাফা নতুন কিতাপ তাৰ চকুত পৰিল। এইখন আকৌ কাৰ কিতাপ, সি ভাবিলে আৰু লগে লগেই জাপটোৰ পৰা কিতাপখন টানি আনিলে। অ'—তাৰ আগ্ৰহ হেৰাল এইখন ৰমেনৰ হতুৱাই সি কলিকতাৰ পৰা অনাইছিল। দেশৰ বিষয়ে লেখা এজন বিদেশী লেখকৰ কিতাপ। এটা বুদ্ধিদীপ্ত, কৌতূহলোদ্ৰেককাৰী উপ-শিৰোনামা, পাছফালে ছাঁ-পোহৰৰ খেলাই লুকাই ৰখা লেখকৰ ফটোগ্ৰাফ, কিতাপখনৰ বিষয়ে উদ্ধৃত বিতৰ্কিত মন্তব্য। অনাৰ ইমানদিনৰ পিছতো সি কিতাপখন পঢ়া নাই, পাহৰিয়েই গৈছে কিতাপখনৰ অস্তিত্ব। কিন্তু কিতাপখনত তাৰ এটা নাম থকা দৰ্কাৰ। সি পে'নটো বিচাৰিলে। কিতাপৰ জাপৰ কাষত, য'ত তাৰ পে'নটো থাকে সদায়, আজি নাই! কিতাপৰ মাজত, কাগজৰ তলত, ক'তো সি পে'নটো বিচাৰি নাপালে। খিড়িকিয়েদি তাৰ বাহিৰলৈ চকু গ'ল। বাহিৰত উজ্জ্বলতা, পোহৰৰ সতেজ বিচ্ছুৰণ, দহনৰ প্ৰস্তুতিৰে নবীন সূৰ্য সেনানীৰ উল্লাস। কোৱাভাতুৰীয়াৰ ডাঠ সেউজীয়া পাতত, অমিতা গছত ছিটিকি পৰিছে সূৰ্যৰ সোণালী উগ্ৰতা। এটা দীৰ্ঘশ্বাস হঠাৎ তাৰ বুকুৰ পৰা ওলাই আহিল, সি হেৰাই যাব ধৰিলে বাহিৰৰ নাতি-প্ৰশস্ত দুৰ্লভ শূন্যতাৰ বুকুত। সি ব্যাকুল হৈ বিচাৰিলে এটি পুৰণি গোন্ধ, এটি পুৰণি শিহৰণ, কাৰণ সি অনুভৱ কৰিলে বাহিৰৰ এই এক লহমাৰ অনিৰ্বচনীয় প্ৰকৃতিৰ মাজেদি আহিছে এটি পুৰণি, কোন দূৰান্তৰ কোন অতীতৰ বিস্মৃত স্মৃতিৰ আভাস, যাৰ লগত মিহলি হৈ আছিল সেই পুৰণি গোন্ধ, শিহৰণ, হয়তো কিছু সঞ্চিত হুমুনিয়াহ। আৰু সি যেন শূন্যৰ মাজত সঁচাই হেৰাই গ'ল।

মানীৰ প্ৰে'ছাৰ কুকাৰৰ তীব্ৰ শব্দত সি আকৌ কোঠাৰ ক্ষুদ্ৰ অস্তিত্বৰ মাজলৈ ঘূৰি আহিল। সি সন্মুখৰ টেবুললৈ চালে; কিতাপখনত তাৰ চকু পৰিল, অ' পে'নটো—। হেণ্ডবেগৰ খাপবোৰত, ফাইলৰ মাজত, ড্ৰয়াৰ দুটাত, ৰাইটিং পেডৰ মাজত, পুনৰ কিতাপৰ জাপত, পুনৰ হেণ্ডবেগত সি পে'নটো বিচাৰি চালে। পে'নটো নাই। পে'নটো নাই, সি ভাবিলে, বোধহয় পে'নটো হেৰাল। সি এক দৃষ্টিৰে টেবুলখনলৈ চালে। তাৰ মনত ৰাতিপুৱাৰ প্ৰথম সবলভাৱে সক্ৰিয় অনুভূতিটো উপস্থিত হ'ল, তাৰ পে'নটো

হেৰাল। এইটো এটা সৰু-সুৰা আঘাত হোৱা উচিত। কলমটো তাৰ দীৰ্ঘদিনৰ মনোমত সহচৰ; আৰু তাৰ অসংস্কৃত, অতীত-বিস্মৃত, এংলিছাইজ্‌ড্ কম্পেনি এক্সিকিউটিভ্ ভাগিনীয়েকৰ দামী, অস্বস্তিকৰ উপহাৰ হোৱা সত্ত্বেও, কলমটো তাৰ মৰমৰ আছিল। হেৰোৱাৰ প্ৰাথমিক উপলব্ধিটোৱে তাৰ স্থবিৰ চেতনাত এটা মৃদু জোঁকাৰ দিলে আৰু তাৰ পিছত সি ইয়াক ডুবি যাবলৈ দিলে।

সি কিতাপখন টানি আনিলে। আকৌ দুটামান পাত লুটিয়াই চালে আৰু তাৰ পিছত অৱহেলাভৰে জাপৰ মাজত সুমুৱাই থৈ দিলে। সি পুনৰ বাহিৰলৈ চালে। কিন্তু বাহিৰত সি এইবাৰ একো দেখা নাপালে। তাৰ মনত একো ভাব স্পষ্ট নহ'ল, প্ৰায় শূন্য আবহাৱা, কিন্তু কিবা এটা অস্বস্তি, সামান্য এটা ওজন যেন ক'ৰবাত চুকত ওলমি ৰৈছে। কলম হেৰুওৱাৰ অদৃশ্য হৈ যোৱা অনুভূতিটোৱে দুটামান ক্ষীণ তৰঙ্গৰ সৃষ্টি কৰি গৈছে, যাৰ ৰেশ তাৰ মনৰ শূন্যতাৰ মাজত সি ধৰিব নোৱৰাকৈ ভাহি ৰৈছে। স্বাভাৱিকভাৱেই, তাৰ ফলশ্ৰুতিৰূপে পিছমুহূৰ্ততে যেতিয়া সি শুনিলে তাৰ পাছফালে খোজৰ শব্দ, খাৰুৰ জুনুক-জানাক, কিবা বস্তু জোঁকৰাৰ আৱাজ সি মাত দিলে, "মানী মোৰ কলমটো দেখিছানেকি?" আৰু কোনো উত্তৰ নহা দেখি সি পুনৰায় বাহিৰলৈ চায়েই সুধিলে, "মোৰ কলমটো দেখিছা নেকি মানী?" আৰু সি শুনিলে, অনুগত, বিনম্ৰ কণ্ঠত, চম্পাৰ—তাৰ ঘৰত কাম কৰা বাইজনী—প্ৰায় অপৰাধী উত্তৰ, "বাইদেৱে গা ধুইছে, ছাৰ!"

আৰু সচকিতভাৱে এবাৰ ঘূৰি চাই দ্ৰুত অনুতপ্ত কণ্ঠে সি ক'লে, "অ'হ্ চম্পা—"আৰু পিছমুহূৰ্ততে গম পালে কাম শেষ কৰি চম্পা তাৰ কোঠাৰ পৰা ওলাই গ'ল।

শোৱাকোঠাত সোমাই গৈ সি তাৰ পে'নটো বিচাৰিলে। বিছনাত, গাৰু আৰু তুলিৰ তলত, বে'ড-ছাইড্ কেবিনেটটোৰ ভিতৰত, সৰু টেবুলখনত, ড্ৰেছিং টেবুল আৰু তাৰ দ্ৰয়াৰত, ৱাৰ্ড্ৰবটোৰ ওপৰত আৰু ভিতৰত চুকে-কোণে, সম্ভাব্য সকলো ঠাইতে সি পে'নটো বিচাৰি চালে আৰু বিচাৰি থাকোঁতেই সি গম পালে তাৰ হাত দুখন সামান্য কঁপিছে, মূৰটো গৰম লাগিছে, মুখখন শুকাই গৈছে আৰু দুটামান মুহূৰ্তৰ পিছত সি একো ক'ব নোৱৰাকৈয়ে হঠাৎ তাৰ মুখেদি তীব্ৰস্বৰে বাহিৰ হৈ আহিল এটা কঠোৰ অভিযোগ, "মোৰ পে'নটো সদায় ক'লৈ যায়?"

প্ৰশ্নটো আছিল স্পষ্টতঃ নিৰুদ্দেশ, তাৰ চৌদিশৰ সমস্ত অস্তিত্বৰ নৈৰ্ব্যক্তিকতাৰ প্ৰতি, কিন্তু শিশুসুলভ অভিযোগৰ প্ৰচণ্ড প্ৰশ্নত নাটকীয়ভাৱে বাথৰুমৰ দুৱাৰখন খুলি যায়। সি দেখে বাথৰুমৰ দুৱাৰমুখত থিয় দিছে এটা অনুৰক্ষী-দেৱদূতীৰ মূৰ্তি—সদ্যস্নাতা মানী—অপাৰ্থিৱ, পৱিত্ৰ, উজ্জ্বল, (কেৱল মূৰৰ চাৰিওফালে আলোক-বলয়টি



অনুপস্থিত) আৰু তেওঁৰ চকুত এক অন্তৰ্ভেদী দৃষ্টি—অলপ আহত—অলপ কৰুণ, নিশ্চল—আৰু সি, দ্বিজেন, তেওঁৰ আলোকিত অৱয়ব আৰু স্থিৰ গভীৰ দৃষ্টিৰ সন্মুখত যেন চৈতন্যহীন, অলৰ, সন্মোহিত। কেই মুহূৰ্তমান তেনেকৈয়ে পাৰ হৈ যোৱাৰ পিছত সন্মুখৰ মূৰ্তিটি চঞ্চল হ'ল, গতিশীল হ'ল ঃ মানীয়ে চেণ্ডেলযোৰলৈ ভৰিখন আগবঢ়াই দিলে। আৰু সি যেন অকস্মাৎ চেতনা ঘূৰাই পালে আৰু হঠাৎ সপ্ৰতিভ হ'বৰ চেষ্টা কৰি ক'লে, "অ'হ্ মানী, তুমি গা ধুই আছিলা; হেৰি এই—মোৰ পে'নটো—তুমি বাৰু মোৰ পে'নটো......"

মানী বাওঁফালে লাহেকৈ ঘূৰিল আৰু ৱাৰ্ড্ৰবটো খুলি তাৰ ওলোমাই থোৱা শ্যাৰ্টটোৰ ওপৰৰ জেপত লগাই থোৱা পে'নটো তালৈ আগবঢ়াই দিলে। তাৰ মুখ বিস্ময়, লজ্জা আৰু কৃতজ্ঞতাৰে ৰঙা আৰু নিৰ্বাক হৈ পৰিল। সি তাৰ অঞ্জলিকৃত দুইখন হাত আগবঢ়াই, যেন জলকুঁৱৰীৰ হাতৰ পৰা, তাৰ হেৰোৱা সোণালী পে'নটো গ্ৰহণ কৰিলে। সি এটা দীঘল উশাহ ল'লে; অনুভৱ কৰিলে, পে'নটো বিচাৰোঁতে তাৰ বৰ ভাগৰ লাগিছে। সি বিছনাত বহি পৰিল, বেৰৰ কাষলৈ গৈ আঁউজি ল'লে আৰু দীঘল উশাহ ল'বলৈ ধৰিলে। মানীয়ে একমুহূৰ্ত তাৰ শ্ৰান্ত মুখখনলৈ দৃষ্টি নিক্ষেপ কৰি ড্ৰেছিং টেবুলখনলৈ পাৰ হৈ গ'ল।

ফ্ৰিজটোৰ ওপৰত এখন যীশুৰ ছবি ঃ দেৱদূত নহয়, ঈশ্বৰৰ পুত্ৰ নহয়; দীঘল চুলি, জোঙা নাক, গভীৰ দৃষ্টি, ক্ষীণ, ক্লিষ্ট, কিন্তু ক্ষমাসুন্দৰ মুখেৰে বগা চোলাৰ ওপৰত ৰঙা এখন চাদৰেৰে এজন মানুহৰ মাজৰ নিঃসঙ্গ মানুহ। অজান্তি গাঁৱত জন্ম, নিৰীহ কাঠমিস্ত্ৰী। ঘৰ, পৰিয়াল, পদবী বা পৰিচয় একোৱেই নাই; কিন্তু তেত্ৰিছ বছৰ বয়সতে তেওঁ অৰ্জন কৰিব পাৰিলে মানুহৰ শত্ৰুতা। কাৰণ, তেওঁ মানুহক প্ৰেমৰ কথা শিকাবলৈ আৰম্ভ কৰিছিল। তেওঁৰ মূৰত দিয়া হ'ল পৰিহাসপূৰ্ণ কাঁইটৰ মুকুট। প্ৰেম, এই বাণীৰ বাবে তেওঁৰ পিঠিত দিয়া গ'ল গধুৰ ক্ৰুছ। গজালেৰে তেওঁক ক্ৰুছত শালি দিয়া হ'ল দুটা চোৰৰ লগত। এই ঘৰত ঈশ্বৰৰ অনুপ্ৰৱেশ ঘটে মানীয়ে বাকচৰ তলত কাপোৰৰ মাজত চোৰাংভাৱে অনা এখন ফ্ৰে'মাৱদ্ধ লক্ষ্মীৰ ছবিৰ যোগেদি। ছবিখন পাক-ঘৰৰ চুক এটাত সন্ধ্যাৰ এচাকি পোহৰৰ নিবেদনতে সন্তুষ্ট থাকি নিৰুপদ্ৰৱভাৱে ওলমি আছিল। মানীৰ দেউতাকৰ শ্ৰাদ্ধৰ পৰা উভতি অহাৰ পিছত মানীয়ে এটা নাম পাতি আনুষ্ঠানিক ধৰ্মাচৰণ আৰম্ভ কৰে। আৰু তাৰ নিৰ্লিপ্তি বা অনাসক্তিৰ বিষয়ে জনা সত্ত্বেও বা জানিয়েই, এবাৰ সি সাংঘাতিক ধৰণে পেৰাটাইফইডত আক্ৰান্ত হোৱাৰ পিছত মানী আৰু মহেন্দ্ৰদেউৱে তাক জোৰ-জবৰদস্তি সত্য নাৰায়ণৰ সন্মুখীন কৰায়। কৈশোৰলৈকে ঈশ্বৰৰ প্ৰতি তাৰ এটা ত্ৰাসমিশ্ৰিত আকৰ্ষণ আছিল, কিন্তু ঈশ্বৰৰ পৰা বিভিন্ন সময়ত তিনিহেজাৰলৈকে

টকা বিচৰাৰ বাহিৰে তেওঁৰ অন্য প্ৰয়োজন সি দেখা নাছিল আৰু ঈশ্বৰেও তাৰ প্ৰাৰ্থনা পূৰাবলৈ কোনো চেষ্টা কৰা যেন তাৰ অনুভৱ নহৈছিল। ক্ৰমে বয়স বাঢ়ি জ্ঞান হোৱাৰ লগে লগে তাৰ মনত ঈশ্বৰৰ ধাৰণা অস্পষ্ট হৈ পৰে; প্ৰাৰ্থনাৰ বাবে তাৰ সময় নোহোৱা হয়। ঈশ্বৰৰ ফালৰ পৰাও কোনো ধৰণৰ সঁহাৰি বা প্ৰতিক্ৰিয়া দেখা নাপাই তাৰ চেতনাৰ পৰাই সি ঈশ্বৰক সম্পূৰ্ণৰূপে নিৰ্বাসিত কৰে। গতিকে, সত্যনাৰায়ণৰ প্ৰসাদৰ বাহিৰে তেওঁৰ প্ৰতি আন কোনো ধৰণৰ আকৰ্ষণ তাৰ মনত জাগৰিত নহ'ল। আজি ফ্ৰিজৰ ওপৰত অধিষ্ঠিত যীশুলৈ চকু পৰি মাজে মাজে হোৱাৰ দৰে তাৰ ভাব হ'ল, এই মানুহটোৰ লগত তাৰ কিবা এটা মিল আছে নেকি। কিন্তু সি ধৰিব নোৱাৰে ক'ত বা কিহৰ মিল, কি কাৰণেই বা এই অনুভূতি।

এটা দীৰ্ঘশ্বাসৰ শব্দ শুনি সি চকু ঘূৰাই দেখিলে, মানীয়ে এক দৃষ্টিৰে তালৈ চাই আছে। মানীৰ দৃষ্টিত সেই আন্তৰিকতা, সেই সপ্ৰেম দুশ্চিন্তা, যিবোৰ সঁচা যেন লাগি তাক সদায় অসহজ কৰি তোলে। সি চকু নমাই হাতৰ পে'নটোলৈ চালে। তাৰ মনত পৰিল, সি এই পে'নটো বিচাৰি ইয়ালৈ আহিছিল, পোৱাৰ পিছত সি তাৰ পঢ়া কোঠালৈ যাব লাগে। কিন্তু তাৰ দেহে তাৰ ভাবক সঁহাৰি নিদিলে; সি চকু তুলি যীশুলৈ চালে। আৰু আচৰিত হৈ সি দেখিলে মানীৰ দৰেই যীশুৱে তালৈ এক দৃষ্টিৰে চাই ৰৈছে। আৰু ঠিক সেই সময়তে সি শুনিলে—মুহূৰ্তৰ বাবে তাৰ বিভ্ৰম হ'ল মাতটো মানীৰ নে যীশুৰ—এটি বুকু কঁপোৱা একক শব্দ, সম্বোধনসূচক তাৰ নাম, "দ্বিজু"।

যীশুৰ মুখৰ পৰা চকু ঘূৰাই সি মানীৰ মুখলৈ চালে, শব্দটো মানীৰ কণ্ঠনিঃসৃত আৰু মানীয়ে এইবাৰ তাইৰ বক্তব্যৰ বাকী অংশ যোগ দিলে, "তোমাৰ কি হৈছে দ্বিজু?"

এনে এটা প্ৰশ্নৰ বাবেই সি হয়তো প্ৰতীক্ষা কৰি আছিল; কাৰণ প্ৰশ্নটো তাৰ পৰিচিত যেন লাগিল আৰু কাৰণ নিজৰ প্ৰতি প্ৰায় এনে এটা প্ৰশ্নই তাৰ চেতনাত মাজে মাজে অস্পষ্ট হৈ ভাহিছিল। কিন্তু তাৰ নিৰুদ্বেগ চেতনাত প্ৰশ্নৰ অৱকাশ নাছিল। তদুপৰি কোনো প্ৰশ্নৰ বাবেই তাৰ উত্তৰৰ প্ৰয়োজনো সি বোধ নকৰিছিল। অথচ আজি ৰাতিপুৱাৰ এই অঘটনত — মানীৰ প্ৰতীক্ষিত প্ৰশ্নৰ আকস্মিকতাত — তাৰ মনত ক্ষণিকৰ বাবে অস্বস্তিকৰ এটা ঢৌ উঠিল। তাৰ মুখ ৰঙা পৰিল। বহা ঠাইতে সি লৰচৰ কৰি বহিল। কিন্তু পিছ মুহূৰ্ততে সি সংযত হৈ পৰিল, তাৰ সৌম্য ঘূৰি আহিল আৰু মানীলৈ চাই সি এটা ধীৰ, নিৰাবেগ, নিৰুৎসুক প্ৰতি প্ৰশ্ন কৰিলে, "কি হৈছে?"

কিন্তু মানীও বোধহয় আজি প্ৰস্তুত, তাই এৰি নিদিলে আৰু ক'লে, "কিয়, তুমি



নিজে ধৰিব পৰা নাই? তুমি মানুহটো যে একেবাৰে ঠাণ্ডা হৈ গ'লা! তোমাৰ আনন্দ-বেজাৰ, খং-মৰম, বিৰক্তি-আগ্ৰহ একোৱেই দেখোন নাইকিয়া হৈ গ'ল। তাৰ মাজতে এদিন আকৌ হঠাৎ সৰু-সুৰা কথা এটাতে চিঞৰ-বাখৰ কৰি উঠা, কিয়?"

"কিয় বাৰু মানী? একোতো কাৰণ নাই আচলতে।" দ্বিজুৰ কথাত এটা দুশ্চিন্তাৰ সুৰ, কিন্তু সেইটো এই কাৰণে নহয় যে সি নিজৰ অৱস্থাৰ প্ৰতি চিৰিয়াছ বা চিন্তিত বৰং এই কাৰণে যে মানীৰ প্ৰশ্নত এটা অভিযোগৰ সুৰ আছিল। তদুপৰি তাৰ উত্তৰত ক'বৰাত ভুল হৈ যায় বুলি সি অসহজ বোধ কৰিছিল। মানী সন্তুষ্ট নহ'ল। সি বুজিলে তাই আৰু এটা প্ৰশ্ন মনতে তৈয়াৰ কৰিছে আৰু সি লগে লগে কথোপকথনত আত্ম সমৰ্পণসূচক পাক এটা দিলে, "আৰু মই খুব কথা পাহৰা হৈছোঁ জানা?"

মানীৰ গহীন মুখৰ ৰংহীন মলিন ওঁঠত যেন ক্ষণিক পোহৰে খেলি গ'ল। তাৰ সন্দেহ হ'ল যেন এটা আধা মুহূৰ্তৰ হাঁহি দেখাৰ আগেয়েই অদৃশ্য হৈ গ'ল।

"সেইটো আৰু মোতকৈ কোনে বেছিকৈ গ'ম পাব?"—মানীয়ে ক'লে। সি অনুভৱ কৰিলে মানীৰ এই একাত্মতাৰ আপাত-অহংকাৰত অভিযোগৰ আৰহ আভাস। সি উদাস বোধ কৰিলে, যীশুলৈ চকু ঘূৰালে, এক কৰুণ মমত্ব আৰু সি শুনিলে, মানীয়ে কৈছে, "তোমাৰ গা-চা বেয়া নেকি বাৰু, কোৱাচোন। একো কথা যে তুমি নোকোৱা!" গলিত কুষ্ঠৰ উৰঁলি যোৱা মঙহৰ ঘাবোৰত সম্ভৱ এনে মমতাৰ পৰশেই লাগিছিল।

"ধেৎ, কিয় নকওঁ? চব কথাই তো কওঁ। গা বেয়া হ'লে তো তোমাকে কওঁ, আৰু কাক ক'ম? কিন্তু গাতো বেয়া নহয়। অৱশ্যে মাজে মাজে কি হয় জানা, বুকুখন খুব গধুৰ লাগে, যেন উশাহ ল'ব নোৱৰা হৈ যাম। উশাহটো ঘূৰাব নোৱাৰিম, যেন উশাহটো গৈ বুকুৰ ভিতৰ নাপাবকৈ, গভীৰলৈকে নচুৰগৈ। এটা ওজনে যেন বুকুখন হেঁচি আছে, বতাহখিনি সোমাই যাব নোৱাৰে। খুব কষ্ট হয়, খুব ভাগৰ লাগে।"

"ইমান দিনে মোক কিয় কোৱা নাই তেনে?" মানীৰ কণ্ঠত এতিয়াও অভিমান, কিন্তু সি কোমল, স্নেহাৰ্দ্ৰ।

"কি বুলি ক'মনো? এইবোৰ তো বোধহয় কোনো অসুখ নহয়!" সি এটা অপ্ৰস্তুত উত্তৰ দিলে।

"এনেয়ে গা ঠিকেই আছে, নহয়? একো অসুখ নাই?" মানীয়ে এটা সন্দেহযুক্ত শিশুক কোমল প্ৰশ্ন কৰিলে।

"একো নাই, চব ঠিক আছে।" আৰু শিশুটোৱে এটা স্মাৰ্ট উত্তৰ দিলে।

"মোৰ বৰ চিন্তা লাগে পাই। এবাৰ ডাক্তৰক নেদেখুওৱা কিয়?"

"ধেৎ, কি দেখুৱাম ডাক্তৰক?"

"এনেয়ে, জেনেৰেল্ চে'ক্-আপ্।"

"অ', অৱশ্যে। দেখুৱাব পাৰি। জাষ্ট্ ইন্ কেইছ্—হেৰা, কোনোবা এজন আহিছে!" হঠাৎ মাতটো সৰু কৰি দ্বিজেনে মানীক ক'লে।

"ক'তা?" মানীয়ে সুধিলে, হঠাৎ তাইৰ মনলৈ ক'ব নোৱৰাকৈয়ে এটা অস্বস্তি আহিল।

"খিড়িকিয়েদি পাৰ হৈ যোৱা দেখিলো।" নিম্ন কণ্ঠেৰেই পুনৰ সি ক'লে।

"তুমি এনেয়ে কোৱা। আগতেও দুদিনমান কোনোবা অহা যেন দেখিছিলা। এনেয়ে আকৌ, আহিলে বে'ল টিপিব নহয়!" মানীয়ে তাইৰ অস্বস্তিটো সামান্য অভিযোগেৰে প্ৰকাশ কৰিলে।

"কিন্তু—" সি ক'লে আৰু পঢ়ি থকা ৰিংকিৰ উদ্দেশ্যে চিঞৰিলে, "ৰিংকি, আগফালে কোন আহিছে চোৱাচোন!" আৰু কেইটামান সগৰ্ভ মুহূৰ্তৰ পিছত দ্বিজেনলৈ চাই মানীয়ে আৰু খিড়িকিৰে বাহিৰলৈ চাই মানীৰ দৃষ্টি সম্পৰ্কে সজাগ দ্বিজেনে শুনিলে ৰিংকিৰ চুটি চূড়ান্ত, মমতাহীন উত্তৰ, "দেউতা, কোনো নাই।"

দ্বিজেনৰ বুকুৰ ৰুদ্ধ নিশ্বাসটো দীঘলকৈ বাহিৰ হৈ আহিল। সি চকু ঘূৰাই মুহূৰ্তৰ বাবে মানীলৈ চাই দেখিলে মানীয়ে তাৰ মুখৰ পৰা দৃষ্টি মাটিলৈ নমাই নিছে। সি অসহজ বোধ কৰিলে আৰু লাহে লাহে কোঠাৰ বাহিৰ হৈ গ'ল।

কেইদিনমানৰ পৰা দ্বিজেনৰ সন্দেহ হ'ব ধৰিলে তাৰ সঁচাই কিবা চিৰিয়াছ অসুখ হৈছে নেকি। অনবৰতে তাৰ বিছনাত পৰি থাকিবৰ মন যায়। সময়ে-অসময়ে সি শুই দিব পাৰে। পঢ়া-শুনা, লাইব্ৰেৰীলৈ যোৱা, কেণ্টিনত বহা, তাৰ অৱশিষ্ট দুই-এক বন্ধুকো মাত-বোল কৰা একোতেই তাৰ শেষ আগ্ৰহকণো নাইকিয়া হৈ গৈছে। মানীৰ পছন্দ মতে সি কিনি অনা নতুন পৰ্দাৰে যেতিয়া ঘৰটো জল্‌মলাই উঠে তাৰ মন অদৃশ্য মেঘৰ ছাঁই ওন্দোলাই আনে আৰু মানীৰ প্ৰত্যাশাপূৰ্ণ মুখলৈ চাই সি বিফল অভিনেতাৰ দৰে কৈ উঠে "বঢ়িয়া লাগিছে।" বিৰক্তিবোধ কৰিলেও মানীৰ লগত নতুন কাৰ্পেট কিনিবলৈ গৈ সি তাৰ মতামত দিব লগা হয় আৰু মানীয়ে সযতনে পৰা কোমল কাৰ্পেটৰ ওপৰত খোজ দি সি একধৰণৰ অস্বস্তি অনুভৱ কৰে। মানীৰ ওচৰত প্ৰতিটো কাম, প্ৰতিটো প্ৰতিক্ৰিয়া বা উক্তিৰ বাবে সি সতৰ্ক থাকিব লাগে, কিজানি কোনো ভুল প্ৰতিক্ৰিয়া বা ভুল উত্তৰে তাইক আঘাত কৰে, কিজানি তাই দুখ পায়, খং উঠে। কথাবোৰ সি মনত ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে আৰু পাহৰি গৈ মানীৰ অভিমানী দৃষ্টিৰ সন্মুখত অৱনত অপৰাধী হৈ ৰয়। শুই থকা অৱস্থাত ৰিংকিক মৰম-আদৰ কৰিলেও দিনৰ সময়ত সি ৰিংকিৰ ওচৰত আহুকলীয়া প্ৰশ্নৰ সম্ভাৱনাত অসহজ অনুভৱ কৰি থাকে, কিছুদিনৰ আগতে তাই তাক হঠাৎ সুধি পেলাইছিল, 'বায়ে আমাৰ ঘৰত কিয়



কাম কৰে' আৰু বিপন্ন বোধ কৰি সি উত্তৰ নিদিয়াকৈ আঁতৰি গৈছিল। দুবছৰমান আগতে সিহঁতৰ ঘৰত থকা কাম কৰা ছোৱালীজনীক চুৰ কৰি খোৱাৰ অপৰাধত মানীয়ে যেতিয়া সক্ৰোধ প্ৰহাৰ কৰিছিল, ৰিংকিয়ে তাক সুধিছিল ছোৱালীজনীয়ে কিয় চুৰ কৰি খায়। আৰু তাইৰ সহজ স্বাভাৱিক প্ৰশ্নটোৰ উত্তৰ বিচাৰি তাৰ জিভাখন দোৱোল খালে, মূৰটো গৰম লাগি গ'ল। এনেবোৰ প্ৰতিকূল পৰিস্থিতিৰ মাজত তাৰ উদ্বেগ-সঙ্কুল অৱস্থিতিয়ে তাৰ মনলৈ সলনাসলনিকৈ আনে সুপ্তি আৰু বিস্ফোৰণৰ নিষ্ক্ৰিয় আকাংক্ষা।

মানীৰ উপৰ্যুপৰি অনুযোগত সি ডক্তৰ চৌধুৰীৰ ওচৰলৈ একাধিকাৰ যাব লগা হয়। শেষৰদিনা ডক্তৰ চৌধুৰীৰ চেম্বাৰৰ পৰা ওলাই আহি ক্লান্ত অনুভৱ কৰে। তাৰ হাতৰ বিভিন্ন মেডিকেল ৰিপ'ৰ্টৰ নুৰাটো ত্যক্তভাৱে টেবুললৈ দলিয়াই তীব্ৰগতিত ফেনখন চলাই দি সি বিছনাত বাগৰি পৰে। কাষৰ কোঠাত চকী লৰোৱাৰ শব্দ শুনি সি মানীক মাতিলে কাৰণ, ডাক্তৰৰ কথাৰে সি মানীক বুজাব খোজে যে এইটো এটা অদৰ্কাৰী অৰ্থহীন পৰিশ্ৰম আছিল। মানীৰ আঁকোৰ-গোজালি স্বভাৱ তাৰ বাবে দায়ী, সি মনে মনে মানীৰ অনুশোচনা দাবী কৰে।

"মানী!" সি পুনৰ মাতিলে, পৰ্দাখন ফাঁক হ'ল আৰু মুখ ঘূৰাই সি দেখিলে পৰ্দাৰ ফাঁকেৰে ভুমুকিয়াইছে চম্পাৰ মুখ, "বাইদেউ নাই ছাৰ, জিণ্টুৰ অসুখ বোলে, ডাক্তৰ আহিছে, বাইদেৱে খবৰ কৰিবলৈ গৈছে।"

দ্বিজেন হতাশ হ'ল। তাৰ ভাগৰ যেন বাঢ়ি গ'ল, সি চকু মুদি দিলে। পুনৰায় চকু মেলি সি চম্পালৈ ঘূৰি চালে, চম্পা আঁতৰি গৈছে। সি অনুভৱ কৰিলে তাৰ পিয়াহ লাগিছে। সি চম্পাক মাতি সুধিলে, "চম্পা তুমি মোক একাপ চাহ কৰি দিব পাৰিবা?" আৰু চম্পাই সন্মতি জনাই পাক-ঘৰলৈ গ'ল।

তাৰ মনত পৰিল এয়াৰ্-কণ্ডিচন্‌ড্ চেম্বাৰত ডক্তৰ চৌধুৰীৰ মূৰৰ ওপৰত হিপক্ৰে'টৰ শপত, সোঁফালে চুকত সুন্দৰ ফ্ৰেমত বন্ধাই থোৱা আন এটি প্ৰবাদ, "the practice of medicine is an art not a trade, a calling not a business" আৰু তাৰ সন্মুখত বহি তেওঁ, ডক্তৰ চৌধুৰীয়ে, তাক দিব ধৰিছে গভীৰ আশ্বাস বাণী 'নাথিং, নাথিং টু ৱৰী এট্ অল্.....হাৰ্টৰ কোনো গণ্ডগোল নাই...ই.চি.জি. উইদিন্ নৰ্মেল্ লিমিট্‌ছ্ বি. পি. নৰ্মেল্....কোনো চিন্তা নাই। জিয়াৰ্ডিয়াৰ কাৰণে কেৱল এটা ক'ৰ্ছ, ইউ'ৰিন্ ঠিকেই আছে....দুই-এটা পাছ্ চে'ল্‌তো....। পানী খাব খুব, প্লেণ্টি অব্ ৱাটাৰ্.....।

সুন্দৰ, সুস্পষ্ট, ৰক্তিমাভ মুখাৱয়ব, ধীৰ, নিম্ন কণ্ঠ, তেওঁৰ মুখত এক অস্বাভাৱিক প্ৰশান্তি, যেন পৃথিৱীৰ কোলাহলে তেওঁক বিৰক্ত নকৰে, বাহিৰত অপেক্ষমান তেওঁৰ

সমগ্ৰ দৰ্শনপ্ৰাৰ্থীৰ বাবে যেন তেওঁৰ সামান্যও ব্যস্ততা, সামান্যও উদ্বেগ নাই। কাৰণ তেওঁলোকৰ বাবে তেওঁৰ আছে আশ্বাসৰ বাণী, শান্তিৰ পৰশ, আৰোগ্যৰ নিদান। তেওঁ চকু মুদিলে আৰু কিবা এটা চিন্তা কৰিব ধৰিলে। বোধিসত্ব, বোধিসত্ব, দ্বিজেনে ভাবিলে আৰু তেওঁৰ ধ্যান ব্যাহত হোৱাৰ ভয়ত, তেওঁৰ প্ৰশান্তিক আঘাত কৰাৰ দুশ্চিন্তাত তাৰ মুখলৈ উঠি অহা প্ৰশ্নটো সি স্থগিত ৰাখিলে। তেওঁ চকু মেলিলে আৰু তেওঁৰ সুন্দৰ লাহি হাতেৰে কলমটো তুলি লৈ ধীৰ গতিৰে লিখিব ধৰিলে। আৰু এইবাৰ খুব লাহেকৈ, যেন কোঠাৰ অলৰ বতাহক আঘাত নকৰাকৈ সি প্ৰশ্ন কৰিলে, 'এই যে বুকুখন মাজে মাজে গধুৰ লাগে, উশাহত কষ্ট.....'

আৰু তেওঁ লেখাৰ পৰা ধীৰভাৱে মূৰটো দাঙি দ্বিজেনলৈ চালে, এটা দূৰ হাঁহিৰ ক্ষীণ তৰঙ্গ, তেওঁৰ প্ৰশান্ত মুখ মুহূৰ্তৰ বাবে উজ্জ্বলতৰ হৈ উঠিল, 'কোনো চিন্তা নকৰিব, একো চিন্তাই মনলৈ নানিব, কীপ্ য়'ৰ্ মাইণ্ড্ ফ্ৰী ফ্ৰম্ অল্ টেন্‌শ্যন্‌চ্। এটা দৰৱ দিছোঁ, পুৱা এটা, ৰাতি এটাকৈ....' শব্দকেইটা পানীৰ সৰু গোটা টোপালৰ দৰে তেওঁৰ ওঁঠৰ মাজেদি বাগৰি আহিল।

"তুমি কেতিয়াবাই আহিলা?"

চকুমেলি দ্বিজেনে দেখিলে দুৱাৰেদি সোমাই আহি ৰৈছে মানী, তাইৰ মুখত প্ৰশ্ন। এইটো সিহঁতৰ শোৱা কোঠা, সি বিছনাত।

"সেয়া চাহ কোনে কৰিলে?" মানীৰ চকু টেবুলখনলৈ গ'ল।

"অ'হ!" দ্বিজেন উঠি বহিল। সি অসহজ বোধ কৰিলে, কাৰণ চাহ খোৱা নহ'ল। "চম্পাক কৰিবলৈ কৈছিলো, বৰ পিয়াহ লাগিছিল।" সি ক'লে।

"নাখালাই দেখোন! বৰ বোলে পিয়াহ লাগিছিল!" ধেমালিৰ সুৰত মানীয়ে ক'লে।

"তেতিয়াতো পিয়াহেই লাগিছিল! পিছত দেখোন খাবৰ মন নগ'ল।" দ্বিজেনে অপ্ৰস্তুত কণ্ঠে ক'লে। মানীৰ ধেমালিত কোঠালৈ এটা খন্তেকীয়া উজ্জ্বলতা আহিছিল, কিন্তু দ্বিজেনৰ উত্তৰত প্ৰায় লগে লগেই সি অন্তৰ্হিত হ'ল। এটা অস্বস্তিৰ ছাঁ কোঠাৰ ভিতৰলৈ সোমাই আহি সিহঁতৰ মন আৰু মুখৰ ওপৰত লাহে লাহে বিয়পি গ'ল।

মানী ড্ৰেছিং টেবুলৰ সন্মুখৰ টেবুলখনত বহি পৰিল আৰু কৈফিয়তৰ সুৰত ক'লে, "মই শইকীয়াহঁতৰ ঘৰলৈ গৈছিলো। জিণ্টুৰ অসুখ, ৰাতিৰ পৰা জ্বৰ, খবৰ লৈ আহিলোঁগৈ।" কিন্তু এই কৈফিয়তত থকা গাৰ্হস্থ্যৰ আভাসে পৰিবৃত ছাঁক সহনীয় কৰি নুতুলিলে, বৰং ঘৰৰ চৌহদ, এনেকি চুবুৰীৰ চৌদিশলৈ তাৰ পৰিধি বিস্তৃত কৰি এক নিৰুপায় চেতনাৰে পূৰ্ণ কৰি তুলিলে। মানীৰ কথাৰ উত্তৰত দ্বিজেনে তাৰ উৎসুক চুবুৰীয়াসুলভ স্বাভাৱিক প্ৰশ্নটি আগবঢ়াই নিদিলে আৰু দুয়ো কিছুসময় তেনেকৈ বহি



ৰ'ল। ক্ৰমে মানীয়ে ধৰিব পাৰিলে বিছনাত থকা নুৰাটো ডাক্তৰৰ ৰিপ'ৰ্ট আৰু টেবুলৰ টোপোলাটোত নিশ্চয় দৰৱ আৰু কেইমুহূৰ্তমান দ্বিধাগ্ৰস্ত হৈ থাকি তাই লাহেকৈ সুধিলে, "ডাক্তৰৰ তালৈ গৈছিলা?"

দ্বিজেনে দীৰ্ঘশ্বাসটো বন্ধ কৰি চুটিকৈ ক'লে, "ওঁ" আৰু মানীৰ প্ৰত্যাশিত পিছৰ প্ৰশ্নটোৰ অপেক্ষাত ৰ'ল। কিন্তু মানীয়েও লগে লগে কোনো প্ৰশ্ন নকৰিলে, তাই দ্বিজেনৰ বিবৰ্ণ ছায়া-মলিন মুখখনলৈ চালে, সুধিলে, "কি ক'লে চৌধুৰীয়ে?"

দ্বিজেন কেইমুহূৰ্তমান মনে মনে ৰ'ল, ইমান সময়ৰ অস্বস্তি আৰু অস্থিৰতাৰ চাপে তাৰ উশাহ প্ৰায় ৰোধ কৰি আনিছিল, সি যেন তাৰ পৰা মুক্তি বিচাৰিছিল। হঠাৎ সি ডক্তৰ চৌধুৰীক মিমিক্ কৰি উঠিল "নাথিং, নাথিং টুৱৰী এট্ অল্....কীপ্ য়'ৰ্ মাইণ্ড্ ফ্ৰী ফ্ৰম্ অল্ টেন্‌শ্যন্‌ছ্।"

পৰিবেশৰ অদৃশ্য চাপ যেন সামান্যভাৱে শিথিল হৈ গ'ল আৰু লগে লগেই মানীয়ে আব্দাৰসনা কণ্ঠেৰে ক'লে, "ভালকৈ কোৱানা, কি ক'লে?"

কিছু সহজভাৱে দ্বিজেনে ক'লে, "ক'লোতো একো গণ্ডগোল নাই। হাৰ্ট ঠিকেই আছে, ই. চি. জি. উইদিন্ নৰ্মেল্ লিমিট্‌ছ্, বি. পি. নৰ্মেল্। জিয়াৰ্দিয়াৰ বাবে দৰৱ দিছে, খুব পানী খাব কৈছে আৰু টেন্‌শ্যন্ কমাবলৈ ট্ৰাংকুইলাইজাৰ্ জাতীয় কিবা এটা দিছে।"

"সেইডাল আকৌ কিয় দিছে?" একে লঘু সুৰত মানীয়ে সুধিলে। কিন্তু দ্বিজেনে প্ৰশ্নটোৰ ভিতৰত থকা সংশয়ৰ উমান পালে।

"এনেয়ে। 'আপাৰ্', 'মুড্ এলিভেটৰ্'।" কোনো গুৰুত্ব নিদিয়াকৈ সি ক'লে। মানী অলপ সময় মনে মনে ৰ'ল, তাৰ পিছত সুধিলে, "তোমাক একাপ চাহ কৰি দিওঁ।"

"দিব পাৰা।" দ্বিজেনে ক'লে, কিন্তু সি নাজানে সি কি ক'লে; কাৰণ, তাৰ মন চাহত, মানীৰ উক্তিত বা মানীত, এনেকি কোঠাৰ ভিতৰতে আৱদ্ধ নাছিল। অপৰিসীম এক ক্লান্তিয়ে তাক মানসিকভাৱে নিৰ্জীৱ কৰি তুলিছিল।

সি নুশুনিলে যে মানীয়ে ফ্ৰিজ্‌টো খুলিছে, আৰু তাৰ পৰা বস্তু উলিওৱাৰ লগে লগে ফ্ৰিজ্‌টো সম্পৰ্কে এটা বিৰক্তিসূচক অভিযোগ কৰিছে।

দ্বিজেনহঁতৰ একতলাৰ বিশেষত্বহীন ঘৰটোত কোনো আচৰিত কাৰণে ছাদলৈ যোৱা এটা চিৰি আছিল। চিৰিৰ মূৰত থকা বতৰ-নিপীড়িত কাঠৰ দুৱাৰখনতো আচৰিত ধৰণে এটা তলা লগোৱা আছিল। আৰু আচৰিত ধৰণেই, কি কাৰণে দ্বিজেনে নাজানে, তাৰ ধাৰণা যে এই তলাটোৰ চাবি মানীৰ হাতত আছে। খুব স্পষ্ট নহয়, কিন্তু তাৰ যেন মনত আছে। বিয়াৰ পিছত প্ৰথম এই ঘৰটোলৈ আহোঁতে বা এনেকুৱাও হ'ব পাৰে,

বিয়াৰ আগতেই এনেকুৱা এটা ঘৰত সংসাৰ পতাৰ স্বপ্ন দেখোঁতেই বা কোনো নিদ্ৰামগ্ন ৰাতিৰ প্ৰকৃত স্বপ্নতেই হয়তো মানীয়ে যেন তাক কৈছিল, 'বাহিৰৰ দুৱাৰখনৰ চাবিটো মোৰ হাতত আছে'। অথচ বিয়াৰ দুবছৰমানৰ পিছৰ পৰা কেইবাদিনো যেতিয়াই সি মানীক চাবিটোৰ কথা সুধিছে, মানীয়ে সেই বিষয়ে তাইৰ অজ্ঞতা প্ৰকাশ কৰিছে। সি প্ৰথমে অসহজ বোধ কৰিছিল, তাৰ পিছত বিভ্ৰান্ত। মানীয়ে ইমান পাহৰিছে নে? সি মানীৰ মনত পেলাবলৈ চেষ্টা কৰে, কিন্তু মানী নিশ্চিত এই অদ্ভুত চিৰিৰ অদ্ভুত দুৱাৰখনৰ চাবি কোনোদিন তাই ৰখা নাই। দ্বিজেন হতভম্ব হয়। তেন্তে চাবি সম্পৰ্কীয় মানীৰ উক্তিটো কি তাৰ কষ্টকল্পিত? আৰু চাবিৰ ধাৰণাটোৱেই কি স্বপ্নালোকিত? কিন্তু ক্ৰমে তাৰ ধাৰণাটো দৃঢ়তৰ হ'ব ধৰিলে। এইটো এটা বাস্তৱ আৰু সত্য; মানীয়ে, কি কাৰণে ক'ব নোৱাৰি, আচৰিত ব্যৱহাৰ কৰিছে। সি ঠিক কৰিলে এই বিষয়ে মানীৰ লগত স্পষ্ট কথা হোৱা ভাল।

সেইদিনা ৰাতিপুৱা মনলৈ অহা বিভিন্ন সংহতিহীন ভাবক অনাদৰ কৰি আঁতৰাই পঠাই সম্পূৰ্ণ শূন্য মনেৰে ইখনৰ পিছত সিখন কিতাপ উদ্দেশ্যহীনভাৱে হাত ফুৰাই থাকোঁতে তাৰ কাণলৈ আহিল, 'সততাৰ পুৰস্কাৰ'—প্ৰায় প্ৰতি পুৱাই ৰিংকিয়ে পঢ়া সাহিত্যৰ পাঠ, আকাশবাণীৰ সংবাদ পঠনত দেশৰ নিৰ্যাতিত শ্ৰেণীৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীৰ নতুন কেইবাদফীয়া কাৰ্যসূচীৰ ঘোষণা, নাকলৈ আহিল মানীৰ মাংস-ৰন্ধনৰ পৰিচিত সুগন্ধ আৰু সি অস্থিৰ হৈ উঠিল। সি গম পালে বতাহ গধুৰ হৈ উঠিছে, তাৰ উশাহ লোৱাত এতিয়া কষ্ট হ'ব। সি চিঞৰি মানীক মাতিলে। দুবাৰমান অধৈৰ্যভাৱে মতাৰ পিছত উশাহ ল'বলৈ সময় নাইকিয়া, ব্যস্ত-সমস্ত মানী দ্ৰুতপদে আহি সুধিলে, "কি হ'ল?"

"চাওঁ, শুনা" সি তাইক ওচৰলৈ মাতিলে। সি দৃঢ়। আৰু অধৈৰ্য কণ্ঠে মানীয়ে উত্তৰ দিলে।

"কি, কোৱা। মোৰ একদম সময় নাই। চাহ হোৱাই নাই, ৰিংকিৰ টিফিন্ কৰিবলৈকে আছে।"

একে দৃঢ়তাৰে মানীলৈ নোচোৱাকৈ দ্বিজেনে সুধিলে, "ছাদলৈ যোৱা চাবিটো ক'ত থ'লা?"

অবিশ্বাস আৰু বিৰক্তিত মানীৰ কণ্ঠ কিছু ওপৰলৈ উঠিল, "তুমি কি দ্বিজু! তোমাক কেইদিন কৈছোঁ, চাবিটোৰ কথা মই একো নাজানো?"

মানীৰ বিৰক্তিয়ে তাৰ কণ্ঠলৈ কঠোৰতা আনিলে আৰু সি ক'লে, "নাই, চাবিটোৰ কথা তুমিয়েই জানা।"

"কেনেকৈ জানো?" তাৰ কঠোৰতাৰ প্ৰতি তাই যেন এক আবেদন জনালে।



"কাৰণ চাবিটো তুমি ৰাখিছা।" কৰ্তৃত্বৰ শীতল অভিযোগ সি উত্থাপন কৰিলে। মানী এইবাৰ অতিষ্ঠ হৈ উঠিল আৰু তাইৰ প্ৰাথমিক কৰ্তব্যলৈ মনত পৰি প্ৰত্যাহ্বানৰ কণ্ঠে ক'লে, "ৰাখিছোঁ যদি ৰাখিছোঁ, মোৰ এতিয়া চুপতি মাৰিবলৈ সময় নাই।" দ্ৰুতপদে তাই তাৰ ওচৰৰ পৰা আঁতৰি গ'ল।

দ্বিজেনৰ মুখলৈ এটা তিতা আস্বাদ আহিল। সি সমুখৰ বেৰখনলৈ চালে; চেপেটা, ওখ বেৰখন যেন সীমাহীনভাৱে প্ৰসাৰিত, বিহ্বলকাৰীভাৱে বগা, নিৰুপায়ভাৱে তাৰ সন্মুখীন।

ইয়াৰ দুদিনমান পিছতে আৰু এটা ঘটনা ঘটিল। অৱশ্যে প্ৰকৃতাৰ্থত এইটোক অঘটন বুলিয়েই কোৱা উচিত। কাৰণ, বাস্তৱত একোৱেই আচলতে ঘটা নাছিল, কেৱল কেইবাদিনো তাৰ কাণ দুখন তাল মাৰি থকা যেন লাগিছিল আৰু সি খুব অস্বস্তিবোধ কৰিছিল। তাৰ টোপনি সাধাৰণতেই ভাল, গভীৰ আৰু নিৰুপদ্ৰৱ। কিন্তু এদিন শেষ ৰাতি সি এটা অস্পষ্ট সপোন দেখিলে। সি দেখিলে অজস্ৰ মানুহৰ ভিৰ। চাৰিওফালে খেলিমেলি মানুহ, উচ্ছৃংখল। সিহঁতে কিবা চিঞৰিছে, কিন্তু সিহঁতৰ ভাষা সি বুজি পোৱা নাই। মানুহবোৰ ইফালৰ পৰা সিফাললৈ গৈছে, ঘূৰি আহিছে, আকৌ গৈছে, তাৰ পিছত এবাৰ হঠাৎ গোটেইজাক মানুহ তাৰ ফালে আহিল। সি দেখিলে মানুহবোৰ দুৰ্বল, জীৰ্ণ-শীৰ্ণ, সিহঁতৰ মুখ ঘাম, আৰু ধূলিৰে বিবৰ্ণ, সিহঁতৰ চকু নিৰুদ্ধ ক্ৰোধত আৰক্ত। ভয়ত বিবুদ্ধি হৈ সি থৰ হৈ ৰৈ গ'ল আৰু মানুহজাক ওচৰলৈ আহি তাৰ কাণৰ কাষত সমস্বৰে চিঞৰিলে, "ষ্ট'প্ কিলিং আছ্, ব্লাডী ফুল্‌ছ্!" তাৰ কাণ দুখন তাল মাৰি ধৰিলে আৰু প্ৰায় লগে লগেই সি দৌৰিব ধৰিলে। যিমানে দৌৰিছে সি শুনিছে এটা অবোধ্য আটাহ—যেন এটা সশৰীৰ চিৎকাৰ—তাৰ পাছে পাছে খেদি আহিছে। তাৰ ভাগৰ লাগিছে, উশাহ চুটি হৈ আহিছে, কাণদুখন চিঞৰত যেন ফাটি গৈছে, ভৰি দুটা ফন্দিয়াই ধৰিছে। সি আৰু দৌৰিব নোৱাৰে, এই মুহূৰ্ততে সি পৰি যাব, পৰি যাব, পৰি যাব আৰু ঠিক সেই মুহূৰ্ততে সি সাৰ পাই গ'ল।

পিছদিনা গোটেই দিনটো সপোনৰ চিঞৰটো তাৰ কাণত লাগি থাকিল। কাণ দুখন তাল মাৰি থকা যেন লাগিল; যেন আগৰ দৰে সি স্পষ্টকৈ নুশুনে, কথাবোৰৰ এটা আভাসমাত্ৰ তাৰ কাণলৈ আহে আৰু সি আন্দাজতে বুজি লয়। অকলশৰীয়া হ'লেই যেন চিঞৰটো দূৰৰ পৰা ক্ৰমে ওচৰ চাপি আহি তাৰ কাণত লাগি ৰয়হি। দুপৰীয়া লাইব্ৰেৰীত কিতাপ এখন মেলি বহোঁতেই তাৰ সপোনটোৰ কথা মনলৈ আহিল আৰু হঠাৎ তাৰ মনত পৰিল যে সপোনটোৰ এটা বাস্তৱ উৎস আছে। যোৱা বছৰ কিবা এটা কামত দুদিনৰ বাবে ভিনিহিয়েকৰ তালৈ যাওঁতে সি দেখিছিল তেওঁলোকৰ ঘৰত

ফ্ৰিজ্‌টোৰ ওপৰত বাইদেউৰ ল'ৰাটোৱে—ভাগিনীয়েকৰ নাম তাৰ মনত নপৰিল—এজাক ছিন্‌থেটিক্ জন্তু সজাই থৈছে আৰু হাতীটোৰ শুঁৰডালত ওলোমাই দিছে মাৰ্কিন ইংৰাজীৰে এখন সৰু প্লেকাৰ্ড "ষ্ট'প্ কিলিং আছ্, ব্লাডী ফুল্‌ছ্!" সপোনটোৰ এটা সমাধান উলিয়াই দ্বিজেনে স্বস্তি বোধ কৰিলে, মনটো তাৰ সামান্য পাতল লাগি গ'ল। কিছুসময়ৰ পিছত কেণ্টিনত তাৰ বন্ধু প্ৰণৱক পাই সি উৎসাহেৰে সপোনটো বৰ্ণনা কৰিলে। কিন্তু প্ৰণৱে সপোনটোত কোনো আমোদ বা গুৰুত্ব বিচাৰি নাপালে। কাৰণ সি ক'বলৈ ধৰিলে, সিহঁত বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থকা সময়ত একেৰাহে দুদিন দেখা এটা অতি আচৰিত সপোনৰ কথা, য'ত কেইদিনমানৰ পিছত হোৱা সিহঁতৰ ধৰ্মঘটৰ বিভিন্ন ঘটনা, সভা, পুলিচৰ ৰেইড্, পলায়ন, এৰেষ্ট আদি গোটেইবোৰ কথাই তথ্যচিত্ৰৰ দৰে কিছু অস্পষ্টভাৱে পূৰ্ব-প্ৰক্ষেপিত হৈছিল। নিৰ্বিকাৰ ঔদাসীন্যৰে দ্বিজেনে প্ৰণৱৰ সোৎসাহ বৰ্ণনা শুনি গ'ল। কিন্তু তাৰ মনত নপৰিল কোনো ধৰ্মঘটৰ কথা, ৰেইড্ বা এনেকি প্ৰণৱে আপোনজনৰ দৰে বাৰে বাৰে উল্লেখ কৰা সিহঁতৰ বন্ধু ছাত্ৰ-নেতাজনৰ মুখৰ চেহেৰা। প্ৰণৱৰ ভৰ্ৎসনাত সি যেতিয়া বন্ধুজনৰ কথা মনত পেলাবলৈ চেষ্টা কৰিলে, অজস্ৰ অচিনাকি মুখ তাৰ মনৰ মাজেদি পাৰ হৈ গ'ল; স্মৃতি-উৎসাৰিত নহয়, তাৰ মনে তৈয়াৰ কৰা কিছুমান কৃত্ৰিম, কাল্পনিক অনাত্মীয় মুখ। হঠাতে তাৰ ভাগৰ লাগিল। বুকুখন গধুৰ লাগিল। তাৰ শ্বাসকষ্ট হ'ল। সি অসহায় বোধ কৰি চকীখনত আঁউজি দিলে।

পঢ়া-কোঠাৰ বিছনাখনত খিড়িকিখনৰ কাষত বহি লৈ দ্বিজেনে এখন কিতাপ পঢ়ি আছিল। মানী ক'ৰবালৈ ফুৰিবলৈ গৈছে। ৰিংকি ওচৰৰ জিণ্টুহঁতৰ ঘৰত। কিন্তু কিতাপখনৰ কঠিন বিষয় আৰু তাৰ বাঢ়ি অহা অনিচ্ছাৰ ফলত সি মনোনিবেশ কৰিব নোৱৰা হৈছে। একেটা দীঘলীয়া শাৰীকে সি ঘূৰাই পঢ়িব লগা হৈছে। ক্লান্তিকৰ পঠনৰ পৰা সুৰুঙা বিচাৰি তাৰ মন আঁতৰি আহিব খুজিছে। সি অনুভৱ কৰিলে কিতাপৰ আখৰবোৰ অস্পষ্ট হৈছে। কিতাপখন আঁতৰাই সি চছ্‌মাযোৰ খুলিলে আৰু পাঞ্জাবীৰ আগেৰে মচিবলৈ লাগিল। সন্মুখৰ বেৰৰ বিয়লিৰ ম্লান পোহৰত তাৰ চকু পৰিল। চাৰিওফালে বিয়পিছে এটা নীৰৱতা, এটা সমাপ্তিৰ অলসতা, চিনাকি উজ্জ্বলতাৰ অৱশেষত বিবৰ্ণ মলিনতা। ক্ৰমে পৰিবেশে তাৰ মনলৈ আনিলে এটা অস্থিৰ বিহ্বল ভাব। কোনো অবুজ অনুভূতি তাৰ মনৰ ভিতৰত উথলি উঠে, কিন্তু সি ধৰিব নোৱাৰে কি সেই অনুভূতি, যি ওন্দোলাই ৰাখিছে তাৰ অন্তৰ, অথবা ক'ত তাৰ উৎস। হয়তো তাৰ প্ৰতি তাৰ গভীৰত আছে কিছু প্ৰশ্ন বা সকলো প্ৰশ্নৰে মূল কোনো এটাই প্ৰশ্ন। কিন্তু সি নাজানে কি সেই প্ৰশ্ন। বা সম্ভৱতঃ জানিব নোখোজে। কাৰণ, প্ৰশ্ন ৰুদ্ধ দুৱাৰত অমোঘ আঘাত, অন্ধকাৰত বিপজ্জনক জুইশিখা, সত্যৰ অব্যৰ্থ উদ্‌ঘাটন; তাৰ দুৰ্বল হৃদয়ৰ বাবে দুঃসহ।



নাই, প্ৰশ্ন নহয়। সন্দেহ থাকিলেও দ্বিধা নহয়, আপত্তি থাকিলেও প্ৰত্যাখ্যান নহয়; কোনো প্ৰশ্ন নহয়, কেৱল গ্ৰহণ, গ্ৰহণ, দ্বিধাহীন নিৰ্বিবাদ গ্ৰহণ। জীৱন তেতিয়া সহজ, শান্তিময়, নিজঞ্জাল, নিশ্চিত, গতিশীল। কিন্তু—দ্বিজেনে এটা দীঘল উশাহ ল'লে; বুকুখন পাতল নহ'ল, উথলি উঠা গধুৰ ভাবটো বুকুৰ ওপৰত বহি ৰ'ল। আৰু বোধহয় বুকুৰ অসহ্য ভাৰতে তাৰ মনলৈ ভাব আহিল, এনেকৈ ক'লৈ কিমান দূৰ? কিন্তু এয়া প্ৰশ্ন নাছিল। আৰু যদিওবা প্ৰশ্ন আছিল, সি আছিল নিৰুদ্দেশ, অন্ততঃ তাৰ নিজৰ প্ৰতি মুঠেই নহয় আৰু সেয়ে প্ৰত্যাশাহীনভাৱে মনৰ মাজেৰে পাৰ হোৱা হাজাৰটা প্ৰতিক্ৰিয়াহীন ভাবৰ দৰে তাৰ আকস্মিক ভাবৰ তৰংগটোৰ পৰা সি মনক নিঃসংযোগ কৰিলে। সেই মুহূৰ্ততে বাহিৰলৈ চকু ঘূৰাবলৈ ধৰিয়েই সি বৈ গ'ল কাৰণ সি দেখিলে, সি আঁউজি থকা খিড়িকিখনৰ বাহিৰত অলপ আঁতৰত বৈ আছে এজন ডেকা ল'ৰা। ছাঁ-পোহৰৰ দোমোজাত সি দেখিলে তাৰ গাত এটা নীলাধৰণৰ শ্যাৰ্ট, এটা মলিয়ন পেণ্ট, দীঘল অপৰিপাটি চুলি, ভৰিত এযোৰ জীৰ্ণ চেণ্ডেল, কাযলতিত এটা কাগজৰ নুৰা। দ্বিজেনলৈ সি চিনাকিৰ দৰেই চাইছে, কিন্তু দ্বিজেনে ধৰিব পৰা নাই, অথচ চিনাকিৰ দৰেও লাগিছে। তাক বিভ্ৰান্ত দেখি ডেকাজনে আমোদ পাইছে, তাৰ মুখত যেন এটা ক্ষীণ বিদ্ৰূপৰ আভাস। দ্বিজেন খিড়িকিৰ ফালে ঘূৰিল, আৰু লগে লগে দেখিলে ল'ৰাজন নাই। সি প্ৰায় জাঁপ মাৰি বিছনাৰ পৰা নামিল আৰু বাৰাণ্ডাই দি চোতাললৈ দৌৰি গ'ল, কিন্তু চোতালত কোনো নাই। চোতালখন উদং; সন্মুখৰ বাটটো শূন্য। বাটলৈ আগবাঢ়ি যাওঁতেই দেখিলে মানী ক'ৰবাৰ পৰা আহি গে'টখন খুলিছে। উত্তেজিতভাৱে সি মানীৰ ওচৰলৈ আগবাঢ়ি গ'ল। কিন্তু ওচৰ পাই দেখিলে মানী নহয়, হাতত গাখীৰৰ জগ লৈ আহিছে চম্পা। গধূলিৰ নিস্তৰঙ্গ বিস্তাৰৰ মাজত দ্বিজেন প্ৰায় অলৰ হৈ থিয় দি ৰ'ল।

বহা কোঠাৰ দুৱাৰখন খুলি ভিতৰ সোমাওঁতেই ষ্টেৰিঅ'ত উত্তাল পাশ্চাত্য সঙ্গীত আৰু কোঠাৰ গৰম বতাহে দ্বিজেনক আদৰণি জনালে। চ'ফাখনত আৰাম কৰি আঁউজি মানীয়ে সঙ্গীত উপভোগ কৰিছে। ফেনখনৰ গতি বঢ়াই দি সি ক'লে, "বন্ধ কোঠাত বহি ষ্টেৰিঅ' শুনিছা, বাহিৰত কি সুন্দৰ বতাহ দিছে।" মানীৰ বিপৰীতে সি বহি পৰিল।

"বাহিৰত কি বহিবা, যিডালহে ঘৰ! চাৰিওফালে বন্ধ।" মানীয়ে ক'লে আৰু উঠিগৈ ষ্টেৰিঅ'ফ'নটোৰ ভলিউম্ কমাই দিলে। "সঁচাই জানা! মাজে মাজে বৰ খং উঠে।" তাই পুনৰ আৰম্ভ কৰিলে, "আগফালে এডাল গেৰেজ—ৰাস্তালৈকে মটৰৰ দ'ম। পিছফালে খালি কেঁচুৱাৰ চিঞৰ, ল'ৰা-ছোৱালীৰ কেলৌ কেলৌ, মাইকী মানুহৰ কাজিয়া। ইফালে এছ-ডি-চি অফিচত দিনটো মানুহৰ সোঁত, আৰু সিফালে হাজৰিকাই

দিনটো ল'ৰা-ছোৱালীবোৰক পিটিব, আকৌ গধূলি হ'লেই এটুপি ধৰি ঘৈণীয়েকৰ লগত নাটক কৰিব। সঁচাই অসহ্য আৰু!"

দ্বিজেনে মূৰটো বেৰত আঁউজাই দি মানীলৈ চালে, তাৰ ক্লান্ত চকুলৈ এটা সজাগতা আহিল। সি ক'লে, "সেই কাৰণেতো সদায় চাবিটো বিচাৰি আছোঁ। চাবিটো পালে ছাদত গৈ বহিব পাৰিলোহেঁতেন। বাহিৰখন বঢ়িয়াকৈ দেখা পালোহেঁতেন। ওপৰত কেৱল আকাশ, চাৰিওফালে খোলা। চকু ঘূৰাই ঘূৰাই প্ৰতিটো বস্তু, প্ৰতিটো দৃশ্য ইচ্ছামতে চাব পাৰিলোহেঁতেন। আহ্!" সি মূৰটো অভিনয়ৰ ভঙ্গীৰে সামান্য লৰালে আৰু আৱেগসনা সংলাপৰ সুৰত ক'লে, "ৰাতিৰ ৰহস্যময় আকাশৰ অতল গভীৰতা, দিনৰ কদৰ্য পৃথিৱীৰ নানা মুখ, নানা ৰূপ!"

সি একেথৰে মানীৰ মুখলৈ চাই ৰ'ল। মানীয়ে অস্বস্তিবোধ কৰিলে, কিন্তু একো ক'ব নোৱাৰিলে আৰু সি মৃদু তিৰস্কাৰৰ সুৰত ক'লে, "কিন্তু তুমি তো চাবিটো নিদিয়া।"

মানী চ'ফাত আঁউজি ৰ'ল, তাই নিজকে সংযত কৰি ৰাখিলে; কোনো দ্ৰুত প্ৰতিক্ৰিয়া নকৰাকৈ শান্ত স্বৰে তাই ক'লে, "তুমি ভালকৈয়ে জানা দ্বিজু, চাবিটো মোৰ হাতত নাই। কিমানবাৰ কৈছোঁ মই! তুমি কিয় বিশ্বাস নকৰা?"

ধীৰ কিন্তু কিছু কঠোৰ কণ্ঠে দ্বিজেনে ক'লে, "মই জানো তুমি কিয় চাবিটো নিদিয়া। তুমি ভাবা দুৱাৰ খুলিলেই মই ছাদলৈ বাহিৰ ওলাম আৰু কোনোবাদিনা ক'ব নোৱৰাকৈ তললৈ পৰি যাম। কোৱা, হয়নে নহয়?"

ষ্টেৰিঅ'ৰ স্বয়ংক্ৰিয় চুইচ্‌টো অফ্ হৈ গ'ল। মানীয়ে চকুহাল মুদি দিলে, যেন অসহায়তাৰ ওচৰত নিজকে সমৰ্পণ কৰিলে আৰু পিছমুহূৰ্ততে চাই দেখিলে দ্বিজেনে তাইলৈ একেদৰেই চাই আছে, তাৰ চকুত তেতিয়াও প্ৰত্যাহ্বান। ধীৰ, অসহায় আকুতিৰে তাই আবেদন জনালে, "প্লিজ্ দ্বিজু!"

মানীৰ এনে আশাতীত সমৰ্পণত সি অসহজ বোধ কৰিলে আৰু তৎক্ষণাৎ পাতল সুৰত ক'লে, "আচ্ছা, আচ্ছা, নে'ভাৰ্ মাইণ্ড। আই ড'ণ্ট্ মিন্ টু হাৰ্ট্ ইউ।"

সি বহাৰ পৰা উঠি অস্বস্তিৰ পৰা সাৰিবলৈ ৰে'কৰ্ডৰ জাপটোৰ ওচৰলৈ গ'ল আৰু ৰে'কৰ্ডবোৰ চাবলৈ ধৰিলে। তাৰ চকুত পৰিল এখন বেগম আখ্‌তাৰ্, এখন ৰবিশংকৰ আৰু আলি আকবৰৰ যুগল-বন্দী, দেবব্ৰত বিশ্বাসৰ ৰবীন্দ্ৰসংগীত, আৰু হঠাৎ এখন বাৰ্টক্। তাৰ মনত নপৰিল বাৰ্টক্‌খন সি কেতিয়া কিনিছিল, তাৰ মনত নপৰিল যে সেইখন সি কেতিয়াবা শুনিছে, কিন্তু হাতত লৈও পুনৰ ৰেকৰ্ডখন সি জাপৰ মাজত ভৰাই থ'লে আৰু ঘূৰি আহি আগৰ ঠাইত বহি দূৰৰ বেৰলৈ চাই ৰ'ল। তাৰ পিছত হঠাৎ মানীলৈ চাই সি সুধিলে, "হে'ৰা, বাইদেউৰ ল'ৰাটোৰ নাম কি আছিল?"



শীতল, নিৰুৎসুক, যান্ত্ৰিক কণ্ঠে মানীয়ে উত্তৰ দিলে, "ৰুবু", কিন্তু তাৰ পিছতেই তাইৰ অসতৰ্ক অন্তৰৰ পৰা সৰকি আহিল কৌতূহল, "কিয়?"

"অ' ৰুবু, ৰুবু। ধেৎ তেৰি! সিদিনা প্ৰণৱৰ লগত কথা পাতোঁতে ওলাইছিল, একেবাৰে মনত নপৰিল।" দ্বিজেনে ক'লে।

"বাইদেৱে শুনিলে বৰ ভাল পাব!" মানীয়ে ঠাট্টা কৰিলে।

"শুনা, থাৰ্টি ফাইভৰ পিছত মানুহে বোলে প্ৰপাৰ্ নাউন্‌বোৰ পাহৰিবলৈ আৰম্ভ কৰে। কোনে কৈছিল জানা? হেৰিয়ে, এই হেৰি যে—এহ্ তাৰ নামটোৱেই নহা হ'ল। এই হেৰি—এহ্—ৰ'বা—হেৰিযে হে—ধেৎ তেৰি—হেৰি যে—ষ্টে'ট্‌চত আছে যে—ৰাট্‌গৰ্চত ডক্টৰেল্ কৰি আছে—কি আছিল?—"

"কোন, মুকিবুল?"

"মুকিব, মুকিব! মুকিবে কৈছিল।"

"ইমান পুৰণি বন্ধুৰ নাম পাহৰিব লাগেনে? ভাল কাণ্ড!" মানীয়ে পুনৰ টিপ্পনী কাটিলে।

দ্বিজেনে কিছুসময় একো নামাতিলে। তাৰ পিছত সি লাহেকৈ ক'লে, "সেইটোও তো এটা প্ৰপাৰ্ নাউন্।" আৰু প্ৰায় লগে লগেই স্বগতোক্তিৰ দৰে যোগ দিলে, "কিন্তু মুকিবে নাজানে মই মোৰ পূৰা অতীতটোকে পাহৰি গৈছোঁ।"

তাৰ উক্তিত আক্ষেপ বা অভিযোগ নাছিল। ই আছিল এটা সৰল বক্তব্য; শোক বা অনুতাপৰ সজলতা তাত নাছিল, আত্ম সমৰ্পিত সত্তাৰ শুকান, মমতাবিহীন প্ৰকাশেই আছিল এই উক্তিৰ মৰ্ম। সেই সময়ত ঘৰটো নীৰৱ—ৰিংকি শুইছে, পৃথিৱী বন্ধ কোঠাৰ ভিতৰৰ স্বামী-স্ত্ৰীৰ অশান্তিকৰ অস্বস্তিৰ মাজত সীমাবদ্ধ আৰু কেৱল কাষৰ কোঠাৰ ৱাল্-ক্লক্‌টোৰ শব্দ হঠাৎ পৰিস্ফুট হৈ দ্বিজেনৰ অতীত-ভৱিষ্যৎহীন চেতনাত অনাত্মীয় বৰ্তমানক দুৰ্বহ গধুৰ কৰি তুলিলে। এই যে দ্বিজেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নাম ফলকত, লে'টাৰ্-হে'ডত, কিতাপৰ বেটুপাত বা মুখপৃষ্ঠত যি ডি. কে. ভট্টচাৰ্য, বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ মুখত ভট্ট, ভট্টাচাৰ্য, দ্বিজেন, দ্বিজু আদি বিভিন্ন ৰূপৰ বিভিন্ন ব্যক্তিত্ব, কোন এইজন? অৱশ্যেই তেওঁ এজন ভদ্ৰলোক, বিনীত আইন-অনুগত নাগৰিক; তেওঁ ৰাজপথত বাওঁফালে খোজ কাঢ়ে, ইন্‌কাম্ টেক্স্ ৰিটাৰ্ণ্ আৰু ৰেশ্যন্ কাৰ্ডত শুদ্ধ হিচাপ দিয়ে, ৰেডিঅ' লাইচেন্স্ নিয়মিত ৰিনিউ কৰে, ৰাজহুৱা ঠাইত থুই নেপেলায়, মানুহৰ ঘৰত সোমাওঁতে ওলাওঁতে গেট বন্ধ কৰি যায়, কেতিয়াও ডাঙৰকৈ ৰেডিঅ' বা ষ্টেৰিঅ' নবজায়। তেওঁ এজন দায়িত্বশীল স্বামী; স্ত্ৰীৰ দৈহিক আৰু পাৰ্থিৱ প্ৰয়োজনৰ সকলো দাবী আৰু আব্দাৰ তেওঁ নিৰ্বিবাদে পূৰণ কৰিছে, কোনো আপত্তি কৰা নাই, কোনো প্ৰশ্ন পৰ্যন্ত কৰা নাই। কাৰণ স্ত্ৰীক

তেওঁ ভাল পায়, স্ত্ৰীৰ সন্তুষ্টিৰ বাবে তেওঁ সদা-সচেষ্ট; কাৰণ তেওঁৰ অৱচেতনাত— হয়তো কোনো ব্যাখ্যাহীন হীনমন্যতাৰে ফলশ্ৰুতি— এই সন্তুষ্টি তেওঁৰ পৌৰুষৰ প্ৰতিফলন। তেওঁ এজন নীৰস, নিৰ্জীৱ আৰু নিষ্প্ৰাণ বন্ধু; গ্ৰন্থকীট আৰু মিতবাক, আগ্ৰহবিহীন, প্ৰতিক্ৰিয়া-ৰহিত, কিম্ভূত। পৰিয়াল-পৰিজনৰ মাজত তেওঁ কটাক্ষৰ পাত্ৰ, কাৰণ আপাত-দৃষ্টিত তেওঁ আন্তৰিকতা শূন্য, কবোষ্ণ। ৰিংকিৰ বাবে তেওঁ এজন বেনিভ'লেণ্ট অট'ক্ৰেট্। কিন্তু সি দ্বিজেন, ইয়াৰ কোনোজনেই নহয়। জীৱনে আচৰিত, তাক বহু অংশত বিভাজন কৰিছে। কিন্তু তাতকৈও আচৰিত, অংশবোৰৰ সমষ্টি তাৰ সম্পূৰ্ণ আপোন সত্তা নহয়। আৰু এই প্ৰক্ৰিয়াত সি কেৱল তাৰ পৰা আঁতৰি গৈছে, ভাহি গৈছে, ভাহি গৈছে.....

"ভাত বাঢ়োঁ?"

দ্বিজেনৰ সন্মুখৰ ধূঁৱলি শূন্যতা লাহে লাহে আঁতৰি গ'ল। সি দেখিলে, তাৰ বিপৰীতে চ'ফাত বহি মানী, এটি বাস্তৱ আৰু মানীৰ উক্তিত পৃথিৱী, খাদ্য, ক্ষুধা, শৰীৰ ইত্যাদি। সি পৃথিৱীলৈ ঘূৰি আহিল আৰু মানীক ক'লে, "বাঢ়িব পাৰা।" আৰু বাওঁ ভৰিৰ ওপৰত সোঁ ভৰি তুলি জোতাৰ ফিটা খুলিব ধৰিলে। মানী লগে লগেই নুঠিল, এলাহ বা অনাগ্ৰহে তাইৰ শৰীৰ-মন অধিকাৰ কৰিছে। দ্বিজেনে তাইলৈ চালে, তাৰ পৃথিৱীৰ কথা তাৰ মনলৈ আহিল আৰু সি ক'লে, "আজি এটা ডাঙৰ কথা হৈছিল ৰ'বা, সেই ল'ৰাটোক মই ধৰা পেলাইছিলো!"

অতি দ্ৰুতবেগে মানীৰ শৰীৰলৈ সজীৱতা আহিল, তাইৰ কণ্ঠলৈ আহিল ঔৎসুক্য, "কেনেকৈ?" তাই অলপ পোন হৈ বহি দ্বিজেনলৈ চালে, তাইৰ চকুত উৎকণ্ঠা।

"ধৰা পেলাইছিলো মানে একদম চিনি পাওঁ পাওঁ হৈছিলো, ঠিক মনত পৰিব ধৰিছিল, তেনেতে হ'ল কি—"

মানীৰ ক্লিষ্ট স্নায়ুসমূহ আৰু তাইৰ নিয়ন্ত্ৰণাধীন নাছিল, তাইৰ তীব্ৰ হতাশা বিৰক্তি মিশ্ৰিত হৈ দ্বিজেনৰ ব্যাখ্যাক ব্যাহত কৰিলে, "অ'—মই আকৌ—"

"শুনাচোন!" দ্বিজেনে ক্ষিপ্ৰকণ্ঠে ক'লে। মানী উঠিবৰ আয়োজন কৰিছিল, বহি পৰিল আৰু ক'লে, "কোৱা।"

"দুপৰীয়া লাইব্ৰেৰীত খিৰিকিৰ কাষত বহি পঢ়ি আছোঁ; হঠাতে ভাব হ'ল, খিড়িকিৰ একেবাৰে ওচৰত থিয় হৈ কোনোবা এজনে মই পঢ়া কিতাপখন চাই আছে। কেঁৰচকুৰে চাই দেখিলো, ঠিক, সেইদিনা গধূলি দেখা ল'ৰাজন! একে নীলা ছাৰ্ট, মলিয়ন পেণ্ট, ভৰিত চেণ্ডেল, উৰি যোৱা চুলি, কিতাপৰ নুৰা। মই দেখা গম পাই সি মোলৈ কটাক্ষ কৰি চালে। তৎক্ষণাৎ তাৰ চাৱনিটো, তাৰ মুখৰ বিদ্ৰূপসনা আমোদৰ ভঙ্গীটো



মোৰ খুব চিনাকি যেন লাগি গ'ল। ঠিক মনত পৰিব ধৰিছে ল'ৰাটো কোন আৰু সেই মুহূৰ্ততে প্ৰফেছৰ দত্ত আহি মোৰ কান্ধত টুকুৰিয়াই দিলেহি। মই চক্ খাই উঠিলো আৰু লগে লগে ঘূৰি চাই দেখিলো, সি নাই, গ'লগৈ। পিছত এনেকুৱা বেয়া লাগিছে!" দ্বিজেনে পুনৰ মুৰটো আঁউজাই দি ফেনখনলৈ চালে। মানীয়ে দেখিলে, দ্বিজেন ক্ষীণাইছে, তাৰ মুখখন ক্লান্ত, চকুযোৰ দুৰ্বল। তাইৰ মনলৈ মায়া আহিল। স্নেহ আহিল; সকলো অশান্তি, অস্বস্তি, অপচিন্তা তল পেলাই বিশুদ্ধ আৱেগে তাইৰ অন্তৰ সজল কৰিলেহি।

"তোমাৰ গা বেয়া লাগিছে, দ্বিজু?" তাইৰ প্ৰশ্নত এটা অস্বাভাৱিকতাৰ সুৰ আছিল।

"নাই লগা, কিয়?" দ্বিজেনে সুধিলে।

"বুকু বেয়া লগাটো ভাল হ'ল?" তাই পুনৰ সুধিলে।

"অ, বুকুখন অৱশ্যে গধুৰ লাগে মাজে মাজে। আজি লাইব্ৰেৰীৰ ইন্‌চিডেণ্ট্‌টোৰ পিছত খুব বেয়া লাগিছিল। উশাহটো যেন ঘূৰি নাহিব; ইমান গধুৰ লাগিছিল বুকুখন!"

দ্বিজেনৰ আচহুৱা অভিজ্ঞতাটো এতিয়া তাৰ চেতনাত এটা ইন্‌চিডেণ্টৰ পৰ্যায় পাইছে। কিন্তু মানী এই বিষয়ত খুব সন্ত্ৰস্ত; এইটো এটা অস্বস্তিকৰ বাস্তৱতা, যদিহে সি বাস্তৱ হয়, আৰু সেই সম্পৰ্কে মানী অত্যধিক সন্দিহান। ফলত, এই বিষয়ে তাই একো মাতিব নোৱাৰে, কোনো প্ৰশ্ন বা আলোচনা কৰিবলৈ তাইৰ দ্বিধা হয়; কিছু ভয়ো খায়। নিজৰ অভিমত বা ধাৰণা তাই প্ৰকাশ কৰিব নোৱাৰে, এটা অবৰ্ণনীয় মানসিক অৱস্থাৰ মাজত তাই সংকুচিত হৈ ৰয়। আজি অতিশয় সতৰ্কভাৱে তাই বিষয়টোৰ ওচৰ চাপিব খুজিলে। সন্তৰ্পণে, ক্ষীণ উদ্বেগৰ সুৰত, তাই ক'লে, "চৌধুৰীৰ দৰৱ খাইও দেখোন বিশেষ কাম দিয়া নাই।"

কিন্তু দ্বিজেন, ডাক্তৰৰ প্ৰতি বিতৃষ্ণ, সচকিত হৈ ক'লে, "কিয়? পেটটো এতিয়া ঠিক হৈ গ'ল!"

"কিন্তু বুকুৰ কম্‌প্লেইন্‌টো?" মানীয়ে খোপনি এৰি নিদিলে। দ্বিজেনে কিছু অসহজ বোধ কৰিলে আৰু লগে লগে গুৰুত্বহীন সুৰত ক'লে, "এইটো মাজে মাজেহে হয়। ঠিক হৈ যাব।"

মানী আৰু এখোজ আগবাঢ়িল, "মোৰ কিন্তু খুব চিন্তা হয় জানা!" তাই সামান্য ৰ'ল। দ্বিজেনলৈ সতৰ্কভাৱে চালে আৰু কোনো দ্ৰুত প্ৰতিক্ৰিয়া নেদেখি খুব সাৱধানে আৰু এখোজ যোগ দিলে, "তুমি বাৰু এবাৰ ডাঃ দাসক দেখুৱাবা নেকি?"

"কোন দাস?" অৱজ্ঞাভৰে দ্বিজেনে সুধিলে। মানীৰ বুকুৰ ভিতৰত টিপিংকৈ এটা

শব্দ হ'ল, শব্দটো দ্বিজেনে শুনা যেন লাগিল, তাৰ পিছত এক মুহূৰ্ত ৰৈ খুব সাধাৰণ সুৰত তাই ক'লে, "প্ৰৱীণ দাস।"

"হে'ড্‌শ্ৰিংকাৰ!!" কোঠাৰ শান্ত পৰিবেশত দ্বিজেনৰ কণ্ঠ-নিসৃত শব্দটোৰ তীক্ষ্ণতা অসৌজন্যসূচক আছিল; কিন্তু তাৰ উক্ত এটামাত্ৰ শব্দতে আছিল আশ্চৰ্য আৰু অৱমাননাৰ বোধ, স্পৰ্ধাৰ ক্ৰুদ্ধ প্ৰশ্ন আৰু অসহায় অভিমান আৰু এই জটিল প্ৰতিক্ৰিয়াৰ তীব্ৰতাত মানী হতবুদ্ধি হৈ নিমাতে ৰ'ল। দ্বিজেন এই নীৰৱতাত সচকিত হৈ উঠিল আৰু এটা পাতল সন্দেহৰ বতাহে তাৰ অন্তৰ আন্দোলিত কৰিলে।

"তোমালোকে মোক পাগল হৈছোঁ বুলি সন্দেহ কৰা নেকি, মানী?" দ্বিজেন তাৰ স্বাভাৱিকতালৈ ঘূৰি আহিল। তাৰ কণ্ঠ নিস্তৰঙ্গ, নিৰাৱেগ, তাৰ প্ৰশ্নত সৰল, নিম্নপৰ্দা কৌতূহল। মানী আশ্বস্থ হ'ল।

"ধেৎ, কি যে কোৱা! তোমাক কথা কোৱাও বৰ দিগদাৰি। দাসতো চাইকিয়াট্ৰিষ্টেই নহয়, তোমাৰ বন্ধুও। মই ভাবিছোঁ কি, তেওঁৰ লগত ফ্ৰীলি কথা পাতিলে তোমাৰ মনৰ টেন্‌শ্যন্‌বোৰ কমি যাবও পাৰে।" মানীয়ে ক'লে। তাইৰ কথাত এটা ব্যগ্ৰতা আৰু আন্তৰিকতা আছিল; দ্বিজেনে অলপ আগৰ অস্বাভাৱিক উগ্ৰতাৰ বাবে অস্বস্তি বোধ কৰিলে। সি হাঁহিলে আৰু ক'লে, "তোমাৰ লগত কথা পাতিলেও তো টেন্‌শ্যন্ কমিব।"

তাৰ অপ্ৰস্তুত হাঁহিত মানীয়ে সহজবোধ কৰিলে আৰু অভিমান দেখুৱাই ক'লে, "মোৰ লগত জানো তুমি কথা পাতা? দিনটোত কেইটা শব্দ কোৱা, কোৱাচোন!"

উত্তৰত দ্বিজেনে পুনৰ অপ্ৰস্তুতভাৱে হাঁহিলে। মানীয়ে আকৌ চিৰিয়াছ সুৰত ক'লে, "নহয়, দাসৰ লগত কথা পাতিলে তেওঁ বুজিব তোমাৰ কি ধৰণৰ মেণ্টেল্ ষ্ট্ৰেইন্ হৈছে বা তাৰ বাবেই তোমাৰ গা-চা বেয়া লাগে নেকি—"

দ্বিজেনে বাধা দি ক'লে, "বুজিছোঁ, বুজিছোঁ, তাৰ মানে মই নিউৰ'টিক্ হৈ গৈছোঁ নে মোৰ সঁচাই কিবা অসুখ আছে—"

"সেয়া, তুমি চব কথাতে ইমান চিৰিয়াছ হৈ যোৱা। ভাল নালাগে।" মানীয়ে কৃত্ৰিম খঙেৰে ক'লে।

"আচ্ছা, ঠিক আছে। যাম বাৰু দাসৰ তালৈ। দেয়াৰ্ছ ন' হাৰ্ম্ আই চাপ'জ্। যোৱা, ভাত বাঢ়াগৈ।" দ্বিজেন বহাৰ পৰা উঠিল আৰু প্ৰসঙ্গটো তল পেলালে।

ঘৰ সোমাই দ্বিজেনে দেখিলে, ঘৰত কোনো নাই। ওচৰৰ ঘৰত ৰিংকিৰ মাতটো শুনা যেন লাগিল; মানী বোধহয় তাতে বহি শইকীয়ানীৰ লগত গল্প কৰিছে। গধূলি হ'ব ধৰিছে। সি বহা কোঠাৰ পৰ্দাখন এফালে আঁতৰাই দিলে, চাপৰ চকী এখন টানি আনি



দুৱাৰৰ মুখে মুখে বহি সি বাহিৰলৈ চালে। ক্ৰমে তাৰ চকুৰ আগত আন্ধাৰ ঘন হৈ বাহিৰৰ চিনাকি বস্তুবোৰ অস্পষ্ট কৰি আনিলে। সন্ধ্যাৰ মৰ্ফিন্-স্পৰ্শই পৃথিৱী নিশ্চল কৰিলে, তাৰ চেতনাও যেন আন্ধাৰ কৰি আনি অসাৰ কৰি তুলিলে। আৰু ঘনায়মান অন্ধকাৰ শূন্যতাত অন্ধ-দৃষ্টি অসাৰ-চেতনাৰ মাজেৰেই তাৰ মনলৈ আহিল ক'ৰবাত শুনা এটা পুৰণি গানৰ ক'লি, 'ছায়া ঘনাইতেছে বনে বনে.....'

ডাঃ দাস, ডাঠ মোছকোছাৰে তেওঁৰ ব্যক্তিত্বপূৰ্ণ সুস্পষ্ট মুখখন তাৰ মনলৈ আহিল। তাৰ বন্ধু, কিন্তু তেওঁৰ লগতো সি এখন নাটক কৰিব নালাগিবনে? আজি তেওঁ যিবোৰ কথা ক'লে—ফ্ৰয়েড্, চাব্-কন্‌চাচ্, পে'ন্‌ফিল্ড্ আৰু মেমৰী মেকানিজম্, মনোবিশ্লেষণৰ নতুন ধাৰা, ইণ্টাৰ্-পাৰ্চনেল্ ট্ৰানজেক্‌শ্যন্, এৰিক্ বাৰ্ণ আৰু ট্ৰান্‌জেক্‌শ্যনেল্ এনালাইচিচ্, প্ৰতিজন পূৰ্ণবয়স্ক মানুহৰ সত্তাত একেসময়তে উপস্থিত থকা তিনিটা ব্যক্তিত্ব—পেৰেণ্ট্, এডাল্ট্, চাইল্ড্ ইত্যাদি ইত্যাদি ইত্যাদি ইত্যাদি এড্ নচিয়াম্—কেতিয়াও নজনা-নুশুনা নতুন কথাৰ দৰে আগ্ৰহ দেখুৱাই সি সেইবোৰ শুনি যাব লগা হ'ল। এনেকৈ আকৌ অনেকানেক দিন সি তেওঁৰ ওচৰত বহি তেওঁৰ কথা শুনিব লাগিব, তেওঁৰ প্ৰশ্নৰ উত্তৰ দিব লাগিব, কোনো ধৰণে অন্তৰ্লিপ্ত নহৈও সি বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিব লাগিব, যিধৰণে হাজাৰটা সাংসাৰিক সংঘটনৰ লগত সি আজি সংযুক্ত হৈ পৰিছে।

বাহিৰৰ ঘন আন্ধাৰলৈ একেথৰে চাই চাই সি নিজকে পাহৰি গ'ল। শূন্য চিন্তাৰে নিৰ্জীৱৰ দৰে অনন্ত অন্ধকাৰৰ মাজত জঠৰ হৈ সি বহি থাকিল। লাহে লাহে বুকুখন শূন্যতাৰে ভৰি গধুৰ হৈ উঠিল। সি দীঘল উশাহ ল'লে।

মানী সোমাই আহি তাৰ গাত খুন্দা খাব খুজিছিল, কোনোমতে নিজকে চম্ভালি তাই লাইটটো জ্বলাই দিলে।

"এনেকৈ বহি আছা আন্ধাৰে-মুন্ধাৰে? এতিয়াই খুন্দা মাৰিলোহেঁতেন!" মানীয়ে তিৰস্কাৰ কৰিলে।

দ্বিজেনে একো উত্তৰ নিদিলে। চকীখন বাটৰ পৰা আঁতৰাই কিছু পিছুৱাই বহিল।

শোৱাকোঠাৰ লাইটটো জ্বলাই থৈ আহি মানী তাৰ ওচৰত বহিল।

"ৰিংকিয়ে জিণ্টুৰ লগত খেলি আছে। কাইলৈ বন্ধ, পঢ়িব নালাগে; থাকক।" তাই ক'লে। দ্বিজেনে একো নামাতিলে। দুয়ো বহি থাকিল। ওপৰলৈ চাই দ্বিজেনে অনুভৱ কৰিলে নিয়নৰ পোহৰটো অনুজ্জ্বল। বেৰৰ কোমল পিংক ৰংটোৰ সজীৱতা কমি আহিছে। কোঠাটোত যেন যথেষ্ট ধূলি-মাকতি জমা হৈছে, মকৰা-জাল ওলমিছে, যিটো মানীৰ সজাগ দৃষ্টিৰ সন্মুখত অসম্ভৱ; কাৰণ অপৰিচ্ছন্নতাৰ প্ৰতি মানীৰ এক

স্নায়বিক অসহনীয়তা আছে। নীৰৱতা কোঠাত প্ৰতিষ্ঠিত হ'ব ধৰিলে, কিন্তু সি অস্বস্তিৰে সচেতন হৈ থাকিল যে মানী তাৰ কাষত উপবিষ্টা আৰু তাইৰ নীৰৱতা মুখৰ। কিছু সময় এইদৰে বহি থকাৰ পিছত তাৰ অস্বস্তি বাঢ়ি আহিল আৰু অসহ্য হৈ সি হঠাৎ কৈ উঠিল, "দাসৰ তালৈ গৈছিলো।"

"গৈছিলা? কি ক'লে?" অতি সহজ নৈমিত্তিক প্ৰশ্ন, গুৰুত্ব আৰু কৌতূহল মাত্ৰ অনুমোদিত জোখত মিশ্ৰিত। কিন্তু সি ঠিকেই বুজিলে কি তীব্ৰ অৱদমিত কৌতূহল তাইৰ প্ৰশ্নটোৰ পিছফালে উদগ্ৰ হৈ আছে।

"কি ক'ব?" একে সহজ সুৰত সি উত্তৰ দিলে। "আকৌ মাতিছে। মই তেওঁৰ তাত কেইটামান চে'শ্যন্ এটেণ্ড্ কৰিব লাগিব।" সি তাইলৈ চালে আৰু ম্লানভাৱে হাঁহিলে, "চাইকিয়াট্ৰিষ্টৰ কুখ্যাত আসনখন মই শোভা কৰিব লাগিব।"

তাই একো নামাতিলে। ঘড়ীটো খুলি হাতৰ ঠাৰিডাল মোহাৰিবলৈ ধৰিলে। তাৰ পিছত লাহেকৈ সুধিলে, "চব কথা ক'লা? সেই ল'ৰাজন আৰু চিঞৰ-বাখৰবোৰ?"

সি ওপৰলৈ চায়েই উত্তৰ দিলে, "চব ক'লো। তেওঁ সন্দেহ কৰিছে, মোৰ অডিট'ৰী আৰু ভিজুৱেল্ হেলুচিনেশ্যন্ হৈছে।" সি এটা শুকান হাঁহি মাৰিলে।

কোঠালৈ পুনৰ নীৰৱতা আহিল। অনুজ্জ্বল পোহৰ, উৰি ফুৰা ধূলি-মাকতি, অস্তিত্বহীন অপৰিচ্ছন্নতাৰ ধূঁৱলি জালৰ মাজেৰে সি মানীলৈ চালে। মানীয়ে দূৰৰ বেৰত কিবা এটা চাইছে। সি একেথৰে মানীলৈ চাই ৰ'ল আৰু বুকুৰ ভিতৰতে নিঃশব্দে মানীক ক'লে, "মই কি ভাবিছোঁ জানা, মানী? ভাবিছোঁ, মোৰ ভিতৰত এটা বিস্ফোৰণ হওক। প্ৰচণ্ড বিস্ফোৰণত মোৰ বুকুৰ হেঁচা, সমস্ত টেন্‌শ্যন্, অশান্তি-অস্বস্তি, বেমাৰ-আজাৰ যেন উদগীৰণ হৈ ওলাই যাওক। মই যেন ফাটি-চিতি বিদীৰ্ণ হৈ কিহবাত মিলি যাওঁ। অস্তিত্বৰ পৰা বাহিৰ হৈ এটা নতুন অস্তিত্বলৈ, এটা নতুন কিহবালৈ, এটা পুৰণি বৰ্তমানৰ পৰা এটা নতুন অতীতলৈ, কিবা এটা অন্যলৈ, অন্য কিবা এটালৈ, কিবা এটা—মানে চাম্‌থিং, আই মিন্—আই মিন্' আৰু তাৰ অনুভূতিৰ তীব্ৰতাৰ ফলত তাৰ মুখেদি বাহিৰ হৈ আহিল আৱেগৰুদ্ধ কণ্ঠৰ "আই মিন্—আই মিন্" আৰু সচকিত হৈ মানীয়ে তালৈ চাই দেখিলে যে তাৰ মুখখন ৰঙা পৰিছে, চকুকেইটা উজ্জ্বল হৈছে, সি কিবা এটা ক'ব খুজিছে। তাই তাৰ ফালে হালি সুধিলে, "কি?... কি কৈছা?"

দ্বিজেন কোঠাৰ বাস্তৱতালৈ ঘূৰি আহিল। ভীষণ ক্লান্ত বোধ কৰিলে। সচকিত হৈ সি ক'লে, "নাই, একো নহয়। অ' গড়্! বৰ ভাগৰ লাগিছে, জানা!"

মানীয়ে অনিশ্চয় বোধ কৰিলে, তাৰ পিছত সান্ত্বনাৰ সুৰত ক'লে, "অলপ বিছনাত পৰাগৈ যোৱা, ভাল লাগিব। মই ৰিংকিক লৈ আহোঁগৈ।" মানী থিয় হ'ল



আৰু কোঠাৰ পৰা বাহিৰ হৈ গ'ল। দ্বিজেনে চকীখনত মূৰটো পেলাই দিলে।

মই তেনেহ'লে অসুস্থ, মই কিছুদিন বিছনাত পৰিব লাগিব,—কোঠাটোত সোমাই দ্বিজেনে উচ্চাৰণ কৰিলে আৰু চকু ঘূৰাই চালে, কোনোবাই তাৰ কথা শুনিলে নেকি। নাই, কোঠাত সি অকলে। ফেনখন ধীৰে, প্ৰায় নিঃশব্দে ঘূৰিছে। ফ্ৰিজ্‌টোৰ পৰা এটা অনুচ্চ শব্দ হৈছে। সি বিছনাত পৰিল আৰু বেৰখনলৈ চালে, পাতল নীলা ৰংটো কোমল সহানুভূতিশীল; কোঠাৰ নিঃসঙ্গতা সান্ত্বনাদায়ক, এটা আশ্ৰয়। কিন্তু চৌধুৰী বা দাসে মোক আৰোগ্য কৰিব নোৱাৰে, কাৰণ, তেওঁলোকে বুজা নাই মোৰ কি অসুখ, কিয়নো ময়েই তেওঁলোকক বুজাব পৰা নাই মই কিহত ভুগিছোঁ, কাৰণ মই নাজানো, বেৰলৈ চাই চাই সি ভাবিলে। কিন্তু মই জানিব লাগিব মোৰ অসুখ কি, মই মোক বিচাৰি উলিয়াব লাগিব; আই মাষ্ট্ এক্ট্, সি এটা অনুচ্চাৰ উক্তি কৰিলে আৰু ঘূৰি দুৱাৰখনৰ ফালে চালে,—নাই, কোনো অহা নাই। ফেন্‌খন ঘূৰিছে, ফ্ৰিজ্‌টো চলিছে, ষ্টেবিলাইজাৰ্‌টোত ভল্টেজৰ সঘন উঠা-নমা। কোমল নীলা বেৰ, অফ্‌হোৱাইট্ চিলিং। কিন্তু কি? কেনেকৈ? সি আকৌ নিজৰ ভিতৰলৈ চালে। ডাঃ চৌধুৰী। ডাঃ দাস। প্ৰণৱ। প্ৰফেছৰ দত্ত। তাৰ ওচৰ-চুবুৰীয়া—শইকীয়া, হাজৰিকা, কাকতী, বৰা; অজস্ৰ নাম নজনা মানুহ: উকীল-মহৰী, অফিচাৰ-কেৰাণী, ইঞ্জিনীয়াৰ-ঠিকাদাৰ, নেতা-দালাল, পুৰোহিত-ফেৰীৱালা, শিক্ষক-জমাদাৰ, অজস্ৰ মুখবিহীন মুখ। ইয়াৰ মাজত সি ক'ত? ক'ত আছিল সি? তাৰ স্থিতি? কি তাৰ স্থানাঙ্ক? সি পাহৰিছে। যেন এখন প্ৰাচীন উৱলি যোৱা গ্ৰুপ্ ফ'টোত সি নিজক বিচাৰি উলিয়াব নোৱাৰে। এইটো তাৰ অসুখ বা অসুখৰ লক্ষণ হ'ব পাৰে। সি ক'ৰবাৰ পৰা আৰম্ভ কৰিব লাগিব। ক'ৰ পৰা, যদিও, সি নাজানে।

বেৰৰ ফালে চাই থাকিয়েই সি গম পালে মানী কোঠালৈ সোমাই আহিছে। মানীয়ে কিবা এষাৰ ক'বলৈ সি কাণ উনাই ৰ'ল। গা-ধোৱাৰ তাগিদা বা শুই থকাৰ বাবে আপত্তি বা একাপ চাহ খোৱাৰ প্ৰস্তাৱ। নাই, কোনো শব্দ নকৰাকৈ মানী কোঠাৰ পৰা ওলাই গ'ল। সি অস্বস্তি বোধ কৰিলে। কেইটা বাজিল? ঘড়ীটো তাৰ হাতত নাই। কিন্তু সময়ৰ তাৰ প্ৰয়োজন কি? সি যেতিয়ালৈকে পাৰে বিছনাত পৰি ৰ'ব, বহু সময়, বহু ঘণ্টা, বহুদিন। ঘড়ীটো আনিবলৈ সি উঠি নগ'ল। কাষৰ কোঠাত মানীৰ উপস্থিতি সি অনুমান কৰিব পাৰিলে, কিন্তু মানীয়ে তাৰ লগত একো কথা পতা নাই। মানীয়ে কিবা অনুমান কৰিছে নেকি? কিছু দ্বিধাগ্ৰস্ত চিত্তে সি লাহেকৈ মাতিলে, "মানী, শুনা!"

মানীয়ে বোধহয় শুনা নাই। সি আকৌ মাতিলে, "মানী ইয়ালৈ আহাচোন, বিছনালৈ।" অলপ সময় ৰৈ গাৰুৰ পৰা মূৰটো দাঙি সি দুৱাৰখনৰ ফালে চালে আৰু কিছু উচ্চকণ্ঠে মাতিলে, "মানী!"

"মোক কিবা কৈছে, ছাৰ?"

দুৱাৰৰ পৰ্দাৰ ফাঁকত চম্পাৰ বিনীত সাগ্ৰহ মুখ। কিয়? কিয়? তাৰ মূৰটো গৰম হৈ উঠে আৰু তীব্ৰ, ধৈৰ্যচ্যুত কণ্ঠে সি প্ৰায় চিৎকাৰ কৰি উঠে, "কিয় সদায় তুমি—" তাৰ ক্ৰুদ্ধ অসংলগ্ন অৰ্ধোক্তিত চম্পা বিভ্ৰান্ত।

"বাইদেউ ইয়াত নাই, ছাৰ" তাই কোনোমতে উচ্চাৰণ কৰে, "মাতি দিম নেকি?"

"তোমালোকে মোক—" সি পুনৰায় তাৰ উক্তি অসম্পূৰ্ণ ৰাখে আৰু সক্ৰোধে নিৰ্দেশ দিয়ে "যোৱা!" বিমূঢ় চম্পাই স্বস্তিৰে তাৰ বাক্য পালন কৰে।

দ্বিজেন বেৰৰ ফালে মুখ কৰি পৰি ৰ'ল। পুনৰ তাৰ ভাগৰ লাগিল, সি এটা দীঘলীয়া শব্দ কৰি উশাহ ল'লে। বুকুখন গধুৰ হৈ আহিছে; কিহৰ হেঁচা এইটো? বিৱশকাৰী অবোধ্য যন্ত্ৰণা। সি চকু মুদি দিলে। ফেনৰ ঘূৰ্ণন, ফ্ৰিজৰ শব্দ, নিঃসঙ্গতা, কোঠাৰ ভিতৰত জমা হৈ উঠা নীৰৱতা। সি টোপনি গ'ল।

কোঠাৰ ভিতৰত ষ্টেৰিঅ'ফ'নটো বাজিছে। বাৰাণ্ডাত থিয় হৈ দুৱাৰত হাত দি দ্বিজেন অলপ ৰ'ল; এটা জনপ্ৰিয় পশ্চিমীয়া গোষ্ঠীৰ পৰিচিত গান। দুৱাৰখন খুলি সি চ'ফাত বহি গান শুনি থকা মানীলৈ চাই হাঁহিলে। হাতত থকা ৰে'কৰ্ডৰ জেকেটটো তাৰ গাৰফালে টোৱাই মানীয়ে বাজি থকা গানটো 'মিমিক' কৰি ক'লে, "ফ্ৰীজ্! আই'ম্ মা বে'কাৰ। পুটিয়'ব্ হেণ্ড্‌চ্ ইন্ দা এয়াৰ্ এণ্ড্ গিম্মি অল্ য়'ব্ মানি।"

দ্বিজেনে দুই হাত শূন্যলৈ তুলি ধৰিলে, তাৰ সোঁহাতত এটা কাগজৰ টোপোলা। তাৰ মুখৰ হাঁহিটো বহল হৈ গ'ল। সি ক'লে, "তোমাক কিন্তু পুতলী বাইৰ দৰেহে লাগিছে।" সি তাইৰ ফালে আগবাঢ়িল আৰু একেবাৰে ওচৰত থিয় হৈ ক'লে, "মোৰ তো সৰ্বস্ব তুমি কেতিয়াবাই লুট কৰি নিছা, আৰু জানো কিবা বাকী ৰ'ল?"

গৌৰৱময় আনন্দ মানীৰ উজ্জ্বল হাঁহিত বিচ্ছুৰিত হ'ল, লগে লগে তাইৰ মুখলৈ লাজ আহিল আৰু তাৰ পৰা সাৰিবৰ বাবে তাই সুধিলে, "সেয়া কি?"

"অল্ মাই মানি" দ্বিজেনে ক'লে আৰু লগে লগে যোগ দিলে "ফৰ্ মাই মানী। ....খুলি চোৱা।" সি তাইৰ হাতত টোপোলাটো দি কাষতে বহি পৰিল।

সাগ্ৰহ কৌতূহলেৰে মানীয়ে টোপোলাটো খুলিলে। সুন্দৰ দামী পেকেটৰ ভিতৰত এটা চে'ণ্ট্, এটা ৰুমফ্ৰে'ছ্‌নাৰ্—দুপদ মহাৰ্ঘ্য বিদেশী বস্তু, মানীৰ অনিবাৰ্য দুৰ্বলতা। অবাক বিস্ময়ত প্ৰায় অপ্ৰতিভ হৈ তাই দ্বিজেনলৈ চাই ক'লে, "ইচ্ ৰাম! ক'ৰ পৰা আনিলা? বহুত দাম ল'লে চাগৈ?"

দ্বিজেনে তাইৰ প্ৰতিক্ৰিয়াত আমোদ পালে। সি ক'লে, "মই তোমাৰ বাবে বিচাৰি আনিছোঁ যেতিয়া ইহঁত ইহঁতৰ দামতকৈও দামী, নহয় জানো?"



মানীৰ চকুযুৰি স্বপ্নালু হৈ উঠিল। আশালুপ্ত এক স্বপ্ন-পৃথিৱীৰ ছবিয়ে তাইক বিহ্বল কৰি তুলিলে। তাই কোমল সুৰে সুধিলে, "কালি কি তাৰিখ আছিল জানানে?"

"কালি? হঠাৎ সজাগ হৈ দ্বিজেনে প্ৰশ্ন কৰিলে আৰু প্ৰায় লগে লগেই, "অ' কালি! হয়তো!" বুলি সি অপৰাধী বোধ কৰিলে। "ছিছ্, মোৰ একদম মনত নপৰিল। তুমি নক'লা কিয়?" অনুতপ্ত সুৰে সি ক'লে।

"তোমাৰ দৰ্কাৰী তাৰিখবোৰো মনত নাথাকে।" মানীৰ কণ্ঠত অভিমান কিন্তু তাই সুখী, তাইৰ তিৰ্যক দৃষ্টি, কোমল, স্নেহাৰ্দ্ৰ হাঁহিত চপল আব্দাৰ। দ্বিজেনৰ সৈতে এই ঘনিষ্ঠ মুহূৰ্ত, এই আকস্মিক উপহাৰৰ বিস্ময়, লুপ্ত পৃথিৱীৰ স্মৃতি তাই গভীৰ আকুলতাৰে লেহন কৰিলে।

"মোৰ তো একো কথাই মনত নাথাকে, মানী।" গভীৰ আন্তৰিক আক্ষেপেৰে সি যেন তাইৰ অভিমানৰ কৈফিয়ৎ দিব বিচাৰিলে।

"কিমান আনন্দৰ দিন আছিল এইটো!" মানীৰ কণ্ঠত এতিয়াও স্বপ্নৰ আবেশ। "ইমান মন যায়, যেন ক'ৰবাত গৈ দুইটা বহিম, ইচ্ছামতে ফুৰিম, কথা পাতিম!"

"মোৰ তো মন যায়। বাহিৰত গৈ বহিবলৈ, অতীতটোলৈ ঘূৰি চাবলৈ, নিজক আকৌ বিচাৰি পাবলৈ মোৰো খুব মন যায়। সঁচা। ব'লা যাওঁ এতিয়া! বাহিৰত গৈ বহোঁগৈ। কথা পাতোঁগৈ। যোৱা, চাবিটো আনা!" সঁচা আন্তৰিকতাই দ্বিজেনৰ কণ্ঠ আৱেগজড়িত কৰি তুলিছিল। কিন্তু ই আছিল মানীৰ বাবে এটা নিৰ্দয় ইংগিত, এটা অপ্ৰত্যাশিত আঘাত। তাইৰ স্বপ্ন-সম্ভাৱনা ভূ-লুণ্ঠিত হ'ল। তাইৰ অবিশ্বাস্য কণ্ঠেৰে নিৰ্গত হ'ল এটা চুটি তীক্ষ্ণ প্ৰশ্ন, "কি?"

কিন্তু দ্বিজেনৰ কোনো আপাত-প্ৰতিক্ৰিয়া নাই। সি পুনৰ আন্তৰিক সুৰত ক'লে, "চাবিটো আনা, যোৱা। দুৱাৰখন খুলি ওপৰত ছাদত বহোঁগৈ। বন্ধ ঘৰৰ পৰা এবাৰ বাহিৰ ওলাই যাওঁ—"

দ্বিজেনৰ আন্তৰিকতা যেন, মানীৰ ভাব হ'ল, নকল; যেন তাইৰ আৱেগ-সিক্ত স্বপ্নৰ প্ৰতি এক প্ৰচ্ছন্ন বিদ্ৰূপ। তাই আহত হ'ল, তিক্ত কঠোৰ কণ্ঠে তাই ক'লে, "সদায় একেটা ধেমালি ভাল নালাগে দেই।"

তাইৰ কঠোৰতাত দ্বিজেনৰ দ্ৰুত প্ৰতিক্ৰিয়া হ'ল আৰু শুকান ক্ষুব্ধ স্বৰত সি ক'লে, "ধেমালি কিয় কৰিম? ধেমালিতো সদায় তুমি কৰি আহিছা!"

মানীয়ে তাৰ চকুলৈ চালে, তাৰ মুখৰ অভিব্যক্তিয়ে তাইক দুৰ্বল কৰি তুলিলে। এই দৃষ্টি, এই অভিব্যক্তি তাইৰ পৰিচিত মানুহটোৰ নহয়; নিমৰমিয়াল, নিঃসংযুক্ত কোনো অপৰিচিতজনৰ! আকৌ, আকৌ আৰম্ভ হৈছে সেই একে নাটক, স্বাভাৱিক দৈনন্দিনতাৰ মাজত যি সদায় খেলিমেলি সৃষ্টি কৰি যায়। নাই, তাই আৰু নোৱাৰে।

কৰুণ আকৃতিৰে তাই ক'লে, "প্লিজ্ দ্বিজু!"

এইটো দ্বিজেনৰ মুহূৰ্ত, সি সেইটো সাৰি যাবলৈ নিদিয়ে, উপভোগ কৰিব। মানীৰ কণ্ঠ 'মিমিক্' কৰি সি উচ্চাৰণ কৰিলে, "প্লিজ্ দ্বিজু! সেইবোৰ নহ'ব। আজি নেৰিছোঁ সহজে, চাবি আনা। ইউ হেভ্ কেৰিড় দা জ'ক্ টু ফাৰ্। আনা।'

অসহায়া, সামান্য ভীতা মানীয়ে ক'লে, "ক'ৰ পৰা আনিম?"

"য'ত থৈছা তাৰ পৰা আনা।" দ্বিজেনৰ কণ্ঠ অপৰিৱৰ্তিত।

"মই চাবিটো ক'তো থোৱা নাই, দ্বিজু!"

"তুমি থৈছা মানী, তুমি কিয় এনেকুৱা কৰিছা? এতলাৰ ছাদৰ পৰা পৰি মই নমৰোঁ নহয়! দিয়া।"

কণ্ঠলৈ সমস্ত মিনতি, সমস্ত আবেদন আনি আৱেগ-বিচলিত সুৰত মানীয়ে পুনৰ্বাৰ ক'লে, "মোৰ হাতত চাবিটো নাই, দ্বিজু, বিশ্বাস কৰানা—"

আৰু হৃদয়হীন আকোঁৰ-গোজালিৰে দ্বিজেনে ক'লে, "মই বিশ্বাস নকৰোঁ। তুমিয়েই থৈছা।"

মানী নিৰুত্তৰ হৈ ৰ'ল। এক অজান ভয় আৰু অন্ধ ক্ৰোধে তাইৰ অন্তৰ কঁপাই তুলিলে। তাইৰ দেহতো সেই কম্পন অনুভূত হ'ল, এয়া কি? এয়াই কি ভৱিতব্য? এই অৰ্থহীন, অন্ধকাৰ, নিৰুপায়, অন্তহীন চক্ৰাকাৰ বাস্তৱেই কি অতঃপৰ সিহঁতৰ জীৱন? কিন্তু পিছমুহূৰ্ততে তাই দৃঢ় হ'ল। এনেকৈ এৰি দিলে নহ'ব, দ্বিজেনক কিছু আঘাত কৰা দৰ্কাৰ, তাইৰ মনত খেলালে। কঠোৰ আৰু উদ্ধত ভঙ্গীৰে তাই ক'লে, "তুমি বিশ্বাস কৰা বা নকৰা, মই নাই থোৱা। চাবিটো তোমাৰ হাততে আছে, নহ'লে হেৰুৱাইছা।"

এটা ক্ৰুৰ হাঁহি অস্বাভাৱিকভাৱে দ্বিজেনৰ মুখত খেলি গ'ল, যেন তাইৰ কঠোৰতাই তাক উৎসাহিত কৰি তুলিলে।

"বিয়াৰ পিছত এই ঘৰলৈ আহোঁতে তুমি কি কৈছিলা? মনত আছে?" সি সুধিলে। তাৰ প্ৰশ্নত এটা প্ৰত্যাঘাতৰ প্ৰস্তুতি।

"কি কৈছিলো?" মানী কৌতূহলী হ'ল।

"কোৱা নাছিলা, 'চাবিটো মোৰ হাতত আছে, তোমাক লাগিলে ক'বা, মই খুলি দিম'? মনত পৰিছে?"

"কেতিয়া? উস্ ৰাম, মই কেতিয়াও কোৱা নাই, কেতিয়াও কোৱা নাই। মোৰ মনত নাই।"

"নাথাকিব তো! আগৰ কথাবোৰ মইহে পাহৰি যাওঁ!" দ্বিজেনে তীব্ৰসুৰত ব্যঙ্গ কৰিলে আৰু তাৰ পিছত সুৰ সলাই পুনৰ কঠোৰভাৱে ক'লে, "চাবি আনা।"



"মই চাবি নাই থোৱা।"

"থৈছা, দিয়া।" কঠোৰভাৱে দ্বিজেনে ক'লে।

"নাই থোৱা।" সমান কঠোৰতাৰে মানীয়ে উত্তৰ দিলে।

"থৈছা, দিয়া।" দ্বিজেনে চিঞৰিলে!

"নাই থোৱা।" মানীয়ে সমানে চিঞৰি ক'লে।

"থৈছা।"

"নাই থোৱা।"

আৰু দ্বিজেনে নিজকে হেৰুৱাই পেলালে। তীব্ৰ মত্তকণ্ঠে চিৎকাৰ কৰি উঠিল, "হোৱাই, ইউ লিট্‌ল্ ফুল্!" আৰু জ্যা-মুক্ত ধনুৰ গতিত তাৰ সোঁহাতখনে নিষ্ঠুৰ অশ্লীলভাৱে মুহূৰ্ততে মানীৰ বিভ্ৰান্ত মুখত আঘাত কৰিলে। এটা চেপা হৃদয়-ভেদী আৰ্তনাদ মানীৰ মুখেৰে বাহিৰ হৈ আহিল।

টোপনিৰ পৰা সাৰ পাই দ্বিজেনে তাৰ চাৰিওফালে চালে। সি অকলে তাৰ কোঠাৰ বিছনাত। আবেলি। কোঠাৰ পোহৰটোৱে তাৰ চকুত ধৰা যেন লাগিল। সি চকু মুদি পৰি ৰ'ল। সি শুনিলে, ক'ৰবাত এটা উত্তেজক সংগীত বাজিছে। সি চকু মেলি কাণ দি শুনিবৰ চেষ্টা কৰিলে। নাই, তাৰ ঘৰত নহয়। কেনেকৈ হ'ব, মানী ৰিংকিক লৈ মেটিনী শ্ব' চাবলৈ গৈছে। কিন্তু ওচৰতো নহয়, ক'ৰবাত দূৰত বাজিছে। সি পুনৰ চকু মুদিলে। কিন্তু টোপনি নাহে। সি শুনিলে পাক-ঘৰৰ বেচিনত বাচন ধোৱাৰ শব্দ, চম্পা আহিছে। সি চকু মেলি দিলে। সি দেখিলে ফেনখনত ধূলিৰ আভাস। বেৰৰ চুকত এখন সৰু মকৰা জালত এটা পোক পৰি যুঁজিছে। তাৰ মনত পৰিল, মানীৰ মন আজি কেইদিনমান বেয়া। ধূলি আৰু মকৰা-জাল তাৰ প্ৰমাণ। আজি বেছ কিছুদিনৰ মূৰত তাই চিনেমা চাবলৈ গৈছে। সি উঠিল আৰু বহা কোঠাত তাৰ ষ্টেৰিঅ'ফ'নটো চালে। আগফাল আৰু পাছফালৰ বাৰাণ্ডাত থিয় হৈ সি কাণ থিয় কৰিলে। নাই, কোনো সংগীত শুনা নাযায়। দূৰত এজাক ল'ৰা-ছোৱালীৰ খেলাৰ চিঞৰ-বাখৰ। পাছফালৰ গলিটোত এটা শিশুৰ কান্দোন আৰু এজনী মাইকী মানুহৰ একপক্ষীয় অভিযোগ ভৰা উচ্চস্বৰ উক্তি। চম্পা পাক-ঘৰত ব্যস্ত। সি গৈ আকৌ বিছনাত পৰিল। চম্পাৰ হতুৱাই একাপ চাহ কৰাই খাব লাগিব, সি ঠিক কৰিলে আৰু চকু মুদি পৰি ৰ'ল। কিন্তু সংগীতটো ক'ৰবাত বাজিছে, তাৰ কাণলৈ ঠিক ভাহি আহিছে। ক্ষীণ, উত্তেজক, দূৰাগত। সি চকু মেলিলে। পোহৰটো কমিছে। সংগীতৰ উৎস সন্ধানত সি কাণ দুখন সজাগ কৰিলে। ক'ত হ'ব পাৰে? ধৰিব নোৱাৰি। ওচৰত নহয় দূৰত। কিমান দূৰত? দূৰত্ব স্থানৰ নে কালৰ? প্ৰশ্নটো ঘূৰিব ধৰিলে। মুহূৰ্তৰ বাবে অস্থিৰ হৈ সি উঠিল, কিন্তু বিছনাৰ পৰা নমাৰ আগেয়েই "ধুৎ" বুলি মনৰ পৰা সকলো জোঁকাৰি পেলাই আকৌ বাগৰ দি শান্ত হৈ পৰি ৰ'ল।

মানুহ সময়ৰ পৰা সময়লৈ পাৰ হৈ যায় সময়ৰ মাজেৰে, ক'ব নোৱৰাকৈয়ে। আৰু ক'ব নোৱৰাকৈয়ে পাছফালে এখন দুৱাৰ নিঃশব্দে বন্ধ হৈ যায়। ক'ৰবাত দূৰত এখন বন্ধ দুৱাৰ থাকে, মানুহে প্ৰায় পাহৰি যায়; সেই গল্পৰ ৰহস্যময় দুৱাৰখনৰ দৰে দূৰত থাকে, অৰ্ধচেতন অতীতত থাকে, অস্পষ্ট অনুভূতিত থাকে। চিৰতৰে বন্ধ এখন দুৱাৰ, সিহঁতৰ দৰে। কেতিয়াবা কোনো প্ৰাচীন বন্ধু-বান্ধৱৰ লগত কথোপকথনত, গ্ৰীষ্মৰ অলস মধ্যাহ্ন বা ফাগুনৰ বাউল সন্ধ্যাৰ স্মৃতি ৰোমন্থনত মাজে মাজে স্পষ্ট হৈ উঠিব খুজি হেৰায় যায় দুৱাৰখনৰ অস্তিত্বৰ অসহজ অনুভূতি, কাৰণ হয়তো তাৰ সিফালে থাকে অপৰাধৰ কফিনত নিহত সম্ভাৱনাৰ কুমলীয়া জঁকা। কিন্তু আমাৰ এই দুৱাৰখন—দ্বিজেনে ছাদৰ দুৱাৰখনৰ ফালে মূৰ দাঙিলে আৰু ঠিক সেই সময়তে শুনিলে এটা আচহুৱা শব্দ। শব্দটো কি সি ধৰিব নোৱাৰিলে, কিন্তু তাৰ পিছতে তাৰ কাণলৈ আহিল সেই উত্তেজক সংগীতৰ ক্ষীণ ধ্বনি। সি বিছনাৰ পৰা নামি বাহিৰলৈ যাব খুজিলে, কিন্তু দুৱাৰৰ ওচৰৰ পৰা ভিতৰলৈ ঘূৰি আহিল। বিছনাত বহি কিছু সময় ৰ'ল, আকৌ উঠি বাহিৰলৈ যাব খুজিলে আৰু পুনৰায় দুৱাৰৰ ওচৰৰ পৰা ঘূৰি আহিল। কিছুসময় কোঠাতে ঘূৰি-পকি সি সংগীতৰ ধ্বনিলৈ কাণ দিলে। এইবাৰ সি বেগেৰে দৃঢ়চিত্তে বাহিৰলৈ গ'ল। চম্পাৰ কাম শেষ হোৱা নাই, তাই এতিয়াও পাক-ঘৰত। সি পাক-ঘৰৰ মুখলৈ গ'ল আৰু সহজ, অকম্পিত স্বৰে ক'লে, "চম্পা, তোমাৰ পাক-ঘৰৰ কাম হ'লে অলপ মোৰ ওচৰলৈ আহিবাচোন।"

সি কোঠালৈ ঘূৰি আহিল। বিছনাত বহি পুনৰ উঠিল আৰু পুনৰ সেই আচহুৱা শব্দটো তাৰ কাণলৈ আহিল। আচহুৱা শব্দটোৰো যেন এটা চিনাকি সুৰ আছিল। দূৰৰ পৰা ভাহি অহা ছন্দময় কোলাহল, এটা মিশ্ৰিত আৱাজ। বহু মানুহৰ যন্ত্ৰণা, ক্ৰোধ, বিক্ষোভ আদি সমবেত কথোপকথন, তৰ্ক, বাদ-প্ৰতিবাদ, দাবী-ধমকিৰ মাজেদি যেন একেলগ হৈ বাগৰি আহিছিল। শব্দটো ছাদৰ দুৱাৰখনেদি অহা যেন লাগিছিল। সি অস্থিৰ হৈ উঠিল, খোজকাঢ়ি কোঠাটো ঘূৰি পুনৰ বহিল আৰু হঠাৎ অধৈৰ্যভাৱে চিঞৰিলে, "চম্পা!"

"গৈছোঁ, ছাৰ!" চম্পাই পাক-ঘৰৰ পৰাই উত্তৰ দিলে।

তাৰ মনলৈ উত্তেজনা অহা নাই, কিন্তু সি এক ধৰণৰ অস্থিৰতা বোধ কৰিছে। সি মনটো স্থিৰ কৰিব খুজিলে। সংগীতৰ ক্ষীণ মূৰ্ছনা, দূৰৰ অচিনাকি শব্দৰ অস্পষ্ট আভাস, চম্পাৰ খাৰু আৰু ভৰিৰ কল্পিত শব্দ তাৰ মূৰৰ ভিতৰত যেন সি অনুভৱ কৰিলে। চম্পাই কি বুলি ভাবিব, সি ভাবিলে। বিশ্বাস কৰিবনে? যি ভাবক, সি নিজকে ক'লে আৰু পৰ্দা আঁতৰাই দুৱাৰমুখত চম্পা থিয় হ'ল, তাইৰ হাতত এটা শোটা। অস্থিৰ, বিৰক্ত কণ্ঠে সি ক'লে "শোটা কিয় আনিছা?"



"ঘৰটো জাৰু—" তাই কিংকৰ্তব্যবিমূঢ়... 

"নালাগে, নালাগে। থৈ আহা সেইডাল।" অধৈৰ্যভাৱে সি ক'লে। অস্থিৰভাৱে তাইলৈ অপেক্ষা কৰিলে। তাৰ গাটো বেয়া লাগিছে। বুকুখন গধুৰ লাগিছে! উশাহটো দীঘলকৈ ল'ব লগা হৈছে, কষ্ট হৈছে। সি শুনিলে, পৰ্দাৰ সিফালে চম্পা আহি ৰৈছে। সি মাতিলে, "চম্পা।"

পৰ্দাৰ সিপাৰৰ তাই সঁহাৰি দিলে, "ছাৰ!"

"শুনা!" সি ক'লে। পৰ্দাখন আঁতৰাই তাই মুখখন দেখুৱালে। তাইৰ চকুত বিভ্ৰান্তি আৰু অস্বস্তি।

সি ক'লে, "শুনা। মোৰ গাটো আজি ভাল নহয়, খুব মূৰ কামুৰিছে। তুমি এটা কাম কৰা। হেৰা—তুমি আজি আৰু একো কাম কৰিব নালাগে, বুজিছা? যোৱাগৈ। মই অলপ শোওঁ। গাটো ভাল লগা নাই। বুজিছা?" তাৰ কথাবোৰ অসহজ, অস্থিৰ।

"হয়, ছাৰ!" চম্পাই স্বস্তিৰে ক'লে আৰু বিমূঢ়চিত্তে দ্ৰুতভাৱে আঁতৰি গ'ল।

দ্বিজেন কিছুসময় বহি ৰ'ল। চম্পাই বন্ধ কৰি থৈ যোৱা গে'টখনৰ শব্দটো তাৰ বুকুত বাজি উঠিল। একমুহূৰ্তত তাৰ মনটো বিহ্বল হৈ উঠিল, কিন্তু পিছমুহূৰ্ততে সি থিয় হ'ল আৰু ৱাৰ্ড্ৰ'বটো খুলি কাপোৰৰ জাপৰ মাজে মাজে, চুকে-কোণে, পাৰি থোৱা কাগজৰ তলত, বিভিন্ন আকাৰৰ টিনৰ, প্লাষ্টিকৰ টেমাবোৰৰ মাজত সি বিচাৰি চালে তাৰ ইঙ্গিত বস্তুটো, গোপন আকাংক্ষাৰ চাবিকাঠিটো। কিন্তু সি হতাশ হ'ল, চাবিটো নাই। তাৰ উৎসাহ দমি গ'ল। সি বহি পৰিল। আকৌ তাৰ মনৰ অস্থিৰতা বাঢ়িব ধৰিলে। পুনৰ সি উঠিল আৰু অধৈৰ্যভাৱে পুনৰ প্ৰতিটো খাপ, প্ৰতিটো জাপ, চুক-কোণ খুঁচৰি চালে। কাপোৰৰ জাপবোৰ নষ্ট হ'ল, টেমাবোৰ ওলট-পালট হ'ল, বস্তুবোৰ খেলি-মেলি, লণ্ড-ভণ্ড হৈ পৰিল। নাই, নাই; ক'ত গ'ল? সি মুখ মেলা ৱাৰ্ড্ৰবটোৰ সন্মুখত থিয় হৈ ভিতৰলৈ চাই ৰ'ল। তাৰ মূৰটো বেয়া লাগিব ধৰিলে, সি শুনিলে ক্ষীণ অবোধ্য সংগীতৰ লগত মিশ্ৰিত হৈ আহিছে ছন্দময় কোলাহলৰ অস্পষ্ট ধ্বনি। সি চক্‌খালে আৰু তৎক্ষণাৎ দৃঢ়হাতেৰে ৱাৰ্ড্ৰবৰ পৰা কাপোৰৰ জাপবোৰ টানি আনিলে আৰু বিছনালৈ দলিয়াই দিলে। শাৰী আৰু মেখেলা-চাদৰৰ দ'ম, ব্ৰা আৰু ব্লাউজ, ফ্ৰক্ আৰু জাঙিয়াৰ জাপ; ওলমি থকা তাৰ পেণ্ট আৰু শ্যাৰ্ট, ড্ৰেছিং-গাউন্, হাউছ্ কোট্, ইউনিফৰ্ম, মোজা, ৰুমাল, টেবুল-ক্লথ, বিছনা-চাদৰ, গাৰুৰ গিলিপ, বে'ড্ ক'ভাৰ, খাৰুৰ টেমা, ৰিবনৰ টেমা, ৰাবাৰ বেণ্ড আৰু হেয়াৰ্‌ক্লিপৰ টেমা, চেফ্‌টি-পিন্ আৰু বুটামৰ টেমা, বেজী-বটিয়াৰ টেমা আৰু একেবাৰে তলৰ খাপত অজস্ৰ পেলনীয়া বস্তুৰ অলাগতিয়াল ভঁৰালটো আঁজুৰি আনি বিছনালৈ দলিয়াই দিলে। নাই, ৱাৰ্ড্ৰব্ শূন্য-প্ৰায়, কিন্তু তাৰ চাবিৰ সঁচ ক'তো নাই। উদ্‌ভ্ৰান্তৰ দৰে সি টানি আনিলে আনটো চুকত

জাপি থোৱা চুট্‌কে'চ্‌বোৰ, বিছনাৰ তলত ভৰাই থোৱা ট্ৰাংকটো আৰু প্ৰতিটোতে দীৰ্ঘ-সঞ্চিত দৰ্কাৰী-অদৰ্কাৰী, নতুন-পুৰণি, সাঁচতীয়া-পেলনীয়া অজস্ৰ কাপোৰ আৰু বস্তুৰ দ'ম সি বিছনাত খালী কৰি পেলালে। কাষৰ বহাকোঠাৰ লগালগি ডাইনিং ৰুমটোত সোমাই সি এবাৰ চকু ঘূৰালে। মিট্‌-চে'ফ্‌টো খুলি ভিতৰৰ হৰেক বিধৰ কাট্‌লাৰীত চকু ফুৰাই চালে আৰু সজোৰে দুৱাৰখন বন্ধ কৰি দিলে, ভিতৰত কিবা এটা বাগৰি চূৰ্চুমৈ হৈ গ'ল। পুনৰ সি শোৱা কোঠালৈ আহিল আৰু ড্ৰেছিং-টেবুলৰ ড্ৰয়াৰবোৰ টানি হাত ভৰাই খুঁচৰিলে। তলৰ ড্ৰয়াৰটোৰ চুকৰ পৰা দুকোছা চাবি ওলাই আহিল। তাৰ বুকুখনে যেন এটা শব্দ কৰি উঠি বৈ গ'ল। কিন্তু পিছমুহূৰ্ততে সি চিনি পালে, এইবোৰ সিহঁতৰ দৈনন্দিন বৰ্তমানৰ পৰিচিত চাবি, ঘৰৰ ভিতৰৰ চাবি, বাহিৰলৈ যোৱাৰ নহয়। সি চাবি দুকোছা ভৰাই ড্ৰয়াৰটো সজোৰে বন্ধ কৰিলে। আইনাখন কঁপি উঠিল। অৰ্থহীনভাৱে ফ্ৰিজ্‌টোৰ দুৱাৰখন খুলি চাই পুনৰ বন্ধ কৰিলে। নাই, নাই, তাৰ অন্তৰখনে যেন চিঞৰি উঠিল। বুকুৰ ভিতৰত যেন এটা হাহাকাৰ উঠিল। অস্থিৰ, অন্ধ আক্ৰোশত সি বিছনা দুখনৰ তুলি, গাৰু লুটিয়াই পেলালে। বচী, ফটা-কাপোৰ, পে'পাৰ্‌ বেগ্‌, পলিথিনৰ বেগ্‌, এটা বুটাম, এযোৰ পুৰণি মোজা, এখন ভগা ফণি; মাত্ৰ সি বিচৰা অকণমান সৰু বস্তুটো নাই।

নাই। সি কোঠাৰ মাজত থিয় হৈ ৰ'ল। কোঠাটো আন্ধাৰ হ'ব ধৰিছে। বাহিৰত নিশ্চয়, গধূলি হ'বৰ হৈছে। মানীহঁত চাগৈ ঘূৰি আহিবৰ হৈছে। চাবিটো মানীৰ হাতত। সাধুকথাৰ সোণ-ৰূপৰ সাঁচাৰ-কাঠিৰ দৰে সুৰক্ষিত; দেহলাও-জীউলাওৰ দৰে, মানীয়ে ক'ৰবাত সযতনে, ধৰিব নোৱৰাকৈ লুকুৱাই ৰাখিছে। আৰু বুৰ্বকৰ দৰে তাকে বিচাৰি সি ঘৰ ওলট-পালট কৰি দিছে। আৰু অতএব সি চিৰদিন এইদৰেই মানীৰ হাতত বন্দী হৈ ৰ'ব লাগিব। বুকু উজাৰ কৰি এটা দীঘল নিশ্বাস সি ত্যাগ কৰিলে। আৰু বতাহৰ কাৰণে হাহাকাৰ কৰি উঠা বুকুৰ ভিতৰলৈ আন এটা সুদীৰ্ঘ উশাহ টানি ল'লে। 'আহ্‌' সি নিৰুচ্চাৰভাৱে ক'লে। বুকুৰ ভিতৰত পুৰণি কষ্টটো সি অনুভৱ কৰিলে। বতাহখিনি যেন সম্পূৰ্ণ ভিতৰলৈ, বুকুৰ তলিলৈকে, যাব নোৱাৰিলে। বুকুখন গধুৰ লাগিল, শ্বাস ৰোধ হ'ল। ভিতৰখন যন্ত্ৰণাত মোচৰ খাই উঠিব খুজিলে। মুখখন ডিঙিলৈকে শুকাই গ'ল। সি বিছনাত বহি পৰিল; বিছনাৰ ওপৰত পাছফালে দুই হাতত ভৰ দি বুকু-মুখ ওপৰলৈ দাঙি ধৰি ফেনখনৰ সঞ্চাৰিত বতাহখিনি দেহৰ ভিতৰলৈ ভৰাই ল'বলৈ চেষ্টা কৰিলে। আৰু সেই সময়তে তাৰ কাণলৈ আহিল পুনৰ সেই কোলাহলৰ শব্দ, মুক্তকণ্ঠ, সোচ্চাৰ আৰু যেন ওচৰতে ক'ৰবাত। তড়িৎস্পৃষ্টৰ দৰে সি জিকাৰ্‌ খাই উঠিল। কি শব্দ? কিহৰ কোলাহল? কাৰ কণ্ঠ সেয়া? মানুহৰ নে জন্তুৰ? আনন্দৰ নে আৱেগৰ, খঙৰ, আক্ৰোশৰ? ক'ৰ পৰা আহিছে এইবোৰ জীৱনগা



কোলাহল? নাঃ, মানী, আজি আৰু নহ'ব, সি নিজৰ মনতে ক'লে আৰু থিয় হ'ল। ড্ৰেছিং গ্লাছখনত তাৰ সম্পূৰ্ণ প্ৰতিফলন সি দেখা পালে। উদ্ভ্ৰান্তৰ দৰে তাৰ চেহেৰা। 'আজি এটা বিস্ফোৰণ ঘটিব, সাজু হোৱা, আইনালৈ চাই সি উচ্চাৰণ কৰিলে। কাক ক'লে সি, মানীক নে তাক? তাৰ পিছত সি ঘূৰিল আৰু বাহিৰলৈ খোজ বঢ়ালে।

পাছফালৰ বাৰাণ্ডাৰে ঘৰটোৰ মূৰলৈ গৈ সি ছাদলৈ যোৱা চিৰিৰ ওচৰত থিয় হ'ল। চিৰিৰ ওচৰত এটা জাবৰ গোটোৱা মামৰ লগা ড্ৰাম। কিমান দিনৰ অব্যৱহৃত এই চিৰি, চাৰিওফালৰ ঘৰৰ অৰণ্যৰ পৰা বাহিৰৰ মুকলিলৈ যোৱা বাট। বাহিৰ, য'ৰ পৰা দেখা যায় চাৰিওফালৰ পৃথিৱী, ওপৰত আকাশ, তলত জীৱন, বুকুভৰাই ল'ব পৰা সীমাহীন বাধাহীন উদাৰ বতাহ। উত্তেজিত কিন্তু দৃঢ় পদক্ষেপেৰে সি চিৰি বগাব ধৰিলে আৰু শীঘ্ৰেই চিৰিৰ মূৰৰ পুৰণি বন্ধ দুৱাৰখনৰ মুখামুখি হ'ল। সি দুৱাৰৰ তলাটোত প্ৰথমে এটা টান দিলে, তাৰ পিছত দুবাৰমান সজোৰে টানি চালে; সি বুজিলে এইটো খোলা সহজ নহ'ব। দুহাতেৰে সি দুৱাৰখনত হেঁচা দিলে, দুৱাৰখন অলৰ হৈ থাকিল। দুৱাৰত দিয়া হাত দুখন বুকুৰ ওচৰত একেলগ কৰি প্ৰাৰ্থনাৰ ভঙ্গীত সি কিছুসময় থিয় দি ৰ'ল। তাৰ পিছত তাৰ মনলৈ জেদ আহিল, এটা চিৰি তললৈ নামি আহি কাষৰ বেৰত ধৰি দুৱাৰখনত এটা প্ৰচণ্ড গোৰ শোধালে। দুৱাৰখন প্ৰায় স্থৱিৰ, লৰচৰহীন। উপৰ্যুপৰি কেইটামান গোৰ শোধাই নিষ্ফল হৈ তীব্ৰ আক্ৰোশত উন্মাদৰ দৰে সি দুৱাৰখনত ভুকুৱাবলৈ ধৰিলে আৰু এবাৰ হঠাৎ বৈ গ'ল। কিবা এটা ভাবি সি তললৈ ক্ষিপ্ৰবেগে নামি গ'ল। পাক-ঘৰৰ পৰা এডাল পৰি থকা দীঘল লোহা লৈ সি পুনৰ ওপৰলৈ গ'ল আৰু এক মত্ত আক্ৰোশত দেহৰ প্ৰাণান্তকৰ চেষ্টাৰে দুৱাৰৰ তলা লগোৱা ছিটকানিডাল খুলি পেলালে।

তাৰ ভাগৰ লাগিল। ঘন ঘন উশাহ লৈ সি কিছু সময় তাতে থিয় দি ৰ'ল। তাৰ পিছত লোহাডাল পেলাই দুৱাৰখন ঠেলি দিলে। আকাশ! ক'ত আছিল এই আকাশ? সন্ধিয়াৰ ধূসৰ আকাশ। য'ত ওপঙি আছিল দিনান্তৰ শেষ ৰঙেৰে ৰঞ্জিত নিৰুদ্দেশ সন্তৰণবিলাসী ধূসৰ ডাৱৰ, বসন্তৰ বতাহত উৰি ফুৰা বনগীতৰ বিষাদ-অমৃত। সি ছাদত দৃঢ় খোজ দিলে আৰু সজোৰে নাকেৰে টানি আনিলে মুকলি ভৰা বতাহ; বুকুৰ ভিতৰত শুকাই সঙ্কুচিত হৈ পৰা প্ৰতিটো পিপাসাৰ্ত কোষ, প্ৰতিটো মৃত অন্ধকূপ যেন বতাহেৰে পৰিপূৰ্ণ কৰিব খুজিলে; অনুভৱ কৰিবলৈ চেষ্টা কৰিলে এটা পুৰণি পাহৰি থকা কেঁচা গোন্ধ, উত্তাৱল তৰঙ্গ, মাদকতাময় শিহৰণ। আৰু তাৰ কাণত আহি পৰিল উতৰোল কোলাহল। চকিত চেতনাৰে অস্বাভাৱিক দ্ৰুতবেগে সি আগবাঢ়ি গ'ল আৰু হঠাৎ সন্মুখত, তলত, এক অভাৱনীয় দৃশ্যই তাক স্তম্ভিত কৰি তুলিলে। দিনান্তৰ ম্লান পোহৰত অপাৰ্থিৱ এক দৃশ্যৰ দৰে সি দেখিলে এটা নিৰৱচ্ছিন্ন সোঁত ঃ প্ৰায় গোটেই বাট জুৰি চকুৰে

দেখা দূৰৈৰ পৰা সিহঁতৰ ঘৰৰ আগেৰে অজস্ৰ চলমান মানুহৰ প্ৰবাহ। ক'ৰ মানুহ এইবোৰ? সেই সপোনত দেখাৰ দৰেই সীমাহীন মানুহ। সপোনৰ মানুহবোৰেই নেকি? এইবোৰ তাৰ অপৰিচিত মানুহ, সিহঁতৰ গাত আচহুৱা অপৰিচ্ছন্ন বেশভূষা। সিহঁতৰ অৱয়ব ধূলি আৰু ঘামেৰে মলিন, সিহঁতৰ জীৰ্ণ শুকান মুখবোৰ ৰুক্ষ আৰু কঠোৰ। সপোনৰ দৰে সি দৃশ্যটো চাই ৰ'ল। অকস্মাৎ সি শুনিলে জন-সমুদ্ৰৰ ওপৰেদি বহুদূৰৰ পৰা বাগৰি আহিছে দূৰ মেঘ-গৰ্জনৰ দৰে এটা অবোধ্য নিৰ্ঘোষ। তাৰ বুকুৰ ভিতৰখনত ধক্‌কৈ এটা শব্দ হ'ল। এটা শিহৰণ তাৰ মূৰৰ পৰা ৰাজহাড়েদি ভৰিলৈকে বৈ গ'ল। কিবা এটা হৈছে। কি হৈছে? কি হৈছে? সি জানিব খুজিলে। সি আৰু আগবাঢ়ি যাব খুজিলে। আৰু ঠিক সেই মুহূৰ্ততে সেই অভাৱনীয় কাণ্ডটো ঘটি গ'ল। অকস্মাৎ এটা পলকত সন্ধিয়াৰ অস্পষ্ট পোহৰতো সেই অপাৰ্থিৱ জন-সমুদ্ৰৰ মাজত সি দেখা পালে সেই ল'ৰাটো! কি আচৰিত! প্ৰতিদিন নিঃসঙ্গতাৰ সুযোগ লৈ তাৰ অন্যমনস্কতাৰ মাজত তাক জোকাই, ভ্ৰূকুটি কৰি উত্যক্ত কৰি তোলা সেই ল'ৰাটো! নীলা শ্যাৰ্ট, মলিয়ন পেণ্ট্, জীৰ্ণ চেণ্ডেল, উৰি যোৱা জপৰা চুলি, কাষলতিৰ চেপত কাগজৰ নুৰা। ধূসৰ প্ৰৱাহটোৰ কাষে কাষে সি দ্ৰুতপদে আগবাঢ়িছে, চলমান মূৰ্তিবোৰৰ হাতত কাষলতিৰ তলৰ জাপৰ পৰা উলিওৱা কাগজ একোখন গুঁজি দিছে, মাজে মাজে আঙুলি জোঁকাৰি উত্তেজিত ভঙ্গীত কিবা কৈছে। আৰে—এইটো তো.....! সি তাক চিনি পাইছে, কি আছিল? কি নাম? আহ,—। কিন্তু নাই, নাম আৰু আজি মনত নপৰে, পৰাৰ কথা নহয়। পঁইত্ৰিছ সি কেতিয়াবাই পাৰ হৈছে। কিন্তু সি তাক ঠিক চিনি পাইছে। সি আছিল সিহঁতৰ মাজত ঃ তৰ্কত, বক্তৃতাত, প্ৰতিবাদত, অনশনত, উত্তপ্ত, অগ্নিবৰ্ষী, বিস্ফোৰণ-মুখী। সি তাৰ ওচৰলৈ যাব। সি তাক চিনি পাইছে, সি তাক ঘূৰাই পাইছে। তাৰ হৃদয় পাতল হৈ নাচি উঠিল। ছাদত থিয় হৈ সি সন্মুখৰ সেই অলৌকিক বিস্ময় উপভোগ কৰিলে। তাৰ বুকুৰ দুৰ্বহ বোজাটো ক'ৰবাত নামি গ'ল। মত্ত আনন্দত তাৰ কণ্ঠ সৰৱ হৈ উঠিল আৰু উল্লাসত আত্মবিস্মৃত হৈ সি তললৈ জঁপিয়াই পৰিল। ●

